ND24
newsdaily24.in
সৰ্বশ্ৰেষ্ঠ নহয়, সৰ্বোত্তমৰ দৌৰত


জাতিৰ সেৱাত উৎসৰ্গিত ৬১ বছৰ

# দৈনিক অসম

গুৱাহাটী আৰু ডিব্ৰুগড়ৰপৰা প্ৰকাশিত
http://dainik.assamtribune.com

‘দৈনিক অসম’
সংগ্ৰহ কৰাৰ ক্ষেত্ৰত সন্মুখীন হোৱা যিকোনো সমস্যাৰ বাবে অনুগ্ৰহ কৰি এই ফোন নম্বৰত যোগাযোগ কৰক—
৭০০২৩ ১৭০৪০

RN-11989/65 । ৬১ বছৰ । ৪৭ সংখ্যা, ৪ আহিন, দেওবাৰ, ১৯৪৭ শক । DAINIK ASAM : Assamese Daily । VOL. 61 NO. 47 । GUWAHATI, SUNDAY, SEPTEMBER 21, 2025 । পৃষ্ঠা ১২+৪ (Pages 12+4) । ৯.০০ টকা (Rs. 9.00)



## স্বতঃস্ফূৰ্তভাৱে বন্ধ ব্যৱসায়িক প্ৰতিষ্ঠান, গুৱাহাটীলৈ অজস্ৰ গুণমুগ্ধ

# জুবিন গাৰ্গক হেৰুৱাই ম্ৰিয়মাণ মাজুলীবাসী

দৈনিক অসমৰ প্ৰতিনিধি

**মাজুলী, ২০ ছেপ্টেম্বৰ ঃ** 'মাজুলীত এজনী ছোৱালীয়ে দুখ পালে, দৰিয়া ঘাটতে কলিজা থেকেচি' শীৰ্ষক চিৰযুগমীয়া গীতটোৰে হাজাৰ-বিজাৰ শ্ৰোতাৰ বুকুত মাজুলীক ন-ৰূপত প্ৰতিষ্ঠা কৰা অসম আৰু অসমীয়াৰ হিয়াৰ আমঠু, প্ৰিয় শিল্পী জুবিন গাৰ্গক এক অবাঞ্ছনীয় পৰিস্থিতিত হেৰুৱাই ম্ৰিয়মাণ হৈ পৰিছে মাজুলীবাসী। 'দৰিয়া ঘাটতে কলিজা থেকেচি' শীৰ্ষক গীতটোৰ কথাখিনিয়ে আজি সমগ্ৰ মাজুলীবাসীক থেকেচিছে কলিজাত। মাজুলীৰ ঐতিহাসিক স্থান দৰিয়া ঘাটো যেন আজি হৈ পৰিছে নিঃসংগ, নিঃস্তব্ধ। ইফালে অসম আৰু অসমীয়াৰ জীৱনলৈ কাল অমানিশা কঢ়িয়াই অনা ১৯ ছেপ্টেম্বৰৰ দিনটোৰ লগতে আজিও চকুৰ লোতক নিগৰাই সমগ্ৰ মাজুলীৰ ৰাজহুৱা স্থানত, বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান আৰু নিজা নিজা বাসগৃহত বন্তি প্ৰজ্বলন কৰি মহান শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। শোকাৰ্ত মাজুলীবাসীয়ে আজি পুৱাৰে পৰা জিলাখনৰ সমূহ দোকান-পোহাৰ স্বতঃস্ফূৰ্তভাৱে বন্ধ ৰাখে। ইফালে, শিল্পীগৰাকীৰ প্ৰতি শেষ শ্ৰদ্ধা জনোৱাৰ উদ্দেশ্যে মাজুলীৰ পৰা বহুসংখ্যক গুণমুগ্ধ যুৱক আজি পুৱাই গুৱাহাটী অভিমুখে ৰাওনা হৈছে। জুবিন গাৰ্গৰ লগত দীৰ্ঘসময় ধৰি সহযোগ কৰা শিল্পী মহেন্দ্ৰ বৰা আৰু ফেন ক্লাবৰ সম্পাদক অমৰজ্যোতি ভূঞাই প্ৰাণৰ শিল্পীগৰাকীৰ মৃত্যুত তিনিটা দিনৰ বাবে ব্ৰত পালন কৰিছে। শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰি মাজুলী জিলা সাহিত্য সভা, সাংবাদিক সন্থা, যুৱ-ছাত্ৰ পৰিষদ, ছাত্ৰ সন্থা, ছাত্ৰ মুক্তি, মাজুলী মিলন সংঘ, মাজুলী মহাবিদ্যালয়, মহিলা সমিতি, মইনা পাৰিজাত, ব্যৱসায়ী সন্থা, সন্মিলিত শিল্পী সমাজ, যুৱ সমন্বয় সাংস্কৃতিক মঞ্চ, কৃষক মুক্তি সংগ্ৰাম সমিতি, লাচিত সেনা, মাজুলী মহাবিদ্যালয়, গড়মূৰ প্ৰেছ ক্লাব আদি বিভিন্ন দল-সংগঠনে নিজা নিজা কাৰ্যালয় প্ৰতিষ্ঠান আদিত শোকসভা, বন্তিপ্ৰজ্বলন কৰিছে। আজি সন্ধিয়া নৱজ্যোতি কৃষ্টি সংঘৰ বাকৰিত আৰু মাজুলীৰ ৰাৱনাপাৰ দলঙত, গড়মূৰ, ৰতনপুৰ, কমলাবাৰী, দৰিয়া আদিত জুবিন গাৰ্গৰ সৌৱৰণত অনুৰাগীসকলে বিশেষ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত কৰে। **মাজুলীৰ যুৱকৰ আত্মহত্যাৰ চেষ্টা ঃ** কালি জুবিন গাৰ্গৰ অবাঞ্ছিত মৃত্যুৰ খবৰ পোৱাৰ পাছতে মাজুলীৰ মুদৈবিল গাঁৱৰ শোণ শইকীয়া নামৰ প্ৰায় ১৯ বছৰীয়া এজন যুৱকে ফেনাইল খাই আত্মহত্যাৰ চেষ্টা চলায়। পৰিয়ালৰ লোকে যুৱকজনক ততাতৈয়াকৈ চিকিৎসাৰ বাবে গড়মূৰ পীতাম্বৰদেৱ ৰাজ্যিক চিকিৎসালয়ত ভৰ্তি কৰোৱায় আৰু প্ৰাথমিক চিকিৎসাৰ অন্তত কালিয়েই চিকিৎসালয় কৰ্তৃপক্ষই যুৱকজনক উন্নত চিকিৎসাৰ বাবে ডিব্ৰুগড় চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰে।

# জুবিনৰ বিদায় জাতিৰ ঐতিহাসিক ক্ষণ হওক ঃ গৌৰৱ গগৈৰ আহ্বান

দৈনিক অসমৰ প্ৰতিনিধি

**গুৱাহাটী, ২০ ছেপ্টেম্বৰ ঃ** এতিয়াও বিশ্বাস কৰিবলৈ টান লাগিছে যে অসমীয়াৰ হিয়াৰ আমঠু, জনপ্ৰিয় গায়ক জুবিন গাৰ্গ আমাৰ মাজত নাই। জুবিনৰ মৃত্যুৰ পাছত যিদৰে অসমৰ ৰাইজ আৰু অনুৰাগীসকল ভাগি পৰিছে, কান্দিছে, গান গাইছে, জয় জুবিনদা শ্লোগান দিছে, তাত মই অনুৰোধহে কৰিব পাৰোঁ— আমি সকলোৱে জুবিনদাৰ গান, আদৰ্শ আৰু স্পষ্টবাদী ব্যক্তিত্বক সজীৱ কৰি ৰাখিব লাগিব, ধৈৰ্য ধৰিব লাগিব।— জুবিনৰ কাহিলিপাৰাৰ বাসগৃহত উপস্থিত হৈ এনেদৰে মন্তব্য কৰে সাংসদ তথা অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি গৌৰৱ গগৈয়ে। তেওঁ লগতে কয়— জুবিনদাৰ মৃত্যু অসমৰ বাবে অপূৰণীয় ক্ষতি। অসমৰ ৰাইজলৈ গগৈৰ আহ্বান— আহক আমি মিলিজুলি অসমৰ জনসাধাৰণে জুবিন গাৰ্গৰ বিদায়ৰ এক ঐতিহাসিক উদাহৰণ হৈ ৰওঁ, যাৰ পাছত তেখেতৰ আত্মাই অলপো সন্দেহ নকৰে যেন। অসমৰ ৰাইজে তেখেতক কিমান মৰম কৰিছে, কিমান শ্ৰদ্ধাৰে সুঁৱৰিছে আৰু আজি কিমান দুখত আছে। গৰিমা গাৰ্গলৈ সমবেদনা জ্ঞাপন কৰি গৌৰৱ গগৈয়ে কয়— আমি জুবিনদাৰ লগত আছিলোঁ আৰু আছোঁ। আজি এনেকুৱা লাগিছে বিচাৰিলেও আৰু বিহু মঞ্চত জুবিনদাক নাপাম। কেতিয়াবা অসমীয়া চলচিত্ৰৰ ভিতৰত, কেতিয়াবা এটা সাংস্কৃতিক মঞ্চত বা ব্যক্তিগত ক্ষেত্ৰত তেখেতক দেখা নাপাম বা ৰাজ্যৰ পৰিস্থিতিৰ বিষয়ে বিচাৰিলেও আলোচনা কৰিবলৈ নাপাম। আমি সকলোৱে মিলি জুবিনক জীয়াই ৰাখিব লাগিব। জুবিনৰ অন্ত্যেষ্টিক্ৰিয়া আৰু সমাধিস্থলৰ বিষয়ে গৰিমা বৌ আৰু পৰিয়ালে যি সিদ্ধান্ত গ্ৰহণ কৰিব তাত আমাৰ পূৰ্ণ সমৰ্থন থাকিব।

# 'ৰুদ্ৰসিংহ এথনিক ভিলেজ'ৰ কৰ্মচাৰীৰ উচুপনি

দৈনিক অসমৰ প্ৰতিনিধি

**গৌৰীসাগৰ, ২০ ছেপ্টেম্বৰ ঃ** জনপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ কালিৰ মৃত্যুৰ পাছৰেপৰা ব্যাপক চৰ্চালৈ আহিছে ৰুদ্ৰসিংহ এথেনিক ভিলেজ নামৰ ৰিজ'ৰ্টখন। শিৱসাগৰ জিলাৰ ঐতিহাসিক জেৰেঙা পথাৰৰ বুকুত থকা ৰুদ্ৰসাগৰৰ ন-পুখুৰীপাৰত অৱস্থিত উক্ত ৰিজ'ৰ্টখন জনপ্ৰিয় শিল্পীগৰাকীৰ অতিশয় প্ৰিয় আছিল বুলি জানিব পৰা গৈছে। কিয়নো, শিল্পীগৰাকীয়ে উজনি অসমৰ যিকোনো জিলালৈ অনুষ্ঠান কৰিবলৈ আহিলে নিশা উক্ত ৰিজ'ৰ্টখনতে কটাইছিল। জন্মস্থান যোৰহাট জিলাত অনুষ্ঠিত যিকোনো অনুষ্ঠানত অংশগ্ৰহণ কৰিবলৈ বুলি গুৱাহাটীৰপৰা বাহিৰে বাহিৰে আহি উক্ত ৰিজ'ৰ্টখনত বাহৰ পাতিছিল। চাৰিওকাষে চেগুন আৰু ৰেইন ট্ৰীয়ে আৱৰি ৰখা, অতি নিৰিবিলি পৰিৱেশত অৱস্থিত উক্ত ৰিজ'ৰ্টখন এনে পৰিৱেশৰ বাবে শিল্পীগৰাকীৰ অতিকে আপোন আছিল বুলি ৰিজ'ৰ্টৰ কৰ্মচাৰীসকলে ব্যক্ত কৰে। ২০১৭ চনত শিল্পীগৰাকীৰদ্বাৰা প্ৰযোজিত 'মিছন চাইনা' নামৰ চিনেমাখনৰ শ্বুটিঙৰ সময়ত নিশা প্ৰায় বাৰ বজাত প্ৰথমবাৰৰ বাবে ৰিজ'ৰ্টখনলৈ আহিছিল। কিছু সময় ৰিজ'ৰ্টখনত কটাই গুচি যোৱা শিল্পীগৰাকীয়ে পৰৱৰ্তী সময়ত 'কাঞ্চনজংঘা' নামৰ চিনেমাখনৰ শ্বুটিঙৰ সময়ছোৱাৰপৰা নিয়মিতভাৱে ৰিজ'ৰ্টখনলৈ অহা-যোৱা কৰিছিল। নিজৰ কৰ্মব্যস্ততাৰ মাজত ৰিজ'ৰ্টখনলৈ অহাৰ উপৰি অৱসৰ বিনোদনৰ বাবে আহিও দহ-বাৰদিনকৈ অতিবাহিত কৰিছিল। ন-পুখুৰীত বৰশী বাই, গছৰ লগত কথা পাতি সময় কটোৱা শিল্পীগৰাকীয়ে ২০২১ চনত চনত দিব্যাংগ শিশুসকলক লৈ বিভিন্ন অনুষ্ঠানো কৰিছিল ৰিজ'ৰ্টখনত। গোটেই নিশা উজাগৰে থাকি গান গাই অথবা অনুৰাগীৰ সৈতে ৰিজ'ৰ্টখনত সময় কটোৱা শিল্পীগৰাকীৰ আলু-ভুজিয়া আৰু পানী দিয়া আলু পিটিকা ভাত অতিশয় প্ৰিয় আছিল। ৰিজ'ৰ্টখনৰ প্ৰতিগৰাকী কৰ্মচাৰীৰ লগত অতি আপোন ভাব ৰখা শিল্পীগৰাকীয়ে নিজ হাতেৰে আলু ভুজিয়া প্ৰস্তুত কৰি নিজে খোৱাৰ উপৰি সকলোকে পৰিৱেশন কৰাইছিল। যিটো বৰ্তমান ৰিজ'ৰ্টখনত এক বিশেষ স্নেক হিচাপে আলু-ভুজিয়া প্ৰতিগৰাকী গ্ৰাহকৰ মাজত জনপ্ৰিয় হৈ পৰিছে। তদুপৰি দিখৌ আৰু ব্ৰহ্মপুত্ৰ নদীত পোৱা স্থানীয় মাছো শিল্পীগৰাকীৰ খুবেই প্ৰিয় আছিল। আনহাতে, ৰিজ'ৰ্টখনৰ স্বত্বাধিকাৰী, বিশিষ্ট ব্যৱসায়ী তথা সমাজকৰ্মী হৰিপ্ৰসন্ন হাজৰিকাই জ্যেষ্ঠ ভাতৃ হিচাপে গণ্য কৰা শিল্পীগৰাকীৰ বাবে ৰিজ'ৰ্টখনৰ ২০১ নম্বৰৰ কোঠাটো সদায় সজাই-পৰাই ৰখোৱাইছিল। সদায় পুৱতি নিশা শুবলৈ যোৱা শিল্পীগৰাকীয়ে বিয়লি প্ৰায় চাৰি বজাত দিনৰ আহাৰ গ্ৰহণ কৰিছিল। ৰিজ'ৰ্টখনলৈ শিল্পীগৰাকীৰ আগমনৰ লগে লগে প্ৰতিগৰাকী কৰ্মচাৰী ব্যস্ত হৈ পৰা ৰিজ'ৰ্টখনত কালিৰে পৰা নিস্তব্ধতাই বিৰাজকৰিছে। প্ৰিয় শিল্পীগৰাকীৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰি ৰখা প্ৰতিগৰাকী কৰ্মচাৰীৰ চকুত চকুলো। শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনাই কালিৰেপৰা উক্ত ৰিজ'ৰ্টখনৰ লগতে ব্যৱসায়ীগৰাকীৰ আন আন প্ৰতিষ্ঠানসমূহ তিনিদিনৰ বাবে বন্ধ ৰাখি শোক পালন কৰাৰ কথা ইতিমধ্যে ঘোষণা কৰা হৈছে। চলিত বৰ্ষৰ ২৭-২৮ জানুৱাৰীত শিৱসাগৰত অনুষ্ঠিত আছুৰ কেন্দ্ৰীয় অধিৱেশনত গীত পৰিৱেশন কৰিবলৈ আহি শেষবাৰৰ বাবে ৰিজ'ৰ্টখনত নিশা কটাই যোৱা শিল্পীগৰাকীৰ মৃত্যুত ৰিজ'ৰ্টখনৰ প্ৰতিজোপা বৃক্ষই যেন আজি উচুপি উঠিছে।

## এয়া সমগ্ৰ যোৰহাটবাসীৰ অনুৰোধ চৰকাৰলৈ- ডঃ বসন্ত কুমাৰ গোস্বামী

# যোৰহাটতে অন্ত্যেষ্টিক্ৰিয়াৰ আহ্বান

দৈনিক অসমৰ প্ৰতিনিধি

**যোৰহাট,** ২০ ছেপ্টেম্বৰ ঃ 'এক নঘটিবলগীয়া ঘটনা সংঘটিত হ'ল বিদেশত। যাৰ ফলত অসমৰ এক উজ্জ্বল নক্ষত্ৰ খহি পৰিল। আৰু সেয়া হৈছে আমাৰ হিয়াৰ আমঠু জুবিন গাৰ্গ। এক একা-চেকা মনৰ অধিকাৰী ডেকা আছিল জুবিন। তেওঁ আছিল প্ৰকৃততে স্বাধীনতা উপভোগকাৰী। যিজন ব্যক্তিয়ে স্বাধীনতা উপভোগ কৰে, তেওঁ বিশ্বৰ সকলোকে সমভাৱে লয়। যি স্বাধীনতাৰপৰা লাভ কৰে, তেওঁ নিজক লৈ ব্যস্ত হৈ, নিজৰ কথা চিন্তা কৰে আৰু নিজে উপভোগ কৰে। ইয়াৰ বিপৰীতে জুবিন গাৰ্গে ৰাইজৰ কথা চিন্তা কৰি নিৰলে স্বাধীনতা উপলব্ধি কৰিছিল। আৰু সেইবাবে তেওঁ ৰাইজৰ মাজত এক উজ্জ্বল নক্ষত্ৰ হৈ চিৰদিন জিলিকি থাকিব।' —এই মন্তব্য অসম সাহিত্য সভাৰ সভাপতি ডঃ বসন্ত কুমাৰ গোস্বামীৰ। অসম তথা অসমীয়া জাতীয় জীৱনৰ অবিচ্ছেদ্য অংগ হিচাপে সুধাকণ্ঠ ডঃ ভূপেন হাজৰিকাৰ পাছতে আছিল যুৱ প্ৰজন্মৰ হৃদয়ৰ আমঠু জুবিন গাৰ্গ। যাৰ কণ্ঠৰ জৰিয়তে মুখৰ হৈ পৰিছিল অসম তথা দেশ-বিদেশৰ শ্ৰোতা। সেই জুবিন গাৰ্গৰ অকাল মৃত্যুত স্তম্ভিত হৈ পৰিল সমগ্ৰ ৰাজ্যৰ লগতে দেশৰ অগণন শ্ৰোতা। জুবিন গাৰ্গৰ বিভিন্ন কাব্যিক গীতৰ জৰিয়তে উদ্বুদ্ধ হৈছিল অগণন লোক। আজি সেই সত্তাক হেৰুৱাই ম্ৰিয়মাণ সমগ্ৰ যোৰহাটবাসী। যিহেতু যোৰহাটৰ পৰাই নিজৰ সংগীত-যাত্ৰা আৰম্ভ কৰিছিল জুবিন গাৰ্গে, সেই অনুসৰি আজি এখন সংবাদ মেলযোগে যোৰহাটতে বিশিষ্ট শিল্পীগৰাকীক সমাধি দিবলৈ অনুৰোধ জনায় অসম সাহিত্য সভাৰ সভাপতি ডঃ বসন্ত কুমাৰ গোস্বামীয়ে। আজি বিয়লি শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অসম সাহিত্য সভাৰ বাকৰিত অনুষ্ঠিত হোৱাৰ পূৰ্বে এখন সংবাদ মেল সম্বোধন কৰি অসম সাহিত্য সভাৰ সভাপতি ডঃ বসন্ত কুমাৰ গোস্বামীয়ে লগতে কয় যে চৰকাৰীভাৱে জানিবলৈ দিয়া অনুসৰি, যোৰহাট নগৰৰ আশে-পাশে সমাধিস্থল হওক। যোৰহাটৰ বাইপাছতেই মাটি চোৱা হৈছে জনপ্ৰিয় কণ্ঠশিল্পীগৰাকীৰ সমাধিৰ বাবে। তেওঁৰ জাঁজী তামুলীছিগাত ঘৰ আছিল। পিতৃয়ে বঙালপুখুৰীত ঘৰ সাজিছিল। ফলত যোৰহটীয়া হৈ পৰিল জুবিন। জুবিনৰ শিক্ষা জীৱন যোৰহাটতে হৈছিল। সংগীতৰ জয়যাত্ৰাও আৰম্ভ কৰিছিল যোৰহাটৰ বঙালপুখুৰীৰ পূজা মন্দিৰত। জুবিন গাৰ্গৰ অন্ত্যেষ্টিক্ৰিয়া যোৰহাটতে হ'ব লাগে। এয়া আমাৰ অনুৰোধ নহয়, এই অনুৰোধ সমগ্ৰ যোৰহাটবাসীৰ। কিয়নো, এইগৰাকী মহান শিল্পীৰ জীৱন-যাত্ৰা আৰম্ভ হৈছিল যোৰহাটৰপৰাই।

## সকলোতে কেৱল জুবিনদা অমৰ হওক, জয় জুবিনদা ধ্বনি

# কাহিলিপাৰাৰ বাসগৃহত অগণন লোকৰ ভিৰ



দৈনিক অসমৰ প্ৰতিনিধি

**গুৱাহাটী, ২০ ছেপ্টেম্বৰ ঃ** অসমীয়াৰ হিয়াৰ আমঠু জনপ্ৰিয় শিল্পী তথা নৱপ্ৰজন্মৰ হাৰ্টথ্ৰ'ব জুবিন গাৰ্গৰ শুকুৰবাৰে দিনৰ ভাগত মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে লগে শোকত ম্ৰিয়মাণ হৈ পৰে তেওঁৰ অনুৰাগীসকল। প্ৰিয় শিল্পীগৰাকীৰ মৃত্যুৰ খবৰ পোৱা মাত্ৰকে ৰাজ্যৰ ইমূৰৰপৰা সিমূৰলৈ সিঁচৰতি হৈ থকা বিভিন্ন দল-সংগঠনৰ নেতৃত্বৰ লগতে জুবিনৰ অনুৰাগীসকলে বাসগৃহলৈ আহি ভিৰ কৰিছে। কালি ওৰেনিশা উজাগৰে থাকি অগণন লোকে কেৱল জুবিনদা অমৰ হওক, জয় জুবিনদা ধ্বনি দিয়া পৰিলক্ষিত হৈছে। আজি পুৱাৰেপৰা ভগদত্তপুৰত থকা শিল্পীগৰাকীৰ বাসগৃহত পদাৰ্পণ কৰা লোকসকলে তেওঁৰ প্ৰতিচ্ছবিত শ্ৰদ্ধা নিবেদন কৰি শোকসন্তপ্ত পৰিয়ালটোক সমবেদনা জনায়। জনসমাগম বৃদ্ধি হোৱাৰ প্ৰতি লক্ষ্য ৰাখি আৰক্ষী আৰু প্ৰশাসনে নিৰাপত্তা বৃদ্ধি কৰাৰ লগতে পাৰ্কিঙৰ ক্ষেত্ৰতো গুৰুত্ব আৰোপ কৰে। ইফালে আজি জুবিন গাৰ্গৰ বাসগৃহত উপস্থিত হৈ শোকসন্তপ্ত পৰিয়ালবৰ্গক সমবেদনা জ্ঞাপন কৰে ৰাজ্যৰ শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে। তেওঁ শিল্পীগৰাকীৰ শেষকৃত্যৰ স্থান প্ৰসংগত পিতৃ আৰু পৰিয়ালৰ সৈতে আলোচনা কৰে। আনকি শিল্পীগৰাকীৰ নশ্বৰ দেহ কাইলৈ পুৱা সৰুসজাইৰ ভোগেশ্বৰ বৰুৱা ষ্টেডিয়ামত শ্ৰদ্ধাঞ্জলি জ্ঞাপনৰ বাবে ৰখা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। আজি জুবিনৰ বাসগৃহত আছুৰ মুখ্য উপদেষ্টা ডঃ সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য, জনপ্ৰিয় অভিনেতা যতীন বৰা, ৰবি শৰ্মা, অভিনেত্ৰী প্ৰস্তুতি পৰাশৰ, আকাশদীপ, শিল্পী নীল আকাশ, কুসুম কৈলাস, দীপলীনা ডেকা, দৌৰবিদ হিমা দাস, অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি গৌৰৱ গগৈ, বিৰোধী দলপতি দেৱব্ৰত শইকীয়া, অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈ, ৰাইজৰ দলৰ সভাপতি অখিল গগৈ, বীৰ লাচিত সেনা অসমৰ শৃংখল চলিহা, বিকাশ অসম, মেয়ৰ মৃগেন শৰণীয়া, প্ৰাক্তন সাংসদ কুইন ওজাকে ধৰি বহুসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকি প্ৰিয় শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে। ইপিনে জুবিনৰ মৃত্যুৰ পাছত মানসিকভাৱে ভাগি পৰা তেওঁৰ পত্নী গৰিমা শইকীয়া গাৰ্গৰ স্বাস্থ্যৰ অৱনতি ঘটাত তেওঁক চিকিৎসাৰ বাবে হাস্পতাললৈ নিয়া হয়। স্বাস্থ্য পৰীক্ষা কৰাৰ পাছত বৰ্তমান গৰিমা গাৰ্গ সুস্থ বুলি চিকিৎসকে জানিবলৈ দিছে। ইপিনে বাসগৃহলৈ যোৱা জুবিনৰ অধিকাংশ অনুৰাগীয়ে তেওঁৰ মৃত্যুক সহজভাৱে ল'ব পৰা নাই। সুস্থ শৰীৰেৰে নৰ্থ-ইষ্ট ফেষ্টিভেলত অংশগ্ৰহণৰ বাবে ছিংগাপুৰলৈ যোৱা শিল্পীগৰাকীৰ মৃত্যু স্বাভাৱিক নহয় বুলি দাবী কৰিছে একাংশই। তেওঁলোকে সংবাদ মাধ্যমৰ আগত উল্লেখ কৰি কয়--- জুবিন গাৰ্গৰ মৃত্যুৰ তদন্ত হ'ব লাগিব আৰু দোষীয়ে উচিত শাস্তি পাব লাগিব। আনহাতে, ঘটনাত নাম সাঙোৰ খোৱা নৰ্থ-ইষ্ট ফেষ্টিভেলৰ অন্যতম হোতা শ্যামকানু মহন্ত যাতে কোনো কাৰণতে সাৰি যাব নোৱাৰে, তাৰ বাবে আৰক্ষীয়ে ব্যৱস্থা কৰক অন্যথা শ্যামকানুক ৰাইজক গতাই দিয়ক, ৰাইজে শস্তি দিব। বহু লোকে জুবিন গাৰ্গৰ বাসগৃহলৈ ৰেলী কৰি যোৱা দৃশ্যও সুলভ হৈছে। বাসগৃহত উপস্থিত থকা বিধায়ক অখিল গগৈয়ে ঘটনাটোৰ মুখ্যমন্ত্ৰীয়ে চি আই ডিৰ তদন্ত দিয়া বুলি কোৱাৰ পাছতে কয়--- আমাক চি আই ডিৰ তদন্ত নালাগে, চি বি আইৰ তদন্ত লাগে। আমি কেনেকৈ মানিম চি আই ডিৰ তদন্ত, দিল্লীলৈ গৈ যিয়ে তদন্ত কৰিব নোৱাৰে, সি কেনেকৈ ছিংগাপুৰলৈ গৈ তদন্ত কৰিব? ভাৰতবৰ্ষৰ সৰ্বোচ্চ তদন্তকাৰী সংস্থা চি বি আই লাগিব তদন্ত কৰিবলৈ হ'লে। আমি বিচাৰিছোঁ চি বি আয়ে আন্তঃৰাষ্ট্ৰীয় সংস্থাসমূহৰ লগত কথা পাতি তদন্ত কৰক। ৰাইজৰ বাবে জুবিনদাক এদিন-দুদিন নহয়, পাৰিলে জুবিনদাৰ শৰদেহটো সংৰক্ষণ কৰক বুলি কয় অখিল গগৈয়ে। কাৰণ জুবিনদা অসমীয়া জাতিৰ আটাইতকৈ স্পষ্টবাদী মানুহ। জুবিনদাৰ বাহিৰে মোৰ জাতি, ধৰ্ম নাই বুলি ক'ব পৰা মানুহ অসমত নাই। ইফালে অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে কয়--- আজি আমি ভাষাহীন, শব্দহীন, জাতিটোক ইমান শব্দ, ইমান আদৰ্শ, শক্তি দি যোৱাৰ পাছত সমগ্ৰ জাতিসত্তা শব্দহীন হৈ পৰিছে। আজি জাতিটো বাকৰুদ্ধ হৈ পৰিছে। জুবিন গাৰ্গ অসমীয়া জাতিৰ আৱেগ, আমি জাতিৰ আৱেগ-স্বাভিমান বুলি কওঁ। তেওঁ সত্তা হিচাপে সমগ্ৰ পৃথিৱীত অসমীয়া সমাজ আৰু জাতীয় জীৱনক চিনাকি কৰি দিছিল। যাৰ কাৰণে তেওঁ প্ৰতিটো স্তৰৰ মানুহ, কলা-সংস্কৃতি, সমাজ, যুৱ প্ৰজন্ম, সকলো স্তৰৰ জনগণৰ হৃদয় স্পৰ্শ কৰিব পৰা সত্তা। তেওঁৰ সৃষ্টিশীলতা আমাৰ মাজৰপৰা, অসমৰ মাজৰপৰা জুবিন গাৰ্গৰ সত্তাটো কেতিয়াও মৰিব নোৱাৰে, হেৰাব নোৱাৰে। আনহাতে, সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই কয়--- এটা তৰা খহি পৰিল। জুবিনৰ মৃত্যুত যাৰ নাম ওলাইছে, সকলোৱে পানী নসৰকা বিধৰ তদন্ত হ'ব লাগে। ইয়াৰ উপৰি জুবিন গাৰ্গক মনত পেলোৱাৰ নামত অসভ্যালি কৰাসকলৰ বিৰুদ্ধে প্ৰশাসন কঠোৰ হ'ব বুলি উল্লেখ কৰে আৰক্ষী আয়ুক্ত পাৰ্থসাৰথি মহন্তই। প্ৰকৃত জুবিন অনুৰাগী গুণমুগ্ধৰ দায়িত্ব যে দুষ্কৃতিকাৰীক প্ৰশ্ৰয় নিদিব। আজি দিনটোৰ ভিতৰত এটা সময়ত জুবিনৰ বাসগৃহত ইমানেই মানুহ হয় যে পৰিস্থিতি নিয়ন্ত্ৰণৰ বাহিৰলৈ যায়। যাৰ বাবে জুবিনৰ বাসগৃহলৈ যোৱা লোকৰ লগত আৰক্ষীৰ হতাহতি হয়।

## আই টি এত হুলস্থূলীয়া পৰিৱেশ

দৈনিক অসমৰ প্ৰতিনিধি

**গুৱাহাটী, ২০ ছেপ্টেম্বৰ ঃ** জুবিন গাৰ্গৰ দেহাৱসানে সমগ্ৰ ৰাজ্যক শোকাভিভূত কৰাৰ সময়তে সাধাৰণ সভা অনুষ্ঠিত কৰি আজি সংগীত শিল্পীগৰাকীৰ গুণমুগ্ধৰ ৰোষত পৰিল কেমিষ্ট এণ্ড ড্ৰাগিষ্ট এছ'চিয়েচন অব্ আছাম। মহানগৰীৰ মাছখোৱাস্থিত আই টি এ কেন্দ্ৰৰ প্ৰেক্ষাগৃহত এছ'চিয়েচনৰ তিনিবছৰীয়া বাৰ্ষিক সভা অনুষ্ঠিত কৰা হৈছিল। জুবিন গাৰ্গৰ মৃত্যুৰ পাছত সমগ্ৰ ৰাজ্যৰ সকলো ধৰণৰ কাৰ্যসূচী, অনুষ্ঠান, সভা-সমিতি বাতিল কৰাৰ সময়তে এছ'চিয়েচনে বাৰ্ষিক সভা অনুষ্ঠিত কৰে। প্ৰেক্ষাগৃহত সভা অনুষ্ঠিত কৰাৰ লগতে তেওঁলোকে ভোজ-ভাতৰো আয়োজন কৰে। এই বিষয়ে অৱগত হোৱাৰ পাছত একাংশ দল-সংগঠনৰ সদস্যই আই টি এ কেন্দ্ৰৰ প্ৰেক্ষাগৃহত প্ৰৱেশ কৰি উদ্যোক্তাসকলক ডাবি-ধমকি দিয়াৰ লগতে সভা বাতিল কৰিবলৈ চেষ্টা চলায়। ইয়াকে লৈ আই টি এ কেন্দ্ৰৰ প্ৰেক্ষাগৃহত এক হুলস্থূলীয়া পৰিৱেশ সৃষ্টি হয়। অৱশ্যে পৰৱৰ্তী সময়ত উদ্যোক্তাসকলে সভাখন স্থগিত ৰাখিবলৈ বাধ্য হয়। উল্লেখ্য যে জুবিনৰ দেহাৱসানৰ পাছত বিজেপি, কংগ্ৰেছকে ধৰি ৰাজনৈতিক দলসমূহে বিটিচিৰ নিৰ্বাচনৰ বাবে অভিযান বাতিল কৰে। সমান্তৰালকৈ ৰাজ্য চৰকাৰেও তিনিদিনীয়াকৈ শোক প্ৰকাশ কৰিছে।



# ৰহা গড়মাৰীত জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি

**ৰহা,** ২০ ছেপ্টেম্বৰ ঃ জুবিন গাৰ্গৰ মৃত্যুত সমগ্ৰ অসমবাসীয়ে শ্ৰদ্ধাঞ্জলি জনোৱাৰ লগতে ৰহা গড়মাৰীতো প্ৰসিদ্ধ শিল্পীগৰাকীক স্মৰণেৰে সন্ধিয়া এটা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। ৰহা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক তথা বিশিষ্ট নিবন্ধকাৰ যতীন্দ্ৰ কুমাৰ পাৰৈয়ে বন্তি প্ৰজ্বলনেৰে শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ শুভাৰম্ভ কৰে। ইয়াৰ পাছতেই অঞ্চলটোৰ তিনি শতাধিক লোকে জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰাৰ লগতে পুষ্পাঞ্জলি তৰ্পণ কৰি গভীৰ শ্ৰদ্ধা নিবেদন কৰে। ইয়াৰ পাছতেই অঞ্চলবাসীৰ সহযোগত জুবিন গাৰ্গৰ স্মৃতিত এটি সমদল উলিওৱা হয়। উল্লেখ যে তিনি শতাধিক লোকে অংশগ্ৰহণ কৰা সমদলটিত সমস্বৰে জুবিন গাৰ্গৰ কালজয়ী গীত 'মায়াৱিনী ৰাতিৰ বুকুত...' পৰিৱেশ কৰাৰ লগে লগে এক শোকাকুল পৰিৱেশৰ সৃষ্টি হয়। সমদলত অংশগ্ৰহণকাৰীসকলে উভতি আহি শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত পুনৰ আৱেগ বিহ্বল হৈ জুবিনৰ গীত পৰিৱেশন কৰাৰ পাছতেই অনুষ্ঠানৰ সামৰণি পৰে। জুবিন গাৰ্গৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান আয়োজক সমিতিৰ সম্পাদক পংকজ কুমাৰ পাৰৈয়ে আঁত ধৰা অনুষ্ঠানটিত সভাপতি দীপক কুমাৰ সূতে উপস্থিত সকলোৱে প্ৰতি শলাগ জ্ঞাপন কৰে।

## জুবিন গাৰ্গৰ বিষয়ে আপত্তিজনক মন্তব্য

# প্ৰধান আচাৰ্য প্ৰফুল্ল ভৰালীৰ বিৰুদ্ধে এজাহাৰ

দৈনিক অসমৰ প্ৰতিনিধি

**বিশ্বনাথ চাৰিআলি, ২০ ছেপ্টেম্বৰ ঃ** বিদ্যা ভাৰতীৰ অখিল ভাৰতীয় শিক্ষা সংস্থানৰ সংবদ্ধ শিশু শিক্ষা সমিতিৰ অন্তৰ্ভুক্ত বিশ্বনাথ চাৰিআলিৰ শংকৰদেৱ শিশু বিদ্যা নিকেতনৰ প্ৰধান আচাৰ্য প্ৰফুল্ল ভৰালীয়ে কালি নিশা নিজৰ ফেচবুক একাউণ্টত জুবিন গাৰ্গৰ মৃত্যু সন্দৰ্ভত আপত্তিজনক মন্তব্য কৰিছিল। এনে মন্তব্যৰ বিৰোধিতা কৰি আজি বিশ্বনাথ চাৰিআলি সদৰ আৰক্ষী থানাত ভৰালীৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰে জুবিন অনুৰাগীয়ে। অৱশ্যে প্ৰধান আচাৰ্যগৰাকীয়ে নিজৰ সামাজিক মাধ্যমৰপৰা অপত্তিজনক সেই পোষ্ট কিছু সময় পাছত আঁতৰাই দিয়ে। ইফালে, প্ৰধান আচাৰ্য প্ৰফুল্ল ভৰালীয়ে ইয়াৰ পূৰ্বেও নিজৰ সামাজিক মাধ্যমত অশ্লীল ফটো দিয়াৰ অভিযোগ উত্থাপন হৈছে। একাংশ লোকে ভৰালীক বিশ্বনাথৰপৰা বদলিকৰণৰো দাবী তুলিছে। নিকেতনৰ প্ৰধানগৰাকীৰ এনে কাণ্ডত নিকেতন পৰিচালনা সমিতিয়ে প্ৰধান আচাৰ্য প্ৰফুল্ল ভৰালীৰ বিৰুদ্ধে ভূমিকা ল'বনে বুলি সচেতন ৰাইজৰ মাজত প্ৰশ্নৰ উদয় হৈছে।

## চামতাত শোকৰ বন্যা

দৈনিক অসমৰ প্ৰতিনিধি

**চামতা, ২০ ছেপ্টেম্বৰ ঃ** জুবিন গাৰ্গৰ পৰলোকত এতিয়া সমগ্ৰ ৰাজ্যৰ লগতে চামতাকে ধৰি পশ্চিম নলবাৰীও শোকস্তব্ধ। আজি অঞ্চলটোৰ প্ৰতিখন বিদ্যালয় স্বতঃস্ফূৰ্তভাৱে বন্ধ হৈ পৰে। তদুপৰি চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠানতো আজি তেওঁক শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰা হয়। চামতা, বেলশৰ, কৈঠালকুছি, ককয়া, সাহপুৰ, জাগাৰা, বৰনৰ্দ্দী, কৈঠালকুছি, বালিজাৰ, পকোৱা, সন্ধেলীকে ধৰি পশ্চিম নলবাৰীৰ প্ৰতিটো অঞ্চলত আজি দোকান-পোহাৰ আৰু যাতায়াত আপোনা-আপুনি বন্ধ হৈ পৰে। পশ্চিম নলবাৰীৰ প্ৰতিখন গাঁও জুবিন গাৰ্গৰ পৰলোকত শোকস্তব্ধ হোৱাৰ উপৰি শিল্পীগৰাকীক আজি অঞ্চলটোৰ সৰ্বত্ৰতে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানসমূহত অগণন লোকৰ উপস্থিতি পৰিলক্ষিত হয়।

# পদযুগলৰ চিহ্ন সংৰক্ষণ কৰাৰ প্ৰয়াস

মুকুট ৰয়

**গুৱাহাটী, ২০ ছেপ্টেম্বৰ ঃ** প্ৰজন্মৰ পাছত প্ৰজন্মৰ বাবে সংৰক্ষিত হ'ব অম্লান প্ৰতিভাৰ আকৰ তথা প্ৰাণৰো প্ৰাণৰ শিল্পী, হাৰ্ট থ্ৰ'ব জুবিন গাৰ্গৰ পদ যুগলৰ চিহ্ন। বৃহত্তৰ অসমীয়া জাতিৰ প্ৰাণৰ স্পন্দন, হিয়াৰ আমঠু জুবিন গাৰ্গৰ পদযুগলৰ চিহ্ন সংগ্ৰহৰ বাবে প্ৰয়োজনীয় সকলোধৰণৰ সা-সামগ্ৰী সংগ্ৰহ কৰাই নহয়, ইয়াৰ বাবে মানসিক প্ৰস্তুতিও সম্পূৰ্ণ কৰিছে ভাস্কৰ্য শিল্পী দিগন্ত মাধৱ গোস্বামীয়ে। 'দৈনিক অসম'ৰ আগত এই কথা ব্যক্ত কৰি ভাস্কৰ্য শিল্পী দিগন্ত মাধৱ গোস্বামীয়ে কয়, 'জুবিন দা বিহীন অসমৰ প্ৰথম দিন। ভাবিবই নোৱাৰি। বৰ অসহনীয়। জুবিন দাৰে পোৱা উমাল সান্নিধ্যৰ মুহূৰ্তবোৰে কালিৰেপৰা বৰকৈ আমনি কৰি আছে। একো এটা ভালকৈ কৰিব পৰা নাই। য'তেই হাত দিছোঁ, খালী খালী লাগে। তথাপি মই মানসিকভাৱে প্ৰস্তুত হৈছোঁ জুবিন দাৰ পদচিহ্ন সঠিকভাৱে অবিকল ৰূপত সংগ্ৰহ কৰি প্ৰজন্মৰ পাছত প্ৰজন্মৰ বাবে সংগ্ৰহৰ স্বাৰ্থত।' ইয়াৰ বাবে প্ৰয়োজনীয় সকলো সামগ্ৰী সংগ্ৰহ কৰা বুলি উল্লেখ কৰি তেওঁ পুনৰ কয় যে 'লাইভ কাষ্টিঙ'ৰ সহায়ত দুয়ো ভৰিৰ তলুৱাৰ ৰেখা সমন্বিতে সকলোবোৰ হুবহু ৰূপত সংগ্ৰহ কৰাৰ বাবে যি ধৰণৰ পদক্ষেপ গ্ৰহণ কৰিব লাগে সেয়া নিশ্চিতভাৱে কৰা হ'ব। অৱশ্যে ইয়াৰ বাবে ৰাজ্য চৰকাৰৰ লগতে হাৰ্ট থ্ৰ'ব জুবিন গাৰ্গৰ পৰিয়ালৰ



অনুমতিৰ প্ৰয়োজন হ'ব। 'মই আশাবাদী যে ৰাজ্য চৰকাৰৰ লগতে শিল্পীজনাৰ পৰিয়ালৰপৰা নিশ্চিতভাৱে প্ৰয়োজনীয় অনুমতি পাম।' তেওঁ কয়। এই সন্দৰ্ভত ভাস্কৰ্য শিল্পী গোস্বামীয়ে পুনৰ কয় যে জুবিন দাৰ ৪৮ সংখ্যক জন্মদিনত সীমিতসংখ্যক গুণমুগ্ধ আৰু অনুৰাগীৰ উপস্থিতিত ইতিমধ্যে সংগ্ৰহ কৰা হৈছিল হস্ত চিহ্ন। যি হস্তচিহ্ন প্ৰত্যক্ষ কৰি এটা সময়ত আৱেগিক হৈ উঠিছিল খেয়ালী মনৰ শিল্পীজনাই। 'আৰু তেতিয়াই মধ্যমা আঙুলিটো দাঙি দি, পাছত আঠা লগাই দিব দিছিল। হস্তচিহ্নৰ যিটো মধ্যমা আঙুলি বৰ্তমান আঠা লগাই থোৱা আছে।' কাষতে থকা হস্তচিহ্নটো দেখুৱাই এই কথা ব্যক্ত কৰে গোস্বামীয়ে। ইমানেই নহয়, অম্লান প্ৰতিভাৰ আকৰ জুবিন গাৰ্গৰ ১৮ ফুট উচ্চতাৰ পূৰ্ণাৱয়ব প্ৰতিমূৰ্তি নিৰ্মাণৰ আঁৰৰ কথা ব্যক্ত কৰি গোস্বামীয়ে লগতে কয় যে প্ৰায় ডেৰ দুবছৰ পূৰ্বে গুৰুতৰভাৱে অসুস্থ হৈছিল জুবিন দা। তেতিয়াই ডিগবৈৰ বিজেপিৰ বিধায়ক সুৰেন ফুকনে জুবিন দাৰ পূৰ্ণাৱয়ৱ প্ৰতিমূৰ্তি নিৰ্মাণৰ আগ্ৰহ প্ৰকাশ কৰি জুবিন দাক প্ৰস্তাৱ দিয়ে। খেয়ালী মনৰ মানুহ জুবিন দায়ো সন্মতি দিয়ে বিধায়কজনৰ প্ৰস্তাৱত। লগে লগে হাস্পতালৰ বিচনাৰপৰাই ফোন কৰি এই প্ৰস্তাৱৰ ওপৰত হোৱা সিদ্ধান্তৰ বিষয়ে অৱগত কৰিছিল। সেইমৰ্মে নিৰ্দ্ধাৰিত সময়ত নিৰ্মাণ হৈ উঠিছিল জুবিন গাৰ্গৰ ১৮ ফুট উচ্চতাৰ পূৰ্ণাৱয়ৱৰ প্ৰতিমূৰ্তিটো। এই প্ৰতিমূৰ্তিটো নিৰ্মাণ কৰি থকা সময়ত পত্নী গৰিমা শইকীয়া গাৰ্গৰ লগতে বহু অনুৰাগীৰ সৈতে প্ৰায়েই উপস্থিত হৈছিল বেলতলা তিনিআলিৰ 'পূৰ্ণ শিল্পম' চৌহদত। বহু সময়ত চকু, কাণ, আঙুলি আদিত থকা খুটবোৰ দেখুৱাই দিছিল জুবিন দাই। পূৰ্ণাৱয়ৱ প্ৰতিমূৰ্তিটোৰ ১২ ফুট উচ্চতালৈকে নিৰ্মাণ কাৰ্য সম্পূৰ্ণ হোৱাৰ সময়ত 'পূৰ্ণ শিল্পম'ত উপস্থিত হৈ গৰিমা শইকীয়া গাৰ্গেও শলাগ লোৱাৰ কথাও ব্যক্ত কৰে গোস্বামীয়ে। ইমানেই নহয়, জুবিন গাৰ্গৰে থকা ব্যক্তিগত সম্পৰ্কৰ কথা ব্যক্ত কৰি তেওঁ পুনৰ কয় যে জুবিন দা সঁচা অৰ্থত মাটিৰ মানুহ আছিল। সেয়া কাষৰপৰা সান্নিধ্য পোৱাসকলে ভালদৰে জানে। সৰু সৰু মানুহো যে জুবিন দাৰ দৰে তাৰকাৰ বাবে আপোন হ'ব পাৰে, সেয়া সান্নিধ্য নোপোৱাসকলে হয়তো কল্পনাও কৰিব নোৱাৰে। 'কাৰণ ইয়াৰ অন্যতম উদাহৰণ মই নিজেই। যাৰ বাবে জুবিন দাৰ কথাছবি 'মিছন ছাইনা' আৰু 'কাঞ্চনজংঘা'ত কাম কৰাৰ সুযোগ পাইছিলোঁ। যিখনত ঋণী হৈ থাকিম চিৰদিন।' এইদৰে কৈ উচুপি উঠিল ভাস্কৰ্য শিল্পী দিগন্ত মাধৱ গোস্বামীয়ে।

বেংক অব মহাৰাষ্ট্ৰ
Bank of Maharashtra
এক পৰিয়াল এক বেংক

**গুৱাহাটী শাখা**
প্ৰথম মহলা, চি কে ৰোড, হৰিসভাৰ সন্মুখত, গুৱাহাটী-৭৮১০০১
ম'বাইল ঃ ৯০৮৮৫১৫৯০০, ই-মেইল ঃ bom1275@mahabank.co.in

**ৰাজহুৱা জাননী**

১. লকাৰ নং **১০০০২৪১৮১৩** -লকাৰ হোল্ডাৰৰ নাম ঃ **আহমেদ আলী আনছাৰী**
২. লকাৰ নং **১০০১৩৯৩০২৬** -লকাৰ হোল্ডাৰৰ নাম ঃ **বালকৃষণ বহেতী**
৩. লকাৰ নং **১০০০২৫০৩৫১** -লকাৰ হোল্ডাৰৰ নাম ঃ **মনোজ কুমাৰ অৱস্থি**
৪. লকাৰ নং **১০০১৯৩৯৫৬০** -লকাৰ হোল্ডাৰৰ নাম ঃ **ৰূপম বৰ্মন**
৫. লকাৰ নং **১০০১৯৩৯৫৭১** -লকাৰ হোল্ডাৰৰ নাম ঃ **ৰূপম বৰ্মন**
৬. লকাৰ নং **১০০১৮৮৪৬৬১** -লকাৰ হোল্ডাৰৰ নাম ঃ **শ্ৰীমতী শৰ্মিলা মৈত্ৰ**

যিহেতু, ওপৰত উল্লিখিত লকাৰ হোল্ডাৰসকলে লকাৰ ফীজ পৰিশোধত ডিফল্ট কৰিছে আৰু বেংকে পঞ্জীকৃত ঠিকনাত বহুবাৰ নোটিচ প্ৰদান কৰাৰ পাছতো শাখাৰ সৈতে যোগাযোগ কৰা নাই। সেয়ে, এই জাননী প্ৰকাশৰ তাৰিখৰ পৰা ৯০ দিনৰ ভিতৰত শাখাৰ সৈতে যোগাযোগ কৰি বেংকৰ বকেয়া ধন অবিলম্বে পৰিশোধ কৰিবলৈ আপোনাক এই জাননীৰ দ্বাৰা আহ্বান জনোৱা হৈছে। যিহেতু, আপুনি বকেয়া পৰিশোধ কৰা নাই আৰু বকেয়া উদ্ধাৰৰ বাবে বেংকৰ পক্ষৰ পৰা জ্ঞাতসাৰে আৰু পুনঃপুনঃ অনুসৰণ কৰাৰ পাছতো আপুনি এতিয়াও ডিফল্ট অৱস্থাত আছে। ফলত ভাড়াতীয়া লকাৰত আপোনাৰ সকলো অধিকাৰ খাৰিজ হৈছে আৰু বেংকে আপোনাৰ নামেৰে বণ্টন কৰা লকাৰ পুনৰুদ্ধাৰৰ অধিকাৰ লাভ কৰিছে।

যিহেতু, উক্ত পুনৰুদ্ধাৰৰ অধিকাৰ প্ৰয়োগ কৰি বেংকে আপোনাৰ উক্ত লকাৰত দখল লৈছে আৰু ২০-১২-২০২৫ তাৰিখে (জাননী প্ৰকাশৰ তাৰিখৰ পৰা ৯০ দিনত) দুপৰীয়া ১২.০০ বজাত, আপোনাৰ খৰচ আৰু দায়-দায়িত্বত লকাৰ ভাঙি খোলাৰ সিদ্ধান্ত লৈছে।

সেয়ে, এই নোটিচ প্ৰকাশৰ তাৰিখৰ পৰা নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত বকেয়া পৰিশোধ কৰিবলৈ আপোনাক এই জাননীৰ দ্বাৰা আহ্বান জনোৱা হৈছে।

**স্বাক্ষৰ/-শাখা ব্যৱস্থাপক**
**বেংক অৱ মহাৰাষ্ট্ৰ, গুৱাহাটী শাখা**

ND24
newsdaily24.in
সৰ্বশ্ৰেষ্ঠ নহয়, সৰ্বোত্তমৰ দৌৰত

জাতিৰ সেৱাত উৎসৰ্গিত ৬১ বছৰ

# দৈনিক অসম

গুৱাহাটী আৰু ডিব্ৰুগড়ৰপৰা প্ৰকাশিত
http://dainik.assamtribune.com

‘দৈনিক অসম’
সংগ্ৰহ কৰাৰ ক্ষেত্ৰত সন্মুখীন হোৱা যিকোনো সমস্যাৰ বাবে অনুগ্ৰহ কৰি এই ফোন নম্বৰত যোগাযোগ কৰক—
৭০০২৩ ১৭০৪০

RN-11989/65 । ৬১ বছৰ । ৪৭ সংখ্যা, ৪ আহিন, দেওবাৰ, ১৯৪৭ শক। DAINIK ASAM : Assamese Daily । VOL. 61 NO. 47 । GUWAHATI, SUNDAY, SEPTEMBER 21, 2025 । পৃষ্ঠা ১২+৪ (Pages 12+4) । ৯.০০ টকা (Rs. 9.00)


তেজপুৰত বন্তি প্ৰজ্বলনেৰে প্ৰিয় শিল্পীক অনুৰাগীৰ শ্ৰদ্ধাঞ্জলি।

নিৰ্বাচিত চাৰিটা স্থানৰ ভিতৰত চূড়ান্ত হ’ব পাৰে সোণাপুৰৰ নাজিৰাখাত

## যোৰহাটত নহয়, গুৱাহাটীৰ আশে-পাশে হ’ব জুবিনৰ সমাধি



যোৰহাটবাসীয়েও সাজু কৰিছিল চাৰি ঠাইত ভূমি ■ সন্মত নহ’ল পৰিয়াল

দৈনিক অসমৰ বাতৰি

**গুৱাহাটী, ২০ ছেপ্টেম্বৰ ঃ** অসমবাসীৰ হিয়াৰ আমঠু, প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ নশ্বৰ দেহৰ অন্ত্যেষ্টিক্ৰিয়াৰ স্থান কি হ’ব, সেয়া এতিয়াও নিৰ্দিষ্ট কৰা হোৱা নাই। প্ৰিয় শিল্পীগৰাকীক সমাধিস্থ কৰাৰ স্থান কি হ’ব, তাকে লৈ যোৱা দুদিন ধৰি চৰ্চা অব্যাহত *১১ পৃষ্ঠাত চাওক*

ছিংগাপুৰৰ পৰা অনা হ’ল প্ৰাণৰ শিল্পীক ঃ দিল্লী বিমান বন্দৰত মুখ্যমন্ত্ৰীয়ে চমজি ল’লে নশ্বৰ দেহ

# জননীৰ কোলালৈ চিৰনিদ্ৰিত জুবিন

বিমানবন্দৰৰ পৰা পোনে পোনে নিয়া হ’ব কাহিলিপাৰাৰ বাসগৃহলৈ
অন্ত্যেষ্টিক্ৰিয়া সন্দৰ্ভত আজি সন্ধিয়া ৰাজ্যিক কেবিনেটত আলোচনা কৰিব চৰকাৰে

দৈনিক অসমৰ বাতৰি

**গুৱাহাটী, ২০ ছেপ্টেম্বৰ ঃ** জননী অসমী আইৰ কোলালৈ আহি আছে অসমীয়াৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গ। কোটি কোটি সংগীত অনুৰাগীক কন্দুৱাই জন্মভূমিৰ পৰা সহস্ৰ যোজন দূৰৈত কালি প্ৰাণ হেৰুওৱা সংগীতকাৰ অম্লান জ্যোতিষ্ক অসমীয়াৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ পাৰ্থিৱ শৰীৰ আজি নিশা ছিংগাপুৰৰ পৰা স্বদেশলৈ অনা হৈছে। অগণিতজনৰ প্ৰাণৰো প্ৰাণৰ শিল্পীজনৰ নশ্বৰদেহ কাইলৈ পুৱা অসম পাবহি। অসমৰ জনতাৰ মৰমৰ শিল্পী জুবিন গাৰ্গৰ নশ্বৰদেহ বুকুত বান্ধি ভাৰতীয় সময়মতে আজি নিশা প্ৰায় ৮ বজাত ছিংগাপুৰৰ ছাংগাই বিমানবন্দৰ এৰে এয়াৰ *১১ পৃষ্ঠাত চাওক*




‘সিদ্ধাৰ্থ শৰ্মা আমাৰ পৰিয়ালৰ সদস্য, একো নকৰিব’

## আৱেগিক গৰিমাৰ আহ্বান— শান্তিৰে জুবিনক শেষ বিদায় দিয়ক



দৈনিক অসমৰ বাতৰি

**গুৱাহাটী, ২০ ছেপ্টেম্বৰ ঃ** ৰাজ্যবাসীৰ প্ৰিয় শিল্পী জুবিন গাৰ্গক শান্তিৰে শেষ বিদায় দিবলৈ অসমবাসীলৈ আহ্বান জনাইছে গৰিমা শইকীয়া গাৰ্গে। আজি জুবিন গাৰ্গৰ ফেচবুক একাউণ্টৰ জৰিয়তে এক ভিডিঅ’ বাৰ্তাযোগে গৰিমা শইকীয়া গাৰ্গে *১১ পৃষ্ঠাত চাওক*

## শ্যামকানু মহন্তৰ বিৰুদ্ধে বিভিন্ন ঠাইত এজাহাৰ দাখিল

দৈনিক অসমৰ প্ৰতিনিধি

**শিৱসাগৰ,** ২০ ছেপ্টেম্বৰ ঃ অসমীয়া ৰাইজৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ মৃত্যু কোনেও সহজভাৱে ল’ব পৰা নাই। জাতিটোৰ প্ৰতিটো সমস্যাত *১১ পৃষ্ঠাত চাওক*



শ্যামকানু মহন্ত, সিদ্ধাৰ্থ শৰ্মাও আহিব তদন্তৰ আওতালৈ

## জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ তদন্ত কৰিব চি আই ডিয়ে

ছিংগাপুৰলৈ জুবিনৰ সহযাত্ৰীৰ লগতে অসম এছ’চিয়েচনৰ কেউজনকে কৰা হ’ব জেৰা

দৈনিক অসমৰ বাতৰি

**গুৱাহাটী, ২০ ছেপ্টেম্বৰ ঃ** ছিংগাপুৰত জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনাৰ তদন্তৰ দায়িত্ব অসম চৰকাৰে চি আই ডিলৈ হস্তান্তৰ *৬ পৃষ্ঠাত চাওক*

সৰুসজাইত হ’ব ৰাজহুৱা শ্ৰদ্ধাঞ্জলি, দৰ্শনাৰ্থীয়ে পাব থকাৰো সুবিধা

## ৰংমন পইণ্টেৰে ৩০০ মিটাৰ সোমাই গ’লেই পাব প্ৰিয় শিল্পীক

পুৱা ৯ বজাৰপৰা সন্ধিয়া ৭ বজালৈ শ্ৰদ্ধাঞ্জলি জনাব পাৰিব ৰাইজে ■ প্ৰস্তুতিৰ বুজ ল’লে মুখ্যমন্ত্ৰীয়ে ■ পথ-নিৰ্দেশনা জাৰি


দৈনিক অসমৰ প্ৰতিনিধি

**গুৱাহাটী, ২০ ছেপ্টেম্বৰ ঃ** অসমীয়াৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ অন্তিম দৰ্শন আৰু শেষ শ্ৰদ্ধা নিবেদনৰ বাবে সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত আয়োজন কৰা হৈছে ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ। কামৰূপ মহানগৰ জিলা উপায়ুক্ত সুমিত সাত্তাৱানে *১১ পৃষ্ঠাত চাওক*



পৰি ৰ’ল জুবিনৰ অত্যাধুনিক ষ্টুডিঅ’

## কেলিফৰ্নিয়াৰপৰা আনিছিল মাইক, মুম্বাইতো নথকা প্ৰযুক্তি



দৈনিক অসমৰ প্ৰতিনিধি

**গুৱাহাটী, ২০ ছেপ্টেম্বৰ ঃ** যুৱ-প্ৰজন্মৰ হাৰ্টথ্ৰ’ব জুবিন গাৰ্গৰ দেহাৱসানত অন্ত পৰিল অসমীয়া সংগীতজগতৰ এটা যুগৰ। কালজয়ী গীতেৰে সংগীতৰ ক্ষেত্ৰখনত এটা *১১ পৃষ্ঠাত চাওক*

জনতাৰ শিল্পীৰ প্ৰতি সন্মান

## তিনিদিনীয়া ৰাজ্যিক শোক ঘোষণা

দৈনিক অসমৰ বাতৰি

**গুৱাহাটী, ২০ ছেপ্টেম্বৰ ঃ** অগণিতজনক বিষাদৰ সমুদ্ৰত ডুবাই শুকুৰবাৰে ছিংগাপুৰত প্ৰাণ হেৰুওৱা জনতাৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতি সন্মান জনাই ৰাজ্য চৰকাৰে আজিৰে পৰা তিনিদিনীয়া ৰাজ্যিক শোক ঘোষণা কৰিছে। এই তিনি *১১ পৃষ্ঠাত চাওক*

আজিৰ পৰিপূৰিকা




মন্ত্ৰী-নেতাৰে ঘনিষ্ঠ হৈ সংগ্ৰহ কৰে লাখে লাখে অনুদান

## ‘ফেষ্টিভেল মহন্ত’ক লৈ তোলপাৰ ৰাজ্য, চৌদিশে ধিক্কাৰ

শিল্পী, সাংস্কৃতিক কৰ্মীক সন্মুখত লৈ শ্যামকানু মহন্তৰ ব্যৱসায়ৰপৰা লাভ হৈছে কাৰ?

দৈনিক অসমৰ বাতৰি

**গুৱাহাটী, ২০ ছেপ্টেম্বৰ ঃ** নিজকে উদ্যমী বুলি পৰিচয় দি অহা বিতৰ্কিত ব্যৱসায়ী শ্যামকানু মহন্ত সন্দৰ্ভত ন ন তথ্য পোহৰলৈ *৬ পৃষ্ঠাত চাওক*

কাঁহুদী



—মা দুৰ্গাক প্ৰাৰ্থনা জনাম— বিদেশত ফেষ্টিভেল পতা অসমৰ অসুৰকেইটাৰো এইবাৰ বিচাৰ কৰি যাবা!



প্ৰিয় শিল্পীৰ মৃত্যুত শোকস্তব্ধ

## ৰাজ্যত অঘোষিত ‘বন্ধ’-‘সান্ধ্য আইন’

প্ৰান্তে প্ৰান্তে বন্তি প্ৰজ্বলন-শোক সমদল

দৈনিক অসমৰ প্ৰতিনিধি

**গুৱাহাটী, ২০ ছেপ্টেম্বৰ ঃ** আকাশৰ দৰে বিশাল হৃদয়, সাগৰৰ দৰে গভীৰ মনৰ অধিকাৰী আছিল তেওঁ। ধুমুহাৰ সৈতে *৬ পৃষ্ঠাত চাওক*

আখলত জুই জ্বলা নাই প্ৰাণৰ শিল্পীৰ মৰমৰ জিৰণিস্থলত

## জালুকবাৰীৰ ‘ইতিহাস ৰেস্তোৰাঁ’ত ইতিহাস হৈ ৰ’ল ‘জুবিন গাৰ্গ কক্ষ’

### জুবিনে ৰুই যোৱা ‘ৰেইন ট্ৰি’ৰ তলত চেপনবাসীৰ উচুপনি

চেপন মহাবিঃত প্ৰিয় শিল্পীৰ প্ৰতিমূৰ্তি স্থাপনৰ সিদ্ধান্ত



দৈনিক অসমৰ প্ৰতিনিধি

**মৰাণ, ২০ ছেপ্টেম্বৰ ঃ** অসমীয়াৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ প্ৰতি *৬ পৃষ্ঠাত চাওক*

দৈনিক অসমৰ প্ৰতিনিধি

**জালুকবাৰী, ২০ ছেপ্টেম্বৰ ঃ** ইতিহাস ৰেষ্টুৰেণ্টৰ আখলত জ্বলা নাই জুই। কিন্তু ইয়াৰ বিপৰীতে ইতিহাস ৰেষ্টুৰেণ্টৰ চাৰিবেৰৰ মাজত দপদপকৈ জ্বলিছে একুৰা দুখৰ জুই। সদ্যপ্ৰয়াত বিশ্ববন্দিত সংগীত শিল্পী, অসমৰ সংগীত জগতৰ ধ্ৰুৱতৰা *৬ পৃষ্ঠাত চাওক*



# সম্পাদকীয়

৪ আহিন, দেওবাৰ, ১৯৪৭ শক

## সমাজ-জীৱনৰ অভিন্ন অংগ

অসমীয়া সংস্কৃতিৰ বৰঘৰৰ প্ৰধান ধাৰক আৰু প্ৰহৰী হৈ আধুনিক কালত সুধাকণ্ঠ ডঃ ভূপেন হাজৰিকাই আত্মপ্ৰকাশ কৰাৰ সময়খিনিলৈ মনত পেলালে কেইবাটাও দিশ চকুত পৰে। জ্যোতি-বিষ্ণুৰ জাগৰণৰ পাছত তেওঁলোকৰ উত্তৰসূৰী হিচাপে ভূপেন হাজৰিকাই আত্মপ্ৰকাশ কৰিছিল। তেওঁ জ্যোতিৰ জেউতিৰো স্পৰ্শ পাইছিল আৰু বিষ্ণু ৰাভাৰ মানুহমুখী যাত্ৰাৰো সহযাত্ৰী হৈছিল। আৰু তেওঁক অঘোষিতভাৱেই দুয়োৰে উত্তৰাধিকাৰী বুলি সকলোৱে স্বীকাৰ কৰিছিল। ভূপেন হাজৰিকাইও সেই উত্তৰাধিকাৰৰ মহত্ত্ব উপলব্ধি কৰিছিল আৰু অসমীয়া ভাষা, অসমীয়া সংস্কৃতিৰ বিশ্বমুখী যাত্ৰাটোক কৰি তুলিছিল অধিক তীব্ৰ আৰু সুদূৰপ্ৰসাৰী। ভূপেন হাজৰিকাৰ ভৰপক জনপ্ৰিয়তা আৰু প্ৰভাৱ-প্ৰতিপত্তিৰ মাজতে আত্মপ্ৰকাশ কৰিছিল জুবিন গাৰ্গ নামৰ মহাপ্ৰতিভাই। তেওঁৰ শিপাও পোত খাই আছিল অসমৰ মাটিতে। অসমৰ পানী, বতাহেই তেওঁক জীপ দিছিল আৰু প্ৰসাৰিত কৰি তুলিছিল যদিও তেওঁৰ প্ৰধান প্ৰেৰণা আছিল পশ্চিমীয়া সুৰ-সংগীত। ভাষা অসমীয়া, সুৰ অসমীয়া, চিন্তা অসমীয়া, আৱেগ অসমীয়া— আৰু তাত পশ্চিমীয়া সংগীত পৰম্পৰাৰ সোণ-পানীৰ প্ৰলেপ। এই বৈচিত্ৰ্যই গঢ় দিছিল জুবিন গাৰ্গৰ মূল পৰিচয়। ভূপেন হাজৰিকাৰ সাগৰপ্ৰমাণ জনপ্ৰিয়তা আৰু প্ৰভাৱৰ পৰিসীমাই জুবিন গাৰ্গক ঢাকি নধৰিলে। বৰং ভূপেন হাজৰিকাৰ প্ৰতি অপৰিসীম শ্ৰদ্ধা বুকুত ধাৰণ কৰিও জুবিন গাৰ্গ তেওঁৰ গানৰ শৈলী আৰু ভাষাৰ পৰা সম্পূৰ্ণ আঁতৰি থাকিল। হয়তো সেয়াই তেওঁৰ অসাধাৰণত্বৰ পৰিচয়। ভূপেন হাজৰিকা নামৰ সূৰ্যৰ সন্মুখত নিজৰ জ্যোতিৰ প্ৰকাশেৰে আন এটা সূৰ্য হিচাপেই তেওঁ প্ৰতিভাত হ'ল অসম নামৰ আকাশখনত। লাহে লাহে স্বাভাৱিকভাৱেই স্বাস্থ্য, বয়স আদি বিভিন্ন কাৰণত ভূপেন হাজৰিকাৰ সৃজনীশীল জীৱনৰ গতি হ্ৰাস হৈ আহিল আৰু জুবিন গাৰ্গ হৈ পৰিল দুৰন্ত, দুৰ্নিবাৰ। নিজা এটা ধাৰা, নিজা এটা শৈলী প্ৰতিষ্ঠাৰে জুবিন গাৰ্গে ভূপেন-উত্তৰ অসমীয়া সংগীতৰ জগতত কোনোধৰণৰ অৱসাদৰ ছাঁ পৰিবলৈ নিদিলে। বৰং তেওঁ নতুন প্ৰজন্মক আলোড়িত, উদ্বেলিত কৰি তুলিব পৰা এটা শৈলীৰে অসমীয়া গানৰ আকাশখন ছানি ধৰিলে। যাৰ ফলত অসমীয়া গানৰ চৰ্চা, অসমীয়া গানৰ শ্ৰোতা, অসমীয়া গানৰ প্ৰভাৱ আৰু জনপ্ৰিয়তাত অকণো প্ৰভাৱ নপৰিল আৰু জুবিনৰ জনপ্ৰিয়তাই সামগ্ৰিকভাৱেই অসমীয়া সংগীতৰ জগতখনক এটা নতুন উচ্চতা আৰু পৰিসৰলৈ লৈ গ'ল। আৰম্ভণিৰ সময়ছোৱাত জুবিন গাৰ্গক প্ৰেম-বিৰহৰ গান গোৱা যুৱ-প্ৰজন্মৰ এজন প্ৰতিনিধি বুলিয়ে কিছুমানে চিহ্নিত কৰিবলৈ চেষ্টা কৰিলে। তেওঁক নৱ-প্ৰজন্মৰ 'হাৰ্ট থ্ৰব' বুলি অভিহিত কৰা হ'ল। কিন্তু এই অভিধা যে তেওঁৰ সামগ্ৰিক সত্তাক প্ৰতিনিধিত্ব কৰিব পৰাকৈ যথেষ্ট নহয় সেয়া অতি সোনকালেই প্ৰমাণ হৈ গ'ল। জুবিন গাৰ্গে নিজেও এটা সাক্ষাৎকাৰত এবাৰ কৈছিল— 'বহুতেই মোক কেৱল প্ৰেম আৰু যৌৱনৰ গীত গোৱা শিল্পী বুলি ক'ব খোজে। কিন্তু সেয়া সঁচা নহয়। মই সমাজ আৰু সময়ৰ গানো গাইছোঁ।' শিল্পীগৰাকীৰ এই খেদৰ নিশ্চয় যুক্তি আছে। তেওঁৰ 'মুক্তি' নামৰ গানৰ সঁফুৰাটো মুকলি হোৱাৰ পাছতে জুবিন গাৰ্গ কেৱল যুৱ-প্ৰজন্মৰ শিল্পী হৈ নাথাকিল। তেওঁ হৈ পৰিল প্ৰবল জাতিপ্ৰেম, তীব্ৰ ভাষাপ্ৰেম, সমাজপ্ৰেম আৰু দায়বদ্ধতাৰে উদ্বুদ্ধ এগৰাকী সময়ৰ শিল্পী। অসমৰ প্ৰতিটো সমস্যাক লৈ উদ্বিগ্ন জুবিনেও গানক সমাজ গঢ়াৰ আহিলা হিচাপে গ্ৰহণ কৰিলে আৰু সময়ে সময়ে গানেৰেই কুটিল, স্বাৰ্থান্বেষী ৰাজনীতি, দুৰ্নীতি, মানুহৰ দুৰ্ভোগক লৈ সৰৱ হৈ উঠিল। প্ৰয়োজনত গৰজিও উঠিল। তেওঁৰ এই পৰ্বান্তৰে তেওঁৰ পৰিচয়ক এটা পৰিপূৰ্ণতা প্ৰদান কৰিলে আৰু জুবিন গাৰ্গ হৈ পৰিল অসমৰ সমাজ-জীৱনৰ অভিন্ন অংগ।

বিস্ময়কৰভাৱে ডঃ ভূপেন হাজৰিকাৰ দৰেই জুবিন গাৰ্গেও সেই শক্তি-সামৰ্থ্য আহৰণ কৰিবলৈ সক্ষম হ'ল— যি শক্তিৰে জাতিটোক জগাই তুলিব পাৰি, জাতিটোক সংকটৰ সংকেত দিব পাৰি, সতৰ্ক কৰি তুলিব পাৰি। তেওঁৰ এটা আহ্বান জন-জাগৰণৰ মন্ত্ৰ হৈ পৰিল আৰু তাৰ নিদৰ্শন আমি দেখিবলৈ পালোঁ শেহতীয়া 'কা'বিৰোধী আন্দোলনৰ সময়ত। অসমৰ জাতীয় পৰিচয় ৰক্ষাৰ সংগ্ৰামত পৰিণত হোৱা 'কা'বিৰোধী আন্দোলনত জুবিন গাৰ্গৰ অংশগ্ৰহণক একাংশই সমালোচনাৰ দৃষ্টিৰে চাব খোজে। কিন্তু জুবিন গাৰ্গে জাতিৰ স্বাৰ্থত যি আৱেগ সৃষ্টি কৰিব পাৰে, যি আলোড়ন আনিব পাৰে সেয়া আজিৰ সময়ত আন কাৰো যে নাই সেই কথা আজি কোনেও অস্বীকাৰ কৰিব নোৱাৰে। জুবিন গাৰ্গৰ দৰে প্ৰতিভাৰ বাবে অসমে তথা সৰ্বোপৰি বিশ্বই আৰু কিমান যুগলৈ, কিমান শতিকালৈ বাট চাব লাগিব সেয়া অনিশ্চিত। এতিয়া এটা কথাই নিশ্চিত যে জুবিন গাৰ্গ অসমীয়া ভাষা, অসমীয়া মাত-কথা, অসমীয়া আৱেগ, অসমীয়া পৰিচয় থাকে মানে লুইতৰ সোঁতৰ দৰে প্ৰবাহিত হৈ থাকিব।



# জুবিন গাৰ্গৰ গীতৰ কথা

## উত্তৰ-ঔপনিৱেশিক বিশ্লেষণ

■ ডঃ কমল কুমাৰ তাঁতী

জুবিন গাৰ্গ কেৱল এটা নাম নহয়, ই এক আৱেগ, এক বিপ্লৱ, অসমীয়া সংগীতৰ এক আত্মা। তেওঁৰ কণ্ঠত যাদু আছে, যি আমাক হঁহুৱায়, কন্দুৱায়, প্ৰেমত পেলায় আৰু সমাজৰ প্ৰতি সচেতন কৰি তোলে। তেওঁৰ গীতবোৰ কেৱল সুৰ আৰু শব্দৰ সমষ্টি নহয়, সেইবোৰ আমাৰ জীৱনৰ দাপোণ। প্ৰতিটো গীততে জুবিনে একো একোটা নতুন মাত্ৰা দিছে। তেওঁৰ ৰচনা, সুৰ আৰু গায়কীয়ে অসমীয়া সংগীতক এক বিশ্বজনীন ৰূপ দিছে। তেওঁ কেৱল এজন গায়ক নহয়, এজন গীতিকাৰ, সুৰকাৰ, অভিনেতা, পৰিচালক আৰু সমাজকৰ্মী হিচাপেও তেওঁৰ অৱদান অপৰিসীম।

জুবিন গাৰ্গৰ গীতে কেৱল শ্ৰোতাক মোহিত কৰাই নহয়, বৰঞ্চ অসমীয়া সমাজৰ গভীৰতাত শিপাই থকা সাংস্কৃতিক, ৰাজনৈতিক আৰু সামাজিক সংকটসমূহকো উন্মোচন কৰি আহিছে। তেওঁৰ গীতৰ কথা উত্তৰ-ঔপনিৱেশিক সমালোচনাৰ দৃষ্টিকোণৰপৰা বিশ্লেষণ কৰাটো খুবেই প্ৰয়োজনীয়, কিয়নো ঔপনিৱেশিকতাবাদৰ স্থায়ী প্ৰভাৱ, জাতিগত পৰিচয়ৰ পুনৰ নিৰ্মাণ, প্ৰতিৰোধৰ ভাষা আৰু সাংস্কৃতিক স্বকীয়তাৰ প্ৰচেষ্টাক কিদৰে জুবিনে তেওঁৰ সৃষ্টিত প্ৰতিফলিত কৰিছে, তাক বুজিবলৈ সহায় কৰে। উত্তৰ-ঔপনিৱেশিক তত্ত্বই ঔপনিৱেশিক শাসনৰ অন্ত পৰাৰ পাছতো ইয়াৰ প্ৰভাৱবোৰ কেনেকৈ সমাজ, সংস্কৃতি আৰু মনোজগতত বৰ্তি থাকে তাৰ ওপৰত আলোকপাত কৰে। জুবিন গাৰ্গৰ গীতত এই প্ৰভাৱবোৰ বিভিন্ন ধৰণেৰে ফুটি উঠিছে— য'ত অতীতৰ স্মৃতি, বৰ্তমানৰ প্ৰত্যাহ্বান আৰু ভৱিষ্যতৰ সপোন জড়িত হৈ থাকে।

জুবিন গাৰ্গৰ গীতত ঔপনিৱেশিকতাবাদৰ প্ৰভাৱ আৰু ইয়াৰ স্মৃতি সঘনাই দেখা যায়। যদিও ভাৰতে ১৯৪৭ চনত স্বাধীনতা লাভ কৰিছিল, ঔপনিৱেশিক শাসনৰ ফলত সৃষ্টি হোৱা আঘাত-প্ৰত্যাঘাত আৰু সাংস্কৃতিক বিচ্ছেদৰ স্মৃতি আজিও বিদ্যমান। তেওঁৰ কিছুমান গীতত অসমৰ প্ৰাকৃতিক সম্পদৰ ওপৰত হোৱা শোষণ, জনসাধাৰণৰ অধিকাৰ খৰ্ব হোৱা আৰু ব্ৰিটিছৰ শাসনকালত আৰু স্বাধীনতাৰ পাছতো অসমীয়া জনসাধাৰণে সন্মুখীন হোৱা বঞ্চনাৰ এক সূক্ষ্ম ইংগিত পোৱা যায়। এই গীতবোৰে কেৱল ঐতিহাসিক ঘটনাৱলীক বৰ্ণনা নকৰি, বৰঞ্চ ঔপনিৱেশিক শাসনৰ মনস্তাত্ত্বিক প্ৰভাৱ আৰু ইয়াৰ ফলত সৃষ্টি হোৱা পৰিচয়ৰ সংকটকো ফুটাই তোলে। তেওঁৰ গীতত অসমৰ ভূমি আৰু ইয়াৰ লোকসকলৰ ওপৰত হোৱা অন্যায়ৰ প্ৰতিবাদ এক সংবেদনশীল সুৰত প্ৰকাশ পায়, যিয়ে অতীতৰ ক্ষতবোৰক বৰ্তমানৰ প্ৰেক্ষাপটত পুনৰ সজীৱ কৰি তোলে। এই গীতবোৰে ঔপনিৱেশিকতাবাদৰ কেৱল ৰাজনৈতিক আৰু অৰ্থনৈতিক শোষণকে নহয়, বৰঞ্চ ইয়াৰ সাংস্কৃতিক আৰু সামাজিক আধিপত্যকো প্ৰশ্ন কৰে।

**জুবিন গাৰ্গৰ গীতত ঔপনিৱেশিকতাবাদৰ প্ৰভাৱ আৰু ইয়াৰ স্মৃতি সঘনাই দেখা যায়। যদিও ভাৰতে ১৯৪৭ চনত স্বাধীনতা লাভ কৰিছিল, ঔপনিৱেশিক শাসনৰ ফলত সৃষ্টি হোৱা আঘাত-প্ৰত্যাঘাত আৰু সাংস্কৃতিক বিচ্ছেদৰ স্মৃতি আজিও বিদ্যমান। তেওঁৰ কিছুমান গীতত অসমৰ প্ৰাকৃতিক সম্পদৰ ওপৰত হোৱা শোষণ, জনসাধাৰণৰ অধিকাৰ খৰ্ব হোৱা আৰু ব্ৰিটিছৰ শাসনকালত আৰু স্বাধীনতাৰ পাছতো অসমীয়া জনসাধাৰণে সন্মুখীন হোৱা বঞ্চনাৰ এক সূক্ষ্ম ইংগিত পোৱা যায়।**

জাতিগত পৰিচয়ৰ সন্ধান আৰু সাংস্কৃতিক স্বকীয়তাৰ ধাৰণা জুবিন গাৰ্গৰ গীতৰ এক কেন্দ্ৰীয় বিষয়। ঔপনিৱেশিক শক্তিসমূহে প্ৰায়েই থলুৱা জনসাধাৰণৰ পৰিচয় হীন বুলি গণ্য কৰিছিল বা বিকৃত কৰিছিল— যাৰ ফলত থলুৱা সংস্কৃতি আৰু ভাষা সংকটৰ সন্মুখীন হৈছিল। জুবিন গাৰ্গে তেওঁৰ গীতৰ জৰিয়তে অসমীয়া জাতিৰ পৰিচয়, ইয়াৰ ভাষা, ঐতিহ্য আৰু মূল্যবোধক পুনৰ প্ৰতিষ্ঠা কৰাৰ এক শক্তিশালী প্ৰয়াস কৰি আহিছে। তেওঁৰ গীতত অসমৰ প্ৰাকৃতিক সৌন্দৰ্য, ইয়াৰ লোককথা, লোক-সংগীত আৰু থলুৱা উৎসৱসমূহৰ সজীৱ বৰ্ণনা পোৱা যায়, যিবোৰে অসমীয়া পৰিচয়ক অধিক শক্তিশালী কৰাত অৰিহণা যোগায়। 'আমি অসমীয়া' বুলি কোৱা আত্মপ্ৰকাশ কেৱল এক শ্ল'গানেই নহয়, বৰঞ্চ ঔপনিৱেশিকতাবাদৰ ফলত হেৰাই যোৱা বা ম্লান পৰা পৰিচয়ক পুনৰুদ্ধাৰ কৰাৰ এক শক্তিশালী প্ৰতিক্ৰিয়া। তেওঁৰ গীতবোৰে অসমীয়া যুৱপ্ৰজন্মক নিজৰ শিপাৰ সৈতে সংযোগ স্থাপন কৰিবলৈ উৎসাহিত কৰে, যাৰ জৰিয়তে সাংস্কৃতিক ঔপনিৱেশিকতাবাদৰ বিৰুদ্ধে এক প্ৰতিৰোধ গঢ় লৈ উঠে। এই প্ৰচেষ্টা কেৱল অতীতৰ গৌৰৱ পুনৰুদ্ধাৰৰ বাবেই নহয়, বৰঞ্চ বৰ্তমানৰ বিশ্বায়নৰ প্ৰেক্ষাপটত নিজৰ স্বকীয়তা বৰ্তাই ৰখাৰ এক গুৰুত্বপূৰ্ণ প্ৰচেষ্টা।

প্ৰতিৰোধৰ স্বৰ আৰু বিপ্লৱী চেতনা জুবিন গাৰ্গৰ গীতৰ আন এক গুৰুত্বপূৰ্ণ দিশ। উত্তৰ-ঔপনিৱেশিক সাহিত্যত প্ৰতিৰোধ এক কেন্দ্ৰীয় বিষয়, কিয়নো ই ঔপনিৱেশিক শক্তিৰ বিৰুদ্ধে থলুৱা জনসাধাৰণৰ যুঁজ আৰু তেওঁলোকৰ মুক্তিৰ আকাংক্ষাক প্ৰতিফলিত কৰে। জুবিন গাৰ্গৰ বহু গীতত অন্যায়, শোষণ আৰু অত্যাচাৰৰ বিৰুদ্ধে এক প্ৰবল বিপ্লৱী চেতনা দেখিবলৈ পোৱা যায়। তেওঁ কেৱল ব্যক্তিগত প্ৰেম বা বিৰহৰ গীত গোৱাই নহয়, বৰঞ্চ সমাজৰ জ্বলন্ত সমস্যাসমূহ, যেনে— ৰাজনৈতিক দুৰ্নীতি, সামাজিক বৈষম্য, পৰিৱেশ ধ্বংস আৰু মানৱ অধিকাৰ উলংঘনৰ বিষয়েও সাহসেৰে মাত মাতি আহিছে। তেওঁৰ গীতবোৰ নিপীড়িত জনসাধাৰণৰ কণ্ঠস্বৰ হৈ পৰে আৰু তেওঁলোকক ক্ষমতাৰ বিৰুদ্ধে থিয় হ'বলৈ সাহস যোগায়। এই প্ৰতিৰোধ কেৱল সশস্ত্ৰ সংগ্ৰামৰ মাজতে সীমাবদ্ধ নহয়, বৰঞ্চ ই সাংস্কৃতিক, বৌদ্ধিক আৰু সামাজিক পৰ্যায়তো বিয়পি পৰে। তেওঁৰ গীতসমূহে জনসাধাৰণক সজাগ আৰু সংঘবদ্ধ হ'বলৈ আহ্বান জনায়, যিয়ে এক শক্তিশালী সামাজিক আন্দোলনৰ সৃষ্টি কৰাত সহায় কৰে।

থলুৱা ভাষা আৰু উপভাষাৰ ব্যৱহাৰ জুবিন গাৰ্গৰ গীতৰ আন এক গুৰুত্বপূৰ্ণ দিশ— যি উত্তৰ-ঔপনিৱেশিক দৃষ্টিকোণৰপৰা অতিকৈ গুৰুত্বপূৰ্ণ। ঔপনিৱেশিক শাসনে প্ৰায়েই থলুৱা ভাষাসমূহক দমন কৰি শাসকৰ ভাষা জাপি দিয়ে, যাৰ ফলত থলুৱা ভাষাৰ বিকাশ বাধাগ্ৰস্ত হৈ থাকে। জুবিন গাৰ্গৰ গীতত অসমীয়া ভাষাৰ বিভিন্ন উপভাষা আৰু আঞ্চলিক শব্দৰ বহুল ব্যৱহাৰ দেখা যায়, যিয়ে অসমীয়া ভাষাৰ বৈচিত্ৰ্য আৰু সমৃদ্ধিকে প্ৰতিফলিত কৰে। তেওঁ কেৱল মান্য অসমীয়া ভাষাতে সীমাবদ্ধ নাথাকি বিভিন্ন জনগোষ্ঠীয় ভাষা আৰু উপভাষাকো তেওঁৰ গীতত স্থান দিছে, যিয়ে এক বৃহত্তৰ অসমীয়া পৰিচয়কে প্ৰতিনিধিত্ব কৰে। ভাষা আৰু উপভাষাৰ এনে ব্যৱহাৰে ভাষাৰ উপনিৱেশবাদৰ বিৰুদ্ধে এক প্ৰতিৰোধ গঢ়ি তোলে আৰু থলুৱা ভাষাসমূহৰ মহত্ত্ব পুনৰ প্ৰতিষ্ঠা কৰাত সহায় কৰে। ইয়াৰদ্বাৰাই প্ৰমাণ হয় যে থলুৱা ভাষাসমূহ কেৱল যোগাযোগৰ মাধ্যমেই মাথোঁ নহয়, বৰঞ্চ ইয়াৰ জৰিয়তে সংস্কৃতি, ঐতিহ্য আৰু পৰিচয় সংৰক্ষণ কৰিব পাৰি।

সাম্প্ৰতিক সময়ত বিশ্বায়নৰ প্ৰভাৱে উত্তৰ-ঔপনিৱেশিক সমাজত নতুন প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছে। বিশ্বায়নে সাংস্কৃতিক মিশ্ৰণৰ লগতে সাংস্কৃতিক উপনিৱেশবাদৰ নতুন ৰূপো লৈ আনিছে, য'ত থলুৱা সংস্কৃতি বিদেশী সংস্কৃতিৰদ্বাৰা প্ৰভাৱিত হৈছে। জুবিন গাৰ্গৰ কিছুমান গীতত বিশ্বায়নৰ ফলত সৃষ্টি হোৱা পৰিচয়ৰ সংকট আৰু থলুৱা সংস্কৃতিৰ ওপৰত ইয়াৰ প্ৰভাৱৰ বিষয়ে উৎকৃষ্টভাৱে উল্লিখিত হৈছে। তেওঁৰ গীতত আধুনিকতাৰ প্ৰতি আকৰ্ষণৰ লগতে পৰম্পৰা ৰক্ষাৰ প্ৰয়াসো দেখিবলৈ পোৱা যায়। তেওঁ বিদেশী সংস্কৃতিৰ প্ৰভাৱ গ্ৰহণ কৰিলেও নিজৰ শিপা পাহৰি নোযোৱাৰ এক শক্তিশালী বাৰ্তা প্ৰেৰণ কৰি থাকিছিল। জুবিনৰ গীতবোৰে বিশ্বায়নৰ ফলত সৃষ্টি হোৱা দ্বৈত পৰিচয়ৰ সংকটসমূহক লৈও প্ৰশ্ন উত্থাপন কৰি আহিছে, য'ত ব্যক্তি এজনে আধুনিক বিশ্বৰ সৈতে খোজ মিলাবলৈ চেষ্টা কৰোঁতে নিজৰ শিপাৰপৰা বিচ্ছিন্ন হোৱাৰ ভয় কৰে।

প্ৰকৃতপক্ষে, জুবিন গাৰ্গৰ গীতসমূহৰ কথাবোৰ উত্তৰ-ঔপনিৱেশিক সমালোচনাৰ এক উৎকৃষ্ট উদাহৰণ। তেওঁৰ গীতত ঔপনিৱেশিকতাবাদৰ দীৰ্ঘদিনীয়া প্ৰভাৱ, জাতিগত পৰিচয়ৰ সন্ধান, প্ৰতিৰোধৰ স্বৰ, সাংস্কৃতিক স্বকীয়তাৰ প্ৰচেষ্টা আৰু বিশ্বায়নৰ প্ৰত্যাহ্বানসমূহ গভীৰভাৱে প্ৰতিফলিত হৈছে। তেওঁ কেৱল এজন সংগীতজ্ঞই নহয়, বৰঞ্চ এগৰাকী সমাজ-সচেতন শিল্পী, যাৰ গীতে অসমীয়া সমাজত এক সুদূৰপ্ৰসাৰী প্ৰভাৱ পেলাইছে। তেওঁৰ গীতবোৰ কেৱল মনোৰঞ্জনৰ বাবেই নহয়, বৰঞ্চ এই গীতবোৰ অসমীয়া জাতিৰ আত্মা, ইয়াৰ যন্ত্ৰণা, সপোন আৰু প্ৰতিৰোধৰ এক শক্তিশালী প্ৰতিচ্ছবিস্বৰূপ। এই গীতসমূহে অসমীয়া সমাজক অতীতৰপৰা শিকি বৰ্তমানৰ প্ৰত্যাহ্বানসমূহৰ মোকাবিলা কৰি ভৱিষ্যতলৈ আগবাঢ়িবলৈ প্ৰেৰণা যোগায়। জুবিন গাৰ্গৰ গীতসমূহে অসমীয়া সংস্কৃতি আৰু 'অসমীয়া পৰিচয়'ৰ সংৰক্ষণ আৰু পুনৰ নিৰ্মাণৰ ক্ষেত্ৰত যে এক গুৰুত্বপূৰ্ণ আৰু দিক্-নিৰ্ণায়ক ভূমিকা পালন কৰি আহিছে, সেই কথা সকলোৱে স্বীকাৰ কৰি ল'বলৈ বাধ্য।

*(লেখক মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়, নগাঁও চৌহদৰ পদাৰ্থ বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক।)*

ফোন ঃ ৮২৫৭০৬৭২৯৭

# আঁউসীৰ জোন মোৰ সমুখতে

■ ইন্দ্ৰনীল গায়ন



আঁউসীৰ জোন মোৰ সমুখতে
সেমেকা চকুলো দুগালতে
নিজানৰ ৰাতি মোৰ কেতিয়াকে
পুৱাব, খেলিব ৰ'দে স'তে
তুমি আহিবা এদিনা ৰং দিবা দুচকুত
মৰমেৰে বুকু উপচাই

ক'ৰপৰা আৰম্ভ কৰিম আৰু ক'ত শেষ কৰিম। এই সময়ত কি লিখিম! তেওঁৰ নামটোতেই সাংঘাতিক নিচা এটা আছিল 'জুবিন গাৰ্গ'। আমাৰ শৈশৱ, কৈশোৰ, যৌৱন যাৰ কণ্ঠ আৰু সুৰেৰে আলোড়িত হৈ আছিল।

শিল্পীৰ জন্ম আচলতেই ব্যক্তিগত নহয়, সামূহিক যি জীয়াই থাকে কেৱল মানুহৰ বাবে, সমাজৰ বাবে। জুবিন গাৰ্গ এনে এটা সত্তা যাক আমি এটি নিৰ্ভুল শিশুৰ দৰে বুলি ক'ব পাৰোঁ। মানুহৰ মাজত, মানুহৰ সুখ-দুখত, জাতিৰ দুঃসময়ত থিয় দি থকা এজোপা ইউকেলিপ্টাছ গছ। যি নিজেও নিজৰ গীততো কৈ গৈছে 'ইউকেলিপ্টাছ গছৰ দৰে ওখ হ'ব খোজোঁ মই'। সঁচাকৈয়ে তেওঁ ওখ আছিল, তেওঁ প্ৰতিভাৰে ওখ হৈ গৈ আছিল। শিল্পীৰ পৰিচয় কেৱল আচৰণতেই নাথাকে, থাকে তেওঁৰ সৃষ্টি আৰু প্ৰতিভাত। জুবিন গাৰ্গ আনতকৈ পৃথক, আনতকৈ বেলেগ কিবা এটা কৰি ভাল পাইছিল আৰু জনপ্ৰিয়তাৰ শীৰ্ষস্থান অধিকাৰ কৰিছিল। সেয়ে চাগে অসমৰ কবি-সাহিত্যিক-গীতিকাৰ হীৰেন ভট্টাচাৰ্যই জুবিন গাৰ্গৰ জনপ্ৰিয়তা সম্পৰ্কে এনেদৰে কৈছিল— জুবিন সঁচাই আচৰিত। ইমান কম বয়সতে, ইমান সোনকালে জনপ্ৰিয়তা লাভ কৰা দেখি আচৰিত হওঁ। জুবিন কোনো ৰেডিঅ'ৰ শিল্পী নহয়। দূৰদৰ্শনৰ শিল্পী নহয় বা তেনেধৰণৰ কোনো বেকগ্ৰাউণ্ডো নাই। জুবিনে যোগ্যতাৰ ভিত্তিত জনপ্ৰিয়তা পাইছে নিঃসন্দেহে।'

এই যে নিঃসন্দেহে। সঁচাকৈয়ে নিঃসন্দেহেই জুবিন গাৰ্গ 'জুবিন গাৰ্গ' হ'ব পাৰিছিল। সেই যোগ্যতা আৰু কাকো আপোচ নকৰা এক নিৰহংকাৰী শিল্পী সত্তাৰে মানুহৰ বুকুৰ ভিতৰলৈ কুৰুকি কুৰুকি সোমাব পাৰিছিল। জুবিন গাৰ্গ যদিওবা ভিৰৰ মাজত আছিল, তথাপি ক'ৰবাত যেন অলপ অকলশৰীয়া। আচলতে প্ৰতিজন শিল্পীৰেই নিজৰ একোটা স্পেছ থাকে, সেই স্পেছটোত কেৱল তেওঁ নিজেই থাকে আৰু তাতেই সৃষ্টি থাকে।

১৯৯২ চনত প্ৰথমটো এলবাম 'অনামিকা' মুক্তিৰে পেছাদাৰী সংগীত জগতলৈ জুবিন গাৰ্গৰ প্ৰৱেশ হৈছিল। সেই যে ঘোঁৰাৰ দৰে দুৰন্ত গতি সেয়া কেতিয়াও স্থৱিৰ হোৱা নাছিল। কেৱল আগলৈ চাইছিল। সেই বাট যদিওবা কণ্টকময় আছিল, কিন্তু নিজৰ প্ৰতিভাৰ দক্ষতাৰে সেই বাট মসৃণ কৰি পেলাইছিল।

এই যে হেজাৰ হেজাৰ গান, সংগীত পৰিচালনা, অভিনয়, শেহতীয়াকৈ চিনেমা পৰিচালনা, নতুন শিল্পীক নদিগন্তৰ বাট দেখুওৱা সৰল মনৰ শিল্পীজনে নিজেই নিজক এক অনুষ্ঠান হিচাপে গঢ় দি গৈছে। আমি কেৱল সেই সময়ৰ সাক্ষী হৈ ৰ'লোঁ।

আৰু কি লিখিম!
নিমাত মাত এটাই মোক মাতি থাকে
লাহে লাহে
মোৰ বুকুৰ ভিতৰলৈ সোমাই আহে
আলফুলে মই মাতটোক
মোৰ বুকুৰ ভিতৰত শুৱাই থওঁ
উচুপি উচুপি
নিচুকনি এটি হৈ মাতটো শুই পৰে।

জুবিন গাৰ্গক বিদায় জনাব পাৰি জানো? ওহোঁ নোৱাৰি! কাহানিও নোৱাৰি। সেই যে 'মন যায়' চিনেমাখনত জুবিন গাৰ্গৰ এটা সংলাপ আছিল— কেতিয়াবা গুচি যাম বহুত দূৰলৈ, এটা বেলেগ জাগালৈ, য'ত মোক কোনেও চিনি নেপাব।

তেওঁ গুচি গ'ল এখন দেশৰপৰা আন এখন অজান দেশলৈ য'ত তেওঁক কোনেও চিনি নাপাবনে? যেন আমিও শেষত এৰিক ক্লেপ্টনৰ গীতটোৰ দৰেই গাম ঃ

Would you know my name
if I saw you in Heaven?
Would it be the same
if I saw you in Heaven?

# লুইতপৰীয়া জুবিন গাৰ্গ

**লুইতৰ গভীৰ তলিৰ শামুকৰ গৰ্ভ ফালি মুকুতাৰ সৌন্দৰ্য উপভোগ কৰিব বিচৰা, সকলোৰে হিতসাধনত ৰত থকা শিল্পীগৰাকীয়ে জীৱনৰ লগত মৰণৰ কোনো ধৰণৰ মীমাংসা বা কম্প্ৰ'মাইজ নকৰি সন্ধান কৰিছিল জীৱন জীয়াৰ সুৰ।**



■ নিৰ্মল ডেকা

জুবিন গাৰ্গ আজি নাই। জনতাৰ বৰসবাহত বৰ আসন অলংকৃত কৰিবলৈ জুবিন গাৰ্গ নহ'লেও তেওঁৰ আভা আজি উদ্ভাসিত হৈ পৰিছে চৌদিশে। ঘটনাবহুল জীৱন প্ৰৱাহত জীৱন তৰিখনি ডুবিল যদিও সেউজীয়া কোমল ঘাঁহনিৰে ভৰা অসমৰ সাৰুৱা মাটি ভেদ কৰি সুউচ্চ পৰ্বত-পাহাৰবোৰে যিদৰে শিৰ উচ্চ কৰি থিয় হৈ আছে, জুবিন গাৰ্গো মানুহৰ অন্তৰৰ নিভৃত কোণত জীয়াই আছে।

গীতেৰে-সুৰেৰে মানুহৰ মনৰ বীণাত ঝংকাৰ তোলা নিৰ্ভীকতাৰ জীৱন্ত প্ৰতীক, গতিশীলতাৰ মূৰ্তমান চানেকি, অসমৰ গৰিমাৰ আৰু সাহসৰ অনন্তজ্যোতি আছিল জুবিন গাৰ্গ। সৰুকালি মামাহঁতৰ ঘৰতে জুবিনৰ গীত প্ৰথম শুনিছিলোঁ। সৰু মামাই টেপত জুবিনৰ গীত লগাই থয়। আমি শুনি থাকোঁ। মাজে মাজে গুণগুণাও। 'আহে বা নাহে...', 'য়া আলী...' ইত্যাদি গীতবোৰেই আমাৰ শৈশৱ-কৈশোৰ ৰোমাঞ্চিত আৰু সমৃদ্ধ কৰাৰ সমান্তৰালকৈ অস্থিৰ মনটোলৈ স্থিৰতা আৰু শৃংখলা আনি দিছিল। পৰৱৰ্তী সময়ত জুবিনৰ গীত হৈ পৰিল আমাৰ দৈনন্দিন জীৱনৰ নিত্য সাহচৰ্য।

চন ২০১৬-১৭। বজালী কলেজৰ ছাত্ৰ। সেইবাৰ পাঠশালা বিহু সন্মিলনীলৈ নিমন্ত্ৰণ কৰা হৈছিল জুবিন গাৰ্গক। ইয়াৰ আগেয়ে জুবিন গাৰ্গৰ অনুষ্ঠান প্ৰত্যক্ষভাৱে উপভোগ কৰাৰ সুযোগ আৰু সুবিধা লাভ কৰা নাছিলোঁ। সাধাৰণতে ৰেকৰ্ডত শুনা গীত আৰু মঞ্চত পৰিৱেশন কৰা গীতৰ মাজত অনেক পাৰ্থক্য আছে। অৱশ্যে, জুবিনৰ ক্ষেত্ৰত এই ধৰণৰ কথাবোৰ যেন গৌণ হৈ পৰে। ইমান সাৱলীল আৰু সুন্দৰ অনুষ্ঠানৰ ৰাগীত মোহাচ্ছন্ন হৈ ৰাতি কেনেকৈ পুৱাই গ'ল সেই কথা কোনেও টলকিবই নোৱাৰিলে। এয়াই জুবিন।

সেইখন মঞ্চত জুবিনে জাতিটোৰ কথা কৈছিল। সকলোকে সমিলমিলেৰে থকাৰ আহ্বান জনাইছিল। তেতিয়াই উপলব্ধি কৰিছিলোঁ বৰ অসমৰ সমন্বয়ৰ বৰভেটিত একতাৰ বন্তিগছি পাহাৰ-ভৈয়াম, জাতি-উপজাতি সকলোৰে মাজত অনন্ত কাললৈ উজলি থাকক, শোষণবিহীন এখন বহল সমাজত দূৰ দূৰণিলৈ বৈ যাওক খিলখিল হাঁহিৰ স্নেহ নিজৰা, চৰাইৰ কল-কাকলিৰ মাতত নিতৌ নতুন দিনৰ সূৰ্যোদয় হওক, বেলি ডুব যাওক, আকৌ নৱ প্ৰভাত আহক এয়াই আছিল জুবিনৰ লক্ষ্য। সেইবাবে সকলোৰে প্ৰতি সমভাবাপন্ন হৈ লোকহিতৰ অৰ্থে নিস্বাৰ্থভাৱে আত্মনিয়োগ কৰাৰ মূল ভিত্তিক আশ্ৰয় কৰি তেওঁ আগবাঢ়ি গ'ল। কাৰণ তেওঁ জানিছিল যে কৰ্ম, জ্ঞান, স্নেহ, প্ৰীতি, ৰসানুভূতি এইবোৰেহে ব্যক্তিগত আৰু সামাজিক জীৱন সুন্দৰ কৰি তুলিব পাৰে।

লুইতৰ গভীৰ তলিৰ শামুকৰ গৰ্ভ ফালি মুকুতাৰ সৌন্দৰ্য উপভোগ কৰিব বিচৰা, সকলোৰে হিতসাধনত ৰত থকা শিল্পীগৰাকীয়ে জীৱনৰ লগত মৰণৰ কোনো ধৰণৰ মীমাংসা বা কম্প্ৰ'মাইজ নকৰি সন্ধান কৰিছিল জীৱন জীয়াৰ সুৰ। কাৰণ, তেওঁ জানিছিল যে গতিশীল জীৱন যাত্ৰাত জড়তা, স্থৱিৰতা সুন্দৰৰ বাটৰ মূল অন্তৰায়।

মানুহৰ মাজত সুন্দৰৰ ৰূপ দৰ্শন কৰি জুবিন যেন তৃপ্ত হৈছিল। ৰাইজৰ স্নেহসাগৰত সাঁতুৰি-নাদুৰি ফুৰা শিল্পীগৰাকীয়ে যেতিয়া দেখিলে যে অসমৰ বুকুলৈ এচপৰা ক'লা মেঘ আগুৱাই আহিছে তেতিয়া তেওঁ হৈ পৰিল বজ্ৰৰ দৰে কঠিন। চেতনা, প্ৰেৰণাৰে সমৃদ্ধ হৈ নিজৰ সৰ্বস্ব ত্যাগ কৰি মানুহক গানৰ মেলালৈ আহ্বান জনাই সোণালী কণ্ঠেৰে ৰিঙিয়াই ৰিঙিয়াই গালে— 'শান্তি দিয়া, মুক্তি দিয়া, নতুন অসম গঢ়িবলৈ...' ইত্যাদি, ইত্যাদি।

এনেদৰে অসমীয়া সংস্কৃতিৰ জগতখনক অভাৱনীয়ভাৱে সমৃদ্ধ কৰি, কৃষ্টি-সংস্কৃতিৰ সোণ বুটলি মানুহৰ সংহতি আৰু প্ৰগতিৰ বাটত জুবিন আগুৱাই গৈ থাকিল। তেওঁ আগুৱাই যাওঁতে সন্মুখীন হ'বলগীয়া হ'ল নানা প্ৰত্যাহ্বানৰ। কিন্তু জীৱন বাটত আহি পৰা হুল-জেংবোৰ আঁতৰাই অক্লান্ত জুবিনে অব্যাহত ৰাখিলে অগ্ৰগামী যাত্ৰাৰ।

জুবিনৰ জনপ্ৰিয়তা আৰু সৰলতাক এচাম চকু চৰহাই নিৰাপদ স্থান বুলি গণ্য কৰিবলৈ ল'লে। এই কথাৰ উমান পাই আমি যেতিয়া জুবিনক দায়িত্বশীল হোৱাৰ কথা কৈছিলোঁ, সংযমী হোৱাৰ কথা কৈছিলোঁ, শৃংখলিত আৰু পৰিমিতাচাৰী জীৱনধাৰাত চকু দিয়াৰ কথা কৈছিলোঁ তেতিয়া এচামে আমাক জুবিনবিৰোধী বুলি হনা-খোঁচা কৰিছিল, নানা প্ৰলাপেৰে মুখত থুৱাইছিল। কিন্তু এই কথা অনস্বীকাৰ্য, সময়ৰ গতিত জুবিন গাৰ্গক ব্যৱহাৰ কৰা হ'ল! জুবিন ব্যৱহাৰৰ সামগ্ৰী নাছিল। কিন্তু মানুহৰ লক্ষিতে বা অলক্ষিতে এই কাম কৰি গ'ল এচামে আৰু আমি মৌন, মূক, বধিৰ হৈ সহি গ'লো সকলো।

আজি ৰাইজৰ বৰমেলত যেতিয়া সকলোৱে কয় জুবিন আমাৰ, জুবিন আমাৰ। তেতিয়া প্ৰশ্ন হয় জুবিন নাছিল কাৰ? অথচ সেই একেজন জুবিন গাৰ্গ অৱহেলিত, অনাদৃত হৈ ৰ'ল কোনোবাখিনিত! তাৰ বাবে দায়ী কোন? আমিয়েই নহয়নে? জুবিনৰ দৰে এগৰাকী শিল্পীক আটোলটোল মৰমেৰে বেৰিয়াই ৰাখিব নোৱৰাটো জাতিটোৰ বাবে অতি দুৰ্ভাগ্যজনক কথা। সময়ৰ অগ্ৰগতিত জুবিনে জীৱন নাট সামৰি অনন্ত ধামলৈ গতি কৰিলে। এতিয়া প্ৰজন্মৰো দায়িত্ব বাঢ়িল। আমাৰ প্ৰজন্মই বিলাতী কাৰবাৰবোৰ এৰি চিৰসুন্দৰৰ শিল্পীক জীয়াই ৰাখিবলৈ কঁকালত টঙালি বান্ধিবই লাগিব। তাৰবাবে প্ৰজন্মই ওপৰোৱা শিল্পীপ্ৰেম নেদেখুৱাই, মঞ্চৰ বাহিৰে-ভিতৰে, ৰাজপথে ৰাজপথে জয়ধ্বনি নিদি অধ্যয়নত ব্ৰতী হ'বই লাগিব। শংকৰ-মাধৱ, অম্বিকাগিৰী, কমলাকান্ত ভট্টাচাৰ্য, জ্যোতিপ্ৰসাদ, বিষ্ণু ৰাভা, ভূপেন হাজৰিকাৰ দৰে সচ্চিদানন্দৰ সাধকক গভীৰ অন্তৰ্দৃষ্টিৰে ফঁহিয়াই চাব লাগিব। তেতিয়াহে আমি বুজি উঠিম যে শিল্পী হোৱা সহজ নহয়। শংকৰ-মাধৱৰ আদৰ্শ অনুকৰণ কৰিয়েই অসমীয়া সাহিত্য-সংস্কৃতি আগুৱাই আহিছে। ভূপেন হাজৰিকাৰ উত্তৰসূৰী হিচাপে জুবিনেই আছিল জাতিটোৰ সাহস আৰু বিশ্বাসৰ থল। সেই বিশ্বাস, আশা-ভৰসাৰ বৰ দৌলক ৰক্ষণাবেক্ষণ দিব পৰাকৈ আৰু এজন জুবিন গাৰ্গক পাবলৈ অসমীয়াই হয়তো অনন্ত সময়লৈ বাট চাব লাগিব...।

ফোন ঃ ৮৬৩৮৪১৩৩৮৫

# দহ হেজাৰ বন্তিৰে জুবিনলৈ শ্ৰদ্ধাঞ্জলি

## শিৱসাগৰত ন্যায়াধীশ, অধিবক্তাই পৰিৱেশন কৰিলে 'মায়াবিনী ৰাতিৰ বুকুত...'




**দৈনিক অসমৰ প্ৰতিনিধি**

**শিৱসাগৰ, ২০ ছেপ্টেম্বৰ ঃ** দহ হেজাৰ বন্তি প্ৰজ্বলনেৰে শিল্পী জুবিন গাৰ্গৰ প্ৰতি আজি শ্ৰদ্ধাঞ্জলি জনালে শিৱসাগৰীয়া ৰাইজে। তদুপৰি শিল্পীগৰাকীলৈ শ্ৰদ্ধা জনোৱাৰ উদ্দেশ্যৰে দৌলমুখ চাৰিআলিত থকা সুধাকণ্ঠৰ আবক্ষ মূৰ্তিৰ সন্মুখৰপৰা শিৱসাগৰৰ চহৰৰ মাজেৰে এটা মৌন সমদলো উলিওৱা হয়। অকালতে হেৰাই যোৱা অসমৰ হিয়াৰ আমঠু তথা অসমীয়া জাতিৰ অন্যতম শ্ৰেষ্ঠশিল্পী জুবিন গাৰ্গৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি জনাইছে 'চাওলুং চুকাফাৰ অসমীয়া মহাজাতি গঠন আৰু বৰঅসম প্ৰতিষ্ঠাৰ আঠশ বছৰীয়া জয়ন্তী উদযাপন সমিতি'য়ে। জয়ন্তী উদ্‌যাপন সমিতিৰ সভাপতি কমলজ্যোতি গগৈ, কাৰ্যকৰী সভাপতি ডঃ ইন্দ্ৰজিৎ বেজবৰুৱা আৰু সাধাৰণ সম্পাদক জয়ন্ত পাটৰে উল্লেখ কৰিছে যে অসমীয়া লোকসংগীত আৰু পাশ্চাত্য সংগীতৰ সংমিশ্ৰণেৰে জ্যোতিপ্ৰসাদ আগৰৱালাৰ অসমীয়া আধুনিক সংগীতৰ ঐতিহ্যবাহী ধাৰাৰ যোগ্যতম প্ৰতিনিধি হিচাপে জুবিন গাৰ্গে জীৱনৰ কেইটামান দশকৰ ভিতৰতে ত্ৰিশ হেজাৰোধিক সংগীতত কণ্ঠদান, ডিজিটেল ৰূপত বাণীবন্ধন আৰু সহস্ৰাধিক অনুষ্ঠানত গীত পৰিৱেশন কৰি যি যুগমীয়া কীৰ্তি আৰ্জন কৰিলে, সিয়ে অসমীয়া মহাজাতিৰ সংগীত চৰ্চাত অনন্য মাত্ৰা প্ৰদান কৰিলে। বিশ্বসংগীতলৈ এয়া অসমীয়াৰ বৰঙণি হিচাপে চিহ্নিত হৈ ৰ'ব। অসমীয়া মহাজাতিৰ আঠশবছৰীয়া পৰিক্ৰমাত নিসন্দেহে এয়া এক যুগান্তকাৰী কথা। একেদৰেই অসমীয়া চলচিত্ৰ জগতলৈ আগবঢ়োৱা বৰঙণি, বিহুনামক অন্যমাত্ৰা প্ৰদান কৰা, লোকগীত-দেহবিচাৰৰ গীত-দিহানাম-বৰগীত তথা অসমৰ জনগোষ্ঠীয় সংগীতৰ ক্ষেত্ৰতো জুবিন গাৰ্গৰ বৰঙণি উল্লেখযোগ্য। নৱ প্ৰজন্মক জাতীয় জীৱনৰ গীতৰ প্ৰতি আকৰ্ষণ কৰা, বিজ্ঞানমনস্ক চেতনাৰে আগবঢ়াই নিয়া জুবিন গাৰ্গৰ অকাল মৃত্যু অসমীয়া মহাজাতিৰ অপূৰণীয় ক্ষতি। জয়ন্তী উদ্‌যাপন সমিতিয়ে তেওঁৰ অকাল মৃত্যুত শোক প্ৰকাশ কৰাৰ লগতে পৰিয়াল, গুণমুগ্ধ সকলোৰে প্ৰতি সমবেদনা জনাইছে। জুবিন গাৰ্গক শ্ৰদ্ধাঞ্জলি জনাই সমিতিয়ে অসমৰ জনগণক শিল্পীগৰাকীৰ স্মৃতি যাউতিযুগীয়া কৰি ৰাখিবৰ বাবে চিন্তা-চৰ্চা কৰিবৰ বাবে আহ্বান জনাইছে। ইফালে, আজি শিৱসাগৰত ন্যায়াধীশ, অধিবক্তা সকলোৱে মিলি গালে, 'মায়াৱিনী ৰাতিৰ বুকুত...' শীৰ্ষক গীত। শিৱসাগৰ উকীল সন্থা আৰু ন্যায়িক বিষয়া-কৰ্মচাৰীসকলে আয়োজন কৰা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত শিৱসাগৰ উকীল সন্থাৰ সম্পাদক বিদ্যুৎ গগৈ, সভাপতি লুইত প্ৰকাশ দত্ত, মুখ্য ন্যায়িক দণ্ডাধীশ, অনান্য ন্যায়িক বিষয়াসকল, উকীল সন্থাৰ সকলো সদস্য তথা ন্যায়িক কৰ্মচাৰীসকল উপস্থিত থাকে।

## তামুলপুৰত বন্যহস্তীৰ আক্ৰমণত এজন নিহত



**দৈনিক অসমৰ প্ৰতিনিধি**

**তামুলপুৰ, ২০ ছেপ্টেম্বৰ ঃ** তামুলপুৰ জিলাৰ ভাৰত-ভূটান সীমান্তৰ বগাজুলিৰ বাথৌগুৰিত বনৰীয়া হাতীৰ আক্ৰমণত কালি নিশা এজন লোক নিহত হয়। হাতীৰ জাকৰপৰা ফালৰি কাটি অহা এটা হাতীয়ে গাঁৱত সোমাই ঘৰ-দুৱাৰ ভাঙি তচনচ কৰাৰ লগতে বিষ্ণু দৈমাৰী (৬০) নামৰ লোকজনক আক্ৰমণ কৰাত তেওঁৰ থিতাতে মৃত্যু হয়। পাছত বন বিভাগ আৰু আৰক্ষীৰ দল উপস্থিত হৈ মৃতদেহ উদ্ধাৰ কৰে। জানিব পৰা মতে, আজি কিছুদিন ধৰি পাহাৰৰপৰা নামি অহা হাতীৰ এটা জাকে বগাজুলি সংৰক্ষিত বনাঞ্চলত আশ্ৰয় লৈ আছে। নিশা হ'লেই জাকটোৱে ৰঙিয়া-ভূটান পথ অতিক্ৰম কৰি খৈৰানী, অভয়পুৰ আদি অঞ্চলত ঘৰ-দুৱাৰ ভাঙি ব্যাপক অনিষ্টসাধন কৰে। জানিব পৰা মতে, বনৰীয়া হাতীৰ জাকটোত প্ৰায় ৩৫টাকৈ হাতী আছে। আনহাতে, বৰনদীৰ পাৰত নাগ্ৰীজুলি চাহ বাগিচা আৰু বগৰিঝাৰত প্ৰায় পঁচিশটা হাতীয়ে মুক্তভাৱে বিচৰণ কৰি আছে। এই হাতীৰ জাক দুটা নিয়ন্ত্ৰণ কৰিবলৈ বন বিভাগৰ হাতত পৰ্যাপ্ত সুবিধা নোহোৱাত বিপাঙত পৰিছে বন বিভাগৰ কৰ্মচাৰীসকল। সীমান্তৰ ৰাইজৰ মাজত নিশা হ'লেই এতিয়া ভয়-শংকা নামি আহে। বৃহত্তৰ অঞ্চলত হাতী-মানুহৰ সংঘাত দূৰ কৰিবলৈ আৰণ্যক নামৰ বে-চৰকাৰী সংস্থাৰ লগতে কেবাটাও বে-চৰকাৰী অনুষ্ঠান, জিলা-প্ৰশাসন, বি টি আৰ প্ৰশাসনে কিছু ব্যৱস্থা গ্ৰহণ কৰিছে যদিও হাতী-মানুহৰ সংঘাত ৰোধ কৰিবলৈ সক্ষম হোৱা নাই।


অসম লোকসেৱা আয়োগ

ASSAM PUBLIC SERVICE COMMISSION

Jawaharnagar, Khanapara, Guwahati-781022.

No.107PSC/DR-19/4/2023-2024

**NOTIFICATION**

In pursuance to APSC's notification No.**57PSC/CON/Exam-25/2024-2025, Dated Guwahati the 19th September, 2025**, the interview/viva-voce for the post of **Law Assistant in the office of the Chief Inspector of Factories, Assam under Labour Welfare Department (Advt. No. 03/2024 Dated Guwahati, the 25th January, 2024)** as per programme given below at its office at Jawaharnagar, Khanapara, Guwahati-22.

| Sl No. | Name of the post and Department | Date of Interview/ viva -voce | Reporting Time |
|---|---|---|---|
| 1 | Law Assistant in the office of the Chief Inspector of Factories, Assam under Labour Welfare Department. | 14-10-2025 | 09:00 A.M |

Kindly note that the candidates appearing for interview/viva-voce **must bring the following testimonials in ORIGINAL along with self attested photocopies in chronological order, thereof for verification/scrutiny on the day of interview:**

i. H.S.L.C/H.S Admit Card/ Mark sheet/Pass Certificate as proof of age.
ii. H.S.L.C. Mark sheet and Pass Certificate.
iii. H.S.S.L.C. Mark sheet and Pass Certificate.
iv. Law Degree mark sheet (all semester) and Pass Certificate.
v. Certificate of Experience
vi. Permanent Resident Certificate/Employment Exchange Registration Certificate.
vii. State Government Employee of Assam must submit No Objection Certificate from their respective employer or Permanent Resident Certificate/Employment Exchange Registration Certificate.
viii. Candidates employed in Govt./Govt. Undertaking must submit a certificate issued by the Head of the institution/organization.
ix. Caste/ Updated PwBD certificate (*if applicable*).
x. BPL candidates must submit BPL card reflecting the name of candidate (*if applicable*).
xi. Declaration Form A. (*"May be downloaded from" APSC's website)*
xii. Any other documents relevant as per advt.

No intimation letter to the eligible candidates shall be sent separately by post. **The intimation letters shall be uploaded on 08-10-2025 in the APSC's website (www.apsc.nic.in).** The candidates shall have to download their own intimation letter from the aforesaid website.

Sd/-
Secretary,
Assam Public Service Commission
Jawaharnagar, Khanapara, Guwahati-22

DIPR/D/DA/254/21-Sep-25



ASOM PARYATAN BHAWAN (4TH FLOOR)
A.K.AZAD ROAD, PALTANBAZAR, GUWAHATI -781008
PHONE NO. (0361) 2738620, E-Mail : mdatdc@gmail.com
An ISO 9001:2008 Certified Organization (Quality Management System)

**ASSAM TOURISM DEVELOPMENT CORPORATION LTD.**

No. ATDC/2822/2017/Pt-II/

**PRESS NOTICE (E-PROCUREMENT NOTICE)**

The Managing Director, Assam Tourism Development Corporation Ltd., Paltanbazar, Guwahati – 8 invite Bids for Development, Operation & Management Contract for running the following properties -

| Name of Property | Reserve Price (In Rs.) (Per month excluding other charges) | Contract Period (Years) |
|---|---|---|
| Wayside Amenity Centre at Dhekiajuli, Sonitpur | 20,000.00 | 5 years |
| Prashaanti Tourist Lodge, Golaghat | 50,000.00 | 5+5 years |
| Wayside Amenity Centre at Netai-Dhubuni, Dhubri | 20,000.00 | 5+5 years |
| Restaurant and Watch Tower at Gelaky, Sivasagar | 15,000.00 | 5+5 years |

The Bid document and other details can be downloaded from the e-procurement portal of Govt. of Assam www.assamtenders.gov.in from 11.00 A.M. of **25.09.2025** to 2.00 P.M. of **10.10.2025.** Tender related information also available at ATDC portal : www.tourismcorporation.assam.gov.in.

The Bidders must be registered with the E-tendering system (ETS) of the Govt. of Assam (Website :http://assamtenders.gov.in).

The undersigned reserves the right to accept / reject any or all the Bids without assigning any reason thereof.

Earlier Press Notice No. ATDC/2822/2017/1757 dtd. 29.07.2023 for **"Wayside Amenity Centre at Dhekiajuli"**, Press Notice No. ATDC/3654/2024/1129 dtd. 18.07.2024 for **"Wayside Amenity Centre at Netai-Dhubuni"** and Press Notice No. ATDC/3514/2023/218 dtd. 25.04.2023 for **"Operation & Management of Restaurant and Watch Tower at Gelaky"** are hereby cancelled.

Sd/- General Manager,
Assam Tourism Dev. Corpn. Ltd.

DIPR/D/DA /251/21-Sept-25



**WALK IN INTERVIEW**

Due to some unavoidable situation the Walk-In-Interview for the following post under IPA (Internal Performance Agreement), ASSIST (Assam State Secondary Healthcare Initiative for Service Delivery Transformation) Project of the Joint Director of Health Services, Sivasagar for the period of 06 (Six) months on contractual basis are postponed to **6th, 7th and 8th October 2025, Time : 10:00 AM onwards**, which was scheduled to be held on **22nd, 23rd and 24th September 2025.**

| Sl. No. | Name of Post. | Number of Post | Requisite Qualification | Salary |
|---|---|---|---|---|
| 1. | Staff Nurse | 10 | G.N.M passed from Govt. recognized Institute with a minimum of 5 yrs. of experience. Age: 18-45 yrs. | 16,000/- Fixed |
| 2. | Technician (Laboratory) | 2 | Dipfoma in Lab. Tech. from Govt. recognized Institute with a minimum of 5 yrs. of experience. Age: 18-45 yrs. | 15,000/- Fixed |
| 3. | Security | 4 | HSLC Passed with a minimum of 5 yrs. of experience as a security personnel | 8,000/- Fixed |
| 4. | Electrician | 1 | I TI passed with a minimum of 3 yrs. of experience | 6,000/- Fixed |
| 5. | Cleaner | 7 | Class 8th Passed | 7,000/- Fixed |
| 6. | Laundry Person (Dhubi) | 2 | Class 8th Passed | 6,000/- Fixed |
| 7. | Plumber | 1 | Class 8th Passed | 6,000/- Fixed |
| 8. | Ward Boy | 6 | with a minimum of 3 yrs. of experience | 6,000/- Fixed |

DIPR/D/DA/251/21 Sep-25

Sd/- Joint Director of Health Services cum
Chairman IPA ASSIST Project, Sivasagar



No. DHS/NHM/HJ/2025-26/93/2

**Walk in interview for the post of Cleaner Cum Support Staff (Lumpsum basis) under NUHM**

Tenure of engagement: 06 (Six) months
No of Posts : 6
Qualifications : Minimum 8th standard Passed.
Salary : Fixed 10,100/-
**How to apply :** walk in interview

**Candidate must bring:**

1. A Biodata with one passport size photo.
2. All original certificates along with photocopy of all same with self-attestation.
3. Pan, Voter Card & Aadhaar Card.

**Interview Date and Time :** 25/09/2025 (11:30 a.m. to 1:30 p.m.)

**Interview Venue :** Office of the Joint Director of Health Services, Hojai.

**General Information & Instructions :**

1. Preference will be given to the local candidates.
2. No TA/DA will be paid to the candidates for appearing the interview.
3. No Prior applications bio data will be collected before interview.

**Joint Director of Health Services**
**Cum-Member Secretary, DHS, Hojai**

**DIPR /D/ DA/ 252 21-Sep-25**



অসম লোকসেৱা আয়োগ

ASSAM PUBLIC SERVICE COMMISSION

Jawaharnagar, Khanapara, Guwahati-781022.

No.251PSC/DR-20/1/2023-2024

**NOTIFICATION**

In view of sad demise of Music Icon Zubeen Garg and his funeral ceremony thereof, the screening test and interviews as shown below are hereby postponed:

| Sl. | Name of post/test/ interviews | Department | Scheduled on |
|---|---|---|---|
| 1 | Junior Engineer (Civil) | Fishery Department | 21.09.2025 |
| 2 | Agricultural Development Officer | Agriculture Department | 22.09.2025 and 23.09.2025 |

It is also informed that the interviews for the post of Agricultural Development Officer postponed on 22.9.2025 and 23.9.2025 are hereby rescheduled to be held on 25.09.2025 and 26.09.2025 respectively. A separate notification is being issued.

However, the next date for holding the screening test for the post of Jr Engineer (Civil) under Fishery Department will be notified in due course.

Sd/
Secretary
Assam Public Service Commission
Khanapara, Guwahati-22

DIPR/D/DA/ 251/21-Sep-25



অসম লোকসেৱা আয়োগ

ASSAM PUBLIC SERVICE COMMISSION

Jawaharnagar, Khanapara, Guwahati-781022.

No. 39PSC/DR-9/1/2025-2026

**NOTIFICATION**

It is for the information of all concerned that the Assam Public Service Commission will hold interview/viva-voce for the posts of **Junior Economist under Industries, Commerce and Public Enterprise Department (Advt. No.23/2025, dated Guwahati the 21st June, 2025)** as per programme given below at its office at Jawaharnagar, Khanapara, Guwahati-22.

| Sl No. | Name of the Post | Name of the Department | Date of Interview/ viva -voce | Reporting Time |
|---|---|---|---|---|
| 1 | Junior Economist | Industries, Commerce and Public Enterprise Department | 14th October, 2025 | 9:00 A.M |

Kindly note that the candidates appearing for interview/viva-voce **must bring the following testimonials in ORIGINAL along with self attested photocopies in chronological order, thereof for verification/scrutiny on the day of interview:**

i. H.S.L.C/H.S Admit Card/ Mark sheet/Pass Certificate as proof of age.
ii. H.S.L.C. Mark sheet and Pass Certificate.
iii. H.S.S.L.C. Mark sheet and Pass Certificate.
iv. Bachelor Degree Mark sheet and Pass Certificate.
v. Post Graduate Marksheet and Pass Certificate.
vi. CGPA Conversion Formula of the respective universities (if applicable)
vii. Domicile Certificate like PRC, etc.
viii. State Government Employee of Assam must submit No Objection Certificate from their respective employer or Permanent Resident Certificate, etc.
ix. Caste/ Updated PwBD certificate (*if applicable*).
x. Experience Certificates
xi. Declaration Form A. (*"May be downloaded from" APSC's website)*
xii. Any other documents relevant as per advt.

The Accepted and Rejected list of candidates is uploaded in the Commission's official website. No intimation letter to the eligible candidates shall be sent separately by post. The intimation letters **shall be uploaded on 07/10/2025 in the APSC's website (www.apsc.nic.in).** The candidates shall have to download their own intimation letter from the aforesaid website.

Sd/-
Secretary,
Assam Public Service Commission
Jawaharnagar, Khanapara, Guwahati-22

DIPR/D/DA/255/21-Sep-25



NO: DSWO(M)268/2025-26/26

**ADVERTISEMENT**

Application is invited from eligible candidates who are citizens of India as defined under Article 5 to 9 of the Constitution of India and fulfill the eligibility norms of educational qualification, age etc. as mention below against each category of purely temporary contractual post vacant in District Project Management Unit of SANKALP- District Hub for Empowerment of Women (DHEW), Morigaon under Mission Shakti of Women & Child Development Department. GOI. The engagement will not entitle the candidate with any right to any permanent engagement of Government Post. Further extension will be made based on the satisfactory performance. Interested candidates having the requisite qualification and experience may submit **(DROP BOX)** dully filled up Application (Application form may be download from the official website https://morigaon.assam.gov.in/) at Office of the District Social Welfare Officer, Morigaon, Pachatia, Ward No: 2, Pin-78105 w.e.f 22nd September to 15th October ,2025 till 5:00 PM during office hours only.

| Name of Post | No. of Vacancy | Desirable Qualification and Experience | Fixed Remuneration per month |
|---|---|---|---|
| District Programme Assistant (IT-Mission Shakti) | 1 | Educational Qualification: Graduate Preferably in Sociology/Social Work/Economics/Rural Management and other similar discipline. Experience: At least 3 years' experience working with Govt./Non-Govt. organizations in financial literacy/financial inclusion focused theme. | Rs. 20,800/- |
| Account Assistant | 1 | Qualification: Graduate/Diploma in Accounts/ Other discipline having accounts as a subject. Experience: At least 3 years' experience working with Govt./Non-Govt. organizations in related domain. | Rs. 19,000/- |

**General Terms and Conditions:**

1. The applicant must submit duly filled up application form along with self-attested copies of requisite documents- ( 2 copies of latest passport size photograph of the candidate, HSLC Admit card for age proof, Marksheet and Pass Certificate of HSLC examination, Marksheet and Pass Certificate of HS examination, Graduation Mark sheet with Pass Certificate as per the qualification mentioned above, Last Educational Qualification with Marksheet and Pass certificate, Work Experience Certificate, if any, Voter ID Card/ Aadhar card, PwD certificate, if any etc.) along with application form.
2. The candidate must be a minimum of 21 years and a maximum of 40 years of age on 01.01.2025 with a relaxation of 5 years in upper age limit for candidates under ST(P), ST(H), SC, 3 years for OBC and 10 years for PwD candidates.
3. The selection process shall comprise of Written Test, Computer Efficiency Test and Personal Interview.
4. The shortlisted candidates will be called for the tests through their respective Email Id as provided in the submitted application forms as well as office notice board. No separate call letters will be issued to concerned candidates and no TA/DA will be provided for attending the same.
5. Incomplete applications will be summarily rejected at any stage of selection process.
6. Any matter which are not specially provided in this advertisement will be decided by the selection committee.
7. Candidates appearing the Written Test will have to report before 1 (One) hour of the schedule time of Written Test.
8. The authority reserves the right to cancel/postpone the advertisement without assigning any reason thereof.

Sd/-
District Social Welfare Officer cum Member Secretary
DLSC,(Mission Shakti),Morigaon

DIPR/D/DA/ 253/21-Sep-25

# ৰাজ্যত অঘোষিত 'বন্ধ'-'সান্ধ্য আইন'

নাচি, জোনাকৰ সৈতে ধেমালি কৰি তেওঁ আত্মহাৰা হৈ পৰিছিল। হৃদয়ৰ কথা গানেৰে প্ৰকাশ কৰি অনুৰাগীৰ নয়নৰ মণি হৈ পৰা সেইগৰাকী প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ আকস্মিক দেহাৱসানে সকলোকে স্তম্ভিত আৰু হতচকিত কৰি তুলিছে। প্ৰজন্মৰ পাছত প্ৰজন্মক নিজৰ গীতেৰে উদ্বেলিত কৰি তোলা শিল্পীগৰাকীৰ অসময়ৰ মৃত্যুৰ খবৰ যেন এতিয়াও গুণমুগ্ধসকলে বিশ্বাস কৰিব পৰা নাই। ছিংগাপুৰত আয়োজন কৰা নৰ্থ-ইষ্ট ফেষ্টিভেলত অংশগ্ৰহণ কৰিবলৈ গৈ সাগৰত হোৱা এটা দুৰ্ঘটনাত যুৱপ্ৰজন্মৰ 'হাৰ্টথ্ৰ'ব' জুবিনে মৃত্যুক আঁকোৱালি লোৱাৰ পাছত আজি স্তব্ধ হৈ পৰিল সমগ্ৰ ৰাজ্য। হৃদয়ৰ আপোন শিল্পীগৰাকীৰ অনাকাংক্ষিত মৃত্যুৰ খবৰৰ পাছত স্বতঃস্ফূৰ্তভাৱে ৰাজ্যৰ প্ৰতিটো প্ৰান্তত দোকান-পোহাৰ, বজাৰ-সমাৰ, চৰকাৰী-বেচৰকাৰী কাৰ্যালয়, শ্বপিংমল বন্ধ হৈ পৰে। ৰাজ্যৰ ৰাজপথসমূহত স্তব্ধ হৈ পৰিল যান-বাহনৰ চলাচল। চৌদিশে কেৱল শূন্যতা। ৰাজপথ, দোকান-পোহাৰ, কাৰ্যালয় আদিত কেৱল মাথোঁ জুবিনৰ শ্ৰদ্ধাঞ্জলি। প্ৰিয় শিল্পীগৰাকীক সুঁৱৰি ঠায়ে ঠায়ে আয়োজন কৰা শোভাযাত্ৰা, সমদলত অংশগ্ৰহণ কৰি গুণমুগ্ধসকলে সমস্বৰে জুবিনৰ গান গাই তেওঁলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ৰাজ্যৰ আন প্ৰান্তৰ সমান্তৰালভাৱে ৰাজধানী চহৰ গুৱাহাটী মহানগৰীতো দোকান-বজাৰ, ব্যৱসায়িক প্ৰতিষ্ঠান, শ্বপিংমল, বেচৰকাৰী কাৰ্যালয় আদি সম্পূৰ্ণৰূপে বন্ধ হৈ পৰে। ইয়াৰ সমান্তৰালভাৱে মহানগৰীৰ চুকে-কোণে জুবিনলৈ শ্ৰদ্ধা জনোৱাৰ উদ্দেশ্যে বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰা হৈছে। সদৌ অসম ছাত্ৰ সন্থা (আছু)ৰ উদ্যোগত লতাশিল খেলপথাৰত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত কৰা হৈছে। যোৱানিশাৰে পৰা মহানগৰীৰ পৰা বিভিন্ন প্ৰান্তৰ গুণমুগ্ধসকলে লতাশিলত উপস্থিত হৈ জুবিনলৈ শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। আজি দিনৰ ভাগতো লতাশিল খেলপথাৰলৈ অগণন গুণমুগ্ধৰ সোঁত বোৱা পৰিলক্ষিত হয়। আনহাতে, জুবিনৰ মৃত্যুৰ বাতৰি বিয়পি পৰাৰ পাছতে গণেশগুৰিৰ উৰণ সেতুৰ তলতো অলেখ গুণমুগ্ধ সমবেত হয়। জুবিনৰ বৃহৎ প্ৰতিচ্ছবিৰ সন্মুখত চাকি-ধূপ জ্বলাই শেষ শ্ৰদ্ধা জ্ঞাপন কৰাৰ লগতে জুবিনৰ এটাৰ পাছত আন এটা জনপ্ৰিয় গীত পৰিৱেশন কৰে। শোকবিহ্বল একাংশ অনুৰাগীয়ে জুবিনৰ গীত আওৰাই কান্দোনত ভাগি পৰে। ওবেনিশা গণেশগুৰিৰ উৰণ সেতুৰ তলত গুণমুগ্ধসকল জুবিনৰ প্ৰতিচ্ছবিৰ সন্মুখত বহি আপোন শিল্পীগৰাকীৰ গীত পৰিৱেশন কৰে। আজি পুৱাৰ পৰাও উক্ত স্থানত বহু লোকৰ আগমন ঘটে। ইয়াৰ সমান্তৰালভাৱে বহু যুৱক-যুৱতীয়ে মটবাইকেৰে শোভাযাত্ৰা উলিয়াই 'জয় জুবিনদা', 'জুবিনদা অমৰ হওক' ধ্বনি দি আকাশ-বতাহ মুখৰিত কৰি তোলে। জুবিনলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি মহানগৰীৰ ৰাজপথত ই-ৰিক্সা, অ'টোৰিক্সাৰ সমদল উলিওৱা পৰিলক্ষিত হয়। আনহাতে, মহানগৰীৰ ৰাজপথত যান-বাহন চলাচলো যথেষ্ট সেৰেঙা পৰিলক্ষিত হয়। ইয়াৰ সমান্তৰালভাৱে কাহিলিপাৰাস্থিত জুবিনৰ বাসগৃহৰ সন্মুখতো অজস্ৰ গুণমুগ্ধৰ আগমন ঘটে। জোনালীত থকা জুবিনৰ ষ্টুডিঅ'লৈ আহি বহু গুণমুগ্ধই শ্ৰদ্ধা জ্ঞাপন কৰে। ইপিনে, দিছপুৰ লাষ্টগেটৰ উৰণ সেতুৰ বেৰত চিত্ৰশিল্পী নীলিম মহন্তই জুবিনৰ ছবি অংকন কৰি শিল্পীগৰাকীলৈ শ্ৰদ্ধা জনায়। মহানগৰীখনৰ পথ-উপপথসমূহতো সমদল-শোভাযাত্ৰা উলিয়াই প্ৰাণৰ শিল্পীগৰাকীক স্মৰণ কৰে। উল্লেখ্য যে নৰ্থ-ইষ্ট ফেষ্টিভেলত অংশগ্ৰহণৰ বাবে ১৭ ছেপ্টেম্বৰত ছিংগাপুৰত উপস্থিত হৈছিল জুবিন। কালি তেওঁ এখন সমুদ্ৰতৰীৰে প্ৰবাসী অসমীয়াৰ সৈতে সাগৰৰ এটা দ্বীপলৈ ফুৰিবলৈ যোৱাৰ সময়তে এক দুৰ্ঘটনাত পতিত হয়। পৰৱৰ্তী সময়ত ছিংগাপুৰৰ এখন হাস্পতালত চিকিৎসাধীন অৱস্থাতে জুবিনৰ মৃত্যু হয়। তেওঁৰ মৃত্যুৰ বাতৰি আনুষ্ঠানিকভাৱে প্ৰকাশ কৰাৰ পাছতে সমগ্ৰ ৰাজ্যত গভীৰ শোকৰ ছাঁ পৰে। জুবিনৰ মৃত্যুৰ বাতৰিয়ে গুণমুগ্ধসকলক স্তম্ভিত কৰি তোলে। তেওঁৰ মৃত্যুৰ সংবাদ যেন আজিও ৰাজ্যবাসীয়ে গ্ৰহণ কৰিব পৰা নাই। ইতিমধ্যে জুবিনৰ নশ্বৰদেহ ছিংগাপুৰৰ পৰা অসমলৈ অনাৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। কাইলৈ কাহিলিপুৱাই তেওঁৰ নশ্বৰদেহ ৰাজ্যলৈ অনা হ'ব। স্বনামধন্য শিল্পীগৰাকীক এবাৰ ওচৰৰ পৰা শেষবাৰৰ বাবে চাবলৈ অধীৰ হৈ পৰিছে গুণমুগ্ধ।

**তামুলপুৰৰ দৈনিক অসমৰ প্ৰতিনিধি ঃ** অসমবাসীৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ মৃত্যুত আজিও তামুলপুৰবাসী শোকত ম্ৰিয়মাণ হৈ আছে। আজি তামুলপুৰ কুমাৰীকাটা, নাগ্ৰীজুলিকে ধৰি জিলাখনত স্বতঃস্ফূৰ্তভাৱে বন্ধ হৈ যায় দোকান-পোহাৰ, অনুষ্ঠান-প্ৰতিষ্ঠানসমূহ। বিটিচি নিৰ্বাচনৰ আজি প্ৰচাৰৰ অন্তিম দিন হেতুকে ৰাজনৈতিক দলসমূহৰ কিছু গাড়ী-মটৰ চলি আছিল যদিও সমগ্ৰ জিলাখন যেন শোকত ম্ৰিয়মাণ হৈ পৰিছে। আজি তামুলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত প্ৰাক্তন ছাত্ৰ জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। তামুলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত জুবিন গাৰ্গে নৱম আৰু দশম শ্ৰেণীত অধ্যয়ন কৰিছিল। ১৯৮৮ চনত জুবিন গাৰ্গে তামুলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈছিল। ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰীসকলে চকুপানীৰে তেওঁক শ্ৰদ্ধা জনায়। 'মায়াবিনী ৰাতিৰ বুকুত' গীত গাই জুবিন গাৰ্গক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰীসকলে। আনহাতে 'জুবিন অমৰ হওক' ধ্বনিৰে মুখৰিত হৈ পৰে কুমাৰীকাটাৰ ৰাজপথ। কুমাৰীকাটাৰ বজাৰ চ'কত জুবিন প্ৰেমীসকলে মহান শিল্পীগৰাকীৰ এখন ছবি অংকন কৰি শ্ৰদ্ধা নিবেদিছে। আজি তামুলপুৰ জিলাৰ দৰংগাজুলি ব্লক বি পি এফৰ নিৰ্বাচনী সমিতিৰ উদ্যোগত কুমাৰীকাটাত শিল্পীগৰাকীৰ প্ৰতি এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰি ৫২ গছি মমবাতি জ্বলাই শ্ৰদ্ধা নিবেদন কৰা হয়। অনুষ্ঠানটোত ভডাৰৰ বৰ্তমান প্ৰাক্তন বিধায়ক ইমানুৱেল মছাহাৰীয়ে। ইপিনে, গোপীনাথপুৰবাসীয়ে জুবিনৰ এখন বৃহৎ ফটো লৈ কুমাৰীকাটাৰ ৰাজপথত সমদল উলিয়াই 'জুবিন অমৰ হওক', 'জয় জুবিন', 'জুবিন আমাৰ প্ৰাণৰ প্ৰাণ' আদি শ্ল'গান দি ৰাজপথত এক সমদল উলিয়ায়।

**বৰপেটাৰ দৈনিক অসমৰ প্ৰতিনিধি ঃ** জুবিন গাৰ্গৰ প্ৰতি সন্মান জনাই কাইলৈ অসমৰ সকলো ধৰণৰ ব্যৱসায়িক, অনুষ্ঠান-প্ৰতিষ্ঠান বন্ধ ৰাখিবলৈ খিলঞ্জীয়া সুৰক্ষা বাহিনী, অসমে আহ্বান জনাইছে আৰু সেইদিনা সন্ধিয়া অসমৰ প্ৰতিটো পৰিয়ালকে নিজৰ ঘৰৰ সন্মুখত এগছি বন্তি জ্বলাবলৈ আহ্বান জনাইছে। খিলঞ্জীয়া সুৰক্ষা বাহিনী, অসমৰ অধ্যক্ষ গোবিন্দ গায়ন, সচিব প্ৰধান কৃষ্ণকান্ত দাস আৰু প্ৰচাৰ সচিব যুগান্ত বায়নে মহান শিল্পীগৰাকীৰ অকাল মৃত্যু সম্পৰ্কত মুখ্যমন্ত্ৰীয়ে ইতিমধ্যে ঘোষণা কৰা তদন্ত প্ৰক্ৰিয়া অতি কম সময়ৰ ভিতৰত সম্পন্ন কৰি শ্যামকানু মহন্তকে ধৰি অন্যান্য লোকসকলৰ বিৰুদ্ধে বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে।

**তামুলপুৰৰ দৈনিক অসমৰ প্ৰতিনিধি ঃ** অসমবাসীৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ মৃত্যুত আজিও তামুলপুৰবাসী শোকত ম্ৰিয়মাণ হৈ আছে। আজি তামুলপুৰ কুমাৰীকাটা, নাগ্ৰীজুলিকে ধৰি জিলাখনত স্বতঃস্ফূৰ্তভাৱে বন্ধ হৈ যায় দোকান-পোহাৰ, অনুষ্ঠান-প্ৰতিষ্ঠানসমূহ। বিটিচি নিৰ্বাচনৰ আজি প্ৰচাৰৰ অন্তিম দিন হেতুকে ৰাজনৈতিক দলসমূহৰ কিছু গাড়ী-মটৰ চলি আছিল যদিও সমগ্ৰ জিলাখন যেন শোকত ম্ৰিয়মাণ হৈ পৰিছে। আজি তামুলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত প্ৰাক্তন ছাত্ৰ জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। তামুলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত জুবিন গাৰ্গে নৱম আৰু দশম শ্ৰেণীত অধ্যয়ন কৰিছিল। ১৯৮৮ চনত জুবিন গাৰ্গে তামুলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈছিল। ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰীসকলে চকুপানীৰে তেওঁক শ্ৰদ্ধা জনায়। 'মায়াবিনী ৰাতিৰ বুকুত' গীত গাই জুবিন গাৰ্গক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰীসকলে। আনহাতে 'জুবিন অমৰ হওক' ধ্বনিৰে মুখৰিত হৈ পৰে কুমাৰীকাটাৰ ৰাজপথ। কুমাৰীকাটাৰ বজাৰ চ'কত জুবিন প্ৰেমীসকলে মহান শিল্পীগৰাকীৰ এখন ছবি অংকন কৰি শ্ৰদ্ধা নিবেদিছে। আজি তামুলপুৰ জিলাৰ দৰংগাজুলি ব্লক বি পি এফৰ নিৰ্বাচনী সমিতিৰ উদ্যোগত কুমাৰীকাটাত শিল্পীগৰাকীৰ প্ৰতি এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰি ৫২ গছি মমবাতি জ্বলাই শ্ৰদ্ধা নিবেদন কৰা হয়। অনুষ্ঠানটোত ভডাৰৰ বৰ্তমান প্ৰাক্তন বিধায়ক ইমানুৱেল মছাহাৰীয়ে। ইপিনে, গোপীনাথপুৰবাসীয়ে জুবিনৰ এখন বৃহৎ ফটো লৈ কুমাৰীকাটাৰ ৰাজপথত সমদল উলিয়াই 'জুবিন অমৰ হওক', 'জয় জুবিন', 'জুবিন আমাৰ প্ৰাণৰ প্ৰাণ' আদি শ্ল'গান দি ৰাজপথত এক সমদল উলিয়ায়।

**বৰপেটাৰ দৈনিক অসমৰ প্ৰতিনিধি ঃ** জুবিন গাৰ্গৰ প্ৰতি সন্মান জনাই কাইলৈ অসমৰ সকলো ধৰণৰ ব্যৱসায়িক, অনুষ্ঠান-প্ৰতিষ্ঠান বন্ধ ৰাখিবলৈ খিলঞ্জীয়া সুৰক্ষা বাহিনী, অসমে আহ্বান জনাইছে আৰু সেইদিনা সন্ধিয়া অসমৰ প্ৰতিটো পৰিয়ালকে নিজৰ ঘৰৰ সন্মুখত এগছি বন্তি জ্বলাবলৈ আহ্বান জনাইছে। খিলঞ্জীয়া সুৰক্ষা বাহিনী, অসমৰ অধ্যক্ষ গোবিন্দ গায়ন, সচিব প্ৰধান কৃষ্ণকান্ত দাস আৰু প্ৰচাৰ সচিব যুগান্ত বায়নে মহান শিল্পীগৰাকীৰ অকাল মৃত্যু সম্পৰ্কত মুখ্যমন্ত্ৰীয়ে ইতিমধ্যে ঘোষণা কৰা তদন্ত প্ৰক্ৰিয়া অতি কম সময়ৰ ভিতৰত সম্পন্ন কৰি শ্যামকানু মহন্তকে ধৰি অন্যান্য লোকসকলৰ বিৰুদ্ধে বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে।

**বাইহাটা চাৰিআলিৰ দৈনিক অসমৰ প্ৰতিনিধি ঃ** কামৰূপ জিলাৰ বাইহাটা চাৰিআলিত কালি উজাগৰী নিশা কটালে শ শ জুবিন অনুৰাগীয়ে। শোকস্তব্ধ বাইহাটা চাৰিআলি অঞ্চলৰ ৰাইজে বাইহাটা চাৰিআলিৰ মাজ মজিয়াত মৰমৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰি উজাগৰী নিশা পাৰ কৰি জুবিন গাৰ্গক ৰাইজৰ মাজত জীয়াই ৰখাৰ চেষ্টা চলায়। পুব কামৰূপ অঞ্চলৰ ছাত্ৰ সমাজ তথা বাইহাটা চাৰিআলি অঞ্চলৰ বিভিন্ন অনুষ্ঠান, প্ৰতিষ্ঠানে জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণ কৰি মৰমৰ শিল্পীগৰাকীক শেষ শ্ৰদ্ধা নিবেদন কৰে। বিয়লি জুবিন অনুৰাগীসকলে পূব কামৰূপ মহাবিদ্যালয়ৰ পৰা সমদল উলিয়াই বাইহাটা চাৰিআলি পুলিচ পইণ্টত সমবেত হয়। তাৰ পাছত বিভিন্ন গীত পৰিৱেশন কৰি জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণ কৰে। জুবিন গাৰ্গৰ প্ৰতি গভীৰ সমবেদনা জনাই আজি বাইহাটা চাৰিআলি ব্যৱসায়ী সন্থাই বাইহাটা চাৰিআলিৰ সকলো দোকান-পোহাৰ বন্ধ ঘোষণা কৰিছে। আনহাতে, আজিৰ পৰা তিনিদিন শোক প্ৰকাশ কৰিব বাইহাটা চাৰিআলি ব্যৱসায়ী সন্থাই। বাইহাটা চাৰিআলিৰ অন্তৰ্গত বেজেৰা, শালমাৰা, খেহেনীপাৰা, কৰৰা, বিহদিয়া, মুক্তাপুৰ আদি সকলো ঠাইতে ৰাজহুৱাভাৱে কণ্ঠশিল্পী জুবিন গাৰ্গৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান আয়োজন কৰা হৈছে। বৃহত্তৰ দুমুনীচকী সাৰ্বজনীন দুৰ্গা পূজা উদ্‌যাপন সমিতিয়ে আজি সন্ধিয়া দুৰ্গা পূজা উদ্‌যাপন স্থলীত জুবিন গাৰ্গক ৰাজহুৱা শ্ৰদ্ধাঞ্জলি জনায়। ইফালে, বাইহাটা চাৰিআলি অঞ্চলৰ জুবিন অনুৰাগীসকলে জুবিন গাৰ্গৰ স্মৃতি জীয়াই ৰাখিবলৈ মহাবাহু ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মীয়মাণ গুৱাহাটী-উত্তৰ গুৱাহাটী সংযোগী দলংখন জুবিন গাৰ্গৰ নামত উৎসৰ্গ কৰিবলৈ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ ওচৰত দাবী জনাইছে। আৰক্ষী সূত্ৰই জনোৱা অনুসৰি কাইলৈ নামনি অসমৰ পৰা গুৱাহাটী অভিমুখী সকলোবিলাক গধুৰ যানবাহন চলাচল ৩১নং ৰাষ্ট্ৰীয় ঘাইপথত বন্ধ থাকিব। জুবিন গাৰ্গৰ পাৰ্থিৱ দেহ কালি পুৱাৰ পৰা সৰুসজাই ষ্টেডিয়ামত ৰাইজৰ দৰ্শনাৰ্থে ৰখাৰ বাবে জিলা প্ৰশাসনে এই সিদ্ধান্ত গ্ৰহণ কৰিছে।

**সৰুপেটাৰ দৈনিক অসমৰ প্ৰতিনিধি ঃ** সৰুপেটাৰ সমীপৰ বৰবড়ী গাঁৱৰ 'জ্যোতি সংঘ'ৰ উদ্যোগত জুবিন গাৰ্গৰ অনুৰাগী যুৱকসকলৰ লগতে গাঁওখনৰ বহুসংখ্যক লোকে আজি গাঁওখনৰ সমীপৰ ভাৰেগাঁও, বগেমাৰী, নপাৰা আদি গাঁও ভ্ৰমণ কৰি সৰুপেটাৰ যোগীবাবা থান প্ৰাঙ্গনত উপস্থিত হয় আৰু উক্ত স্থানত এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰি শিল্পীগৰাকীলৈ শ্ৰদ্ধা জ্ঞাপন কৰে। অনুষ্ঠানত সৰুপেটাৰ স্থানীয় লোকসকলেও অংশগ্ৰহণ কৰে। জুবিন অনুৰাগীসকলৰ অনেকেই পদব্ৰজে সমদলত ভাগ লোৱাৰ বিপৰীতে আন একাংশই ই-ৰিক্সাত আৰোহণ কৰি ধ্বনি দি তেওঁলোকৰ হিয়াৰ আমঠু শিল্পীগৰাকী আজীৱন ৰাইজৰ মাজত অমৰ হৈ থকাৰ কামনা কৰে। ইয়াৰ পাছতেই সমদলটোৱে ভৱানীপুৰৰ ২৭নং ৰাষ্ট্ৰীয় ঘাইপথ আৰু টাঙলা, কুৰোবাহা আৰু বামুণপাৰা গাঁৱৰ মাজেৰে গৈ পুনৰ বৰবড়ী গাঁৱত উপস্থিত হয়। সন্ধিয়ালৈ গাঁওখনৰ বৰবড়ী খেলপথাৰত শিল্পীগৰাকীৰ প্ৰতি বন্তিপ্ৰজ্বলনৰ জৰিয়তে ৰাজহুৱা শ্ৰদ্ধা জ্ঞাপন কৰা হয়।

**পশ্চিম দৰঙৰ দৈনিক অসমৰ প্ৰতিনিধি ঃ** প্ৰিয় শিল্পীগৰাকীৰ প্ৰতি অন্তিম শ্ৰদ্ধা হিচাপে আজি কোনো সংগঠনৰ আহ্বান নোহোৱাকৈয়েই বন্ধ হৈ পৰিল দৰং। মঙলদৈ চহৰেই নহয়, নিকটৱৰ্তী প্ৰতিটো এলেকাৰ বাণিজ্যিক প্ৰতিষ্ঠান, আনকি ফাৰ্মাচীসমূহো আজি বন্ধ ৰখা হয়। জিলাখনৰ চপাই, ৰামহৰি, বৰক'লা, ব্লকচ'ক, বেজপাৰা, পাঁচালি, মেনাপাৰা, ধূলা, আউলাচৌকা, পিপৰাদোকান, জনাৰামচৌকা, দীঘিৰপাৰ, দুনী, দেওমৰনৈ, বৰদৌলগুৰি, দিপীলা, মহলীয়াপাৰা, বুঢ়া, নামখলা, ঔতলা, বালিপোতা, মৰমীচ'ক, কলাইগাঁও সকলো চ'কতে দোকান-পোহাৰ বন্ধ ৰখা হয়। বিপৰীতে সন্ধিয়া উক্ত চ'কসমূহত স্থানীয় বণিক সন্থা, সংগঠনসমূহৰ উদ্যোগত শ্ৰদ্ধাৰ্ঘ্য নিবেদনত শ শ লোকে অংশ লয়। মঙলদৈ কৰিমচ'কৰ উদয়নগৰত স্থানীয় যুৱচাম, দৰং জিলা সাহিত্য সভাই ইয়াৰ সভা প্ৰকল্পত, জনাৰামচৌকা দুৰ্গা মন্দিৰ প্ৰাংগণত দুৰ্গা পূজা পৰিচালনা সমিতি, জনাৰামচৌকা নামৰ দল, বণিক সন্থা, দীঘিৰপাৰ সামূহিক কেন্দ্ৰ, বণিক সন্থা, আঞ্চলিক বিহু সন্মিলন আদি সংগঠনৰ উদ্যোগত দীঘিৰপাৰত শ্ৰদ্ধাঞ্জলি আগবঢ়োৱা হয়। চপাইত স্থানীয় বণিক সন্থাই জুবিনলৈ শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰে। আউলাচৌকা আৰু পিপৰাদোকানতো বণিক সন্থা, দুৰ্গা পূজা উদযাপন সমিতিৰ তৰফৰ পৰা সন্ধিয়া বন্তি প্ৰজ্বলন আৰু শ্ৰদ্ধা নিবেদন কৰা হয়। দিপীলাত যুৱ-ছাত্ৰ পৰিষদৰ উদ্যোগত অনুষ্ঠিত শ্ৰদ্ধাঞ্জলি নিবেদন কাৰ্যসূচীত ৫ শতাধিক গুণমুগ্ধই শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰে। মঙলদৈ চহৰৰ মাজমজিয়াৰ এম জি ৰোডত ভাৰতীয় জনতা যুৱ মৰ্চাৰ উদ্যোগত এহেজাৰ বন্তি জ্বলাই 'জুবিন অমৰ হওক' ধ্বনিৰে শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰা হয়। দৰঙৰ দেওমৰনৈ স্থানীয় বণিক সন্থাৰ লগতে মৰনৈ ক্লাব আৰু আছু, যুৱ-ছাত্ৰ পৰিষদৰ উদ্যোগত শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰা হয়। দৰঙৰ বৰবড়ী চ'কত স্থানীয় বণিক সন্থাৰ উদ্যোগত, দুনীত বণিক সন্থা আৰু আছুৰ উদ্যোগত, মঙলদৈ ইছলামপুৰত দুৰ্গাপূজা উদযাপন সমিতিৰ উদ্যোগত, মঙলদৈ ভেবাৰঘাটত আছুৰ উদ্যোগত জুবিনৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি নিবেদন কৰা হয়। বিশ্ব হিন্দু মহাসংঘয়ো শিল্পীগৰাকীৰ প্ৰতি গভীৰ শ্ৰদ্ধা নিবেদন কৰে। মহাসংঘৰ উত্তৰ পূব প্ৰান্তৰ ৰাষ্ট্ৰীয় প্ৰভাৰী লিমা ভাৰ্গৱী মহন্ত, অসম প্ৰান্তৰ সভাপতি ৰবীন চন্দ্ৰ ভূঞা আৰু সম্পাদক প্ৰাঞ্জল কুমাৰ শৰ্মাই পৰিয়ালবৰ্গলৈ সমবেদনা জনায়। দৰং কেঞ্চাৰ কেয়াৰ প্ৰতিষ্ঠানতো আজি দিনৰ ভাগতে জুবিনলৈ শোকসন্তপ্ত কৰ্মচাৰী, ৰোগীয়ে শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰে বুলি সদৰী কৰিছে ৰোগী সমন্বয়ক নিৰঞ্জন শইকীয়াই। মহলীয়াপাৰাত বণিক সন্থা, বাঘৰবাৰী ৰেনেছা ক্লাব, বৰমপুৰ বণিক সন্থা, পাথৰিঘাট বণিক সন্থা আদিয়ে শ্ৰদ্ধা প্ৰকাশ কৰে।

**নিমাতীঘাটৰ দৈনিক অসমৰ প্ৰতিনিধি ঃ** জুবিন গাৰ্গৰ মৃত্যুৰ খবৰ পোৱাৰ পাছৰে পৰা যোৰহাটৰ নগৰে-গাঁৱে বৈছে শোকৰ বন্যা। নিমাতীঘাটৰ পৰা চাৰিগাঁও পথ, যোৰহাটৰ পৰা পটীয়াগাঁও পথেদি নিমাতীঘাট সংযোজিত পথৰ দুয়োটা পথৰ কাষতে জুবিন গাৰ্গৰ প্ৰতিচ্ছবি স্থাপন কৰি ধূপ-ধূনাৰে শেষ শ্ৰদ্ধা তৰ্পণ কৰিছে ৰাইজে। নিমাতী বৃহত্তৰ ব্যৱসায়িক সন্থা, বাহনা তিনিআলিৰ ব্যৱসায়ী, বিজেপিৰ চাৰিগাঁও মণ্ডল, কলিয়নী শংকৰী কলাকৃষ্টি কেন্দ্ৰ, পটীয়াগাঁও বৃহত্তৰ সন্মিলিত যুৱক সমাজ আৰু জ্ঞানদীপ সমাজ কল্যাণ কেন্দ্ৰৰ উদ্যোগত পটীয়াগাঁৱৰ তিনিআলি, কল্যাণী ৰঙ্গমঞ্চ, নাওবৈচাৰ সকলো ব্যৱসায়ী, বড়িগাঁও আদি স্থানত আজি শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত কৰি শিল্পীজনলৈ শ্ৰদ্ধা নিবেদন কৰা হৈছে।

**মহানগৰীৰ পশ্চিম প্ৰান্তত অঘোষিত বন্ধ ঃ বিভিন্ন ৰাজহুৱা স্থানত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান, বিশ্ববিদ্যালয়ত বৃহৎ ৰেলী ঃ জালুকবাৰীৰ দৈনিক অসমৰ প্ৰতিনিধি ঃ** অসমৰ সংগীতজগতৰ ধ্ৰুৱতৰা, নৱ-প্ৰজন্মৰ হাৰ্টথ্ৰ'ব জুবিন গাৰ্গৰ আকস্মিক মৃত্যুত স্বাভাৱিকতে শোকস্তব্ধ হৈ পৰে গুৱাহাটী মহানগৰীৰ পশ্চিম প্ৰান্তৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগতে সৰ্বসাধাৰণ ৰাইজ। আনহাতে মহানগৰীৰ পশ্চিম প্ৰান্তত যেন এক অঘোষিত বন্ধ পালন কৰা হয়। আজি পুৱাৰ পৰা বৰঝাৰস্থিত লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমানবন্দৰৰ পৰা জালুকবাৰীলৈ সকলো ব্যৱসায়িক প্ৰতিষ্ঠান বন্ধ থকা পৰিলক্ষিত হয়। তদুপৰি আজাৰা আৰু ভিআইপিত সকলো অটোৰিক্সা, ই-ৰিক্সা আৰু লঘু বাহনসমূহৰ চলাচল সম্পূৰ্ণৰূপে বন্ধ থাকে। ইপিনে আজি গুৱাহাটী বিশ্ববিদ্যালয় চৌহদত শিক্ষাৰ্থীসকলে এটা বৃহৎ দুচকীয়া ৰেলী উলিয়াই সদ্যপ্ৰয়াত সংগীতশিল্পী জুবিন গাৰ্গৰ গীত পৰিৱেশন কৰি শিল্পীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি নিবেদন কৰে। ইয়াৰ সমান্তৰালকৈ বৃহত্তৰ আজাৰা থানা এলেকাত বহুকেইটা সাংস্কৃতিক সংগঠনে ৰেলী উলিয়াই জুবিন গাৰ্গৰ গীত পৰিৱেশন কৰি জুবিন গাৰ্গলৈ অন্তিম শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰে। উল্লেখ যে শুকুৰবাৰে বিয়লি জুবিন গাৰ্গৰ মৃত্যুৰ বাৰ্তা পোৱাৰ পাছতেই মহানগৰীৰ পশ্চিম প্ৰান্তৰ বিভিন্ন ৰাজহুৱা স্থানত শিল্পীগৰাকীলৈ অন্তিম শ্ৰদ্ধাঞ্জলি জনোৱাৰ উদ্দেশ্যে বন্তি প্ৰজ্বলন কাৰ্যসূচী ৰূপায়ণ কৰা হয়। আজি সন্ধিয়া ধাৰাপুৰ তালুক কমিটীৰ উদ্যোগত ধাৰাপুৰ চাৰিআলি চ'কত তিনি শতাধিক লোকৰ উপস্থিতিত এহেজাৰ গছি বন্তি প্ৰজ্বলন কৰি নৱ-প্ৰজন্মৰ হাৰ্টথ্ৰ'ব জুবিন গাৰ্গৰ বিদেহী আত্মাৰ চিৰশান্তি কামনা কৰি অন্তিম শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। একেটা অনুষ্ঠানতে ধাৰাপুৰ আঞ্চলিক ৰঙালী বিহু সন্মিলনী, বৃহত্তৰ ধাৰাপুৰ ঐক্য মঞ্চ, ধাৰাপুৰ আঞ্চলিক জ্যেষ্ঠ নাগৰিক সমাজ, শ্ৰীশ্ৰীশ্যামা পূজা কমিটী আদিৰ লগতে আজাৰা গধূলি বজাৰ, ভিআইপি চ'ক, কাঁহিকুছি, আগছিয়া, গড়ল, মাজিৰগাঁও, কেন্দুকুছি, মজলী আদি বিভিন্ন ৰাজহুৱা স্থানত জুবিন গাৰ্গৰ প্ৰতিচ্ছবি স্থাপন কৰি ৰাজহুৱাভাৱে বন্তি প্ৰজ্বলন কৰি শিল্পীগৰাকীৰ বিদেহী আত্মাৰ চিৰশান্তি কামনা কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়।

**জুবিন গাৰ্গৰ মৃত্যুত শোক অসম জাতীয়তবাদী যুৱ পৰিষদৰ ঃ জালুকবাৰীৰ দৈনিক অসমৰ প্ৰতিনিধি ঃ** অসমৰ সাংস্কৃতিক জগতৰ ধ্ৰুৱতৰা, একাধাৰে গীতিকাৰ, সুৰকাৰ, গায়ক, সংগীতশিল্পী, সংগীত পৰিচালক, বোলছবি নিৰ্মাতা, অভিনেতা আৰু সকলোৰে মৰমৰ হাৰ্টথ্ৰ'ব জুবিন গাৰ্গৰ অকাল মৃত্যুত অসম জাতীয়তাবাদী যুৱ পৰিষদৰ গুৱাহাটী মহানগৰ জিলা সমিতিয়ে গভীৰ শোক প্ৰকাশ কৰিছে।

**উত্তৰ গুৱাহাটীত জুবিন গাৰ্গলৈ ৰাজহুৱা শ্ৰদ্ধাঞ্জলি ঃ উত্তৰ গুৱাহাটীৰ দৈনিক অসমৰ প্ৰতিনিধি ঃ** যুৱ-প্ৰজন্মৰ হাৰ্টথ্ৰ'ব জুবিন গাৰ্গৰ অনাকাংক্ষিত মৃত্যুত সমগ্ৰ ৰাজ্যৰ লগতে উত্তৰ গুৱাহাটীতো গভীৰ শোকৰ ছাঁ পৰে। কোনোৱেই মৰমৰ শিল্পীগৰাকীৰ মৃত্যুক সহজভাৱে ল'ব পৰা নাই। সদৌ অসম ছাত্ৰ সন্থাৰ আহ্বানমৰ্মে শুকুৰবাৰে সন্ধিয়া সদৌ উত্তৰ গুৱাহাটী ছাত্ৰ সন্থাৰ উদ্যোগত সদৌ উত্তৰ গুৱাহাটী বাৰোৱাৰী দুৰ্গাপূজা উদ্‌যাপন সমিতিৰ মধ্যমখণ্ডস্থিত দুৰ্গা পূজা মন্দিৰ প্ৰাংগণত ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। এই অনুষ্ঠানত উত্তৰ গুৱাহাটীৰ বিভিন্ন দল-সংগঠনকে আদি কৰি শতাধিক শোকবিহ্বল লোক উপস্থিত হৈ মৰমৰ শিল্পীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। কেইবা শতাধিক লোক উপস্থিত থকা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত উপস্থিত থাকি প্ৰাক্তন ছাত্ৰনেতা তথা অসম বাৰ্তাজীৱী সংঘৰ সভাপতি মধুসূদন মেধি, প্ৰাক্তন ছাত্ৰনেতা উৎপল চৌধুৰীয়ে মৰমৰ শিল্পী জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ লগতে শিল্পীগৰাকীৰ গুণ-গৰিমাৰ লগতে জাতিটোৰ প্ৰতি থকা তেওঁৰ দায়বদ্ধতাক স্মৰণ কৰি বক্তব্য প্ৰদান কৰে। মাত্ৰ ৫২টা বসন্ততে আমাৰ অতিকে মৰমৰ শিল্পীগৰাকী আমাৰ মাজৰ পৰা হেৰাই যোৱাটো আমাৰ জাতিটোৰ বাবে এক বৃহৎ ক্ষতি বুলি মেধি আৰু চৌধুৰীয়ে উল্লেখ কৰে। উত্তৰ গুৱাহাটী সাংবাদিক সন্থাৰ সভাপতি দিগন্ত বৰদলৈ, সম্পাদক ৰূপক ডেকা, সহকাৰী সম্পাদক উৎপল তামুলী আদি কৰি প্ৰাক্তন ছাত্ৰনেতা গিৰীন দাস, সমাজকৰ্মী প্ৰাণেশ্বৰ শৰ্মা, সদৌ উত্তৰ গুৱাহাটী ছাত্ৰ সন্থাৰ উপদেষ্টা দীপজ্যোতি বৰ্মন, সভাপতি ডেভিড লামা, সম্পাদক জয়ন্ত বড়োৰ লগতে বহু বিশিষ্ট ব্যক্তি শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত উপস্থিত থাকি মৰমৰ শিল্পীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। তেওঁ গণশিল্পী জুবিন গাৰ্গক ভাৰতৰ সৰ্বোচ্চ অসামৰিক সন্মান ভাৰতৰত্ন প্ৰদান কৰিবলৈ ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দাবী জনায়। অনুষ্ঠানত উত্তৰ গুৱাহাটী ছাত্ৰ সন্থাৰ সম্পাদক জয়ন্ত বড়োৱে জুবিন গাৰ্গৰ এটি গীত পৰিৱেশন কৰি শিল্পীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। আনহাতে উত্তৰ গুৱাহাটীৰ শিলসাঁকোস্থিত ত্ৰিনয়ন মন্দিৰ পৰিচালনা সমিতিৰ উদ্যোগত অনুষ্ঠিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত অঞ্চলটোৰ কেইবা শতাধিক লোক স্বতঃস্ফূৰ্তভাৱে ওলাই আহি মৰমৰ শিল্পী জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ইফালে উত্তৰ গুৱাহাটী পশ্চিমাঞ্চল সাৰ্বজনীন দুৰ্গাপূজা উদ্‌যাপন সমিতিৰ উদ্যোগত মাজগাঁও ফেৰীঘাটত ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। ইফালে উত্তৰ গুৱাহাটী কদমতল তিনিআলিত আয়োজন কৰা ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত মৰমৰ শিল্পী জুবিন গাৰ্গলৈ অশ্ৰুসিক্ত নয়নেৰে অঞ্চলটোৰ কেইবা শতাধিক লোকে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। উত্তৰ গুৱাহাটীৰ আগশাৰীৰ সংগীত বিদ্যালয় কৃষ্ণা সংগীত বিদ্যালয়ৰ তৰফৰ পৰা এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। ইফালে উত্তৰ গুৱাহাটী ৰাগশ্ৰী সংগীত মহাবিদ্যালয় আৰু উত্তৰ গুৱাহাটী দিহিসত্ৰস্থিত জ্ঞান বিকাশ পুথিভঁৰাল পৰিচালনা সমিতি আৰু জ্ঞান বিকাশ পুথিভঁৰাল ৰঙালী বিহু উদ্‌যাপন সমিতিৰ যৌথ উদ্যোগতো এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। ইয়াৰ পাছতে উপস্থিত সকলোৱে মমবাতি জ্বলাই মৰমৰ শিল্পী জুবিন গাৰ্গৰ আত্মাৰ চিৰশান্তি কামনা কৰি মৌন সমদল উলিওৱা হয়। ইফালে উত্তৰ গুৱাহাটীৰ ঐতিহ্যমণ্ডিত প্ৰাগজ্যোতিষপুৰ কলা পৰিষদৰ উদ্যোগত কলা পৰিষদত আৰু উত্তৰ গুৱাহাটী অভয়পুৰ ৰ'দালি সংঘ আৰু পুথিভঁৰালৰ উদ্যোগত অভয়পুৰ প্ৰাথমিক বিদ্যালয় প্ৰাঙ্গণত পৃথকে পৃথকে অনুষ্ঠিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত মৰমৰ শিল্পী জুবিন গাৰ্গলৈ ৰাজহুৱা শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়।

**মাণিক চন্দ্ৰ মজিন্দাৰ বৰুৱা বংশধৰ সন্মিলনৰ শোক প্ৰস্তাৱ ঃ** ইপিনে যুৱ-প্ৰজন্মৰ হাৰ্টথ্ৰ'ব জুবিন গাৰ্গৰ আকস্মিক বিয়োগত মাণিক চন্দ্ৰ মজিন্দাৰ বৰুৱাৰ বংশধৰ সন্মিলনৰ ফালৰ পৰা গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শিল্পীগৰাকীৰ শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে।

**অসমৰ হৃদস্পন্দন জুবিন গাৰ্গৰ অকাল বিয়োগত আড্ডাঘৰৰ শোক ঃ** গুৱাহাটীৰ জ্যেষ্ঠ সমাজ, আড্ডাঘৰে ১৯ ছেপ্টেম্বৰৰ বিয়লি অসমৰ সংগীতজগতৰ এক মূল্যৱান ৰত্ন জুবিন গাৰ্গৰ সুদূৰ ছিংগাপুৰত দুৰ্ঘটনাত আকস্মিকভাৱে মৃত্যু ঘটাত শোকস্তব্ধ হৈ পৰে। লগে লগে সেইদিনা বিয়লিৰ ভাগলৈ হ'ব লগা সকলো কাৰ্যসূচী বাতিল কৰে। তেওঁৰ প্ৰয়াণত আড্ডাঘৰৰ সমূহ সদস্যই মৌন প্ৰাৰ্থনা জনাই গভীৰ শ্ৰদ্ধা আগবঢ়ায়।

**জনপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ মৃত্যুত শোক প্ৰকাশ ৰাজ্যিক জমিয়তৰ ঃ** অসমৰ সংগীতজগতৰ সুপ্ৰসিদ্ধ শিল্পী, অসমীয়া সংস্কৃতিৰ গৌৰৱ জুবিন গাৰ্গৰ আকস্মিক মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে অসম ৰাজ্যিক জমিয়ত উলামাই। মৌলানা বদৰুদ্দিন আজমল নেতৃত্বাধীন জমিয়ত উলামাৰ এক প্ৰেছ বিবৃতিত মৌলানা ফজলুল কৰিম কাছিমী, অতিৰিক্ত সাধাৰণ সম্পাদকে কয় যে জুবিন গাৰ্গ কেৱল এগৰাকী শিল্পীয়েই নাছিল, বৰঞ্চ তেওঁ আছিল অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ জনগণৰ হিয়াৰ আমঠু, যুৱ-প্ৰজন্মৰ হাৰ্টথ্ৰ'ব। মহান শিল্পীগৰাকীৰ এই অকাল প্ৰয়াণে কেৱল এটি পৰিয়াল বা এখন ৰাজ্যকেই নহয়, সম্পূৰ্ণ অসমীয়া সমাজকেই গভীৰ শোকত নিমজ্জিত কৰিছে। অসমীয়া গীত, সুৰ আৰু সংস্কৃতিৰ জগতলৈ তেওঁ দি থৈ যোৱা অৱদান অবিস্মৰণীয়। নিজৰ গীত-মাধুৰ্যৰে অসমৰ উপৰিও ভাৰতৰ কোটি কোটি মানুহৰ হৃদয় জয় কৰিছিল আৰু অসমৰ সাংস্কৃতিক পৰিচয়ক বিশ্বমঞ্চত সফলতাৰে তুলি ধৰিছিল। তেওঁৰ মৃত্যুত আমাৰ সমাজে এখন সুৰীয়া হৃদয়, এটি জ্যোতিৰ্ময় প্ৰাণ আৰু সঁচা অৰ্থত এজন সাংস্কৃতিক দূতক হেৰুৱালে।

**যুগজয়ী কণ্ঠ জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি চাওলুং চুকাফাৰ অসমীয়া মহাজাতি গঠন আৰু বৰ অসম প্ৰতিষ্ঠাৰ আঠশ বছৰীয়া জয়ন্তী উদ্‌যাপন সমিতিৰ ঃ** মহাসমুদ্ৰৰ মাজত অকালতে প্ৰাণ ত্যাগ কৰা বৰ অসমৰ হিয়াৰ আমঠু তথা অসমীয়া মহাজাতি গঠন আৰু বৰ অসম প্ৰতিষ্ঠাৰ আঠশ বছৰীয়া জয়ন্তী উদযাপন সমিতিয়ে। এক প্ৰেছ বিজ্ঞপ্তিযোগে জয়ন্তী উদযাপন সমিতিৰ সভাপতি ডঃ কমলজ্যোতি গগৈ, কাৰ্যকৰী সভাপতি ডঃ ইন্দ্ৰজিৎ বেজবৰুৱা আৰু সাধাৰণ সম্পাদক জয়ন্ত পাটৰে কয় যে অসমীয়া লোকসংগীত আৰু পাশ্চাত্য সংগীতৰ সংমিশ্ৰণেৰে জ্যোতিপ্ৰসাদ আগৰৱালাৰ অসমীয়া আধুনিক সংগীতৰ ঐতিহ্যবাহী ধাৰাৰ যোগ্যতম প্ৰতিনিধি হিচাপে জুবিন গাৰ্গে জীৱনৰ কেইটামান দশকৰ ভিতৰত ত্ৰিশ হেজাৰোধিক সংগীতত কণ্ঠদান, ডিজিটেলৰূপত বাণীবদ্ধ আৰু সহস্ৰাধিক অনুষ্ঠানত গীত পৰিৱেশন কৰি যি যুগমীয়া কীৰ্তি অৰ্জন কৰিলে সিয়ে অসমীয়া মহাজাতিৰ সংগীত চৰ্চাৰ এক অনন্য মাত্ৰা।

# 'ফেষ্টিভেল মহন্ত'ক লৈ তোলপাৰ

আহিছে। নৰ্থ-ইষ্ট ফেষ্টিভেল আৰু ৰঙালী উৎসৱ অনুষ্ঠিত কৰাৰ নামত বিভিন্ন সময়ত মহন্তৰ বিৰুদ্ধে অভিযোগ উত্থাপন হৈ আহিছে। আনকি গুৱাহাটীৰ খানাপাৰাত যোৱাবছৰ ৰঙালী উৎসৱ অনুষ্ঠিত কৰাৰ সময়ত জুবিন গাৰ্গক মঞ্চত উঠাই মহন্তই বিভ্ৰান্তিকৰ মন্তব্য প্ৰকাশ কাৰ অভিযোগ উঠিছিল। একাংশ ৰাইজে 'ফেষ্টিভেল মহন্ত' বুলিও সম্বোধন কৰা শ্যামকানু মহন্তই ৰাজ্যৰ একাংশ বিশিষ্ট ব্যক্তি, সাংস্কৃতিক কৰ্মীক সন্মুখলৈ আগবঢ়াই দি ঠিকাদাৰ হিচাপেহে আত্মপ্ৰকাশ কৰাৰ ব্যাপক চৰ্চা অব্যাহত আছে। সততে সামাজিক মাধ্যমত জাতিপ্ৰেমী, আত্মনিৰ্ভৰশীল অসম গঢ়াৰ সংকল্পৰ দীঘলীয়া লেখা লিখা শ্যামকানু মহন্তৰ আচল উদ্দেশ্য অসমৰ ৰাইজে ইতিমধ্যেই ভালদৰে বুজি উঠিছে। ৰাজনৈতিক নেতাৰ লগতে কেন্দ্ৰীয় মন্ত্ৰীৰ ঘনিষ্ঠ বুলিও পৰিচয় দি ফুৰা মহন্ত নিৰ্মাণ কোম্পানী, বিদ্যুৎ উৎপাদন কোম্পানী আদি বিভিন্ন প্ৰতিষ্ঠানৰ সৈতে জড়িত হৈ আছে। আৱেগিক অসমীয়া ৰাইজক ভাষা, সংস্কৃতি বিহু, উদ্যমিতা আদি বিভিন্ন দিশৰ কথা কৈ পৰ্যটকৰ পৰা মহন্তৰ শেহতীয়া ভূমিকা সন্দৰ্ভত ৰাজ্যজুৰি তোলপাৰ লাগিছে। ছিংগাপুৰত অনুষ্ঠিত নৰ্থ-ইষ্ট ফেষ্টিভেলৰ অন্যতম উদ্যোক্তা আছিল বিতৰ্কিত ব্যৱসায়ী শ্যামকানু মহন্ত। ফেষ্টিভেলৰ আয়োজক মহন্তই জুবিন গাৰ্গক ছিংগাপুৰলৈ নিয়াৰ ক্ষেত্ৰতো ভূমিকা গ্ৰহণ কৰিছিল বুলি সৰ্বজনবিদিত। কিন্তু ছিংগাপুৰৰ অসম এছ'চিয়েচনৰ আৰু নৰ্থ-ইষ্ট ফেষ্টিভেলৰ অন্যতম আয়োজক শ্যামকানু মহন্তই জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনাৰ পাছত গ্ৰহণ কৰা ভূমিকাক লৈ ৰাইজৰ সন্দেহ হৈছে। স্পৰ্শকাতৰ বিষয়টো সন্দৰ্ভত মহন্তৰ ভূমিকাৰ বাবেহে গাৰ্গৰ মৃত্যুক ৰাইজে সহজভাৱে গ্ৰহণ কৰিব পৰা নাই। সেয়ে প্ৰশ্ন উঠিছে শ্যামকানু মহন্তৰ আচল উদ্দেশ্য কি? আন সাংস্কৃতিক কৰ্মীৰ দৰে মহান শিল্পী জুবিন গাৰ্গক সন্মুখত ৰাখি মহন্তই ফেষ্টিভেল, বিহু আদিৰ নামত ইমানদিনে ব্যৱসায়হে কৰি আহিছিল নেকি? অসমৰ ৰাইজৰ মাজত শিল্পীজনক সন্মুখলৈ আগবঢ়াই দি ব্যৱসায় কৰে। মহন্তই দীৰ্ঘদিন ধৰি ফেষ্টিভেলৰ নামত চৰকাৰৰ পৰা বৃহৎ অনুদান সংগ্ৰহ কৰি আহিছিল। উল্লেখ্য যে ব্যৱসায়ী শ্যামকানু মহন্তৰ প্ৰতিষ্ঠানে দিল্লী আৰু দক্ষিণ-পূব এছিয়াৰ বিভিন্ন দেশত উত্তৰ- পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনৰ নামত 'ফেষ্টিভেল' অনুষ্ঠিত কৰি আহিছে। দিল্লীতো বহুবাৰ নৰ্থ- ইষ্ট ফেষ্টিভেল অনুষ্ঠিত কৰাৰ নামত মহন্তই বিশেষ যাদুৰে কেন্দ্ৰীয় চৰকাৰৰ পৰ্যটন মন্ত্ৰালয়, উত্তৰ-পূব পৰিষদ, অসম চৰকাৰৰ হস্ততাঁত আৰু বস্ত্ৰ বিভাগ, সমাজ কল্যাণ বিভাগ আদিৰ পৰা অনুদান সংগ্ৰহ কৰি আহিছিল। যি ফেষ্টিভেলত অসমৰ সাধাৰণ ৰাইজ প্ৰৱেশ কৰা দেখা পোৱা নাযায়। যদি সাধাৰণ ৰাইজে প্ৰৱেশ কৰিব নোৱাৰে সেয়া কেনেধৰণৰ ফেষ্টিভেল? আনকি অসমত বিহু উৎসৱ অনুষ্ঠিত কৰাৰ নামত কেন্দ্ৰীয় চৰকাৰৰ পৰা অনুদান লোৱা বুলিও লোকসভাত কেন্দ্ৰীয় চৰকাৰে ইতিমধ্যে ৰাজহুৱা কৰিছে। বিহু অনুষ্ঠিত কৰাৰ নামত কেন্দ্ৰীয় চৰকাৰৰ পৰা এটা বছৰত ২৫ লাখ টকা পৰ্যন্ত অনুদান লোৱাৰ তথ্য পোৱা গৈছে। কিন্তু তেনে অনুষ্ঠানৰ জৰিয়তে সাধাৰণ ৰাইজ কেনেধৰণে উপকৃত হৈছে বুজা নাযায়। তথ্য মতে, উত্তৰ-পূব পৰিষদৰ পৰা ভিয়েটনামত ফেষ্টিভেল অনুষ্ঠিত কৰাৰ নামত মহন্তৰ প্ৰতিষ্ঠানে প্ৰায় ৭৭ লাখ টকা সংগ্ৰহ কৰিছিল। চৰকাৰী তথ্য মতে, মহন্তৰ প্ৰতিষ্ঠানে ফেষ্টিভেল অনুষ্ঠিত কৰাৰ বাজেট কেন্দ্ৰীয় চৰকাৰৰ পৰ্যটন মন্ত্ৰালয়ৰ ২০১৯ চনত ৩০ লাখ টকা, ২০২২ চনত ৫ লাখ টকা, ২০২৩ চনত ২৫ লাখ টকা অনুদান সংগ্ৰহ কৰিছিল। অসম চৰকাৰৰ হস্ততাঁত আৰু বস্ত্ৰ বিভাগৰ পৰা ৫০ লাখ টকা, সমাজ কল্যাণ বিভাগৰ পৰা ৩০ লাখ টকা অনুদান সংগ্ৰহ কৰাৰ তথ্য পোহৰলৈ আহিছে। অনুষ্ঠান আয়োজনৰ বাবে সংস্থাটোৱে অনুদান সংগ্ৰহ কৰাটো অপৰাধ হ'ব নোৱাৰে। কিন্তু এজন ব্যক্তিৰ প্ৰতিষ্ঠানক চৰকাৰে কোটি কোটি টকাৰ অনুদান দি থকাৰ অৰ্থ কি হ'ব পাৰে? ফেষ্টিভেল, বিহু আয়োজনৰ বাবে অসমত কেৱল শ্যামকানু মহন্তৰ প্ৰতিষ্ঠানেই আছে নেকি? নিৰ্মাণ সংস্থাকে ধৰি বিভিন্ন প্ৰতিষ্ঠানৰ সৈতে জড়িত থকা মহন্তক লৈ সেয়ে ৰাজ্যবাসীয়ে প্ৰশ্ন উত্থাপন কৰিছে। ব্যৱসায়ী মহন্তই আৰু তেওঁৰ সহযোগীয়ে শেহতীয়াকৈ জুবিন গাৰ্গক ছিংগাপুৰলৈ নিয়াৰ পাছত তেওঁৰ স্বাস্থ্যৰ যত্ন লৈছিলনে? নে জুবিন গাৰ্গক সন্মুখলৈ আগবঢ়াই মহন্তৰ ধন ঘটাই একমাত্ৰ উদ্দেশ্য আছিল। এনেকৈ উত্থাপন কৰা এই প্ৰশ্নৰ উত্তৰ শ্যামকানু মহন্তই অসমবাসীক দিব লাগিব। কাৰণ অসমবাসীয়ে আজি 'তৰা' হেৰুৱাইছে। জুবিন অকল কণ্ঠশিল্পীয়েই নাছিল। তেওঁ এজন অসমবাসীৰ আপোন হৃদয়ৰ নায়ক আছিল। সেইজন নায়ক আজি ছিংগাপুৰলৈ গৈ আৰু ঘূৰি নাহিল। ইয়াৰ উত্তৰ আজি ৰাইজে বিচাৰিছে।

# জালুকবাৰীৰ 'ইতিহাস ৰেস্তোৰাঁ'ত

জুবিন গাৰ্গৰ সৈতে গুৱাহাটীৰ জালুকবাৰীত থকা ইতিহাস ৰেষ্টুৰেণ্টৰ আছে অন্য এক আত্মিক সম্পৰ্ক। এককথাত ক'বলৈ গ'লে ইতিহাস ৰেষ্টুৰেণ্ট আছিল জুবিন গাৰ্গৰ চিৰসেউজ ঠিকনা। এই চিৰসেউজ ঠিকনাটো যেন আজিৰ পৰা মৰিশালিত পৰিণত হ'ল অনন্তকাললৈ। এই সন্দৰ্ভত ইতিহাস ৰেষ্টুৰেণ্টৰ স্বত্বাধিকাৰী মহানন্দ কুমাৰে 'দৈনিক অসম'ৰ আগত অতি বেদনাৰে জানিবলৈ দি কয়— মোৰ ভাতৃপ্ৰতিম জুবিন গাৰ্গৰ মৃত্যু অসমবাসীৰ বাবে এক অপূৰণীয় বৃহৎ ক্ষতি। জুবিনৰ অন্য এটা আপোন ঘৰৰ নাম ইতিহাস ৰেষ্টুৰেণ্ট । ২০০৯ চনৰ পৰা জুবিন গাৰ্গ আমাৰ ইতিহাস ৰেষ্টুৰেণ্ট পৰিয়ালৰ সৈতে নিবিড়ভাৱে জড়িত হৈ পৰে। ২০০৯ চনত মোৰ ভ্ৰাম্যমাণ থিয়েটাৰ ইতিহাস থিয়েটাৰৰ মৃদুল চুতীয়াৰ ৰচিত 'মই আন্ধাৰতো দেখোঁ' নাটখনত ধিমিকি ধিমিকি জ্বলে মোৰ জীৱন চাকি/অ' বতাহজোৰকে বলিছ কিয়/নুমাব খুজিছ নেকি/ দুখৰ ধূলি উৰুৱাই/ মোৰ জীৱন চাকি...গীতটো জুবিন গাৰ্গে নিজেই সংগীত ব্যৱস্থাপনা আৰু কণ্ঠদান কৰাৰ পাছৰে পৰা আজিপৰ্যন্ত জুবিন গাৰ্গে প্ৰতিবছৰে মোৰ ভ্ৰাম্যমাণ থিয়েটাৰৰ নাটত কণ্ঠদান কৰাৰ লগতে সংগীত ব্যৱস্থাপনা কৰি আহিছিল। বিভিন্ন সাংস্কৃতিক অনুষ্ঠান পৰিৱেশনৰ সাংগীতিক যাত্ৰাত জুবিন গাৰ্গ মোৰ ৰেষ্টুৰেণ্টলৈ প্ৰায়েই আহে। জুবিন গাৰ্গক কিছু জিৰণি দিয়াৰ উদ্দেশ্যে ইতিহাস ৰেষ্টুৰেণ্ট চৌহদত আছুতীয়াকৈ কোঠা এটা নিৰ্মাণ কৰি দিছিলোঁ। 'জুবিন গাৰ্গ কক্ষ' নামেৰে নামকৰণ কৰা কোঠাটোত জুবিনে ক'ৰবাৰ পৰা আহিলে জিৰণি লয়। সুন্দৰকৈ এখন বিছনা, বহিবলৈ চকী-টেবুল আদি ৰখা হৈছে কোঠাটোত। জুবিন আহি পোৱাৰ লগে লগে কোনোবা এজন কৰ্মচাৰীয়ে কোঠাটো খুলি দিয়ে। দূৰৈত সাংস্কৃতিক অনুষ্ঠান থাকিলে জুবিনৰ বাদ্যযন্ত্ৰীসকল আগতেই আহি ইতিহাস ৰেষ্টুৰেণ্টত উপস্থিত হৈ জুবিনৰ বাবে 'জুবিন গাৰ্গ কক্ষ'ত অপেক্ষা কৰি থাকে। আনকি জুবিনৰ পত্নী গৰিমা গাৰ্গেও সাংস্কৃতিক অনুষ্ঠানৰ বাবে ওলাই আহি এই কোঠাটোত অপেক্ষা কৰি থাকে জুবিনৰ বাবে। সকলো একগোট হোৱাৰ পাছত ইতিহাস ৰেষ্টুৰেণ্টৰ পৰা যাত্ৰা আৰম্ভ কৰে জুবিন গাৰ্গে। জুবিন গাৰ্গ পুনৰ উভতি নহা বাটেৰে গুচি গ'ল। অন্তৰত বহু দুখ পাইছোঁ। ইতিহাস ৰেষ্টুৰেণ্ট যেন চিৰদিনৰ বাবে কিবা উকা উকা হৈ পৰিল। বিমানবন্দৰৰ পৰা আহিলেও অথবা ক'ৰবালৈ গ'লেও কিছুসময়ৰ বাবে ইয়ালৈ আহিছিল। ক'ৰবাৰ পৰা আহিয়েই আখলত সোমাই ৰসিক কথাৰে কৰ্মচাৰীসকলৰ সৈতে মত বিনিময় কৰে। জুবিনৰ মৃত্যুৰ খবৰ পাই ৰেষ্টুৰেণ্টৰ প্ৰায় ৫০জন কৰ্মচাৰী যেন স্তব্ধ হৈ পৰিছে। কান্দোনত ভাগি পৰিছে কৰ্মচাৰীসকল। জুবিন আহি পোৱাৰ লগে লগে আন বহু মানুহ আহি উপস্থিত হয় ৰেষ্টুৰেণ্টত। উদ্দেশ্যে মাথোঁ জুবিনৰ সৈতে একপি ফটো উঠা। জুবিনে কোনোদিনেই খং কৰা দেখা নাপালোঁ। সকলোৰ সৈতে হাঁহিমুখে একপি ফটো উঠিহে ভাল পায়। স্বত্বাধিকাৰী মহানন্দ কুমাৰে আজি জানিবলৈ দিয়া মতে, জুবিন গাৰ্গৰ স্মৃতি সজীৱ কৰি ৰখাৰ উদ্দেশ্যে ইতিহাস ৰেষ্টুৰেণ্ট চৌহদত 'জুবিন গাৰ্গ কেফে' নামেৰে এখন কেফে খুলিব। আজি সন্ধিয়া ইতিহাস ৰেষ্টুৰেণ্টৰ সন্মুখত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানটোত কৰ্মচাৰীসকলৰ লগতে স্থানীয় ৰাইজ তথা অন্য ব্যৱসায়িক প্ৰতিষ্ঠানৰ লোকে জুবিন গাৰ্গৰ প্ৰতি অশ্ৰুসিক্ত নয়নেৰে অন্তিম শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ উপৰি সমূহীয়াভাৱে বন্তি প্ৰজ্বলন কৰে।

# জুবিনে ৰুই যোৱা 'ৰেইন ট্ৰি'ৰ তলত

শ্ৰদ্ধা জ্ঞাপন কৰি ডিব্ৰুগড় জিলাৰ মৰাণৰ সমীপৰ চেপন মহাবিদ্যালয় কৰ্তৃপক্ষই আজি জুবিন গাৰ্গে নিজ হাতে ৰোপণ কৰা আৰু বৰ্তমান পূৰ্ণাংগ ৰূপ পোৱা দুজোপা ৰেইন ট্ৰীৰ ছাঁত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত কৰে। ১৯৯৭ চনৰপৰা চেপন মহাবিদ্যালয় বাকৰিত অনুষ্ঠিত কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনত গীত পৰিৱেশন কৰি আহিছিল জুবিন গাৰ্গে। চেপনবাসীৰ হৈ চেপন মহাবিদ্যালয় কৰ্তৃপক্ষই জুবিন গাৰ্গক এজোপা প্ৰকাণ্ড আমগছ জীৱন্ত অৱস্থাত উপহাৰ দিছিল আৰু এই গছজোপাৰ তলতে জুবিন গাৰ্গে আহি জিৰণি লৈছিলহি ঘণ্টা ঘণ্টা ধৰি। জুবিন আজি এই পৃথিৱীত নাই যদিও দীৰ্ঘদিন জীয়াই থাকিব জুবিনক উপহাৰ হিচাপে প্ৰদান কৰা প্ৰকাণ্ড আমগছজোপা আৰু জুবিনে ৰোপণ কৰা ৰেইন ট্ৰী গছ দুজোপাৰ জৰিয়তে। আজি চেপনবাসীয়ে গছ তিনিজোপাৰ তলত চকুলো টুকিছে আৰু কেন্দ্ৰীয় চেপন ৰঙালী বিহু সন্মিলনৰ পতাকা এসপ্তাহৰ বাবে অৰ্দ্ধনমিত কৰি ৰখাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। আগন্তুক ব'হাগ মাহত বিহু সন্মিলনে বিহু উদ্‌যাপন নকৰাৰ সম্ভাৱনা আছে। অৱশ্যে এই সিদ্ধান্ত বৃহত্তৰ চেপনবাসীয়ে সময়ত ল'ব বুলি জনায়। চেপনবাসীৰ সৈতে কুৰি বছৰৰো অধিক কাল ওতপ্ৰোতভাৱে জড়িত জুবিন গাৰ্গৰ স্মৃতি সজীৱ কৰি ৰাখিবলৈ চেপন মহাবিদ্যালয়ৰ প্ৰাংগনত তেওঁৰ এটা মূৰ্তি স্থাপন কৰা হ'ব। আনহাতে, আজি মৰাণত সকলো দোকান-পোহাৰ, বিদ্যালয়, মহাবিদ্যালয় স্বতঃস্ফূৰ্তভাৱে বন্ধ হৈ পৰে। মৰাণৰ লগতে তিলৈ নগৰ, খোৱাং, চেপন, বামুণবাৰী আদি সকলো ঠাইতে শোকাকুল পৰিৱেশ সৃষ্টি হয়। যাত্ৰীবাহী বাহনসমূহৰ চলাচল সম্পূৰ্ণৰূপে বন্ধ হৈ পৰে। মৰাণৰ বিভিন্ন ঠাইত আজিও সাৰ্বজনীন শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত কৰা হয়।

# জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ তদন্ত

কৰিছে। ৰাজ্যৰ ভিন্ন আৰক্ষী থানাত একাংশ লোকে মৰমৰ শিল্পীজনৰ ৰহস্যজনক মৃত্যুৰ সন্দেহত এজাহাৰ দাখিল কৰিছে। এজাহাৰৰ ভিত্তিত ৰাজ্য চৰকাৰে সমগ্ৰ ঘটনাৰ তদন্ত চি আই ডিক কৰিবলৈ নিৰ্দেশ দিছে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি এই কথা সদৰি কৰিছে। ইতিমধ্যেই এই সন্দৰ্ভত চি আই ডিয়ে এটা গোচৰ ৰুজু কৰিছে।

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি কয় 'জুবিন গাৰ্গৰ দুৰ্ভাগ্যজনক আৰু আকস্মিক মৃত্যুৰ সন্দৰ্ভত শ্যামকানু মহন্ত আৰু জুবিন গাৰ্গৰ মেনেজাৰ সিদ্ধাৰ্থ শৰ্মাৰ বিৰুদ্ধে একাধিক এজাহাৰ দাখিল কৰা হৈছে। আৰক্ষী সঞ্চালকপ্ৰধানক সমূহ এজাহাৰ চি আই ডিলৈ স্থানান্তৰ কৰিবলৈ আৰু পুংখানুপুংখ তদন্তৰ বাবে এটা গোচৰ কৰিবলৈ নিৰ্দেশ প্ৰদান কৰা হৈছে। লক্ষণীয় যে চি আই ডিয়ে আজি ভাৰতীয় ন্যায় সংহিতা ৬৩/১০৫/১০৬ৰ ভিত্তিত এটা গোচৰ ৰুজু কৰিছে। এই গোচৰৰ ভিত্তিত শ্যামকানু মহন্ত আৰু জুবিন গাৰ্গৰ মেনেজাৰ সিদ্ধাৰ্থ শৰ্মাও তদন্তৰ আওতালৈ আহিব। মুখ্যমন্ত্ৰীয়ে কয় যে দুয়োজনকে চি আই ডিয়ে জেৰা কৰিব। তেওঁ আৰু কয় যে এই দুজন ব্যক্তিৰ লগতে জুবিন গাৰ্গৰ সৈতে ছিংগাপুৰলৈ যোৱা আটাইকেইজনৰ লগতে অসম এছ'চিয়েচনৰ কেউজনকে জেৰা কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে আৰু কয় যে ছিংগাপুৰৰ উচ্চায়ুক্ত ছাইমন ৱঙৰ সৈতে কথা পাতি জুবিন গাৰ্গৰ অকাল মৃত্যুৰ বিষয়টোৰ বিশদ অনুসন্ধানৰ বাবে অনুৰোধ জনোৱা হৈছে। এই সন্দৰ্ভত অসম আৰক্ষীয়ে ছিংগাপুৰৰ চৰকাৰক সহযোগ কৰিব। মুখ্যমন্ত্ৰীয়ে আজি স্পষ্ট কৰিছে যে জুবিন গাৰ্গক যদি কোনোবাই বেয়া ভাবি ছিংগাপুৰলৈ নিছিল তাৰো তদন্ত কৰা হ'ব। প্ৰয়োজনত ৰাইজৰ পৰা চৰকাৰে পৰামৰ্শ গ্ৰহণ কৰিব।











*প্ৰিয় শিল্পীৰ বিদায়ত শোকদগ্ধ অনুৰাগী, মহানগৰীৰ বিভিন্ন প্ৰান্তত শনিবাৰৰ দৃশ্য*

### অশ্ৰুসিক্ত নয়নেৰে হিয়া উজাৰি শ্ৰদ্ধা প্ৰাণৰ শিল্পীগৰাকীলৈ

# জুবিনৰ গীতেৰে মুখৰ মহানগৰীৰ আকাশ-বতাহ

দৈনিক অসমৰ প্ৰতিনিধি

**গুৱাহাটী, ২০ ছেপ্টেম্বৰ ঃ** জুবিন গাৰ্গবিহীন প্ৰথমটো দিনত আজি সমগ্ৰ ৰাজ্যৰ লগতে গুৱাহাটী মহানগৰীৰ বিভিন্ন ঠাইত জুবিনৰ সংগীত বজাই 'জয় জুবিনদা' ধ্বনিৰে সমদল আৰু সকলো ঠাইতে পুৱাৰ পৰা সন্ধিয়ালৈ অগণন অনুৰাগী ওলাই আহি অশ্ৰুসিক্ত নয়নেৰে জুবিন গাৰ্গৰ সংগীত পৰিৱেশন কৰি প্ৰাণৰ শিল্পীগৰাকীলৈ শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। নুনমাটিৰ অসম জাতীয় বিদ্যালয়ত আজি দিনৰ ১০ বজাৰ পৰা এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত হয়। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ কাৰ্যসূচী আৰম্ভ কৰে বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি দিলীপ কুমাৰ দত্তচৌধুৰী, সচিব ডাঃ নাৰায়ণ শৰ্মা আৰু অধ্যক্ষ ঘনশ্যাম মেধিয়ে। তাৰ পাছতে বিদ্যালয়ৰ সকলো শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী, অভিভাৱক-অভিভাৱিকা আৰু স্থানীয় লোকে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। পশুপালন আৰু পশু চিকিৎসা সঞ্চালকালয়ত আজি অসমীয়াৰ হিয়াৰ আমঠু শিল্পী জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জনোৱা হয়। অনুষ্ঠানত বিভাগৰ সঞ্চালক ডঃ জয়ন্ত কুমাৰ গোস্বামী, অতিৰিক্ত সঞ্চালক ডাঃ প্ৰবীণ কুমাৰ দাস, যুটীয়া সঞ্চালকদ্বয় ডাঃ পৰিত্ৰ পাটৰ আৰু ডাঃ জ্যোতিপ্ৰকাশ কলিতাকে ধৰি সঞ্চালকালয়ৰ সকলো বিষয়া-কৰ্মচাৰীয়ে শিল্পীগৰাকীলৈ গভীৰ শ্ৰদ্ধা নিবেদন কৰে। অনুষ্ঠানটিৰ আঁত ধৰে সহকাৰী সঞ্চালক ডাঃ দণ্ডেশ্বৰ ডেকাই। অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদত আজি অসমৰ সংগীত শিল্পৰ ভোটাতৰা জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। অনুষ্ঠানত পৰিষদৰ উপাধ্যক্ষ ৰুক্ম



গোহাঞিবৰুৱা আৰু সচিব নৰনাৰায়ণ নাথে শিল্পীগৰাকীৰ বিষয়ে চমুকৈ কৈ স্মৰণ কৰে আৰু শিল্পী দীপক দাসে শিল্পীগৰাকীৰ এটি গীতেৰে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। অসমৰ সাংস্কৃতিক জগতৰ উজ্জ্বল নক্ষত্ৰ জুবিন গাৰ্গৰ আকস্মিক বিয়োগত সমগ্ৰ অসমবাসীৰ লগতে অসম অৱসৰপ্ৰাপ্ত কলেজ শিক্ষক সন্থাও মৰ্মাহত হয় আৰু শিল্পীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে অসম অৱসৰপ্ৰাপ্ত কলেজ শিক্ষক সন্থাই। ইপিনে, জুবিন অনুৰাগীয়ে আজি বিয়লি গীতামন্দিৰত শিল্পীগৰাকীলৈ শ্ৰদ্ধা জ্ঞাপন কৰে। লগতে এখন বাহনত শিল্পীগৰাকীৰ ফটো লগাই তেওঁৰ সংগীত বজাই জয় জুবিনদা ধ্বনিৰে গীতামন্দিৰৰ পৰা জালুকবাৰী আৰু কাহিলিপাৰালৈ সমদল কৰি যায়। ৰূপনগৰ সেৱা মন্দিৰ নামঘৰৰ উদ্যোগত আজি অসমৰ হিয়াৰ আমঠু শিল্পী জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনোৱা হয়। তেনেদৰে নুনমাটি কাৰ্বন গেট, নুনমাটি ব্লক কংগ্ৰেছ কমিটী, বামুণীমৈদাম, উত্তৰ-পূব গীতানগৰ ইয়ং ষ্টাৰ ক্লাব, পাথৰকোৱেৰীত পূব গুৱাহাটী লেখিকা সমাজৰ সমূহীয়া শ্ৰদ্ধাঞ্জলি, নাৰেংগী, বৰবাৰী, গণেশগুৰি, ছয়মাইল, খানাপাৰা, বেলতলা, বশিষ্ঠ, গড়চুক, বৰাগাঁও, ভৰলুমুখ, মালিগাঁও, চানমাৰি আছাম ট্ৰিবিউন প্ৰতিষ্ঠান, ৰাজগড়, জু-ৰোড, অম্বিকাগিৰী নগৰ, চেৰাবভাটি, পল্টনবজাৰ, মঠঘৰীয়া হৰিপুৰ, কৃষ্ণনগৰকে ধৰি সমগ্ৰ গুৱাহাটীতে আজি অসমীয়াৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জনোৱা হয়। নুনমাটি বিহু সন্মিলনৰ উদ্যোগত অহা কাইলৈ দিনৰ ১১ বজাত নুনমাটি বিহু সন্মিলনৰ কাৰ্যালয়ত একাঁজলি শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হৈছে। অনুষ্ঠানত সমূহ ৰাইজক উপস্থিত থাকি মহান শিল্পীগৰাকীক শ্ৰদ্ধাঞ্জলি বিহু সন্মিলনৰ তৰফৰ পৰা নুনমাটিৰ বিভিন্ন সামাজিক, সাংস্কৃতিক সংগঠন তথা ৰাইজলৈ আহ্বান জনাইছে সন্মিলনৰ সভাপতি মধুৰঞ্জন নাথ আৰু সাধাৰণ সম্পাদক নিপু কাকতিয়ে।

## জুবিনলৈ শ্ৰদ্ধাঞ্জলি যুৱ-ছাত্ৰৰ তদন্তৰ দায়িত্ব প্ৰাক্তন ন্যায়াধীশক দিয়াৰ দাবী

দৈনিক অসমৰ প্ৰতিনিধি

**গুৱাহাটী, ২০ ছেপ্টেম্বৰ ঃ** অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ চানমাৰিস্থ মুখ্য কাৰ্যালয় বিষ্ণু ৰাভা ভৱন প্ৰাংগনত পৰিষদৰ উদ্যোগত জুবিন গাৰ্গৰ এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। পৰিষদৰ এক বিবৃতিত কোৱা হৈছে যে যুৱ-ছাত্ৰ পৰিষদৰ প্ৰাক্তন সতীৰ্থ গৰাকীক অকালতে হেৰুৱাই আজি সমগ্ৰ অসম বাকৰুদ্ধ হৈ পৰিছে। জীৱনৰ মাত্ৰ ৫২টা বসন্ত অতিক্ৰম কৰা মহান শিল্পী গৰাকীক বিদায় দিবলৈ কোনো অসমীয়া মানুহ যেন মানসিকভাৱে প্ৰস্তুত নহয়। আজি অসমবাসীৰ মৰমৰ শিল্পী তথা অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ প্ৰাক্তন সতীৰ্থ গৰাকীক অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ চানমাৰিত অৱস্থিত মুখ্য কাৰ্যালয়ত সশ্ৰদ্ধ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। যুৱ-ছাত্ৰ পৰিষদৰ উদ্যোগত আয়োজন কৰা এই শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত অসমৰ বহুকেইগৰাকী বুদ্ধিজীৱী, সাংবাদিক, শিল্পী উপস্থিত থাকে। পিছত সংবাদ মাধ্যমৰ সৈতে হোৱা কথোপকথনত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ নেতৃত্বই কয় যে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদে গুৱাহাটীত জনতাৰ শিল্পী জুবিন গাৰ্গৰ এটি পূৰ্ণ প্ৰতিমূৰ্ত্তি স্থাপনৰ সিদ্ধান্ত লৈছে আৰু ইয়াৰ বাবে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদে ইতিমধ্যে ভূমি আৱন্টন বিছাৰি অসমৰ মুখ্যমন্ত্ৰীলৈ পত্ৰ প্ৰেৰণ কৰিছে। উল্লেখযোগ্য যে ইতিমধ্যে অসম চৰকাৰে শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ তদন্ত কৰিবলৈ চিআইডিক দায়িত্ব অৰ্পণ কৰিছে আৰু তদন্তত চিংগাপুৰত নৰ্থইষ্ট ফেষ্টিভেল আয়োজন কৰা অন্যতম আয়োজক শ্যামকানু মহন্ত আৰু জুবিন গাৰ্গৰ মেনেজাৰ সিদ্ধাৰ্থ শৰ্মাক তদন্তৰ আওঁতালৈ অনাৰ ঘোষণা কৰিছে। অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদে জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাটো তদন্তৰ বাবে প্ৰাক্তন ন্যায়াধীশৰে গঠিত উচ্চস্তৰীয় সমিতিক দায়িত্ব অৰ্পণ কৰাৰ লগতে শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাকে জুবিনৰ সৈতে চিংগাপুৰলৈ যাত্ৰা কৰা সকলোকে আৰু সাগৰত ঘটনাৰ সময়ত জুবিনৰ স'তে সংগ দিয়া সকলোকে তদন্তৰ আওঁতালৈ আনিবলৈ দাবী জনাইছে।

## এন ডি ২৪ৰ মুখ্য কাৰ্যালয়ত শিল্পী জুবিন গাৰ্গলৈ গভীৰ শ্ৰদ্ধাঞ্জলি

দৈনিক অসমৰ প্ৰতিনিধি

**গুৱাহাটী, ২০ ছেপ্টেম্বৰ ঃ** মহানগৰীৰ দিছপুৰ লাষ্টগেটৰ নাহৰণি পথস্থিত এন ডি ২৪ৰ মুখ্য কাৰ্যালয়ত আজি অসমৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গলৈ গভীৰ শ্ৰদ্ধাঞ্জলি জনোৱা হয়। শিল্পীগৰাকীৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰি পুষ্পাঞ্জলি প্ৰদান কৰে এন ডি ২৪ আৰু দৈনিক অসমৰ মুখ্য পৰিচালন সঞ্চালক কিশোৰ বৰাই। শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি এন ডি ২৪ আৰু দৈনিক অসমৰ মুখ্য পৰিচালন সঞ্চালক কিশোৰ বৰাই কয় যে অসমৰ হিয়াৰ আমঠু জুবিন গাৰ্গে অসমক বহুত দিলে। আমি কিন্তু তেওঁক একো দিব নোৱাৰিলোঁ। অনুষ্ঠানত এন ডি ২৪ৰ মুখ্য সম্পাদক ৰাজদ্বীপ



বাইলুং বৰুৱা, এন ডি ২৪ আৰু দৈনিক অসমৰ মহাপ্ৰবন্ধক জ্যোতিষপৱন বৰদলৈ, কাৰ্যবাহী সম্পাদক দীপক গগৈ, সহযোগী সম্পাদক চাজাদুল ৰানা হুছেইন, জ্যেষ্ঠ ইনপুট এডিটৰ সঞ্জীৱ প্ৰকাশ বৰুৱা আৰু নিউজ এডিটৰ মানস ডেকাৰ লগতে এন ডি ২৪ৰ সমূহ কৰ্মকৰ্তাই শিল্পীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

### লতাশিলত আছুৰ উদ্যোগত জুবিন গাৰ্গলৈ ৰাজহুৱা শ্ৰদ্ধাঞ্জলি

## দ্বিতীয় দিনাও গুণমুগ্ধৰ লানি নিছিগা সোঁত

দৈনিক অসমৰ প্ৰতিনিধি

**গুৱাহাটী, ২০ ছেপ্টেম্বৰ ঃ** অসম আৰু অসমীয়াৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ খবৰ বিয়পি পৰাৰ লগে লগে সদৌ অসম ছাত্ৰ সন্থাৰ উদ্যোগত কালিৰেপৰা লতাশিল খেলপথাৰত অনুষ্ঠিত কৰা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত আজি দ্বিতীয় দিনাও পুৱাৰেপৰা গুণমুগদ্ধসকলে আহি লতাশিলত ভিৰ কৰে। অৱশ্যে সদৌ অসম ছাত্ৰ সন্থাই জুবিন গাৰ্গৰ নশ্বৰ দেহ অসমত আহি নোপোৱালৈ জুবিন অনুৰাগীসকলে ইয়ালে আহি শ্ৰদ্ধাঞ্জলি জনাব পাৰিব বুলি কয়। সকলো অনুৰাগীয়ে যাতে প্ৰিয় শিল্পীগৰাকীক শেষবাৰৰ বাবে মনৰ শান্তিৰে শ্ৰদ্ধাঞ্জলি জনাব পাৰে তাৰ বাবে ছাত্ৰ সন্থাৰ ফালৰপৰা সকলো ব্যৱস্থা নিশাটোৰ ভিতৰতে সম্পন্ন কৰে। আজি লতাশিলৰ জুবিন গাৰ্গৰ ৰাজহুৱা শ্ৰদ্ধাঞ্জলিস্থলীত সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মা, সাধাৰণ সম্পাদক সমীৰণ ফুকন আৰু মুখ্য উপদেষ্টাই জুবিন গাৰ্গৰ শেষকৃত্য আৰু সমাধিস্থলীৰ স্থানৰ বাবে পৰিয়ালৰ মতক গুৰুত্ব প্ৰদান কৰি সিদ্ধান্ত গ্ৰহণ কৰিবলৈ অসম চৰকাৰক আহ্বান জনায়। কালি সন্ধিয়া ৬.৩০ বজাত সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মা আৰু মুখ্য উপদেষ্টা ডঃ সমুজ্জ্বল ভট্টাচাৰ্যই আনুষ্ঠানিকভাৱে শ্ৰদ্ধাঞ্জলি মুকলি কৰাৰ লগে লগে হেজাৰ হেজাৰ গুণমুগ্ধৰ প্ৰাণৰ শিল্পীগৰাকীক শ্ৰদ্ধাঞ্জলি জনাবলৈ পুৱতিনিশালৈ সোঁত বয়। উপস্থিত সকলোৱে জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত অশ্ৰুসিক্ত নয়নেৰে পুষ্পাঞ্জলি অৰ্পণ কৰে।



## প্ৰাথমিক সন্মিলনীৰ স্বাক্ষৰ অভিযান কাৰ্যসূচী স্থগিত

দৈনিক অসমৰ প্ৰতিনিধি

**গুৱাহাটী, ২০ ছেপ্টেম্বৰ ঃ** অসমৰ সংগীত আৰু সমাজ-জীৱনৰ ভোটাতৰা হৈ জিলিকি থকা হিয়াৰ আমঠু জুবিন গাৰ্গৰ অকাল মৃত্যুত মৰ্মাহত জনগণৰ লগতে প্ৰাথমিক শিক্ষক সমাজ। জাতীয় জীৱনৰ বাবে নিজক সুৰেৰে-গীতেৰে সাংস্কৃতিক ভিন্ন উপাদানেৰে সমৃদ্ধ কৰা শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনাই অহা ২২ ছেপ্টেম্বৰৰ পৰা আৰম্ভ হ'বলগীয়া টেট পৰীক্ষাৰ অনিবাৰ্যতা সম্পৰ্কীয় উচ্চতম ন্যায়ালয়ৰ ৰায়ৰ পুনৰ বিবেচনা বিচাৰি ঘোষণা কৰা 'স্বাক্ষৰ অভিযান' কাৰ্যসূচী সাময়িকভাৱে স্থগিত ৰখা হৈছে। সন্মিলনীৰ সভাপতি নীলাক্ষী গগৈ আৰু প্ৰধান সম্পাদক ৰাতুল চন্দ্ৰ গোস্বামীয়ে কয়— কাৰ্যসূচী সন্দৰ্ভত পৰৱৰ্তী সময়ত নিৰ্দেশনা প্ৰকাশ কৰা হ'ব। ২২ ছেপ্টেম্বৰলৈ সন্মিলনীৰ সকলো কাৰ্যসূচী বাতিল কৰা হৈছে। শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনাই গ্ৰহণ কৰা এই সিদ্ধান্তৰ সমান্তৰালকৈ সন্মিলনীয়ে জুবিন গাৰ্গৰ মৃত্যুৰ বাবে ঘোষিত তদন্তৰ নামত যাতে কোনো ৰৌ-বৰালি সাৰি যাব নোৱাৰে তাক নিশ্চিত কৰাৰো দাবী জনাইছে।

# মুখ্যমন্ত্ৰীৰ প্ৰতিশ্ৰুতি পূৰণত ব্যৰ্থ জিএমডিএ

### ক্ষুব্ধ শিলসাঁকো বিলপাৰ কেন্দ্ৰীয় কৰ্ণধাৰ সমিতি

দৈনিক অসমৰ প্ৰতিনিধি

**গুৱাহাটী, ২০ ছেপ্টেম্বৰ ঃ** শিলসাঁকোৰ উচ্ছেদিত পৰিয়ালৰ ক্ষেত্ৰত জি এম ডি এৰ বৰ্তমানৰ কাৰ্যকলাপত অসন্তুষ্টি প্ৰকাশ কৰি মুখ্যমন্ত্ৰী আৰু গুৱাহাটী মহানগৰ উন্নয়ন মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাৰ হস্তক্ষেপ দাবী শিলসাঁকো বিলপাৰ কেন্দ্ৰীয় কৰ্ণধাৰ সমিতিৰ। যদি দুৰ্গা পূজাৰ আগতে জি এম ডি এ কৰ্তৃপক্ষৰ পৰা কোনো সদুত্তৰ পোৱা নাযায় তেনেহ'লে পৰৱৰ্তী সময়ত বিশেষ কাৰ্যপন্থা গ্ৰহণ কৰাৰো হুংকাৰ দিয়ে সমিতিয়ে। এই সন্দৰ্ভত গভীৰ ক্ষোভ প্ৰকাশ কৰি শিলসাঁকো বিলপাৰ কেন্দ্ৰীয় কৰ্ণধাৰ সমিতিৰ সভাপতি ঘনকান্ত দাসে কয় যে ২০২২ চনৰ মে' মাহত শিলসাঁকো বিলপাৰত হোৱা উচ্ছেদ ২০২৩ চনৰ ২৭ ফেব্ৰুৱাৰীৰ পৰা তীব্ৰতৰ হৈ পৰে। এই উচ্ছেদত প্ৰায় ১,২০০ ঘৰ লোক গৃহহীন হয়। সেই সময়ত বহু বছৰ ধৰি শিলসাঁকোৰ পাৰত বসবাস কৰি থকা লোকসকলৰ মাজত হাহাকাৰ লাগে। উন্নয়ন সমিতিসমূহে কাউন্সিলৰকেইজনৰ লগত বিষয়টোক লৈ আলোচনা কৰে আৰু মুখ্যমন্ত্ৰীৰ হস্তক্ষেপ বিচাৰে। তেওঁলোকে জি এম ডি এৰ অধ্যক্ষৰে মিলিত হৈ মুখ্যমন্ত্ৰীক অৱগত কৰাত ২ মাৰ্চৰ দিনা দিছপুৰত শিলসাঁকো বিলপাৰৰ ১৯ খন উন্নয়ন সমিতিৰ সভাপতি-সম্পাদকসকলৰ সৈতে আলোচনাত মিলিত হয়। আলোচনা মৰ্মে সেইদিনাৰ পৰা উচ্ছেদ বন্ধ হয়। মুখ্যমন্ত্ৰীয়ে গুৱাহাটীৰ বানপানীৰ সমস্যাটো সমাধানৰ বাবে জিএমডিএয়ে দৰকাৰী ভূমি ল'ব আৰু তাৰ পিছত সীমা নিৰ্ধাৰণ কৰিব বুলি জনায়। এই ক্ষেত্ৰত সমিতিসমূহক বিভাগক সহায় কৰিবৰ বাবে অনুৰোধ জনায়। সীমা নিৰ্ধাৰণৰ পিছত সীমাৰ বাহিৰৰ লোকসকলক অনিশ্চয়তাত নাৰাখি পট্টা দিয়াৰ ব্যৱস্থা কৰাৰ বাবে আলোচনাত উপস্থিত থকা তদানীন্তন কামৰূপ মহানগৰ জিলাৰ উপায়ুক্ত পল্লৱ গোপাল ঝাক মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিছিল। সীমা নিৰ্ধাৰণৰ পাছত সীমাৰ ভিতৰত যিসকল লোকৰ ঘৰ ভঙা যাব তেওঁলোকক সীমাৰ বাহিৰত থকা খালী ভূমিসমূহত বহুৱাই দিয়াৰ ব্যৱস্থা কৰিবলৈ জি এম ডি এৰ অধ্যক্ষ নাৰায়ণ ডেকাক অনুৰোধ জনায়। তদুপৰি যিসকল লোকৰ ঘৰ ভঙা হৈছে তেওঁলোকক ক্ষতিপূৰণ দিয়াৰ বাবে উন্নয়ন সমিতিসমূহে অনুৰোধ কৰাত মুখ্যমন্ত্ৰীয়ে ক্ষতিপূৰণ দিয়াৰ কথাও ঘোষণা কৰে। পৰৱৰ্তী সময়ত জিএমডিএয়ে জৰীপ কৰাৰ পৰা খনন কৰালৈকে উন্নয়ন সমিতিসমূহে সহায় কৰি অহা বুলি শিলসাঁকো বিলপাৰ কেন্দ্ৰীয় কৰ্ণধাৰ দাসে আক্ষেপেৰে কয়। তেওঁ কয় যে ক্ষতিপূৰণ মুখ্যমন্ত্ৰীগৰাকীয়ে দিয়া প্ৰতিশ্ৰুতি মৰ্মে ইতিমধ্যে প্ৰায় ৮৫০ ঘৰ লোকে পাইছে। আৰ চি চি ঘৰৰ বাবদ দহ লাখ, অসম আৰ্হিৰ ঘৰৰ বাবদ পাঁচ লাখ আৰু চালিঘৰৰ বাবদ এক লাখকৈ প্ৰদান কৰিছে। কিন্তু এতিয়াও শতাধিক লোকে ক্ষতিপূৰণ পাবলৈ বাকী আছে। তদুপৰি আজি পৰ্যন্ত উচ্ছেদিতসকলৰ এঘৰকো সংস্থাপন নিদিলে। সীমাৰ বাহিৰৰ লোকক পট্টা দিয়া দূৰৰ কথা, দাগ কৰ্তন কৰি বাসিন্দাসকলক অনিশ্চয়তাৰ পৰা মুক্ত কৰাৰ চেষ্টাও নকৰিলে। এই বিষয়ে দ্বিতীয়বাৰ মুখ্যমন্ত্ৰীক লগ ধৰি অৱগত কৰা হৈছিল। তেওঁ জি এম ডি এৰ লগত আলোচনা কৰি সমাধান কৰাৰ আশ্বাস দিছিল। ইয়াৰ পাছত তদানীন্তন জি এম ডি এৰ মন্ত্ৰী অশোক সিংহলক কেইবাবাৰো লগ কৰিছিলো। ইপিনে সমিতিয়ে শেহতীয়াকৈ গুৱাহাটী মহানগৰ উন্নয়ন মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাৰ লগতো আলোচনাত মিলিত হয়। কিন্তু জি এম ডি এৰ ফালৰ পৰা অকণমানো আগ্ৰহ দেখুওৱা পৰিলক্ষিত নহ'ল। মন্ত্ৰীয়ে কোৱাৰ পাছতো পাবলগীয়া মানুহখিনিৰ ক্ষতিপূৰণৰ ধনৰাশি মোকলাই দিয়া নাই। জি এম চি আৰু বিদ্যুৎ বিভাগৰ দ্বাৰা নথি পৰীক্ষা কৰোৱাৰ পাছত কিছুমান অবান্তৰ বাহানা দেখুৱাই এইসকল লোকক ক্ষতিপূৰণৰ ধন মোকলাই দিয়া নাই। সভাপতিগৰাকীয়ে জি এম ডি এৰ বৰ্তমানৰ কাৰ্যকলাপত অসন্তুষ্টি প্ৰকাশ কৰি মুখ্যমন্ত্ৰী আৰু গুৱাহাটী মহানগৰ উন্নয়ন মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাক হস্তক্ষেপ কৰাৰ বাবে আহ্বান জনায়।



### প্ৰায় এঘণ্টা ধৰি স্তব্ধ যাতায়াত ব্যৱস্থা

## চানমাৰিত ভয়াৱহ জলবিস্ফোৰণৰ ঘটনা

### জল ব'ৰ্ডৰ পানী পৰিবাহী পাইপৰ ভাল্‌ভ ফাটিল

দৈনিক অসমৰ প্ৰতিনিধি

**গুৱাহাটী, ২০ ছেপ্টেম্বৰ ঃ** মহানগৰীৰ চানমাৰিৰ শাক-পাচলিৰ বজাৰত শনিবাৰে বিয়লি প্ৰায় ৪.১০ বজাত সংঘটিত ভয়াৱহ জলবিস্ফোৰণৰ ফলত সমগ্ৰ অঞ্চলটোত সাগৰসদৃশ পৰিৱেশৰ সৃষ্টি হয়। ফলত প্ৰায় এঘণ্টা সময় ধৰি মণিৰাম দেৱান পথত যাতায়াত ব্যৱস্থা স্তব্ধ হৈ পৰে। ঘটনা সন্দৰ্ভত স্থানীয় ৰাইজৰ পৰা জানিব পৰা মতে গুৱাহাটী জলবোৰ্ডৰ দক্ষিণ মধ্য গুৱাহাটী পানী যোগান প্ৰকল্পৰ অধীনৰ এটা বৃহৎ এয়াৰ ভাল্‌ভ ফাটি যোৱাৰ ফলত এই বিস্ফোৰণৰ ঘটনা সংঘটিত হয় । এয়াৰ ভাল্‌ভটোৰ ব্যাসাৰ্ধ ১,৪০০ মিলিমিটাৰ। উল্লেখ্য যে দীৰ্ঘদিন পূৰ্বে গেমনে স্থাপন কৰিছিল এই এয়াৰ ভাল্‌ভটো। জুবিন গাৰ্গৰ মৃত্যুৰ বাবে দোকান-পোহাৰবোৰ বন্ধ থকা বাবে বিশেষ ক্ষতি বা কোনো লোক হতাহত হোৱা নাই। পাছত ঘটনাস্থলীত বিভাগীয় কৰ্তৃপক্ষ উপস্থিত হৈ পানী বন্ধ কৰাত পৰিস্থিতি নিয়ন্ত্ৰণলৈ আহে।

## মিডিয়া ট্ৰাষ্ট অসমৰ শোক প্ৰকাশ

দৈনিক অসমৰ প্ৰতিনিধি

**গুৱাহাটী, ২০ ছেপ্টেম্বৰ ঃ** অসমীয়াৰ বুকুৰ আপোন জুবিন গাৰ্গৰ অকাল বিয়োগত মিডিয়া ট্ৰাষ্ট অসমে গভীৰ শোক প্ৰকাশ কৰে। ট্ৰাষ্টৰ সভাপতি প্ৰশান্ত জ্যোতি বৰুৱা আৰু কাৰ্যবাহী ন্যাসৰক্ষী ৰমণী বৰ্মনে আজি ট্ৰাষ্টৰ গুৱাহাটী কাৰ্যালয়ৰ পৰা এক শোকবাৰ্তাত কয় যে জুবিন গাৰ্গ একাধাৰে সুকণ্ঠ গায়ক, সুৰকাৰ, গীতিকাৰ, দক্ষ বাদ্যযন্ত্ৰ শিল্পী, বোলছবি পৰিচালক, অভিনেতা, সাংগঠনিক নেতৃত্বত দক্ষ নেতা আদিকে ধৰি কলা-সংস্কৃতিৰ বিভিন্ন ক্ষেত্ৰৰ বিভিন্ন গুণৰ অধিকাৰী। কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা আৰু চে গুৱেভাৰাৰ জীৱনাদৰ্শৰ কথা কোৱা জুবিন গাৰ্গ অসমৰ বিভিন্ন গাঁৱৰ দৰিদ্ৰজনৰ দুখৰ দিনৰ সহায়কাৰী। যুগজয়ী কণ্ঠেৰে, সুৰৰ মূৰ্ছনাৰে অসমৰ ইমূৰৰ পৰা সিমূৰলৈ হেজাৰ হেজাৰ গণসভাত গীত গাই নিজৰ অনন্য প্ৰতিভাৰে অমৰ শিল্পী জুবিন গাৰ্গ আজি গানৰ উৰ্বৰা পথাৰত শুৱনি সাজেৰে বৈ যোৱা এখনি মনোৰম নৈ বুলি বাৰ্তাত প্ৰকাশ কৰে। শিল্পীগৰাকীৰ প্ৰয়াণত মিডিয়া ট্ৰাষ্ট অসমে গভীৰ শোক প্ৰকাশ কৰি তেওঁৰ আত্মাৰ সদ্‌গতিৰ অৰ্থে প্ৰাৰ্থনা জনাইছে।

## জুবিনলৈ শ্ৰদ্ধাঞ্জলি বি বৰুৱা কলেজৰ

### নশ্বৰদেহ কলেজ চৌহদলৈ নিয়াৰ বাবে আবেদন



দৈনিক অসমৰ প্ৰতিনিধি

**গুৱাহাটী, ২০ ছেপ্টেম্বৰ ঃ** বি বৰুৱা কলেজ (স্বায়ত্তশাসিত)ৰ উদ্যোগত জনপ্ৰিয় সংগীতশিল্পী, নৱ-প্ৰজন্মৰ হাৰ্টথ্ৰ'ব তথা বি বৰুৱা কলেজৰ প্ৰাক্তন ছাত্ৰ জুবিন গাৰ্গৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰি এক শ্ৰদ্ধাজ্ঞলি অনুষ্ঠানৰ আয়োজন কৰা হয়। সমগ্ৰ কলেজ চৌহদতে এক শোকাকুল পৰিৱেশে বিৰাজ কৰে। বৃহৎসংখ্যক ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীয়ে মহান শিল্পীজনক স্মৰণ কৰে। বি বৰুৱা কলেজৰ শিক্ষক গোটৰ সম্পাদক ড° সত্যব্ৰত বৰুৱাই আঁত ধৰা অনুষ্ঠানত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সত্যেন্দ্ৰ নাথ বৰ্মনে কয়— 'বি বৰুৱা কলেজৰ প্ৰতি জুবিনৰ হৃদয়ত বিশেষ স্থান আছিল। গুৱাহাটী বিশ্ববিদ্যালয় আয়োজিত যুৱ মহোৎসৱত বি বৰুৱা কলেজক প্ৰতিনিধিত্ব কৰি পাশ্চাত্য সংগীতত স্বৰ্ণপদক লাভ কৰি সংগীতৰ যাত্ৰা আৰম্ভ কৰি জুবিন গাৰ্গে সাংস্কৃতিক ক্ষেত্ৰত একক আৰু অভিন্ন প্ৰতিষ্ঠান হিচাপে কাম কৰি অসমীয়া সংস্কৃতিলৈ আগবঢ়োৱা অমূল্য অৱদানৰ বাবেই বি বৰুৱা কলেজৰ প্ৰাক্তন বিদ্যাৰ্থী সংস্থাই ২০২৪ মাৰ্চত এই মহান শিল্পীগৰাকীক 'সূৰ্যকণ্ঠ' উপাধিৰে বিভূষিত কৰিছিল। সেই কাৰণেই প্ৰাক্তন ছাত্ৰ হিচাপে জুবিনৰ নশ্বৰ দেহ কলেজৰ চৌহদলৈ অনাৰ বাবে আবেদন জনাইছো।' ১৯৯১-৯২ চনত কলেজখনৰ বিজ্ঞান শাখাত অধ্যয়ন কৰা সময়ছোৱাত জুবিনে কলেজখনৰ হোষ্টেলত আছিল। শুকুৰবাৰে প্ৰিয় শিল্পীজনাৰ মৃত্যুৰ পাছৰে পৰা কলেজৰ চৌহদত কেৱল অহৰহ জুবিনে কণ্ঠদান কৰা গানেই বাজি আছে।

### শিল্পীসকল সদায় ৰাইজৰ প্ৰাণত থাকিব ঃ মনীষা হাজৰিকা

## ওপজা দিনত চানমাৰিত জয়ন্ত হাজৰিকাক স্মৰণ

দৈনিক অসমৰ প্ৰতিনিধি

**গুৱাহাটী, ২০ ছেপ্টেম্বৰ ঃ** সুৰবাহিনী, ব্যতিক্ৰম আৰু স্বৰাঞ্জলি পত্ৰংগীৰ উদ্যোগত মহানগৰীৰ চানমাৰিস্থিত জয়ন্ত হাজৰিকা উদ্যানত আজি যশস্বী সংগীতশিল্পী প্ৰয়াত জয়ন্ত হাজৰিকাৰ ৮২ সংখ্যক ওপজা দিনটো অনুষ্টুপীয়াকৈ পালন কৰা হয়। জয়ন্ত হাজৰিকাৰ প্ৰতিমূৰ্তিৰ লগতে প্ৰিয় শিল্পী প্ৰয়াত জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত সকলোৱে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। অনুষ্ঠানৰ আৰম্ভণিতে জয়ন্ত হাজৰিকাৰ পত্নী তথা বিশিষ্ট কণ্ঠশিল্পী মনীষা হাজৰিকাই বন্তি প্ৰজ্বলন কৰি পুষ্পাঞ্জলি প্ৰদান কৰি দুয়োগৰাকী শিল্পীক শ্ৰদ্ধাঞ্জলি প্ৰদান কৰে। অনুষ্ঠানত বিশিষ্ট কণ্ঠশিল্পী জে পি দাস, ব্যতিক্ৰমৰ সভাপতি ডঃ সৌমেন ভাৰতীয়াকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে শিল্পী দুগৰাকীলৈ শ্ৰদ্ধা জ্ঞাপন কৰে। অনুষ্ঠানত ভাগ লৈ মনীষা হাজৰিকাই কয় যে অসমৰ কাৰণে আজি এটা দুখৰ দিন। এনেদৰে দুৰ্গোৎসৱৰ আগে আগে জয়ন্ত হাজৰিকাও আমাৰ মাজৰ পৰা গুচি গৈছিল । আজি মোৰ এনে ভাব হৈছে যে এয়া যেন অসমৰে দুৰ্ভাগ্য। ইমান প্ৰতিভা থকা ব্যক্তিসকলক ভগৱানে কিয় ইমান সোনকালে লৈ যায় । তথাপি এইসকল বিশিষ্ট শিল্পী সদায় ৰাইজৰ প্ৰাণত থাকিব। ইপিনে জয়ন্ত হাজৰিকাৰ জন্মদিন উপলক্ষে ব্যতিক্ৰমৰ উদ্যোগত মাছখোৱা আই টি এ চেণ্টাৰত আজি অনুষ্ঠিত হ'ব লগা শ্ৰদ্ধাঞ্জলি আৰু বঁটা প্ৰদান অনুষ্ঠান প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ বাবে সাময়িকভাৱে স্থগিত ৰখা হৈছে বুলি অনুষ্ঠানত জনায় ব্যতিক্ৰমৰ সভাপতি ডঃ সৌমেন ভাৰতীয়াই।






# তৈলনগৰী ডিগবৈত শ্ৰদ্ধাঞ্জলি-শোক

দৈনিক অসমৰ প্ৰতিনিধি

**ডিগবৈ, ২০ ছেপ্টেম্বৰ ঃ** হাৰ্টথ্ৰ'ৰ জুবিন গাৰ্গৰ মৃত্যুৰ খবৰে সমগ্ৰ ডিগবৈত গভীৰ শোকৰ ছাঁ পেলাইছে। ১৯ ছেপ্টেম্বৰৰ সন্ধিয়া ৬ বজাত ডিগবৈ মুলিয়াবাৰীস্থিত সুধাকণ্ঠ ডঃ ভূপেন হাজৰিকা প্ৰতিমূৰ্তিস্থলীত ভূপেন হাজৰিকা ফেন ক্লাব, ডিগবৈ উন্নয়ন সমিতি, ডিগবৈ সাহিত্য সেৱা সমিতি তথা স্থানীয় দল- সংগঠন তথা বিশিষ্ট ব্যক্তি তথা ডিগবৈবাসীৰ সহযোগত জুবিন গাৰ্গৰ প্ৰতি সন্মান জনাই ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠান আয়োজন কৰা হয়। বিশিষ্ট সাহিত্যিক পুণ্য শইকীয়াই বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি তৰ্পণেৰে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ লগে লগেই সমাজকৰ্মী জিতেন দত্ত, সাহিত্যিক নিৰুপমা গোস্বামী, ডিগবৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° পবিত্ৰ ভৰালী, ভাৰতীয় তেল নিগম অসম তেল সংমণ্ডলৰ হে মহাপ্ৰবন্ধক অমৰ বৰগোহাঁই, জ্যেষ্ঠ প্ৰাবন্ধক লিপিকা বৰুৱা, বিশিষ্ট কবি-সাহিত্যিক দীপেন কুমাৰ বড়া, সমাজকৰ্মী পূৰ্ণ বড়া, যুৱ ব্যৱসায়ী নিতুল নাথ, ত্ৰিলোক গুপ্তাকে আদি কৰি স্থানীয় দল-সংগঠনৰ বিষয়ববীয়া, জুবিন অনুৰাগীসকলে শ্ৰদ্ধাঞ্জলি জনাই আৱেগিক হৈ পৰে। খ্যাতনামা যশস্বী শিল্পীগৰাকীৰ প্ৰতিচ্ছবি সম্বলিত বেনাৰৰ কাষত উপস্থিত হৈ সকলোৰে চকলো বাগৰি অহা দৃশ্যই শোকস্তব্ধ কৰি তোলে। ভূপেন হাজৰিকা ফেন ক্লাবৰ সম্পাদক পল্লৱ শৰ্মাই সূচনা কৰা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত মহান শিল্পীগৰাকীৰ আত্মাৰ চিৰশান্তি কামনাৰে এক মিনিট সময় মৌন প্ৰাৰ্থনা কৰা হয়। ইপিনে, ডিগবৈ নাজিৰাটিং পৰ্যটনস্থলীত একক প্ৰচেষ্টাত জীৱিত কালত জুবিন গাৰ্গৰ প্ৰতিমূৰ্তি নিৰ্মাণ কৰা বিধায়ক সুৰেন ফুকনে গভীৰ শোক প্ৰকাশ কৰে। ইপিনে, ডিগবৈ শ্বহীদ বেদী প্ৰাংগণ, চাৰিআলি ট্ৰেফিক পইণ্টৰ সমীপতো জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়।

# জুবিনৰ বিয়োগ ঃ ম্ৰিয়মাণ জনতা

## ধেমাজিৰ বিভিন্ন স্থানত শোকসভা

## বৰদলনিত এহেজাৰ মমবাতিৰে শ্ৰদ্ধাৰ্ঘ্য

দৈনিক অসমৰ প্ৰতিনিধি

**ধেমাজি, ২০ ছেপ্টেম্বৰ ঃ** জনতাৰ শিল্পী জুবিন গাৰ্গৰ অকাল বিয়োগত ১৯ ছেপ্টেম্বৰত ধেমাজি জিলাৰ প্ৰান্তে প্ৰান্তে শোকসভা আৰু শ্ৰদ্ধাঞ্জলি সভাৰ আয়োজন কৰে। ধেমাজি থানা তিনিআলিৰ শ্বহীদ ন্যাসত ধেমাজি জিলা ছাত্ৰ সন্থাই, ধেমাজিৰ কাছাৰী ময়দানত যুৱ সমাজে, জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সন্মুখত ধেমাজি জিলা টাই আহোম ছাত্ৰ সন্থাই, ধেমাজিৰ তিনিআলিত অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ ধেমাজি জিলা সমিতিয়ে, নলনীপামত নলনীপাম পুথিভঁৰাল আৰু যুৱ সমাজৰ উদ্যোগত, বৰদলনি তিনিআলিত অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ আঞ্চলিক সমিতিয়ে জুবিন গাৰ্গলৈ গভীৰ শ্ৰদ্ধাঞ্জলি জনোৱাৰ লগতে শোকসভা অনুষ্ঠিত কৰে। আনহাতে সন্ধিয়া ধেমাজি জিলাৰ বৰদলনি চাৰিআলিত বৰদলনি আঞ্চলিক ছাত্ৰ সন্থাই এহেজাৰ মমবাতিৰে জুবিন গাৰ্গলৈ ৰাজহুৱা শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। অনুষ্ঠানৰ আঁত ধৰে বৰদলনি আঞ্চলিক ছাত্ৰ সন্থাৰ সোণমইনা শইকীয়াই। সভাত বৰদলনি কেন্দ্ৰীয় মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ শিৰোমণি বৰুৱা, শিক্ষক দুলাল দাস, নৰেন্দ্ৰ কুমাৰ পাৰ, বিৰাজ বৰঠাকুৰ, জিতেন দত্ত, নিপেন দত্ত, দীপাংকৰ শৰ্মা, কৃষ্ণ দত্ত, ললিত শইকীয়া, জীৱন দত্ত, বিপিন গগৈ, ৰূপজ্যোতি বৰুৱা, বিপুল বৰুৱা, প্ৰেমানন্দ তালুকদাৰ, যুগল বৰা, বিজু দাস, কুশলকৃষ্ণ ফুকনৰ লগতে বৰদলনিৰ বিভিন্ন দল-সংগঠনৰ নেতা-কৰ্মী উপস্থিত থাকে। সন্ধিয়া সহস্ৰাধিক লোকে হাতে হাতে মমবাতি জ্বলাই প্ৰয়াত প্ৰিয় শিল্পীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জনায়। শংকৰজ্যোতি বৰগোহাঁয়ে জুবিনৰ গীতেৰে শেষ শ্ৰদ্ধাঞ্জলি জনায়। অসম জাতীয় পৰিষদৰ উদ্যোগত বৰদলনি চাৰিআলিত জুবিন গাৰ্গৰ অকাল বিয়োগত এখন শ্ৰদ্ধাঞ্জলি সভা অনুষ্ঠিত কৰে। সভাৰ আঁত ধৰে বিৰাজ বৰঠাকুৰে। সভাত অসম জাতীয় পৰিষদৰ ধেমাজি জিলা সমিতিৰ সভাপতি নৰেন্দ্ৰ কুমাৰ পাৰে অংশগ্ৰহণ কৰি জুবিন গাৰ্গৰ জীৱন আৰু কৃতিৰ বিষয়ে উল্লেখ কৰে।




## মৰাণত হাজাৰ হাজাৰ ব্যক্তিৰ শ্ৰদ্ধাঞ্জলি

দৈনিক অসমৰ প্ৰতিনিধি

**মৰাণ, ২০ ছেপ্টেম্বৰ ঃ** মৰাণ নগৰৰ মাজমজিয়াত মৰাণ শিল্পী সমাজ, মৰাণ আঞ্চলিক ছাত্ৰ সন্থা, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ মৰাণ আঞ্চলিক সমিতি, কৃষক মুক্তি সংগ্ৰাম সমিতি, ছাত্ৰ মুক্তি সংগ্ৰাম সমিতি, অসমীয়া যুৱ মঞ্চ মৰাণ আঞ্চলিক সমিতি, বিজেপি মৰাণ মণ্ডল, ঐক্যবদ্ধ সংগ্ৰাম সমিতিৰ উদ্যোগত ১৯ ছেপ্টেম্বৰত শিল্পী জুবিন গাৰ্গলৈ পৃথকে পৃথকে শ্ৰদ্ধাঞ্জলি জনোৱা হয় । মন্ত্ৰী যোগেন মহনে আঁত ধৰা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত শ্ৰদ্ধাঞ্জলি জনাবলৈ ওলাই আহে কণ্ঠশিল্পী ক্ৰমে বিপিন চাউদাং, নীল আকাশ, কুসুম কৈলাস, মাধৱ ৰঞ্জন, সুৰেন্দ্ৰ লোহাৰ, মৃত্যুঞ্জয় কৰ্মকাৰ আৰু মাহমৰা সম জিলা আয়ুক্ত আইচেংফা বৰুৱা, আছু কেন্দ্ৰীয় সহকাৰী সম্পাদক অনুপজ্যোতি ভূএগ্ৰা, টাইপা কাৰ্যকৰী সভাপতি ৰুদ্ৰসাগৰ বুঢ়াগোহাঁই, সদৌ টাই আহোম ছাত্ৰ সন্থাৰ কাৰ্যকৰী সভাপতি দেৱজিৎ গগৈ, সদৌ সোণোৱাল কছাৰী ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক বুধিন সোণোৱাল, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ চৰাইদেউ জিলাৰ উপদেষ্টা ৰামচন্দ্ৰ দত্ত, অসমীয়া যুৱ মঞ্চ ডিব্ৰুগড় জিলা সমিতিৰ সম্পাদক বিপুল গগৈ ইত্যাদি বহুকেইগৰাকী গণ্য-মান্য ব্যক্তিৰ লগতে হাজাৰ হাজাৰ ব্যক্তি।

# জুবিন গাৰ্গক শ্ৰদ্ধাঞ্জলি জ্ঞাপনেৰে মটক জনগোষ্ঠীৰ হাজাৰ হাজাৰ লোকৰ জোঁৰ সমদল

দৈনিক অসমৰ প্ৰতিনিধি

**তিনিচুকীয়া, ২০ ছেপ্টেম্বৰ ঃ** ১৯ ছেপ্টেম্বৰৰ সন্ধিয়া তিনিচুকীয়াৰ বৰগুৰিস্থিত আই টি আই খেলপথাৰত অসমীয়াৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ, বন্তি প্ৰজ্বলনেৰে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি তিনিচুকীয়া চহৰত মটক জনগোষ্ঠীয়ে প্ৰাপ্য বিচাৰি এক বিশাল জোঁৰ সমদল উলিয়ায়। বহু পূৰ্বৰে পৰা প্ৰস্তুতি চলোৱা সদৌ অসম মটক সন্মিলন, সদৌ অসম যুৱ-ছাত্ৰ সন্মিলন, সদৌ অসম মটক ছাত্ৰ সন্থা, সদৌ অসম মটক যুৱ-ছাত্ৰ পৰিষদকে আদি কৰি মটক জনগোষ্ঠীৰ সকলো সংগঠনে একত্ৰিত হৈ মটক জনগোষ্ঠীক জনজাতিকৰণ প্ৰদান কৰা, ষষ্ঠ অনুসূচীভুক্ত স্বায়ত্ত শাসন প্ৰদান কৰা আৰু ঐতিহাসিক কৃতিচিহ্ন সংৰক্ষণ আৰু সৌন্দযবৰ্ধনৰ দাবীৰে বৰগুৰিৰ পৰা থানা চাৰিআলিলৈকে হাজাৰ হাজাৰ মটক জনগোষ্ঠীৰ লোকে এক বিশাল জোঁৰ সমদল উলিয়ায়। ইতিমধ্যে তিনিচুকীয়া জিলা সমিতিৰ উদ্যোগত ৭২ ঘণ্টীয়া অৱস্থান ধৰ্মঘটৰ জৰিয়তে প্ৰতিবাদ সাব্যস্ত কৰে আৰু তাৰ পাছতে ১৯ ছেপ্টেম্বৰত মটক জনগোষ্ঠীৰ হাজাৰ হাজাৰ জনগণ একত্ৰিত হৈ জনজাতিকৰণৰ দাবীৰে বিভিন্ন শ্লোগান দিয়ে। পৰৱৰ্তী সময়ত চহৰখনৰ থানা চাৰিআলিত এখন প্ৰতিবাদী সভা আয়োজন কৰি সদৌ অসম মটক যুৱ-ছাত্ৰ সন্মিলনৰ সভাপতি ৰঞ্জিত গোহাঁই আৰু সাধাৰণ সম্পাদক স্বৰূপ গোহায়ে কয় যে ইতিমধ্যে মটক জনগোষ্ঠীৰ লোকসকল একত্ৰিত হৈছে আৰু গাঁৱে-ভূঞে জোঁৰ সমদলৰ বাবে হাজাৰ হাজাৰ লোক ওলাই অহাৰ কথা সদৰি কৰে।




# মায়াৱিনী ৰাতিৰ বুকুত গীতেৰে আমগুৰিত শ্ৰদ্ধাঞ্জলি

দৈনিক অসমৰ প্ৰতিনিধি

**আমগুৰি, ২০ ছেপ্টেম্বৰ ঃ** আমগুৰি নগৰৰ মাজমজিয়াত ১৯ ছেপ্টেম্বৰৰ সন্ধিয়া সদ্য প্ৰয়াত শিল্পী, যুৱ প্ৰজন্মৰ হাৰ্টথ্ৰ'ব জুবিন গাৰ্গৰ প্ৰতি অন্তিম শ্ৰদ্ধাঞ্জলি নিবেদন কৰে। টাই আহোম ছাত্ৰ সন্থা, টাই আহোম যুৱ পৰিষদ, জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ, আহোম সেনা, বীৰ লাচিত সেনা, কৃষক মুক্তি, ছাত্ৰ মুক্তি, আমগুৰি প্ৰেছ ক্লাব, লেখিকা সমাৰোহ সমিতি, আমগুৰি প্ৰিণ্ট মিডিয়া, শিৱসাগৰ জিলা গ্ৰাম্য সংঘ আদি সমূহ সংগঠনৰ উদ্যোগত আমগুৰি বাসীয়ে নগৰৰ অনুষ্ঠান-প্ৰতিষ্ঠান বন্ধ কৰি চাৰিআলিলৈ ওলাই আহি স্বতঃস্ফূৰ্তভাৱে শ্ৰদ্ধাৰ্ঘ নিবেদন কৰে। অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰে আমগুৰি থানাৰ ভাৰপ্ৰাপ্ত বিষয়া মৃদুল হাজৰিকাই আৰু সহযোগ কৰে আউনীআটীয় হেমচন্দ্ৰদেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ ইন্দ্ৰ কমল ফুকনে। অনুষ্ঠানত আমগুৰি পৌৰসভা, পূবেৰুণ, অসম গণ পৰিষদ, আমগুৰি ব্যৱসায়ী সন্থা, চালক সন্থা, কাণ্টি উইমেনছ, লেখিকা সমাৰোহ, সাহিত্য সভা আমগুৰি মাৰোৱাৰী সমাজ, বেঙ্গলী সমাজ, শঙ্কৰদেৱ কলা-কৃষ্টি প্ৰশিক্ষণ কেন্দ্ৰ, প্ৰেছ ক্লাব, প্ৰিণ্ট মিডিয়া, জ্যেষ্ঠ নাগৰিক সমাজ, আমগুৰি মিনি ট্ৰিপাৰ সন্থা, পোহৰ ইত্যাদি অলেখ অনুষ্ঠান-প্ৰতিষ্ঠানে প্ৰিয় শিল্পীক শ্ৰদ্ধা নিবেদন কৰে।

## চিলাপথাৰত ১৫টাকৈ জাতীয় দল-সংগঠনৰ শ্ৰদ্ধাঞ্জলি

দৈনিক অসমৰ প্ৰতিনিধি

**চিমেন চাপৰি, ২০ ছেপ্টেম্বৰ ঃ** চিলাপথাৰত ১৫টাকৈ জাতীয় দল-সংগঠনে প্ৰিয় শিল্পী জুবিন গাৰ্গলৈ শেষ শ্ৰদ্ধাঞ্জলি জনায়। সমান্তৰালকৈ চিলাপথাৰত চিলাপথাৰ প্ৰেছ ক্লাব, টাই আহোম ছাত্ৰ সন্থা, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ, বীৰ লাচিত সেনা, চুতীয়া ছাত্ৰ সন্থা, সোণোৱাল ছাত্ৰ সন্থা,অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ ভগ্নী সংগঠন, চিলাপথাৰ পৰিবহণ সন্থা, চিলাপথাৰ চেম্বাৰ্ছ অৱ কমাৰ্চৰ, টি এম পি কে, এম এম কে, টি এম এম কে, গোৰ্খা ছাত্ৰ সন্থাৰ লগতে ভিন্ন জাতীয় দল-সংগঠনৰ উদ্যোগত শ্ৰদ্ধাঞ্জলি জনাই মৌন সমদল উলিওৱা হয়। জনপ্ৰিয় গায়ক জুবিন গাৰ্গৰ আত্মাৰ চিৰশান্তি কামনা কৰি হাতে হাতে মম জ্বলাই আৱেগিক হৈ পৰে চিলাপথাৰ বাণিজ্যিক নগৰ।

# মাজুলীত জুবিনে সময় কটোৱা নিৰিবিলি হ'মষ্টেত নিস্তব্ধতা

দৈনিক অসমৰ প্ৰতিনিধি

**জেংৰাইমুখ, ২০ ছেপ্টেম্বৰ ঃ** ৰাজ্যবাসীৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ মৃত্যুৰ খবৰ বিয়পি পৰাৰ পিছতে শিল্পীগৰাকীয়ে বিভিন্ন অনুষ্ঠানৰ বাবে মাজুলীলৈ আহি সততে থাকি ভালপোৱা নিৰিবিলি হ'মষ্টেৰ স্বত্বাধিকাৰী, কৰ্মচাৰী সকলো শোকত ভাগি পৰিছে। শিল্পীগৰাকীৰ মৃত্যুৰ খবৰ পোৱাৰ পিছতেই বিশিষ্ট উদ্যোগী ইন্দুকল্প ভৰালীৰ মাজুলীৰ কমলাবাৰী চিভিল তিনিআলিস্থিত নিৰিবিলি হ'মষ্টেত এই প্ৰতিবেদক উপস্থিত হৈ শিল্পীগৰাকীয়ে সততে থাকি ভালপোৱা অতিথি আৱাসটোৰ সৈতে শিল্পীগৰাকীৰ স্মৃতি বুটলিবলৈ যত্ন কৰা হয়। শেহতীয়াকৈ শিল্পীগৰাকীয়ে মাজুলীত অনুষ্ঠান কৰিবলৈ আহি হ'মষ্টেটোত পুৱা মানিমুনিৰ লগত মাগুৰ মাছ আঞ্জা খাব বুলি কোৱাত সেইদৰেই শিল্পীগৰাকীক আপ্যায়ন কৰা বুলি জানিবলৈ দিয়ে। ইফালে কৰ্মচাৰীসকলে শিল্পীগৰাকী যেতিয়াই মাজুলীলৈ আহে তেতিয়াই বন্ধুত্বসুলভ আচৰণ কৰা বুলি জানিবলৈ দিয়ে। শিল্পীগৰাকীয়ে ইয়াৰ উপৰি মাজুলীৰ ডেকাচাং ৰিজ'ৰ্ট, এনচাণ্টিং মাজুলীতো পূৰ্বে কটাইছিল যদিও নিৰিবিলি হ'মষ্টেট থাকি ভালপোৱা বুলি জানিবলৈ দিয়ে। শেহতীয়াকৈ নিৰিবিলি হ'মষ্টেত থাকি পুনৰ মাজুলীলৈ আহিলে অতিথি আৱাসটোলৈ অহাৰ প্ৰতিশ্ৰুতি দিছিল যদিও আজি অনাকাংক্ষিত বাতৰিত এতিয়া নিৰিবিলি কৰ্তৃপক্ষ শোকত ভাগি পৰিছে। ইফালে নিৰিবিলি হ'মষ্টেত জুবিন গাৰ্গে নিজেই জুবিন গাৰ্গ নামৰ এটা আটকধুনীয়া কোঠা উদ্বোধন কৰি গৈছিল আৰু কোঠাটোত নিশাও কটাইছিল। ইফালে নিৰিবিলি কতৃপক্ষই জুবিন গাৰ্গৰ কোঠাটোত এগছি বন্তি জ্বলাই শিল্পীগৰাকীক শ্ৰদ্ধাঞ্জলি জনায়। কোঠাটো সুন্দৰকৈ সজাই জুবিন গাৰ্গে বিশ্ৰাম লোৱা বিছনাখনো সজাই ৰাখি নিৰিবিলি কৰ্তৃপক্ষই শিল্পীগৰাকীক শ্ৰদ্ধা জনোৱা পৰিলক্ষিত হ'ল। ইফালে জুবিন গাৰ্গে মাজুলীত প্ৰায় ২০০৩ চনৰ পৰাই অনুষ্ঠান পৰিৱেশন কৰিছিল যদিও শেহতীয়াকৈ মাজুলীৰ পূব মাজুলী কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনী, পূবেৰুণ কলা পৰিষদ গড়মূৰৰ কেন্দ্ৰীয় ৰঙালী বিহু আৰু একাধিকবাৰ নতুন বজাৰ সন্মিলিত সাংস্কৃতিক মঞ্চৰ ৰঙালী বিহুৰ সাংস্কৃতিক সন্ধিয়াত শিল্পীগৰাকীয়ে অনুষ্ঠান পৰিৱেশন কৰিছিল। উক্ত বিহু সন্মিলনীসমূহ, সৃষ্টি-এক সমন্বয়ৰ যাত্ৰা, মাজুলী, অনুসূচীত জাতি ছাত্ৰ সন্থা, ভকতিদুৱাৰ আৰুণোদয় যুৱক সংঘ, ৰাঙলীবাহাৰ যুৱক সংঘ, ভকতিদুৱাৰ আঞ্চলিক ছাত্ৰ সন্থাই ভকতিদুৱাৰ তিনিআলিত বন্তি প্ৰজ্বলন কৰি শিল্পীগৰাকীৰ আকস্মিক প্ৰয়াণত গভীৰ শোক প্ৰকাশ কৰি শিল্পীগৰাকীৰ আত্মাৰ সদগতিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনায়।

## শিমলুগুৰিত ছাত্ৰ সন্থাৰ শ্ৰদ্ধাঞ্জলি

দৈনিক অসমৰ প্ৰতিনিধি

**শিমলুগুৰি, ২০ ছেপ্টেম্বৰ ঃ** শিমলুগুৰি আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত ১৯ ছেপ্টেম্বৰৰ মৃত্যু দিনাই অনুষ্ঠিত হয় এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠান। এই অনুষ্ঠানত শিমলুগুৰি আঞ্চলিক ছাত্ৰ সন্থাৰ প্ৰতিগৰাকী বিষয়ববীয়াই অংশ লোৱাৰ সমান্তৰালভাৱে জুবিন গাৰ্গৰ অনুৰাগী সমাজ সচেতন ব্যক্তিয়েও অংশগ্ৰহণ কৰে।

# কঁহৰা চাৰিআলিত সমৱেত শ শ লোক

দৈনিক অসমৰ প্ৰতিনিধি

**কাজিৰঙা, ২০ ছেপ্টেম্বৰ ঃ** কাজিৰঙাত জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জনাই সমৱেত হ'ল শ শ লোক। ১৯ ছেপ্টেম্বৰৰ বিয়লি অসমৰ হাৰ্টথ্ৰ'ব জুবিন গাৰ্গৰ আকস্মিক মৃত্যুৰ বাতৰি বিয়পি পৰাৰ পাছতে কাজিৰঙাত সামাজিক মাধ্যমযোগে বিভিন্নজনৰ আহ্বানত স্বতঃস্ফূৰ্তভাৱে শ শ লোক ওলাই আহি সন্ধিয়া ৬ বজাত কাজিৰঙাৰ কঁহৰা চাৰিআলিত সমৱেত হয়। গুণমুগ্ধসকলে দিৰিং চাৰিআলিৰ পৰা ৰাষ্ট্ৰীয় ঘাইপথ হৈ ৪ কিঃমিঃ পথ বাইক-গাড়ীৰে সমদল কৰি আহি কঁহৰা চাৰিআলিত উপস্থিত হয়। কঁহৰা চাৰিআলিতে শোকস্তব্ধ গুণমুগ্ধই শিল্পীগৰাকীৰ প্ৰতিচ্ছবিৰ সন্মুখত সমূহীয়াকৈ বন্তি প্ৰজ্বলন কৰে। উপস্থিত ৰাইজে শিল্পীগৰাকীৰ আত্মাৰ চিৰশান্তি কামনা কৰি এক মিনিট মৌন প্ৰাৰ্থনা কৰে। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত কাজিৰঙা জীপ ছাফাৰী সন্থা, কাজিৰঙা পৰ্যটন ব্যৱসায় কল্যাণ সমিতি, কাজিৰঙা আঞ্চলিক সাংবাদিক সন্থা, বৃহত্তৰ কাজিৰঙা সংবাদ মঞ্চ, কাজিৰঙা-হুকুমা বিল সংৰক্ষণ আৰু উন্নয়ন সমিতি, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ, টাই আহোম ছাত্ৰ সন্থা, ভিজুৱেল আৰ্ট একাডেমী, তৰংগ সংগীত বিদ্যালয়, কাজিৰঙা যুৱ মঞ্চ, কঁহৰা বজাৰ সমিতি, কঁহৰা মহিলা সমিতি, অসম চাহ জনগোষ্ঠী সাহিত্য সভাৰ কাজিৰঙা শাখা, কাজিৰঙা শাখা কবি সন্মিলন, কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান সাহিত্য সভা আদিৰ বিষয়ববীয়া প্ৰতিনিধিৰ লগতে কাজিৰঙাৰ শিল্পী-সাহিত্যিক, কবি-লেখক-বুদ্ধিজীৱী, পুৰুষ-মহিলা, শিশু-কিশোৰ সমন্বিতে দুই শতাধিক স্থানীয় লোক সমৱেত হয়। শোকাকুল পৰিৱেশৰ মাজতে গুণমুগ্ধসকলে শিল্পীগৰাকীক সুঁৱৰি বক্তব্য আগবঢ়োৱাৰ লগতে তেওঁৰ গীতৰ কলিৰে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। সমৱেত গুণমুগ্ধই 'মই ভাগৰা নাই জীৱন হেৰুৱা নাই' কলিটি সমস্বৰে আওৱাই পৰিৱেশটি আৱেগিক কৰি তোলে।

## শোকাহত ফিল'বাৰী, ডুমডুমাবাসী

দৈনিক অসমৰ প্ৰতিনিধি

**ফিল'বাৰী, ২০ ছেপ্টেম্বৰ ঃ** তিনিচুকীয়া জিলাৰ ফিল'বাৰী আৰু ডুমডুমা অঞ্চলত মৰমৰ শিল্পীজনৰ অকাল বিয়োগত শোকাহত অনুৰাগীয়ে কালি জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। অঞ্চলটোৰ মুখ্য বাণিজ্যিক কেন্দ্ৰ ফিল'বাৰী তিনিআলিত ফিল'বাৰী আঞ্চলিক ছাত্ৰ সন্থা, মৰাণ ছাত্ৰ সন্থা, আদিবাসী ছাত্ৰ সন্থা, চাহ জনজাতি ছাত্ৰ সন্থা আদি স্থানীয় জাতীয় জনগোষ্ঠীয় সংগঠনৰ সহযোগত শতাধিক ৰাইজে ছিংগাপুৰত অকাল মৃত্যুক সাৱটি লোৱা শিল্পী জুবিন গাৰ্গৰ প্ৰতি শোক প্ৰকাশ কৰি তেওঁৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰি সমূহীয়া শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। আনহাতে, গাভৰুভেটি কলা-কৃষ্টি বিকাশ কেন্দ্ৰ, ৰূপজান গাঁও যুৱক সংঘ, বৰডুবি চাহ বাগিচা কৰ্মচাৰী সমাজ আদিয়েও সুকীয়া সুকীয়াকৈ শিল্পীগৰাকীক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। উল্লেখযোগ্য যে শিল্পীগৰাকীৰ মৃত্যুৰ বাৰ্তা পোৱাৰ লগে লগেই বৃহত্তৰ ফিল'বাৰী অঞ্চলৰ বিভিন্ন স্থানত থকা দোকান-পোহাৰসমূহ স্বতঃস্ফূৰ্তভাৱে বন্ধ হোৱাৰ উপৰি ৰাইজে তেওঁৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি প্ৰদৰ্শন কৰা পৰিলক্ষিত হয়। ডুমডুমা নগৰৰ মহাত্মা গান্ধীৰ প্ৰতিমূৰ্তিৰ কাষত নগৰৰ সমূহ ৰাইজ একত্ৰিত হৈ অসমীয়াৰ হিয়াৰ আমঠু শিল্পীগৰাকীৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি নিবেদন কৰে। শিল্পীগৰাকীৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰি নগৰৰ দোকান-পোহাৰ সন্ধিয়া বন্ধ কৰি ৰাখে।

# বোকাখাতত শোক, বন্তিপ্ৰজ্বলন

দৈনিক অসমৰ প্ৰতিনিধি

**বোকাখাত, ২০ ছেপ্টেম্বৰ ঃ** জনপ্ৰিয় কণ্ঠশিল্পী অসমীয়া সমাজৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ মৃত্যুত সমগ্ৰ ৰাজ্যৰ লগতে বোকাখাততো শোকৰ ছাঁ পৰে। জুবিন গাৰ্গৰ মৃত্যুৰ পাছতে শ্ৰদ্ধাঞ্জলি জনাবৰ বাবে ১৯ ছেপ্টেম্বৰৰ ৬ বজাত বোকাখাত নগৰৰ সকলোবোৰ ব্যৱসায়িক প্ৰতিষ্ঠান আৰু বিপনি বন্ধ কৰি বোকাখাতৰ নাট্যমন্দিৰ প্ৰাংগণত সমবেত হৈ মৌন প্ৰাৰ্থনাৰ লগতে বন্তি প্ৰজ্বলন কৰি শিল্পীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। বোকাখাতৰ নাট্যমন্দিৰ পৰিচালনা সমিতিৰ উদ্যোগতে আয়োজিত শিল্পীগৰাকীৰ এই শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত বোকাখাত প্ৰেছক্লাব, বোকাখাত মহকুমা সাংবাদিক সন্থা, ছাত্ৰ সন্থা, জাতিয়তাবাদী যুৱ ছাত্ৰ পৰিষদ, ব্যৱসায়ী সন্থা, মইনা পাৰিজাতকে ধৰি শতাধিক দল-সংগঠনে জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰাৰ লগতে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। অনুষ্ঠানতে সকলোয়ে এক মিনিট সময়ৰ বাবে মৌন প্ৰাৰ্থনা কৰি জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জনায়।

# নাজিৰাৰ প্ৰান্তে প্ৰান্তে শ্ৰদ্ধাঞ্জলি



দৈনিক অসমৰ প্ৰতিনিধি

**নাজিৰা, ২০ ছেপ্টেম্বৰ ঃ** সমগ্ৰ ৰাজ্যৰ লগতে নাজিৰাতো যুৱপ্ৰজন্মৰ হাৰ্টথ'ব শিল্পী জুবিন গাৰ্গৰ মৃত্যুত গভীৰ শোকৰ ছাঁ পৰে। সন্ধিয়া ৬ বজাৰ লগে লগে নাজিৰা নগৰৰ সকলো ব্যৱসায়িক প্ৰতিষ্ঠান বন্ধ হৈ পৰে। সন্ধিয়া নাজিৰা নগৰৰ কেন্দ্ৰস্থল নাজিৰা নাট্য মন্দিৰ, এছ বি আই, মিলন মন্দিৰ, নাজিৰা বোলছবি গৃহৰ প্ৰাংগণ, নাজিৰা চাৰিআলি আদি স্থানত শিল্পীগৰাকীৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰি ৰাজহুৱা শ্ৰদ্ধাঞ্জলি জনোৱা হয়। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত নাজিৰাৰ শিল্পী সমাজ, জুবিন ফেন ক্লাব, আছু, আটাছু, অসমীয়া যুৱ মঞ্চ, নাজিৰা প্ৰেছ ক্লাব, নাজিৰা সাংবাদিক মঞ্চ, নাজিৰা চাৰিআলি যুৱ সমাজ, ব্যৱসায়ী সন্থাকে আদি কৰি বিভিন্ন দল-সংগঠনে অংশগ্ৰহণ কৰে।

# যোৰহাটত বিধায়কসহ অনুষ্ঠান-প্ৰতিষ্ঠানৰ শোক

দৈনিক অসমৰ প্ৰতিনিধি

**যোৰহাট, ২০ ছেপ্টেম্বৰ ঃ** অসম আৰু অসমীয়াৰ সম্পদ জুবিন গাৰ্গৰ মৃত্যুত যোৰহাটৰ বিধায়ক হিতেন্দ্ৰনাথ গোস্বামীয়ে গভীৰ শোক প্ৰকাশ কৰিছে। 'দৈনিক অসম'লৈ প্ৰেৰণ কৰা এটা শোক বাৰ্তাত তেওঁ কয়— শিল্পী জুবিন গাৰ্গৰ মৃত্যুত আমি অতি ব্যথিত। কেৱল অসমেই নহয়, ভাৰত তথা বিশ্বৰ সংগীতপ্ৰেমীৰ মাজত জুবিনৰ কণ্ঠ তথা সংগীতৰ এক যাদুকৰী আকৰ্ষণ আছিল। যোৰহাটৰ পৰাই আৰম্ভ হোৱা জুবিনৰ সংগীতময় যাত্ৰাই পাৰ কৰিছিল সকলো সীমাৰ পৰিধি। সুৰদি সৃষ্টিৰাজিৰেই তেওঁ আমাৰ মাজত চিৰকাল জীয়াই থাকিব। **সদৌ অসম আহোম সভাৰ শোক ঃ** জুবিন গাৰ্গৰ আকস্মিক মৃত্যুত সদৌ অসম আহোম সভাই গভীৰ শোক প্ৰকাশ কৰিছে। সভাই কয় শিল্পীগৰাকী অসমৰ সংগীত, চিনেমা জগতখনৰ বাবে কৰি যোৱা কামৰ বাবে চিৰস্মৰণীয় হৈ ৰ'ব। অসমীয়া জাতিলৈ প্ৰদান কৰি যোৱা অৱদানে প্ৰিয় শিল্পীজনক অসমীয়া জাতিয়ে সদায় স্মৰণ কৰিব। **ক্ৰীড়াবন্ধু গভীৰ শোক ঃ** অসম তথা অসমীয়া জাতিৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ অকাল বিয়োগত মৰ্মাহত হৈ পৰিছে খেলুৱৈ সহযোগী অনুষ্ঠান ক্ৰীড়াবন্ধুৰ সমূহ পৰিয়ালবৰ্গ। অসম তথা ভাৰতৰ সংগীত জগতৰ উজ্জ্বল নক্ষত্ৰ জনপ্ৰিয় কণ্ঠশিল্পী, একাধাৰে গীতিকাৰ, সুৰকাৰ, বোলছবি নিৰ্মাতা, পৰিচালক জুবিন গাৰ্গৰ আকস্মিকভাৱে হোৱা বিয়োগত ক্ৰীড়াবন্ধু পৰিয়ালে গভীৰ শোক প্ৰকাশ কৰিছে। **সংগীত বিদ্যালয়ৰ শোক ঃ** অসম তথা ভাৰতৰ সংগীত জগতৰ উজ্জ্বল নক্ষত্ৰ, জনপ্ৰিয় কণ্ঠশিল্পী, একাধাৰে গীতিকাৰ, সুৰকাৰ, সংগীতকাৰ তথা যোৰহাট সংগীত বিদ্যালয়ৰ একালৰ শিক্ষাৰ্থী, জুবিন গাৰ্গৰ অকাল বিয়োগত, যোৰহাট সংগীত বিদ্যালয়ৰ পৰিয়ালবৰ্গও অতিশয় মৰ্মাহত। তেওঁৰ মৃত্যুত যোৰহাট সংগীত বিদ্যালয়ে গভীৰ শোক প্ৰকাশ কৰিছে আৰু বিদ্যালয়ৰ শ্ৰেণীসমূহৰ শিক্ষা দান বাতিল কৰিছে। লগতে বিদ্যালয় বন্ধ ঘোষণা কৰিছে। **যোৰহাট ছুইমিং ছ'চাইটিৰ শোক ঃ** অসম তথা ভাৰতৰ সংগীত জগতৰ উজ্জ্বল নক্ষত্ৰ, জনপ্ৰিয় কণ্ঠশিল্পী জুবিন গাৰ্গৰ অকাল বিয়োগত যোৰহাট ছুইমিং ছ'চাইটিয়ে গভীৰ শোক প্ৰকাশ কৰিছে। **সাহিত্য সভাৰ শোক ঃ** জুবিন গাৰ্গৰ মৃত্যুত যোৰহাট সাহিত্য সভাৰ সভাপতি যুগল কিশোৰ আগৰৱালা আৰু সম্পাদক অজন্ত কুমাৰ শোক প্ৰকাশ কৰিছে। তদুপৰি যোৰহাট সাহিত্য উৎসৱ আয়োজক সমিতিৰ হৈ সভাপতি হিতেন্দ্ৰনাথ গোস্বামী, সম্পাদক অজন্ত কুমাৰ বৰা, যোৰহাট সাহিত্য মঞ্চৰ সভাপতি দিগন্ত বৰুৱাই গভীৰ শোক প্ৰকাশ কৰিছে।

# টিংখাঙৰ বাট-পথৰ শোচনীয় অৱস্থা, ৰাইজৰ দুৰ্ভোগ



দৈনিক অসমৰ প্ৰতিনিধি

**টিংখাং, ২০ ছেপ্টেম্বৰ ঃ** ডিব্ৰুগড় জিলাৰ টিংখাং বিধানসভা সমষ্টিৰ বাট-পথৰ দুৰৱস্থাৰ বাবে জনসাধাৰণে দুৰ্ভোগ ভুগিব লগা হৈছে। বাট-পথসমূহ অতি কম দিনৰ ভিতৰতে বিধ্বস্ত হৈ পৰাত যাতায়াতৰ বাবে ভীষণ সমস্যাৰ সন্মুখীন হ'ব লগা হৈছে। বিশেষকৈ লোকনিৰ্মাণ বিভাগৰ অধীনৰ ঐতিহাসিক মাহমৰা আলি, দিল্লীবাৰী, নীলমণি বাঘমৰা আদি পথৰ অৱস্থা অতি শোচনীয় হৈ পৰিছে। বিভাগীয় বিষয়া-কৰ্মচাৰীৰ চৰম দায়িত্বজ্ঞানহীনতাৰ বাবে পথসমূহ বিধ্বস্ত হৈ পৰিছে। পথৰ পকা বখলাবখলে এৰি যোৱাৰ ফলত ঠায়ে ঠায়ে পুখুৰীসদৃশ দ গাঁতৰ সৃষ্টি হৈছে। যাতায়াতৰ অনুপযোগী দ গাঁতবোৰত যিকোনো মুহূৰ্তত শোকাৱহ দুৰ্ঘটনা সংঘটিত হোৱাৰ আশংকাই দেখা দিছে। ইপিনে বাৰিষাৰ আগমনৰ লগে লগে সমষ্টিটোৰ ভিতৰুৱা অধিকাংশ গাঁৱৰ পথৰ অৱস্থা অতি শোচনীয় হৈ পৰিছে। গাঁৱৰ অধিকাংশ পথতে যান-বাহনৰ চলাচল অনুপযোগী হোৱাত ছাত্ৰ-ছাত্ৰী, ৰোগীকে ধৰি সৰ্বসাধাৰণ ৰাইজে দুৰ্ভোগ ভুগিব লগা হৈছে। উল্লেখ্য যে অইল ইণ্ডিয়া লিমিটেড আৰু চাহ বাগিচাৰে পৰিৱেষ্টিত সমষ্টিটোৰ দিচাং নৈ পাৰৰ ঐতিহাসিক মাহমৰা পথটোৰ সাপ্তাহিক বুধবৰীয়া বজাৰৰ সমীপত খহনীয়াই ভয়াৱহ ৰূপ ধাৰণ কৰিছে। পথটোৰ কেইবামিটাৰ খহনীয়াৰ কৱলত পৰাৰ ফলত বিপদসংকুলভাৱে যাতায়াত কৰিব লগা হৈছে। পথটোৰ খহনীয়া অংশত যিকোনো মুহূৰ্তত শোকাৱহ দুৰ্ঘটনা সংঘটিত হোৱাৰ আশংকাই দেখা দিছে। পথটোৰ খহনীয়া অংশ মেৰামতি আৰু নৈখনৰ খহনীয়া প্ৰতিৰোধ কৰিবলৈ ৰাজ্য চৰকাৰে কেইবা কোটি টকা খৰচ কৰিছিল যদিও ব্যাপক আসোঁৱাহপূৰ্ণভাৱে মেৰামতি কৰাত পুনৰ খহনীয়া সৃষ্টি হোৱাৰ উপক্ৰম হৈছে। অঞ্চলটোৰ ঘাঁহি পথাৰ গাঁৱৰ পোৱালি পথাৰ, নীলমণি চাহ বাগিচা, লংবৈ ন-হোলা, কল্যাণপুৰ, বচা আদি গাঁওসমূহৰ পথকেইটাৰ অৱস্থা শোচনীয় হৈ পৰিছে। অঞ্চলটোৰ সকলোবোৰ গ্ৰাম্য পথৰ অৱস্থা শোচনীয় হৈ পৰাত জনসাধাৰণে বাৰুকৈয়ে দুৰ্ভোগ ভুগিব লগা হৈছে। গাঁও পঞ্চায়তৰ অধীনত নিৰ্মাণ কৰা পথকেইটা দীৰ্ঘদিন ধৰি মেৰামতি নকৰাৰ ফলত যান-বাহন চলাচলৰ অনুপযোগী হৈ পৰিছে। আনহাতে টিংখাঙৰ প্ৰধান মৰাণ-নাহৰকটীয়া দুই লেনযুক্ত পথটোৰ নিৰ্মাণকাৰ্য অতি লেহেম হোৱাৰ বাবে জনসাধাৰণে জীয়াতু ভুগিব লগা হৈছে। অসম চৰকাৰে অসম মালা আঁচনিৰ অধীনত দীৰ্ঘ দূৰত্বৰ পথটোৰ নিৰ্মাণ অব্যাহত আছে। জিলাখনৰ টিংখাং আৰু নাহৰকটীয়া বিধানসভা সমষ্টিৰ অতি গুৰুত্বপূৰ্ণ পথটোৰ নিৰ্মাণকাৰ্যত ঠিকাদাৰী প্ৰতিষ্ঠানে মইমতালি চলাই আহিছে। যাৰ বাবে পথটোৰ নিৰ্মাণকাৰ্যত ব্যাপক আসোঁৱাহ সৃষ্টি হোৱাৰ লগতে লেহেমীয়া হৈ পৰিছে। চাহ বাগিচা আৰু অইল ইণ্ডিয়া লিমিটেডৰ তৈলক্ষেত্ৰৰে পৰিৱেষ্টিত জিলাখনৰ অন্যতম উদ্যোগিক পথটো নিৰ্মাণ বাবে পুৰণি কালভাৰ্টসমূহ ভাঙি পেলোৱা হৈছে। এই পুৰণি কালভাৰ্টবিলাক ভাঙি দিয়াৰ ফলত বহুকেইটা উন্মুক্ত অৱস্থাত আছে। যিকোনো মুহূৰ্তত কালভাৰ্টকেইটাত শোকাৱহ দুৰ্ঘটনা সংঘটিত হোৱাৰ আশংকাই দেখা দিছে। এই প্ৰতিবেদন যুগুতোৱা পৰলৈকে ঠিকাদাৰী প্ৰতিষ্ঠানটোৱে কালভাৰ্টবিলাকত সঠিকভাৱে সাংকেতিত চিহ্ন স্থাপন কৰা পৰিলক্ষিত হোৱা নাই। নিৰ্মীয়মাণ পথটোৰ উন্মুক্ত কালভাৰ্টবিলাকত দুৰ্ঘটনা প্ৰতিৰোধৰ বাবে উপযুক্ত পৰিমাণে বেৰা দিয়াৰ ব্যৱস্থা কৰিবলৈ দল-সংগঠনে দাবী জনাইছে। তদুপৰি পথটোৰ নিৰ্মাণৰ বাবে পথৰ নিচেই কাষতে বৃহৎ নলা খান্দি অতি বিপজ্জনকভাৱে উন্মুক্ত অৱস্থাত ৰাখিছে। পথৰ দাঁতিত থকা পুখুৰীসদৃশ নলাবোৰতো শোকাৱহ দুৰ্ঘটনা সংঘটিত হোৱাৰ আশংকা প্ৰকাশ কৰিছে। জানিব পৰা মতে, পথটোৰ নিৰ্মাণত ক্ষতিগ্ৰস্ত হোৱা অধিকাংশ লোকে উপযুক্ত ক্ষতিপূৰণ লাভ কৰা নাই। টিংখাঙৰ এটা অংশত ক্ষতিপূৰণৰ নামত ব্যাপক অনিয়ম সংঘটিত অভিযোগ উত্থাপিত হৈ আহিছে। যাৰ বাবে পথটোৰ অংশবিশেষত নিৰ্মাণকাৰ্য বন্ধ হৈ থকা বুলি জানিব পৰা গৈছে। এই সম্পৰ্কে স্থানীয় বিধায়ক দুগৰাকীক ক্ষতিগ্ৰস্ত লোকসকলে অৱগত কৰি আহিছে যদিও সুফল লাভ কৰিবলৈ সক্ষম হোৱা নাই।

# প্ৰাণৰ শিল্পীৰ মৃত্যুত শোকস্তব্ধ ৰাজ্যবাসী

## ডিমৌত ৰাজহুৱা শ্ৰদ্ধাঞ্জলি

দৈনিক অসমৰ প্ৰতিনিধি

**ডিমৌ, ২০ ছেপ্টেম্বৰ ঃ** অসমীয়াৰ বুকুৰ আপোন কণ্ঠশিল্পী জুবিন গাৰ্গৰ বিয়োগৰ খবৰে মৰ্মাহত কৰি তুলিছে ডিমৌবাসীকো। প্ৰিয় শিল্পীগৰাকীৰ মৃত্যুত শোকত ভাগি পৰা ডিমৌবাসী ৰাইজে স্বাভিমানী জুবিন গাৰ্গলৈ শেষ শ্ৰদ্ধা জ্ঞাপন কৰিবলৈ বিয়লি সমৱেত হয়হি ডিমৌ ৰাজহুৱা খেলপথাৰত। ডিমৌ আঞ্চলিক ছাত্ৰ সন্থাই আয়োজন কৰা জুবিন গাৰ্গৰ ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰি প্ৰিয় শিল্পীগৰাকীৰ চিৰশান্তি কামনা কৰি ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনায় ডিমৌৰ দল-সংগঠন আৰু ৰাইজে। ৰাজহুৱা শ্ৰদ্ধাঞ্জলি থলীত বাজি উঠা জুবিনৰ গীত শুনি উচুপি উঠা পৰিলক্ষিত হয় বহুজনক। আছু নেতা আদিত্য শৰ্মাই আঁত ধৰা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানটোত ডিমৌ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ বিষয়া ডাঃ বিজিত বড়া, কণ্ঠশিল্পী বিজয় বিশাল, জিতুল গগৈ, সাংস্কৃতিক কৰ্মী প্ৰশান্তজিৎ চেতিয়া, আটছা নেতা বিশ্বজিৎ নাগ আদিয়ে জুবিনৰ অনন্য সৃষ্টিৰাজি আৰু কণ্ঠক ৰোমন্থন কৰি আৱেগিক হৈ পৰে। ইফালে জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদেও ডিমৌত জুবিন গাৰ্গৰ আন এক শ্ৰদ্ধাঞ্জলি কাৰ্যসূচী ৰূপায়ণ কৰে। জুবিন গাৰ্গৰ মৃত্যুত সাময়িকভাৱে স্থগিত ৰখা হয় হেমচন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয়ৰ হীৰক জয়ন্তীৰ সামৰণী অনুষ্ঠান।




## মৰিগাঁৱত শোকাকুল অনুৰাগীৰ গভীৰ শ্ৰদ্ধাঞ্জলি

দৈনিক অসমৰ প্ৰতিনিধি

**মৰিগাঁও, ২০ ছেপ্টেম্বৰ ঃ** মৰিগাঁৱৰ বিভিন্ন ঠাইত জুবিন অনুৰাগীয়ে প্ৰয়াত শিল্পীগৰাকীৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। সদৌ মৰিগাঁও জিলা ছাত্ৰ সন্থা আৰু সদৰ ছাত্ৰ সন্থাই জনপ্ৰিয় শিল্পীগৰাকীৰ প্ৰতি বন্তি প্ৰজ্বলনেৰে গভীৰ শ্ৰদ্ধাঞ্জলি নিবেদন কৰে। লগতে চহৰৰ মাজমজিয়াত সুধাকণ্ঠৰ ডঃ ভূপেন হাজৰিকাৰ প্ৰতিমূৰ্তিস্থলীৰ সন্মুখতে সদৌ জিলা ছাত্ৰ সন্থাই আয়োজন কৰা 'হাৰ্টথ্ৰ'ব জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি' শীৰ্ষক অনুষ্ঠানত সদৌ মৰিগাঁও জিলা ছাত্ৰ সন্থাৰ সভাপতি দিব্যজ্যোতি চৌধুৰী, সাধাৰণ সম্পাদক শিৱ দাসকে প্ৰমুখ্যে আছুৰ নেতা-কৰ্মীৰ উপৰি মৰিগাঁও জিলা আয়ুক্ত অনামিকা তেৱাৰীসহ মৰিগাঁও জিলা প্ৰশাসনৰ বিষয়াবৰ্গ, মৰিগাঁও জিলা সাংবাদিক সন্থা, মৰিগাঁও জিলা সাংবাদিক সমাজ, অজস্ৰ জুবিন অনুৰাগীয়ে বন্তি প্ৰজ্বলন কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। জাতীয়তাবাদী যুব ছাত্ৰ পৰিষদেও শিল্পীগৰাকীলৈ গভীৰ শ্ৰদ্ধাঞ্জলি নিবেদন কৰি চহৰৰ মূল পুলিচ পইণ্টত বন্তি প্ৰজ্বলন কৰে।

## জুবিন গাৰ্গ



জুবিন গাৰ্গৰ গান শুনি মই বহুত ভাল পাওঁ। তেওঁৰ মাত শুনিলেই মই চিনি পাওঁ যে তেওঁ জুবিন গাৰ্গ। তেওঁৰ বহুত গান আছে। তেওঁ ৪০,০০০মান গান গোৱা বুলি মোক মা আৰু দেউতাই কৈছে। যেনে ঃ 'চিলা চিলা', 'পাখি পাখি এই মন', 'জীউ তুমি', 'হাঁহিলে তুমি মুকুতা মণি সৰে', 'শব্দ যদি প্ৰেৰণা হয়' আৰু বহুতো। মোৰ মাই জুবিন গাৰ্গক এবাৰ লগ পাইছে। মোৰ দেউতাই বহুবাৰ লগ পাইছে। মোৰ দেউতাই জুবিন গাৰ্গক লৈ এখন কিতাপো লিখিছে। কিতাপখনৰ নাম হ'ল 'জুবিন গাৰ্গৰ গান আৰু কবিতাৰ গল্প'। মোৰো এবাৰ জুবিন গাৰ্গক লগ কৰিবৰ মন আছিল। কিন্তু মোৰ সপোন সপোন হৈয়ে থাকিল। 'সাগৰতলিত শুবৰে মন' বুলি গাই সঁচাকৈ তেওঁ সাগৰতলিত শুই গ'ল। বিদায় জুবিন গাৰ্গ। মই তোমাৰ গান শুনি থাকিম।

**চান্‌ভি কাশ্যপ**
**তৃতীয় শ্ৰেণী, ডি পি এছ স্কুল, পানীগাঁও, নলবাৰী**

## ঢেকিয়াজুলিত 'জুবিন অমৰ হওক' ধ্বনি

দৈনিক অসমৰ প্ৰতিনিধি

**ঢেকিয়াজুলি, ২০ ছেপ্টেম্বৰ ঃ** জুবিন গাৰ্গৰ আকস্মিক মৃত্যুক লৈ শ্বহীদ নগৰী ঢেকিয়াজুলিত সহস্ৰাধিক অনুৰাগী গোট খোৱা পৰিলক্ষিত হৈছে। জুবিন গাৰ্গৰ স্মৃতিত ঢেকিয়াজুলি আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত চহৰৰ মাজভাগত পেৰামাউণ্ট হোটেলৰ কাষত অৱস্থিত জাতীয় শ্বহীদ বেদীৰ সন্মুখত এটি শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ অনুষ্ঠিত কৰে। উক্ত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত ঢেকিয়াজুলি আঞ্চলিক ছাত্ৰ সংস্থা, অসম জাতীয়তাবাদী যুব ছাত্ৰ পৰিষদ, ঢেকিয়াজুলি কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলন, বিহু ভৱন পৰিচালনা সমিতি, শংকৰ মন্দিৰ নামঘৰ, বীৰ লাচিত সেনা, পৰিৱেশ সংৰক্ষণমূলক সংস্থা 'সেউজ ছ'চাইটী', কৃষ্টি সাৰথি সাংস্কৃতিক গোষ্ঠী, বঙালী যুৱ ছাত্ৰ ফেডাৰেচন, আদিবাসী ছাত্ৰ সংস্থা, সংখ্যালঘু ছাত্ৰ সংস্থা আদি বিভিন্ন দল-সংগঠন আৰু স্থানীয় লোকে শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। অসমৰ হাৰ্টথ্ৰ'ব জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত সৰ্বপ্ৰথমে ঢেকিয়াজুলিৰ বিশিষ্ট সাংস্কৃতিককৰ্মী কাজল বৰাই বন্তি প্ৰজ্বলন কৰি অশ্ৰুসিক্ত নয়নেৰে পুষ্পাঞ্জলি আগবঢ়ায়। তাৰ পাছত লোকনায়ক অমিয় কুমাৰ দাস মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ শুকদেৱ অধিকাৰী, সদৌ শোণিতপুৰ জিলাৰ ছাত্ৰ সন্থাৰ শিক্ষা সম্পাদক শঙ্কৰ দাসকে প্ৰমুখ্য কৰি বিশিষ্ট ব্যক্তিসকলে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। কালি জুবিন গাৰ্গৰ সন্মানৰ প্ৰতি লক্ষ্য ৰাখি ঢেকিয়াজুলি চহৰৰ ব্যৱসায়িক প্ৰতিষ্ঠানসমূহত বন্ধ ৰখা হয়। শ্ৰদ্ধাঞ্জলি অনুষ্ঠান উপস্থিত লোকসকলে 'জুবিন গাৰ্গ অমৰ হওক' ধ্বনিৰে মুখৰিত কৰি তোলে।

## চামতাৰ বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানৰ শোক-শ্ৰদ্ধাঞ্জলি জ্ঞাপন

দৈনিক অসমৰ প্ৰতিনিধি

**চামতা, ২০ ছেপ্টেম্বৰ ঃ** নৱপ্ৰজন্মৰ হাৰ্টথ্ৰ'ব জুবিন গাৰ্গৰ অনাকাংক্ষিত বিয়োগত শোকস্তব্ধ হৈ পৰে বৃহত্তৰ চামতা অঞ্চলটো। আপোন শিল্পীগৰাকীৰ মৃত্যুত ১৯ ছেপ্টেম্বৰৰ সন্ধিয়া পশ্চিম নলবাৰী আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত চামতাৰ জামৰতল পাঠকপাৰা নামঘৰ প্ৰাংগণত শোক প্ৰকাশ কৰি ৰাজহুৱাভাৱে বন্তি প্ৰজ্বলন আৰু শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত কৰে। অনুষ্ঠানত কেইবাশতাধিক অনুৰাগীয়ে শোক প্ৰকাশ কৰে। ইফালে চামতাৰ পশ্চিম নলবাৰী প্ৰেছ ক্লাবেও প্ৰেছ ক্লাব চৌহদত সন্ধিয়া বন্তি প্ৰজ্বলন কৰি বিশিষ্ট শিল্পীগৰাকীৰ আত্মাৰ চিৰশান্তি কামনা কৰে প্ৰেছ ক্লাবৰ সম্পাদক অনিমেষ বৰ্মন, উপদেষ্টা ৰাজেন বৈশ্য, নলবাৰী জিলা কবি সন্মিলনৰ সম্পাদক দ্বীপেন মেনা, প্ৰদীপ বৰ্মন, সমন্বয় নাট্যগোষ্ঠী চামতাৰ সম্পাদক মুকুল বৰ্মন, তপন কুমাৰ শৰ্মা সাংবাদিক দিগন্ত বৰ্মন, প্ৰদীপ ভাগৱতীকে ধৰি বিশিষ্ট ব্যক্তিসকল বন্তি প্ৰজ্বলন অনুষ্ঠানত উপস্থিত থাকে। চামতাৰ ঐতিহ্যমণ্ডিত কুলবিল ঘাট ৰাজহুৱা শিৱালয়তো পৰিচালনা সমিতিৰ উদ্যোগত জুবিন গাৰ্গৰ মৃত্যুত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত কৰে। ইপিনে চামতাৰ বিহামপুৰত অৱস্থিত প্ৰেৰণা পুথিভঁৰালৰ সমূহ কৰ্মকৰ্তা আৰু সদস্যসকলে জুবিন গাৰ্গৰ অকাল মৃত্যুত মৰ্মাহত আৰু স্তম্ভিত হৈ পৰে । তেওঁৰ প্ৰতি সন্মান জনাই প্ৰেৰণা পুথিভঁৰালৰ অধ্যয়ন কক্ষ বন্ধ ৰখা হয়। পূব বনগাঁৱৰ পৰা প্ৰকাশিত 'সুহুৰি' আলোচনী আৰু বৰনদ্দীৰ পৰা প্ৰকাশিত 'জোনাক' আলোচনীৰ তৰফৰ পৰাও প্ৰাণৰ শিল্পীগৰাকীৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰে।

## আছাম ট্ৰিবিউন এমপ্লইজ ইউনিয়নৰ শোক

**গুৱাহাটী, ২০ ছেপ্টেম্বৰ ঃ** শনিবাৰে দিনৰ ১২.৩০ বজাত আছাম ট্ৰিবিউন প্ৰতিষ্ঠানৰ চৌহদত আছাম ট্ৰিবিউন এমপ্লইজ ইউনিয়নৰ অস্থায়ী সভাপতি প্ৰভাত চন্দ্ৰ শৰ্মাৰ সভাপতিত্বত এখন শোকসভা অনুষ্ঠিত হয়। সভাত অসমৰ সাংস্কৃতিক জগতৰ জগতৰ উজ্জ্বল নক্ষত্ৰ হাৰ্টথ্ৰ'ব জুবিন গাৰ্গৰ অকাল বিয়োগত আছাম ট্ৰিবিউন প্ৰতিষ্ঠানৰ কৰ্তৃপক্ষ আৰু আছাম ট্ৰিবিউন এমপ্লইজ ইউনিয়নৰ সমূহ কৰ্মীবৃন্দই গভীৰ শোক প্ৰকাশ কৰে। সভাত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে আছাম ট্ৰিবিউন এমপ্লইজ ইউনিয়নৰ সাধাৰণ সম্পাদক দুগ্ধৰাম কলিতাই। সভাত জুবিন গাৰ্গৰ বিষয়ে বক্তব্য আগবঢ়ায় পাৰ্থ প্ৰতিম হাজৰিকা, ভাস্কৰ, অণিমা দাসে।



## জাগীৰোডৰ ঠায়ে ঠায়ে শোকসভা

দৈনিক অসমৰ প্ৰতিনিধি

**জাগীৰোড, ২০ ছেপ্টেম্বৰ ঃ** ৰাজ্যৰ ভিন্ন প্ৰান্তৰ লগতে জাগীৰোডতো ১৯ ছেপ্টেম্বৰৰ সন্ধিয়া জাগীৰোডৰ বিভিন্ন দল, সংগঠনে জুবিন গাৰ্গৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি ঠায়ে ঠায়ে অনুষ্ঠিত কৰে শোকসভা। সন্ধিয়া জাগীৰোডৰ মাজমজিয়াত জাগীৰোড আঞ্চলিক ছাত্ৰ সন্থা, জাগীৰোড শিল্পী সমাজ, তিৱা ছাত্ৰ সন্থাৰ সকলো বিষয়ববীয়া আৰু মৰমৰ শিল্পী জুবিন গাৰ্গৰ অনুৰাগী স্থানীয় ৰাইজে বন্তি প্ৰজ্বলন কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। একেদৰে জাগীৰোড থানাৰ চৌহদত জাগীৰোড নাগৰিক সমাজ আৰু আৰক্ষী প্ৰশাসনৰ লোকৰ উপস্থিতিত এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠান আয়োজন কৰি জুবিন গাৰ্গলৈ শ্ৰদ্ধা নিবেদন কৰাৰ লগতে চিৰসেউজ শিল্পী জুবিনৰ আত্মাৰ সদগতি কামনা কৰি সকলোৱে এক মিনিট সময় মৌন প্ৰাৰ্থনা কৰে। সমান্তৰালভাৱে জাগী গোহাঁইচকী সাংস্কৃতিক চ'ৰা আৰু পুথিভঁৰাল, মায়ং ব্লকৰ সমীপত বিষ্ণুপুৰ আঞ্চলিক দুৰ্গোৎসৱ সমিতিৰ উদ্যোগতো জুবিন গাৰ্গৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি বন্তি প্ৰজ্বলন কৰে।

## কেন্দুকোণা-কমলপুৰত বন্তি প্ৰজ্বলন

দৈনিক অসমৰ প্ৰতিনিধি

**কমলপুৰ, ২০ ছেপ্টেম্বৰ ঃ** জুবিন গাৰ্গৰ মৃত্যুত সমগ্ৰ ৰাজ্যৰ লগতে কমলপুৰ আৰু কেন্দুকোণাত শোকৰ ছাঁ পৰে। কমলপুৰ আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত কমলপুৰৰ বিভিন্ন দল-সংগঠনে জুবিন গাৰ্গক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা ধীৰাজ ৰাজবংশীৰ নেতৃত্বত কমলপুৰৰ সকলো দল-সংগঠন আৰু ব্যৱসায়ীসকলে একগোট হৈ জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। আনহাতে, কেন্দুকোণাত কেন্দুকোণা ব্যৱসায়ী সন্থাৰ উদ্যোগত সচেতন নাগৰিকৰ সহযোগত শতাধিক যুৱক-যুৱতীৰ উপস্থিতিত হাতে হাতে মমবাতি লৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। আনহাতে, সমগ্ৰ কেন্দুকোণা বজাৰ চ'কত সকলো ব্যৱসায়ীয়ে নিজৰ নিজৰ প্ৰতিষ্ঠানৰ লাইট তিনি মিনিট বন্ধ কৰি প্ৰিয় শিল্পীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। জুবিন গাৰ্গৰ মৃত্যুত কেন্দুকোণা কমলপুৰত বন্তি প্ৰজ্বলন।

**মৃত্যুৰ বাতৰি পাই ভাষণ দিয়াৰপৰা বিৰত মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম**

## জুবিন সকলো জাতি-জনগোষ্ঠীৰ হাৰ্টথ্ৰ'ব

দৈনিক অসমৰ প্ৰতিনিধি

**শালবাৰী, ২০ ছেপ্টেম্বৰ ঃ** জুবিন গাৰ্গৰ মৃত্যুৰ বাতৰি পাই শোকস্তব্ধ হৈ পৰিল অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী তথা সাহিত্য অকাডেমি বঁটা বিজয়ী বিশিষ্ট কবি-সাহিত্যিক উৰ্খাও গৌৰা ব্ৰহ্ম। ১৯ ছেপ্টেম্বৰৰ দিনৰ ভাগত মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই বাক্সাৰ বাথৌপুৰীত ইউ পি পি এল দলৰ নিৰ্বাচনী প্ৰচাৰ অভিযানত ব্যস্ত থাকোঁতেই গাৰ্গৰ মৃত্যুৰ বাতৰি পাই শোকস্তব্ধ হৈ পৰে। লগতে নিৰ্বাচনী প্ৰচাৰ অভিযানতেই শোক প্ৰকাশ কৰি মন্ত্ৰী ব্ৰহ্মৰ লগতে সভাত সমৱেত ৰাইজে জুবিন গাৰ্গৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰি এক মিনিট সময় মৌনতা অৱলম্বন কৰি আত্মাৰ সদগতি কামনা কৰে। আনহাতে, জুবিন গাৰ্গৰ মৃত্যুৰ বাতৰি পোৱাৰ পাছতেই মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই জুবিনৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰি নিৰ্বচনী সভাবোৰত নিৰ্বাচনী ভাষণ প্ৰদানৰ পৰা বিৰত থাকে। তদুপৰি শালবাৰী পৰিষদীয় সমষ্টিৰ বাতাবাৰীত ইউ পি পি এলৰ নিৰ্বাচনী প্ৰচাৰ সভাত মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই উপস্থিত হয় যদিও নিৰ্বাচনী ভাষণ নিদি



জুবিন গাৰ্গলৈ শ্ৰদ্ধা নিবেদন কৰি তেওঁৰ প্ৰতিভা, ব্যক্তিত্বৰ বৰ্ণনাৰে গভীৰ শোক প্ৰকাশ কৰি মন্তব্য প্ৰদান কৰে। মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই তেওঁৰ ভাষণত কয় যে জুবিন গাৰ্গ অকল যুৱপ্ৰজন্মৰে হাৰ্টথ্ৰ'ব নহয়। সকলো প্ৰজন্মৰ, সকলো জাতি-জনগোষ্ঠীৰ হাৰ্টথ্ৰ'ব জুবিন গাৰ্গ। অসমৰ, ভাৰতবৰ্ষৰ হাৰ্টথ্ৰ'ব জুবিন গাৰ্গ। উল্লেখ্য যে মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই শালবাৰীৰ বাতাবাৰীত অগণন ৰাইজৰ উপস্থিতিত মন্ত্ৰী ব্ৰহ্মৰ লগতে ৰাইজে এক মিনিট মৌনতা অৱলম্বন কৰি জুবিন গাৰ্গৰ মৃত্যু গভীৰ শোক প্ৰকাশ কৰি আত্মাৰ সদগতি কামনা কৰে। সভাত জুবিন গাৰ্গৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰি ইউ পি পি এলৰ শালবাৰী জিলা সমিতিৰ সাধাৰণ সম্পাদক বিনোদ মুছাহাৰীয়েও ভাষণ দি জুবিন গাৰ্গৰ ব্যক্তিত্ব আৰু প্ৰতিভাৰ বিষয়ে কয়।

## মনাহকুছিত

দৈনিক অসমৰ প্ৰতিনিধি

**হাজো, ২০ ছেপ্টেম্বৰ ঃ** অসমবাসীৰ হিয়াৰ আমঠু বিশিষ্ট কণ্ঠশিল্পী জুবিন গাৰ্গৰ আকস্মিক মৃত্যুৰ খবৰ বিয়পি পৰাৰ লগে লগে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। কালি সন্ধিয়া মনাহকুছি জনতা বিদ্যাপীঠ হাইস্কুল খেলপথাৰত পদিয়াৰবৰীৰ যুৱকসকলে বন্তি প্ৰজ্বলনেৰে প্ৰয়াত জুবিন গাৰ্গলৈ একাঁজলি শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰে।

## বৰভাগত

দৈনিক অসমৰ প্ৰতিনিধি

**বৰভাগ, ২০ ছেপ্টেম্বৰ ঃ** নলবাৰী জিলাৰ বৰভাগ অঞ্চলতো জুবিন গাৰ্গৰ মৃত্যুত শোকৰ ছাঁ পৰে। জুবিন গাৰ্গৰ মৃত্যুত উলাবড়ী-পশ্চিম নখেতি আঞ্চলিক ৰঙালী বিহু সন্মিলনী, উলাবড়ী নাওখেল প্ৰতিযোগিতা পৰিচালনা সমিতি, সাৰ্বজনীন শ্ৰীশ্ৰীদুৰ্গা পূজা মহোৎসৱ কৰিয়া, বৰভাগ প্ৰেছ ক্লাব, হিতসাধিনী পুথিভঁৰাল উলাবড়ী আদিয়ে শোক প্ৰকাশ কৰে।



## গোৰৰ্দ্ধনা আঞ্চলিক ছাত্ৰ সন্থাৰ ৫২ গছি বন্তি প্ৰজ্বলন

**গোৰৰ্দ্ধনা, ২০ ছেপ্টেম্বৰ ঃ** অসমৰ সংগীত জগতৰ উজ্জ্বল নক্ষত্ৰ, অসমীয়াৰ গৌৰৱ সংগীত সূৰ্য জুবিন গাৰ্গৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰি ১৯ ছেপ্টেম্বৰত গোৰৰ্দ্ধনা আঞ্চলিক ছাত্ৰ সন্থাৰ কাৰ্যালয়ত ৫২ গছি বন্তি প্ৰজ্বলন কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। উক্ত কাৰ্যসূচীত অঞ্চলটোৰ বহুসংখ্যক যুৱক-যুৱতী উপস্থিত থকাৰ লগতে স্থানীয় লোকসকলে জুবিন গাৰ্গৰ সংগীতৰ বিভিন্ন স্মৃতিচাৰণ কৰে। বন্তি প্ৰজ্বলনৰ পাছত জুবিন গাৰ্গৰ জীৱনৰ ওপৰত আধাৰিত আলোচনা অনুষ্ঠান অনুষ্ঠিত হয়, য'ত তেওঁৰ সাংগীতিক অৱদান, সমাজ সচেতনতা আৰু অসমীয়া সংগীত জগতত আনি দিয়া যুগান্তকাৰী পৰিৱৰ্তন সম্বন্ধে গভীৰভাৱে আলোচনা কৰা হয়।

## ছিপাঝাৰত

দৈনিক অসমৰ প্ৰতিনিধি

**ছিপাঝাৰ, ২০ ছেপ্টেম্বৰ ঃ** ছিপাঝাৰ মহাবিদ্যালয়ৰ অনুষ্ঠিত হৈ থকা ২০২৪-২৫ বৰ্ষৰ নৱাগত আদৰণী সভাৰ কাৰ্যসূচী প্ৰথিতযশা কণ্ঠশিল্পী জুবিন গাৰ্গৰ মৃত্যুত শোক প্ৰকাশ কৰি আধাতে বাতিল কৰে। সেই সময়ত নৱাগত আদৰণী সভাৰ বিশিষ্ট অতিথি হিচাপে আমন্ত্ৰণ জনোৱা গুৱাহাটীৰ আয়ুৰ্বেদিক মহাবিদ্যালয়ৰ জৈৱ-ৰাসায়ন বিভাগৰ অধ্যাপক প্ৰদ্যুম্ন গোস্বামীয়ে ভাষণ প্ৰদান কৰিবলৈ ওলাইছিল। সভাত সংগীতানুষ্ঠান পৰিৱেশন কৰিবলৈ অহা গায়িকা দীপান্বিতা ডেকায়ো সংগীতানুষ্ঠান বাতিল কৰে।

## কলিয়াবৰৰ ভিন্ন প্ৰান্তত শ্ৰদ্ধাঞ্জলি

দৈনিক অসমৰ প্ৰতিনিধি

**কলিয়াবৰ, ২০ ছেপ্টেম্বৰ ঃ** হাৰ্টথ্ৰ'ব জুবিন গাৰ্গৰ আকস্মিকভাৱে মৃত্যু ঘটাত কলিয়াবৰৰ জখলাবন্ধাৰ ত্ৰিৱেণী কানন ক্ষেত্ৰত ক্ষেত্ৰ পৰিচালনা সমিতি, কলিয়াবৰ প্ৰেছ ক্লাব, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদকে ধৰি স্থানীয় ৰাইজে গভীৰ প্ৰকাশ কৰি ১৯ ছেপ্টেম্বৰৰ সন্ধিয়া ৭ বজাত এটি শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰে। অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় আমন্ত্ৰিত উপদেষ্টা প্ৰদীপ লস্কৰে জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰাৰ লগতে শোকসন্তপ্ত পৰিয়াললৈ গভীৰ সমবেদনা জ্ঞাপন কৰে। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত ত্ৰিৱেণী কাননৰ সভাপতি দিলীপ কুমাৰ বৰদলৈ, সম্পাদক নিকু ভাগৱতী, কলিয়াবৰ প্ৰেছ ক্লাবৰ




সভাপতি তৰুণ মুক্তিয়াৰ, সম্পাদক গৌতম কুমাৰ বৰা, গোলাপ শইকীয়া, আশিস কুমাৰ শইকীয়া, দীপু বৰা, যুৱ ছাত্ৰ পৰিষদৰ কলিয়াবৰৰ জিলা সভাপতি চন্দন শইকীয়া, সম্পাদক মৃগাংক বৰা, দীপক বৰা, তৰুণ শইকীয়া, জখলাবন্ধা উচ্চতৰ মাধ্যমিক বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি অচ্যুত শইকীয়া, জখলাবন্ধা গাঁও পঞ্চায়তৰ সভানেত্ৰী বৰ্ণালী দাস মুক্তিয়াৰ, ধনীৰাম দাস, সাংস্কৃতিক কৰ্মী যাদৱ বৰুৱা, ৰিদীপ হাজৰিকা, দুলাল বৰা, বসন্ত দাস, পুণ্যলতা মহন্ত, মুকুল খাউণ্ড, প্ৰদ্যুম্ন দত্ত, দেৱদত্ত ভূএগ্ৰাকে প্ৰমুখ্য কৰি অৰ্দ্ধ শতাধিক লোকে অংশগ্ৰহণ কৰে। জখলাবন্ধা হাস্পতাল চাৰিআলিত যুৱক সংঘৰ উদ্যোগত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰো আয়োজন কৰে।

## চামগুৰিত

দৈনিক অসমৰ প্ৰতিনিধি

**পুৰণিগুদাম, ২০ ছেপ্টেম্বৰ ঃ** জুবিন গাৰ্গৰ মহাপ্ৰয়াণৰ বাতৰি বিয়পি পৰাৰ পাছতেই ৰাজ্যখনৰ লগতে নগাঁও জিলাৰ চামগুৰিতো বিভিন্ন দল-সংগঠনে শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত কৰি প্ৰিয় শিল্পীগৰাকীৰ প্ৰতি শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। চামগুৰি তিনিআলিৰ সমীপত কালি সন্ধিয়া চামগুৰি আঞ্চলিক ছাত্ৰ সন্থা, পুৰণিগুদাম মণ্ডল বিজেপিৰ লগতে স্থানীয় ৰাইজ আৰু বিভিন্ন দল-সংগঠনে প্ৰিয় শিল্পীগৰাকীক শেষ শ্ৰদ্ধা জনোৱাৰ উদ্দেশ্যে শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত কৰে। আনহাতে, নৱপ্ৰজন্মৰ হাৰ্টথ্ৰ'ব জুবিন গাৰ্গৰ অকাল মৃত্যুত অঞ্চলটোৰ সমূহ সাংবাদিক লগতে কলং কলা কেন্দ্ৰ পুৰণিগুদাম, পুৰণিগুদাম আঞ্চলিক ছাত্ৰ সন্থা আৰু পুৰণিগুদাম মণ্ডল বিজেপিয়ে গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে।

## শোকস্তব্ধ নগাঁও ঃ অনুষ্ঠান-প্ৰতিষ্ঠানৰ কাৰ্যসূচী বাতিল

দৈনিক অসমৰ প্ৰতিনিধি

**নগাঁও, ২০ ছেপ্টেম্বৰ ঃ** জনপ্ৰিয় কণ্ঠশিল্পী, যুৱপ্ৰজন্মৰ হাৰ্টথ্ৰ'ব জুবিন গাৰ্গৰ আকস্মিক বিয়োগত শোকস্তব্ধ হৈ পৰে সমগ্ৰ নগাঁও জিলা। জিলাখনৰ বিভিন্ন ব্যক্তি আৰু অনুষ্ঠানে মৰমৰ কণ্ঠশিল্পীগৰাকীৰ মৃত্যুত শোক ব্যক্ত কৰে। নগাঁৱৰ বিধায়ক ৰূপক শৰ্মাই ঘনিষ্ঠ বন্ধু কণ্ঠশিল্পী জুবিন গাৰ্গৰ মৃত্যুত শোকত ভাগি পৰে। শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰধান সম্পাদক কুশল ঠাকুৰীয়াই জুবিন গাৰ্গৰ মৃত্যুত শোক প্ৰকাশ কৰি কয় যে কণ্ঠশিল্পী জুবিন গাৰ্গৰ মৃত্যু অসমৰ জাতীয় জীৱনৰ বাবে অপূৰণীয় ক্ষতি। শ্ৰীমন্ত শংকৰদেৱ সংঘই জনপ্ৰিয় কণ্ঠশিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনাই সংঘৰ সকলো কাৰ্যসূচী এসপ্তাহৰ বাবে বাতিল কৰে। অসম নাট্য সন্মিলনে কালি নগাঁৱত এখন শোকসভা অনুষ্ঠিত কৰি জুবিন গাৰ্গৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰে। সন্মিলনে এসপ্তাহলৈ সন্মিলনৰ সকলো কাৰ্যসূচী বাতিল কৰে। নগাঁও প্ৰেছ ক্লাবৰ সভাপতি জিতেন বৰকটকী আৰু সম্পাদক নীলোৎপল বৰাই জুবিন গাৰ্গৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰে। নগাঁও ইলেক্ট্ৰ'নিক মিডিয়া এছ'চিয়েচনৰ উদ্যোগত নগাঁও চহৰৰ কেএগ্ৰাপট্টিত এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত অনুষ্ঠিত হয়। জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বিশিষ্ট শিল্পী কৃষ্ণমণি নাথ, গল্পকাৰ শিবানন্দ কাকতি, ৰামানুজন উচ্চ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ দিলীপ কুমাৰ বৰা, প্ৰাক্তন অধ্যাপক মোহিনী মোহন ডেকা, সমাজকৰ্মী ব্ৰজেন কাকতি, শ্ৰীমন্ত শংকৰ মিছনৰ সম্পাদক পৰাণ কুমাৰ মহন্ত, সাংবাদিক কনক হাজৰিকাই অংশগ্ৰহণ কৰে। সাংবাদিক জ্যোতিপ্ৰসাদ প্ৰসাদ বৰা আৰু বীৰেন বৰাই আঁত ধৰা অনুষ্ঠানত জুবিন গাৰ্গ ফ্ৰেণ্ড ক্লাব, কাঁচিয়লি,অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ নগাঁও জিলা সমিতি, ৰামানুজন, ৰেনেছাঁ আদি উচ্চ মাধ্যমিক বিদ্যালয়ৰ তৰফৰ পৰা জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰা হয়। শ্ৰীমন্ত শংকৰ মিছনৰ সভাপতি গিৰীন্দ্ৰ কুমাৰ বৰুৱা, সাংস্কৃতিক গোষ্ঠী কল্লোল, কিশলয়, গান্ধাৰ আদিৰ লগতে নগাঁও জিলা ছাত্ৰ সন্থা, নগাঁও জিলা সাহিত্য সভা, নগাঁও জিলা কোচ ৰাজবংশী সন্মিলনৰ সভাপতি প্ৰভাত বৰা, সম্পাদক জয়ন্ত হাজৰিকা, কলিয়াবৰ কৰ্মচাৰী পৰিষদ, অসমীয়া সাহিত্য সন্মিলনীৰ নগাঁও জিলা সমিতি, নগাঁও জিলা জ্যেষ্ঠ নাগৰিক সন্মিলন, নগাঁও জিলা কবি সন্মিলন, সংগীত শিল্পী সমাজ, অসম জাতীয়তাবাদী যুৱ পৰিষদ আদিয়ে জুবিন গাৰ্গৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে। কালি সন্ধিয়া নগাঁও চহৰৰ ক্লক টাৱাৰৰ সমীপত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ নগাঁও জিলা সমিতিয়ে কণ্ঠশিল্পী জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি এক ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত কৰে। অনুষ্ঠানত যুৱ প্ৰজন্মকে ধৰি সৰ্বস্তৰৰ লোকে অংশগ্ৰহণ কৰে। ইপিনে কণ্ঠশিল্পী কৃষ্ণমণি নাথকে ধৰি নগএগ্ৰা ভালেসংখ্যক শিল্পীয়ে প্ৰিয় শিল্পী জুবিন গাৰ্গৰ আলোকচিত্ৰ লৈ সন্ধিয়া নগাঁও চহৰত এক সমদল উলিয়ায়। ইপিনে হোজাইস্থিত ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয় শ্ৰীমন্ত শংকৰদেৱ চৌহদৰ পদূলিত সন্ধিয়া অনুষ্ঠিত এক সমৱেত অনুষ্ঠানত বিশ্ববিদ্যালয় পৰিয়ালে জুবিন গাৰ্গক সুঁৱৰি এখন বিশেষ শোকসভা আয়োজন কৰে। এই শোকসভাতে বিশ্ববিদ্যালয়খনৰ বহু শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীসকল সমৱেত হৈ জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ আগত বন্তি প্ৰজ্বলন, ধূপ, ফুলেৰে শিল্পীজনালৈ শেষ শ্ৰদ্ধাঞ্জলি জনায়। এই ক্ষণতেই বিশ্ববিদ্যালয়ৰ পৰিয়ালে শিল্পীজনাৰ উজ্জ্বল দিশবোৰ স্মৰণ কৰি জুবিন গাৰ্গ কেৱল এজন শিল্পী নহয়, তেওঁ আছিল অসমবাসীৰ আশা-আকাংক্ষাৰ প্ৰতীক বুলি উল্লেখ কৰে। তেওঁৰ মৃত্যুতে অসম তথা ভাৰতীয় সংগীত জগতখন এক অপূৰণীয় ক্ষতিৰ সন্মুখীন হ'ল বুলি সমৱেত সকলোৱে একমুখে কয়। বিশ্ববিদ্যালয়ৰ পৰিয়ালৰ হৈ শিক্ষক, লেখক গৌতম শৰ্মাই এক শোক-বিজ্ঞপ্তিত সংবাদ মাধ্যমক কয় যে জুবিন গাৰ্গৰ মৃত্যু 'এটা যুগৰ অৱসান'।



## শোকস্তব্ধ পশ্চিম দৰংবাসী

দৈনিক অসমৰ প্ৰতিনিধি

**পশ্চিম দৰং, ২০ ছেপ্টেম্বৰ ঃ** পশ্চিম দৰঙৰ বিভিন্ন ৰাজহুৱা স্থানত জুবিন গাৰ্গৰ আত্মাৰ চিৰশান্তি কামনা কৰি প্ৰতিচ্ছবিত বন্তি জ্বলাই শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ইফালে অঞ্চলটোৰ বুঢ়া লোকপ্ৰিয় বৰদলৈ উচ্চ মাধ্যমিক বিদ্যালয়ত অহা ডিচেম্বৰ মাহৰ ২৭ আৰু ২৮ তাৰিখে হ'বলগীয়া প্ৰাক্তন ছাত্ৰ সন্মিলন আৰু মহাৰজত জয়ন্তীৰ সামৰণী অনুষ্ঠানৰ সাংস্কৃতিক অনুষ্ঠানৰ অংশ স্বৰূপে ২৮ ডিচেম্বৰ তাৰিখে প্ৰিয় শিল্পীগৰাকীক অতি হেঁপাহেৰে আমন্ত্ৰণ জনাইছিল। শিল্পীগৰাকীৰ মৃত্যুৰ খবৰ পোৱাৰ পাছতেই আয়োজক সমিতিয়ে শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰি প্ৰতিচ্ছবিত বন্তি জ্বলাই গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

# আপোন শিল্পীক হেৰুৱাই ম্ৰিয়মাণ ৰাজ্যবাসী

## ছিপাঝাৰত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত ঢলি পৰিল চাৰি ছাত্ৰী ঃ কমলপুৰ-নলবাৰীৰ পদূলিয়ে পদূলিয়ে বন্তি প্ৰজ্বলন ঃ ঠায়ে ঠায়ে তিনি দিনলৈ বন্ধ থাকিব দোকান-পোহাৰ ঃ গোৱালপাৰা, দক্ষিণ কামৰূপতো শ্ৰদ্ধাঞ্জলি অনুষ্ঠান




**দৈনিক অসমৰ প্ৰতিনিধি, ছিপাঝাৰ, ২০ ছেপ্টেম্বৰ ঃ** ছিপাঝাৰ উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ত জনপ্ৰিয় কণ্ঠশিল্পী জুবিন গাৰ্গৰ মৃত্যুত আজি অনুষ্ঠিত শোকসভাৰ লগতে শ্ৰদ্ধাঞ্জলি অনুষ্ঠান চলি থকাৰ মাজতে শোকবিহ্বল হৈ ঢলি পৰে উচ্চতৰ মাধ্যমিক শ্ৰেণীত অধ্যয়নৰ চাৰিগৰাকীকৈ ছাত্ৰী। আটাইকেইগৰাকী ছাত্ৰীকে লগে লগে ছিপাঝাৰ প্ৰাথমিক আৰু সামূহিক স্বাস্থ্য কেন্দ্ৰত ভৰ্তি কৰোৱা হয় যদিও ইয়াৰে তিনিগৰাকী ছাত্ৰীক প্ৰাথমিক চিকিৎসাৰ অন্তত ঘৰলৈ যাবলৈ দিয়াৰ বিপৰীতে শ্বাস-প্ৰশ্বাস লোৱাত কষ্ট পোৱা এগৰাকী ছাত্ৰীক চিকিৎসকে মঙলদৈ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে।

**কমলপুৰ-কেন্দুকোণা**

**দৈনিক অসমৰ প্ৰতিনিধি, কমলপুৰ ঃ** জুবিন গাৰ্গৰ মৃত্যুত সমগ্ৰ ৰাজ্যৰ লগতে কমলপুৰ আৰু কেন্দুকোণাতো শোকৰ ছাঁ পৰিছে। কমলপুৰ আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত কমলপুৰৰ বিভিন্ন দল-সংগঠনে জুবিন গাৰ্গক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা ধীৰাজ ৰাজবংশীৰ নেতৃত্বত কমলপুৰৰ সকলো দল-সংগঠন আৰু ব্যৱসায়ীসকলে এক গোট হৈ জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। আনহাতে কেন্দুকোণাত কেন্দুকোণা ব্যৱসায়ী সন্থাৰ উদ্যোগত সচেতন নাগৰিকৰ সহযোগত কেইবা শতাধিক যুৱক-যুৱতীৰ উপস্থিতিত হাতে হাতে মমবাতি লৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। আনহাতে সমগ্ৰ কেন্দুকোণা বজাৰ চ'কত সকলো ব্যৱসায়ীয়ে নিজৰ নিজৰ প্ৰতিষ্ঠানৰ লাইট তিনি মিনিট বন্ধ কৰি প্ৰিয় শিল্পীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। জনপ্ৰিয় কণ্ঠশিল্পী, হাৰ্টথ্ৰ'ব জুবিন গাৰ্গৰ মহাপ্ৰস্থানে সমগ্ৰ ৰাজ্যবাসীক শোকাকুল কৰি তুলিছে। শিল্পীগৰাকীৰ আত্মাৰ সদ্‌গতি কামনাৰে ৰাজ্যজুৰি আৰম্ভ হৈছে শ্ৰদ্ধাঞ্জলি অনুষ্ঠান। ব্যতিক্ৰম নহয় কামৰূপ জিলাৰ কমলপুৰ ৰাজহ চক্ৰৰ অন্তৰ্গত কেন্দুকোণা। বৃহত্তৰ কেন্দুকোণা ব্যৱসায়ী সন্থাই প্ৰিয় শিল্পীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জনাই তিনি দিনলৈ বন্ধ ৰাখিব সকলো ব্যৱসায়িক প্ৰতিষ্ঠান। কমলপুৰ অঞ্চলৰ ব্যৱসায়িক প্ৰাণকেন্দ্ৰ কেন্দুকোণা আৰু কেন্দুকোণা ব্যৱসায়ী সন্থাৰ প্ৰচেষ্টাক সমৰ্থন জনাইছে জুবিন গাৰ্গ প্ৰেমীয়ে।

**সদৌ অসম প্ৰাক্তন আলফা সমন্বয়ৰক্ষী সমিতি**

**গুৱাহাটী ঃ** ডঃ ভূপেন হাজৰিকাৰ পাছতেই সংগীত জগতৰ এজন ভোটাতৰা, নতুন সুৰৰ এক সৃষ্টিকাৰী, থলুৱা শব্দ প্ৰয়োগকৰ্তা, অত্যন্ত ত্যাগী, কষ্টস্বীকাৰক, উদাৰ, পৰোপকাৰী, খেয়ালি মনৰ গৰাকী, যুৱ প্ৰজন্মৰ হিয়াৰ আমঠু, অসমীয়া জাতিৰ স্বাভিমান আৰু বিশ্বৰ সংস্কৃতি পথাৰত নিজকে পৰিচয় দিয়া 'জুবিন গাৰ্গ'ৰ আকস্মিক বিয়োগত সদৌ অসম আলফা সমন্বয়ৰক্ষী সমিতিয়ে গভীৰ দুখ প্ৰকাশ কৰে। জুবিনৰ আত্মাৰ চিৰশান্তি কামনাৰে শ্ৰদ্ধাঞ্জলি জনায় সমন্বয়ৰক্ষী সমিতিয়ে। জুবিন আৰু তেওঁৰ সৃষ্টিৰাজি অমৰ হওক বুলিও কোৱা হয়।

**কলিয়াবৰত জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ শ্ৰদ্ধাঞ্জলি**

**দৈনিক অসমৰ প্ৰতিনিধি, কলিয়াবৰ ঃ** হাৰ্টথ্ৰ'ব জুবিন গাৰ্গৰ আকস্মিকভাৱে মৃত্যু ঘটাত কলিয়াবৰৰ জখলাবন্ধাৰ ত্ৰিবেণী কানন ক্ষেত্ৰত ক্ষেত্ৰ পৰিচালনা সমিতি, কলিয়াবৰ প্ৰেছ ক্লাব, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদকে ধৰি স্থানীয় ৰাইজে গভীৰ প্ৰকাশ কৰি ১৯ ছেপ্টেম্বৰৰ সন্ধিয়া ৭ বজাত এটি শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰে। অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় আমন্ত্ৰিত উপদেষ্টা প্ৰদীপ লস্কৰে জুবিন গাৰ্গৰ প্ৰতিছবিত বন্তি প্ৰজ্বলন কৰাৰ লগতে শোক সন্তপ্ত পৰিয়াল বৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত ত্ৰিবেণী কাননৰ সভাপতি দিলীপ কুমাৰ বৰদলৈ, সম্পাদক নিকু ভাগৱতী, কলিয়াবৰ প্ৰেছ ক্লাবৰ সভাপতি তৰুণ মুক্তিয়াৰ, সম্পাদক গৌতম কুমাৰ বৰা, গোলাপ শইকীয়া, আশিস কুমাৰ শইকীয়া, দিপু বৰা, যুৱ-ছাত্ৰ পৰিষদৰ কলিয়াবৰৰ জিলা সভাপতি চন্দন শইকীয়া, সম্পাদক মৃগাংক বৰা, দীপক বৰা, তৰুণ শইকীয়া, জখলাবন্ধা উচ্চতৰ মাধ্যমিক বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি অচ্যুত শইকীয়া, জখলাবন্ধা গাঁও পঞ্চায়তৰ সভানেত্ৰী বৰ্ণালী দাস মুক্তিয়াৰ, ধনীৰাম দাস, সাংস্কৃতিক কৰ্মী যাদৱ বৰুৱা, ৰিদিপ হাজৰিকা, দুলাল বৰা, বসন্ত দাস, পুণ্যলতা মহন্ত, মুকুল খাউণ্ড, প্ৰদুম্ন দত্ত, দেৱদত্ত ভূঞাকে প্ৰমুখ্যে অৰ্দ্ধশতাধিক লোকে অংশগ্ৰহণ কৰে। জখলাবন্ধা হাস্পতাল চাৰিআলিত যুৱক সংঘই শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰো আয়োজন কৰে।

**নগৰবেৰা**

**দৈনিক অসমৰ প্ৰতিনিধি, নগৰবেৰা ঃ** হাৰ্টথ্ৰ'ব জুবিন গাৰ্গৰ অকাল মৃত্যুত মৰ্মাহত সমগ্ৰ ৰাজ্যবাসী। শিল্পীগৰাকীৰ মৃত্যুৰ প্ৰতি শ্ৰদ্ধা জনাই ৰাজ্যৰ সকলো প্ৰান্তৰ সমান্তৰালকৈ কামৰূপ জিলাৰ নগৰবেৰাৰ বিভিন্ন প্ৰান্তত হাট-বজাৰ, দোকান-পোহাৰ বন্ধ ৰখা হৈছে। প্ৰিয় শিল্পীগৰাকীৰ মৃত্যুত আজি পুৱা ৯ বজাৰ পৰা সন্ধিয়া ৭ বজালৈ ব্যৱসায়িক প্ৰতিষ্ঠানসমূহ সকলোৰে বন্ধ ৰাখিছে। ইফালে কালি সন্ধিয়া ৬ বজাত নগৰবেৰা আঞ্চলিক মৌজা উন্নয়ন সমিতিৰ উদ্যোগত নগৰবেৰা বজাৰৰ মাজমজিয়াত বৃহত্তৰ নগৰবেৰাৰ ৰাইজে ৰাজহুৱাকৈ এখন শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰি শিল্পীগৰাকীক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

**অসম বিজ্ঞান সমিতি**

**গুৱাহাটী ঃ** অসমীয়া জাতিৰ স্বাভিমান, যুৱ প্ৰজন্মৰ হাৰ্টথ্ৰব আৰু অসমৰ সংগীত জগতৰ মহীৰূহ, প্ৰথিতযশা শিল্পী জুবিন গাৰ্গৰ আকস্মিক আৰু অকাল বিয়োগত অসম বিজ্ঞান সমিতি গভীৰভাৱে মৰ্মাহত আৰু শোকস্তব্ধ। তেওঁ কেৱল এজন কণ্ঠশিল্পীয়েই নাছিল, বৰঞ্চ অসমীয়া সংগীতক এক নতুন মাত্ৰা প্ৰদান কৰা এগৰাকী যুগদ্ৰষ্টা আছিল।

**নলবাৰী**

**দৈনিক অসমৰ প্ৰতিনিধি, নলবাৰী ঃ** অসমীয়াৰ হিয়াৰ আমঠু, জনতাৰ শিল্পী জুবিন গাৰ্গৰ মৃত্যুত শোকস্তব্ধ হৈ পৰিছে সমগ্ৰ নলবাৰী জিলা। আজি জিলাখনত প্ৰয়াত শিল্পীগৰাকীলৈ সন্মান জনাই সকলো দোকান-পোহাৰ বন্ধ ৰখা হয়। চৰকাৰী কাৰ্যালয়সমূহ খোলা থাকে যদিও কৰ্মচাৰীৰ উপস্থিতি একেবাৰে সেৰেঙা আছিল। বিদ্যালয়সমূহত আজি ছয় মাহিলি পৰীক্ষা বাতিল কৰা হয়। আজি দিনৰ ভাগত হাজাৰ হাজাৰ জুবিন গাৰ্গৰ অনুৰাগী ৰাজপথলৈ ওলাই আহি 'জয় জুবিন' ধ্বনিৰে মুখৰিত কৰি তোলে। তেওঁলোকে জুবিন গাৰ্গৰ কালজয়ী গীতসমূহ পৰিৱেশন কৰি মৰমৰ শিল্পীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জনায়। ইফালে আজি সন্ধিয়া নলবাৰী চহৰৰ চ'কবজাৰ, জিলিকনি চ'ক, বাটা চ'ক, কলেজ চ'ক আদিত শিল্পীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জনোৱা হয়। ইফালে আজিও জিলাখনৰ প্ৰতিঘৰ লোকে পদূলিমুখত চাকি জ্বলাই মৰমৰ শিল্পীগৰাকীৰ আত্মাৰ সদ্‌গতি কামনা কৰে।

## জুবিন খ্যাত কামপুৰৰ যতীনে পৰিধান কৰিছে বগা সাজ ঃ আদ্যশ্ৰাদ্ধ নোহোৱালৈকে থাকিব উপবাসে



**দৈনিক অসমৰ প্ৰতিনিধি**

**কামপুৰ, ২০ ছেপ্টেম্বৰ ঃ** যুৱ প্ৰজন্মৰ 'হাৰ্টথ্ৰ'ব' জুবিন গাৰ্গৰ গীত গাই কামপুৰত 'ছেকেণ্ড জুবিন' হিচাপে পৰিচিত যতীন হাজৰিকাই কালি প্ৰিয় শিল্পীগৰাকীৰ বিয়োগৰ খবৰ পোৱাৰ পাছতে শোকত ম্ৰিয়মাণ হৈ পৰে। কামপুৰ ঘিলানী গাঁৱৰ যতীন হাজৰিকাই কালিৰে পৰা পৰিধান কৰিছে বগা সাজ আৰু গ্ৰহণ কৰা নাই আহাৰ। হাজৰিকাই প্ৰিয় শিল্পীগৰাকীৰ মৃত্যুক সহজে মানি ল'ব পৰা নাই। তেওঁ জুবিন গাৰ্গৰ আদ্যশ্ৰাদ্ধ নোযোৱা পৰ্যন্ত বগা সাজ পৰিধান কৰি থকাৰ লগতে উপবাসে থাকি মৃতকৰ ঘৰত পালন কৰা নিয়মসমূহ অনুসৰণ কৰি যাব বুলি প্ৰকাশ কৰে।

## জুবিনৰ গীত পৰিৱেশন, কবিতা পাঠেৰে ধুবুৰী উকীল সন্থাৰ কাৰ্যালয়ত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান

**দৈনিক অসমৰ প্ৰতিনিধি**

**ধুবুৰী, ২০ ছেপ্টেম্বৰ ঃ** অসম আৰু অসমীয়াৰ হিয়াৰ আমঠু, গণশিল্পী জুবিন গাৰ্গৰ অকাল বিয়োগত ধুবুৰী উকীল সন্থাই গভীৰ শোকপ্ৰকাশ কৰাৰ লগতে শিল্পীগৰাকীৰ বিদেহ আত্মাৰ সদ্‌গতি কামনাৰে আজি ধুবুৰী উকীল সন্থাই এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰে। আজি দুপৰীয়া ধুবুৰী উকীল সন্থাৰ কাৰ্যালয়ৰ সন্মুখত ধুবুৰী উকীল সন্থাৰ সদস্যসকলে অসমী আইৰ প্ৰিয় সন্তানগৰাকীৰ অকাল মৃত্যুত শোকত ভাগি পৰা দেখা গৈছে। সন্থাৰ সভাপতি এন আই চৌধুৰী আৰু সম্পাদক কামাল উদ্দিন আহমেদৰ উপস্থিতিত সকলো অধিবক্তাই আজি একত্ৰিত হৈ প্ৰিয় শিল্পীগৰাকীৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি অৰ্পণ কৰে। জুবিনৰ গীত পৰিৱেশন, কবিতা পাঠ কৰি উকীল সন্থাৰ সদস্যসকলে কান্দোনত ভাঙি পৰা দেখা যায়। ইপিনে অসমৰ বিশিষ্ট সংগীত শিল্পীগৰাকীৰ অকাল মৃত্যুত ধুবুৰী উকীল সন্থাৰ সভাপতি এন আই চৌধুৰী আৰু সম্পাদক কামাল উদ্দিন আহমেদে অসম তথা অসমীয়াই এক উজ্জ্বল নক্ষত্ৰ হেৰুৱালে বুলি উল্লেখ কৰি তেওঁৰ মৃত্যুৰে অসম তথা ভাৰতৰ সাংস্কৃতিক জগতত বিস্তৰ ক্ষতি কঢ়িয়াই আনিলে বুলি উল্লেখ কৰে। ধুবুৰী উকীল সন্থাই আজি প্ৰিয় শিল্পীগৰাকীৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে।



## প্ৰফুল্ল চন্দ্ৰ শৰ্মা

### এজন ভাল মানুহৰ প্ৰস্থান

৯ ছেপ্টেম্বৰৰ পুৱা ৰেডিঅ'ত তেওঁৰ মৃত্যুৰ বাতৰি শুনি স্তব্ধ হৈ ৰ'লোঁ। কিছুদিন আগতে লগ ধৰি আহিছিলোঁ। মানুহে ধৰি বিচনাৰ পৰা উঠা-নমা কৰাই দিব লাগে। খোজ কাঢ়োতে ধৰি দিব লাগে। কিন্তু মুখত প্ৰশান্তিৰ ভাব। মোৰ মনত এনে বিশ্বাস আছিল যে মানুহজন পুনৰ সুস্থ হৈ উঠিব আৰু প্ৰাতঃভ্ৰমণ, সান্ধ্যভ্ৰমণ কৰিব পাৰিব আৰু সন্তোষ মনেৰে দৈনন্দিন কামবোৰত ব্যস্ত হৈ থাকিব। কিন্তু আজি এটা পৰিপাটি আৰু বৰ্ণাঢ্য জীৱনৰ অন্ত পৰিল। খবৰ পোৱা মাত্ৰকে গৈ তেওঁৰ মৃতদেহত শ্ৰদ্ধাৰে ফুল অৰ্পিত কৰিলোঁ। অন্তিম যাত্ৰাৰ সাক্ষী হৈ শৱযাত্ৰাত ভাগ লৈ নৱগ্ৰহ শ্মশানলৈ গ'লোঁ। এই পৰম সত্য উপলব্ধি কৰিবলৈ যত্ন কৰিলোঁ যে আমাৰ প্ৰিয় মানুহজন আৰু এই সংসাৰত নাই। চকুৰ আগত তেওঁৰ নশ্বৰ দেহা অগ্নিয়ে দাহ কৰা দৃশ্য চাই মই মৌন হৈ পৰিলোঁ। তেওঁৰ সকলো কথা নিৰৱচ্ছিন্নভাৱে মনলৈ আহিবলৈ ধৰিলে। কাশী হিন্দু বিশ্ববিদ্যালয়ত স্নাতকোত্তৰ মহলত পঢ়ি থাকোঁতেই প্ৰফুল্ল চন্দ্ৰ শৰ্মাৰ কথা অহুকাণে-পহুকাণে শুনিবলৈ পাইছিলোঁ। তেতিয়া অসম আন্দোলনৰ ভৰপক আছিল। তৎকালীন মুখ্যমন্ত্ৰীয়ে আন্দোলনকাৰী ছাত্ৰ সমদলৰ ওপৰত গুলীচালনা কৰিবলৈ দিয়া অন্যায় আদেশ তেওঁ সাহসিকতাৰে প্ৰত্যাখ্যান কৰিছিল। প্ৰচণ্ড মেধাশক্তিৰ অধিকাৰী শৰ্মা আন সমস্ত মানৱীয় গুণৰ অধিকাৰী আছিল। আই এ এছ পোৱাৰ আগতে যোৰহাট ৰিছাৰ্চ চেণ্টাৰ, টোকোলাই চাহ গৱেষণা কেন্দ্ৰ আৰু কৃষি বিশ্ববিদ্যালয়ত কৰ্মৰত হৈ থাকোঁতে আটাইকেইটা সংস্থানে পৃথকে পৃথকে তেওঁক বিদেশত উচ্চ শিক্ষাৰ কাৰণে পঠিওৱাৰ ব্যৱস্থা কৰিছিল কিন্তু বন্ধুবৰ্গৰ উৎসাহত আৰু নিজৰ সিদ্ধান্তত ভাৰতীয় প্ৰশাসনিক সেৱা পৰীক্ষাত অৱতীৰ্ণ হৈ উল্লেখযোগ্য স্থানপ্ৰাপ্ত কৰি প্ৰশাসনিক বিষয়াৰূপে নিজক প্ৰতিষ্ঠিত কৰিলে আৰু অসম চৰকাৰৰ মুখ্য সচিব হিচাপে কাৰ্যনিৰ্বাহ কৰি অৱসৰ গ্ৰহণ কৰিলে। নিজ কৰ্তব্যৰ প্ৰতি একান্ত নিষ্ঠা, সৎ সাহস আৰু একাগ্ৰতাৰ কাৰণে তেওঁ আনৰ অনুপ্ৰেৰণাৰ প্ৰতিমূৰ্তি আছিল। যিকোনো ভাল কাম কৰিবলৈ তেওঁ তৎপৰ হৈ থাকিছিল, প্ৰশাসনিক বিষয়াৰূপে কাৰ্যভাৰ লোৱাৰ আগতে এবাৰ বন্ধুৰ ঘৰত বিয়া খাবলৈ যাওঁতে দৈবদুৰ্বিপাকত পুৰোহিতজন অনুপস্থিত হ'ল, ইফালে লগ্নৰ সময় আহি পৰিল। তেতিয়া প্ৰফুল্ল চন্দ্ৰ শৰ্মাই সমগ্ৰ বিয়াখন শুদ্ধ মন্ত্ৰোচ্চাৰণ কৰি সুকলমে সমাধা কৰিলে। ভাল মানুহ হোৱাটো বৰ ভাল কথা কিন্তু ভাল মানুহ হৈ বৰ্তি থকাটো আৰু বেছি ভাল কথা। প্ৰফুল্ল চন্দ্ৰ শৰ্মা প্ৰকৃতাৰ্থত এজন ভদ্ৰলোক আছিল। তেওঁৰ স্বভাৱ-চৰিত্ৰ, আচাৰ-ব্যৱহাৰ, খোজ-কাটল, পিন্ধন-উৰণ, কথা-বতৰা আৰু মনোভাৱ সুন্দৰ আছিল। সৌভাগ্যবশতঃ তেওঁলোক আৰু আমাৰ দুয়োটা পৰিয়ালৰ মাজত বৈবাহিক সম্পৰ্ক স্থাপন হ'লত এই কিংবদন্তি পুৰুষজনক আৰু ওচৰৰ পৰা জানিবলৈ সুযোগ পালোঁ। আমি বিস্ময়াভিভূত হ'লোঁ এজন মানুহ কেনেকৈ ইমান গুণৰ অধিকাৰী হ'ব পাৰে! প্ৰকৃতাৰ্থত আমাৰ জীৱনত যিমানবোৰ ভাল মানুহ আজিলৈকে লগ পাইছিলোঁ সকলোৰে সৎ গুণৰ যেন তেওঁ এক সুন্দৰ সংমিশ্ৰণ আছিল। এজন প্ৰাক্তন মুখ্যমন্ত্ৰীৰ ভায়েকৰ ভয়ংকৰ গাড়ী দুৰ্ঘটনাত গুৰুতৰভাৱে আহত অৱস্থাত চিকিৎসালয়ত ডাক্তৰ আদি তদাৰক কৰি কঠোৰ পৰিশ্ৰম কৰি প্ৰাণ বচাইছিল। আপোনজনৰ ৰোগ-ব্যাধিত তেওঁ আশাশুধীয়াভাৱে পৰিচৰ্যা কৰিছিল। অতিৰিক্ত মুখ্য সচিব হৈ থাকোঁতে এদিন মোৰ উপস্থিতিত তেওঁৰ ব্যক্তিগত ৰান্ধনিজনৰ পিতাক উপস্থিত হ'লহি, সেইদিনা ঘৰত আন সদস্য কোনো নাছিল। তেওঁ নিজে চাহ দুকাপ কৰি বৃদ্ধ মানুহজনক আপ্যায়িত কৰিছিল। এনেহেন অহংকাৰশূন্য অতিথিবৎসল পুৰুষ আছিল। পঞ্চভূতৰ পৰা নিৰ্মিত শৰীৰ চাই থাকোঁতেই অগ্নিয়ে পুৰি ছাই কৰি দিলে। পঞ্চভূতত বিলীন হ'ল। আত্মা পৰমাত্মাৰ লগত মিলি গ'ল। এইহেন ক্ষণজন্মা ভব্য পুৰুষৰ সংস্পৰ্শত আহিছিলোঁ, নিজকে সৌভাগ্যৱান বোধ কৰি তেওঁক অন্তিম বিদায় জনালোঁ। নিশ্চিতভাৱে তেওঁৰ স্থূল শৰীৰ বিলীন হৈ গ'ল কিন্তু তেওঁৰ সূক্ষ্ম শৰীৰ আমাৰ স্মৃতিত সদায় সজীৱ আৰু প্ৰেৰণাদায়ক হৈ থাকিব।— আমৃত্যু তেওঁৰ গুণমুগ্ধ হৈ থাকিম। আজি তেওঁৰ মৎস্যস্পৰ্শৰ দিনা পৰমপিতা পৰমেশ্বৰক এয়ে প্ৰাৰ্থনা কৰিছোঁ যে তেওঁ যেন পুনৰ এই দেশত জন্ম লৈ মানুহৰ আশা-আকাংক্ষা, প্ৰেৰণাৰ প্ৰতীক হৈ দেশৰ উন্নতিত অৰিহণা যোগাই থাকে। ওম শান্তি ওম।

**দেৱজিৎ শৰ্মা**

## লেখিকা সমাৰোহৰ চেতনা দিৱসৰ কাৰ্যসূচী স্থগিত

**দৈনিক অসমৰ প্ৰতিনিধি**

**গোৱালপাৰা, ২০ ছেপ্টেম্বৰ ঃ** অসমৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ অকাল মৃত্যুত কালিৰে পৰা শোকত স্তব্ধ হৈ পৰিছে গোৱালপাৰাবাসী। কালি সন্ধিয়া বিভিন্ন দল-সংগঠন আৰু প্ৰতিষ্ঠানে জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰি শ্ৰদ্ধাঞ্জলি নিবেদন কৰিছে। আজি গোৱালপাৰাৰ 'মুকুতামালা', গোৱালপাৰা জিলা সাহিত্য সভা, গোৱালপাৰা সাহিত্য সভা, গোৱালপাৰা লেখিকা সমাৰোহ সমিতি, জিলা লেখিকা সমাজ, শাস্ত্ৰীয় সংগীত সন্মিলনী, জ্যেষ্ঠ নাগৰিক সন্মিলন, জিলা পেন্সনাৰ সন্থা, কৃষ্ণা কলাকেন্দ্ৰ, গোৱালপাৰা মহাবিদ্যালয়, সুন্দৰ নিকেতনকে ধৰি কেইবাটাও অনুষ্ঠানে শোক প্ৰকাশ কৰি বাৰ্তা প্ৰেৰণ কৰিছে। আজি সন্ধিয়া গোৱালপাৰা জিলা সাংবাদিক সন্থা, গোৱালপাৰা ৰাইজ, গোৱালপাৰা জিলা ক্ৰীড়া সন্থা, চি পি আই (এম), এছ এফ আই, সদৌ গোৱালপাৰা জিলা সত্ৰ মহাসভা, দুৰ্গা মন্দিৰ পৰিচালনা সমিতি, মিলন নগৰ নামঘৰ সমিতি, বিওচি দুৰ্গা পূজা সমিতি, বাপুজী নগৰ প্ৰতিধ্বনি ক্লাবকে ধৰি বহু প্ৰতিষ্ঠানে বন্তি প্ৰজ্বলন কৰি প্ৰিয় শিল্পীজনালৈ শ্ৰদ্ধাঞ্জলি জনাইছে। সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ আজি গোৱালপাৰাত জিলা লেখিকা সমিতিৰ আতিথ্যত অনুষ্ঠিতব্য 'চেতনা দিৱস'ত শ্ৰদ্ধা তৰ্পণ কাৰ্যসূচীৰ বাহিৰে আন কাৰ্যসূচী স্থগিত ৰাখিছে।

## ৰঙিয়াৰ কেন্দ্ৰীয় বিদ্যালয়ত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান

**দৈনিক অসমৰ প্ৰতিনিধি**

**ৰঙিয়া, ২০ ছেপ্টেম্বৰ ঃ** জুবিন গাৰ্গৰ আকস্মিক মৃত্যুত সমগ্ৰ অসমবাসীৰ লগতে ৰঙিয়া কেন্দ্ৰীয় বিদ্যালয় পৰিয়ালো ম্ৰিয়মাণ হৈ পৰিছে। শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকসকলে আজি দিনৰ প্ৰায় ১০.৩০ বজাত শিল্পীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জনায়। ৰঙিয়া কেন্দ্ৰীয় বিদ্যালয়ৰ অধ্যক্ষ শেষানুজ সৰকাৰে জুবিনৰ প্ৰতিচ্ছবিৰ সন্মুখত এগছি চাকি আৰু ধূপ জ্বলাই শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। অভিভাৱক প্ৰকাশ বৈশ্যই আঁতধৰা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত উপস্থিত থাকি ৰঙিয়াৰ প্ৰাক্তন বিধায়ক অনন্ত ডেকাই ৫২ বছৰ বয়সতে জুবিন গাৰ্গে অসমৰ সাংস্কৃতিক জগতখনক যি স্থানত প্ৰতিষ্ঠা কৰিলে, সেয়া ১০০ বছৰ বয়সতো বেলেগে নোৱাৰে বুলি উল্লেখ কৰি জুবিনৰ অপৰিসীম সম্ভাৱনা আৰু কৰ্মজীৱনৰ সোঁৱৰণ কৰে। অনুষ্ঠানত উপস্থিতি থাকি ক্ৰীড়া বিভাগৰ শিক্ষক চৈয়দ তফিকুল ইছলামৰ উপৰি অভিভাৱক আৰু শিক্ষাৰ্থীয়ে মৰমৰ শিল্পীগৰাকীলৈ শ্ৰদ্ধা জনাই বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰে।

### দক্ষিণ কামৰূপৰ বিভিন্ন দল-সংগঠনৰ জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি

## শ্যামকানু মহন্তক কঠোৰ শাস্তিৰ দাবী

**দৈনিক অসমৰ প্ৰতিনিধি**

**পলাশবাৰী, ২০ ছেপ্টেম্বৰ ঃ** কামৰূপ জিলাৰ পলাশবাৰী সমষ্টিৰ অন্তৰ্গত বৰিহাটত বিভিন্ন দল-সংগঠনে জুবিন গাৰ্গলৈ আজি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। বৃহত্তৰ আমৰাংগা-বৰিহাট নাগৰিক মঞ্চৰ উদ্যোগত ত্ৰিধাৰা আঞ্চলিক কলা সংঘ প্ৰাংগণত জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জনোৱা হয়। মঞ্চৰ সভাপতি প্ৰাণেশ্বৰ কলিতা, সম্পাদক প্ৰভাত দাসকে ধৰি আন সদস্য-বিষয়ববীয়া ৰেকৰ্ড আলী, প্ৰদীপ গোস্বামী, কুশল ডেকা, গুৰুচৰণ কলিতা, গজেন দাস, তৰুণ মোহন দাস, দীনেশ দাস, প্ৰদীপ দাস, ভোগেশ্বৰ দাস, উমেশ দাস, প্ৰফুল্ল দাস, শ্ৰীকান্ত কৈৱৰ্ত, উপেন্দ্ৰ নাথ ঠাকুৰীয়া, সুদাম দাস, হেমন্ত তালুকদাৰ, তপন দাস, মণ্টু দাসকে ধৰি বহুকেইজন বিশিষ্ট লোক উপস্থিত থাকি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। 'কা' আন্দোলনক ভিত্তি কৰিয়েই জন্মলাভ কৰা এই বৃহত্তৰ আমৰাংগা-বৰিহাট নাগৰিক মঞ্চই লগতে শিল্পীগৰাকীক মৃত্যুৰ মুখলৈ ঠেলি কাৰ্যত এই ফেষ্টিভেলৰ মূল উদ্যোক্তা শ্যামকানু মহন্তকে ধৰি আনসকলৰো শাস্তিৰ দাবী উত্থাপন কৰে। লগতে এই শ্ৰদ্ধাঞ্জলি অনুষ্ঠানতে আন কেইবাটাও গুৰুত্বপূৰ্ণ বিষয়ত আলোচনা কৰা হয়। আকৌ বৰিহাটত ব্যৱসায়িক সন্থাৰ সভাপতি কুশল ডেকা আৰু সম্পাদক কন্দৰ্প দাসৰ পৰিচালনাত সন্ধিয়াৰ ভাগত জুবিন গাৰ্গৰ মৃত্যুত শ্ৰদ্ধাঞ্জলি জনোৱা হয়। অনুষ্ঠানত গণশিল্পী আনন্দ দাস, অৱসৰপ্ৰাপ্ত বিষয় শিক্ষক গিৰিশ দাস, গুৱাহাটী বিশ্ববিদ্যালয়ৰ গৱেষক ছাত্ৰ ধনমণি দাস, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষকদ্বয় ৰামচৰণ দাস, সুনীল ঠাকুৰীয়া, ব্যৱসায়ী অনিল ঠাকুৰীয়া, জ্যোতি প্ৰসাদ দাস, মানবেন্দ্ৰ ঠাকুৰীয়াকে ধৰি বহুকেইজন বিশিষ্ট লোক, ব্যৱসায়ীয়ে শ্ৰদ্ধা নিবেদন কৰে। লগতে বৰিহাট অঞ্চলৰ আমৰাংগা কলা মন্দিৰ, ত্ৰিধাৰা আঞ্চলিক কলা সংঘ, নৱাৰুণ সাহিত্য সভা, চৌধুৰীপাৰা জ্ঞানজ্যোতি পুথিভঁৰাল, আন কেইবাটাও ব্যৱসায়িক প্ৰতিষ্ঠানত শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। তদুপৰি দক্ষিণ কামৰূপৰ মিৰ্জা, পলাশবাৰী, বিজয়নগৰ, ঝাৰোবাড়ী, লোহাৰঘাট, উকিয়াম, ৰাণী, তিনিআলি আদি ঠাইত শিল্পীগৰাকীৰ মৃত্যুত শ্ৰদ্ধাঞ্জলি জনোৱা হয়। শিল্পীগৰাকীৰ মৃত্যুত পলাশবাৰী অঞ্চলটোত প্ৰায় দোকান-পোহাৰ বন্ধ ৰখা হয় আৰু কেইবাটাও ৰেলী উলিওৱা হয়। আকৌ জুবিন গাৰ্গৰ মৃত্যুত নিখিল ৰাভা জাতীয় পৰিষদৰ সভাপতি/মুখ্য সম্পাদক বাবুল চন্দ্ৰ ৰাভা আৰু গোবিন্দ ৰাভাই গভীৰ শোক প্ৰকাশ কৰে। শিল্পীগৰাকীক শ্ৰদ্ধা জনাই পৰিষদৰ পতাকা অৰ্ধনমিত কৰি ৩ দিন শোক দিৱস পালন কৰিবলৈ সকলো ৰাজ্যিক তথা জিলা কমিটীক এক বিজ্ঞপ্তিযোগে আহ্বান জনায়। লগতে তেওঁলোকে অসমৰ সংগীত জগতৰ সুৰ আৰু কণ্ঠৰ যাদুকৰ জুবিন গাৰ্গক অকাল মৃত্যুৰ মুখলৈ ঠেলি দিয়া 'নৰ্থ ইষ্ট ফেষ্টিভেল' পতা দলটিক সঠিক তদন্তৰ দ্বাৰা শাস্তি প্ৰদান কৰাৰ লগতে পৰিয়ালক উপযুক্ত ক্ষতিপূৰণ প্ৰদান কৰিবলৈ অসম চৰকাৰ তথা সাংস্কৃতিক বিভাগক নিখিল ৰাভা জাতীয় পৰিষদে দাবী জনায়। শেষত শোকসন্তপ্ত পৰিয়ালবৰ্গক সমবেদনা জনোৱাৰ লগতে জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জনায়।



### অসম নাট্য সন্মিলনৰ ব্ৰজনাথ শৰ্মা স্মাৰক বক্তৃতানুষ্ঠানত ময়ূৰ বৰা

## মহান মনীষীসকলে কেতিয়াও মনান্তৰ হ'বলৈ নিদিয়ে

**দৈনিক অসমৰ প্ৰতিনিধি**

**নগাঁও, ২০ ছেপ্টেম্বৰ ঃ** অসম নাট্য সন্মিলনৰ উদ্যোগত, সন্মিলনৰ নগাঁও জিলা সমিতিৰ সহযোগত সৈনিক শিল্পী ব্ৰজনাথ শৰ্মা সোঁৱৰণী নাট্য সপ্তাহৰ সামৰণি অনুষ্ঠান কালি নগাঁও বিশ্ববিদ্যালয়ত অনুষ্ঠিত হয়। সভাৰ আৰম্ভণিতে কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা, নটসূৰ্য ফণী শৰ্মা, সুধাকণ্ঠ ডঃ ভূপেন হাজৰিকাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তিপ্ৰজ্বলন কৰা হয়। অসম নাট্য সন্মিলনৰ সভাপতি কুমাৰ দীপক দাসৰ সঞ্চালনাত অনুষ্ঠিত ব্ৰজনাথ শৰ্মা সোঁৱৰণি স্মাৰক বক্তৃতা অনুষ্ঠান উদ্বোধন কৰি দিয়া চমু ভাষণত নগাঁও বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ডঃ হিতেশ ডেকাই সৈনিক শিল্পী ব্ৰজনাথ শৰ্মাৰ জীৱন পৰিক্ৰমাৰ বিষয়ে উল্লেখ কৰি কয় ঃ বিশ্বৰ একক আৰু অনন্য অনুষ্ঠান হৈছে অসমৰ ভ্ৰাম্যমাণ থিয়েটাৰ। অনুষ্ঠানত নিৰ্দিষ্ট বক্তাৰ ভাষণ প্ৰদান কৰি বিশিষ্ট চিন্তাবিদ, লেখক ময়ূৰ বৰাই কয় যে ব্ৰজনাথ শৰ্মাইসহ অভিনেত্ৰীক সুযোগ দিয়াৰ বাটকটীয়া আছিল। প্ৰত্যাহ্বানৰ মাজতো মহিলাক মঞ্চত অভিনয়ৰ সুযোগ দিছিল। সেই সময়ত নগাঁৱৰ পুৰণিগুদাম, চামগুৰিৰ দীনমাই, সৰ্বেশ্বৰী, ফুলেশ্বৰী আদিৰ লগতে অসমৰ বিভিন্ন স্থানৰ মহিলাক মঞ্চত অভিনয়ৰ সুযোগ দিছিল ব্ৰজনাথ শৰ্মাই। এইসকল মহিলাকো আমি শ্ৰদ্ধা জনোৱা উচিত। এইসকলক শ্ৰদ্ধা নজনালে ব্ৰজনাথ শৰ্মাৰ শ্ৰদ্ধাঞ্জলি সম্পূৰ্ণ নহ'ব। বিভিন্ন তথ্য আৰু উদাহৰণেৰে ভাষণ প্ৰদান কৰি ময়ূৰ বৰাই কয় যে সম্প্ৰতি ব্ৰজনাথ শৰ্মা আমাৰ মাজৰ পৰা হেৰাই যোৱাৰ উপক্ৰম হৈছে। বিষ্ণুপ্ৰসাদ ৰাভা, নটসূৰ্য ফণী শৰ্মা, ব্ৰজনাথ শৰ্মা, সুধাকণ্ঠ ডঃ ভূপেন হাজৰিকাৰ প্ৰসংগ উল্লেখ কৰি ময়ূৰ বৰাই কয় যে এনে মনীষীসকলে কেৱল সুকুমাৰ কলাৰ বিকাশত গুৰুত্ব দিয়া নাছিল। তেওঁলোকে সমাজত সমতাৰ ভাব সৃষ্টি কৰিছিল। মহান মনীষীসকলৰ মাজত মতান্তৰ থাকিব পাৰে, কিন্তু মনান্তৰ হ'বলৈ নিদিয়ে। ব্ৰজনাথ শৰ্মা সমাজবাদৰ প্ৰতি আকৰ্ষিত আছিল বুলি উল্লেখ কৰি কয় যে ব্ৰজনাথ শৰ্মাই ভ্ৰাম্যমাণ নাট্য আন্দোলনৰ গুৰি ধৰিছিল। শংকৰদেৱ-মাধৱদেৱৰ কথা উল্লেখ কৰি এই দুজনা মহাপুৰুষে সমতা আৰু ভাতৃত্ববোধেৰে সাম্যবাদৰ পোষকতা কৰিছিল। নতুন প্ৰজন্মই বিষ্ণুপ্ৰসাদ ৰাভা, ফণী শৰ্মা, ডঃ ভূপেন হাজৰিকা আদি বৰেণ্য ব্যক্তিৰ বিষয়ে অন্ততঃ দুই মিনিটৰ এটা ৰীল বনালে আমাৰ সমাজত আশাপ্ৰদ প্ৰভাৱ পৰিব। তেওঁ নতুন প্ৰজন্মৰ মাজত আশাৰ বাৰ্তা দেখা পাওঁ বুলি উল্লেখ কৰে। সন্মিলনৰ সাধাৰণ সম্পাদক সন্তৰাম দাসে উদ্দেশ্য ব্যাখ্যা কৰা সভাত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰি অসম নাট্য সন্মিলনৰ উপ-সভাপতি ভূপেন গোস্বামীয়ে ব্ৰজনাথ শৰ্মাৰ জীৱন দৰ্শনৰ বিষয়ে বিস্তাৰিতভাৱে উল্লেখ কৰি কয় যে নাটক সকলো কলাৰ ভিতৰত শ্ৰেষ্ঠ। অনুষ্ঠানত আদৰণী ভাষণ প্ৰদান কৰে সন্মিলনৰ নগাঁও জিলা সমিতিৰ সভাপতি মনোজ বৰদলৈয়ে। অনুষ্ঠানত সন্মিলনৰ ৰাজ্যিক সমিতিৰ কাৰ্যকৰী সভাপতি হিৰণ্য হাজৰিকা, নাট্যকাৰ সপোনটি বৰদলৈ, গল্পকাৰ শিৱানন্দ কাকতি, নগাঁও বিশ্ববিদ্যালয়ৰ কুল সচিব ধ্ৰুৱজ্যোতি বৰুৱা, শিক্ষাবিদ মোহিনী মোহন ডেকা, নাট্যকাৰ জয়ন্ত বৰা, পৱিত্ৰ কলিতা, সাংবাদিক কনক হাজৰিকা, বীৰেন বৰা, পৰিচালক প্ৰশান্ত বৰা, সন্মিলনৰ নগাঁও জিলা সমিতিৰ সম্পাদক জিতুমণি মহন্ত, কাৰ্যকৰী সভাপতি ৰঞ্জন তামুলী আদিয়ে অংশগ্ৰহণ কৰে। ইয়াৰ আগতে পুৱা নগাঁও জিলা পুথিভঁৰালত পতাকা উত্তোলনেৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰে সন্মিলনৰ সভাপতি কুমাৰ দীপক দাসে।



আপোন শিল্পীৰ প্ৰতিচ্ছবিৰ সন্মুখত অনুৰাগীৰ শ্ৰদ্ধাঞ্জলি, গুৱাহাটীত







মায়াৱিনী নিশা...ৰ কথা ক'বলৈ আৰু নাহে খেয়ালী শিল্পী জুবিন

# ৰাজ্যৰ প্ৰান্তে প্ৰান্তে জুবিনক স্মৰণ

## বাতিল কৰম উৎসৱৰ কাৰ্যসূচী

**দৈনিক অসমৰ প্ৰতিনিধি**

**ধনশিৰি, ২০ ছেপ্টেম্বৰ ঃ** কাকো খাতিৰ নকৰি সাগৰৰ বক্ষত নিৰৱে শুই পৰা অসমীয়াৰ হিয়াৰ আমঠু জুবিনবিহীন প্ৰথমটো দিন স্বতঃস্ফূৰ্তভাৱে স্তব্ধ হৈ পৰে সৰুপথাৰ সমজিলাৰ জনজীৱন। আজি পুৱাৰে পৰা সমগ্ৰ সমজিলাখনৰ বাসিন্দাসকলে গণশিল্পীগৰাকীৰ প্ৰতি গভীৰ শ্ৰদ্ধা জনাই সকলোধৰণৰ ব্যৱসায়িক প্ৰতিষ্ঠান, ব্যৱসায়িক যান-বাহন আদিৰ চলাচলৰ লগতে সকলোধৰণৰ কাৰ্যসূচী বাতিল কৰে। আটছাৰ সৰুপথাৰ শাখাৰ উদ্যোগত অহা ২২ ছেপ্টেম্বৰত অনুষ্ঠিত হ'ব লগা কৰম উৎসৱো বাতিল কৰা হয়। ইপিনে, আজিও অঞ্চলটোৰ বিভিন্ন স্থানত শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনাই শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰি থকা হৈছে। আজি সন্ধিয়া ৫ আৰু ৬ বজাত ক্ৰমে ধনশিৰি নিৰ্মাণ গোট আৰু সৰুপথাৰ ব্যৱসায়ী সন্থাৰ উদ্যোগত সৰুপথাৰ নগৰৰ গান্ধী মূৰ্তিৰ সমীপত পৃথকে পৃথকে বিশেষ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰে। ইপিনে, সমজিলাখনৰ বৰপথাৰ নগৰতো কেইবাটাও স্থানত মাৰোৱাৰী সমাজ, বাৰোৱাৰী যুৱ সংঘ আদিয়ে সন্ধিয়া বিশেষ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰিছে। তদুপৰি সমজিলাখনৰ প্ৰায় সকলো শিক্ষানুষ্ঠান, কাৰ্যালয়, আন বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানেও প্ৰয়াত শিল্পীজনাৰ প্ৰতি গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰি তেওঁৰ আত্মাৰ সদ্‌গতিৰ অৰ্থে মৌন প্ৰাৰ্থনা জনাইছে।

**জুবিনবিহীন এটা দিন স্তব্ধ সৰুপথাৰ সমজিলা**

## দেৰগাঁৱত পূৰ্বৰংগ বহুমুখী লোককলা পৰিশীলন কেন্দ্ৰ মুকলি

**দৈনিক অসমৰ প্ৰতিনিধি**

**দেৰগাঁও, ২০ ছেপ্টেম্বৰ ঃ** দেৰগাঁৱত পূৰ্বৰংগ বহুমুখী লোককলা পৰিশীলন কেন্দ্ৰ নামেৰে এটি অনুষ্ঠানৰ শুভাৰম্ভণি কৰা হয়। দেৰগাঁও শিশু ভাৰতী ইংলিছ বিদ্যালয়ৰ সমীপতে থকা দেৰগাঁও উত্তৰ ফাল্গুনী যুৱক সংঘৰ কাৰ্যালয় চৌহদত মুকলি কৰা এই কেন্দ্ৰটোত শিশুসকলৰ মানসিক, শাৰীৰিক আৰু বৌদ্ধিক উত্তৰণৰ ক্ষেত্ৰত সহায় হোৱাকৈ অভিজ্ঞ প্ৰশিক্ষকৰ দ্বাৰা গায়ন-বায়ন, সত্ৰীয়া নৃত্য, লোকনৃত্য, সৃষ্টিশীল নৃত্য, বিহু নৃত্য, ফুটবল, ভলীবল আদি প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হ'ব। পুৱা গছপুলি ৰোপণ, স্মৃতি তৰ্পণ আৰু নাগাৰা নাম পৰিৱেশনৰ পাছতে গাম্ভীৰ্যপূৰ্ণ পৰিৱেশৰ মাজত কেন্দ্ৰটি আনুষ্ঠানিকভাৱে মুকলি কৰে বোকাখাতৰ সমাজকৰ্মী দীপক হাজৰিকাই। কেন্দ্ৰটোত প্ৰশিক্ষণ গ্ৰহণ কৰিবলৈ আগ্ৰহী ছাত্ৰ-ছাত্ৰীসকলক সবিশেষ জানিবৰ বাবে পূৰ্বৰংগ বহুমুখী লোককলা পৰিশীলন কেন্দ্ৰৰ মুখ্য সম্পাদক ৰাজীৱ নাথৰ ফোন ঃ ৭৫৭৮৮-৬৮৫৬৩ নম্বৰত যোগাযোগ কৰিবলৈ আহ্বান জনাইছে।

### মাৰ্ঘেৰিটা-ডুমডুমা-শদিয়া-ডিগবৈ-মাকুম

**দৈনিক অসমৰ প্ৰতিনিধি**

**তিনিচুকীয়া, ২০ ছেপ্টেম্বৰ ঃ** মহান শিল্পী জুবিন গাৰ্গৰ মৃত্যুত তিনিচুকীয়া জিলা প্ৰশাসনো মৰ্মাহত হৈ পৰিছে। আজি পুৱা কাৰ্যালয় আৰম্ভণিৰ সময়তে তিনিচুকীয়া জিলাৰ আয়ুক্ত স্বপ্নীল পালে নিজা কাৰ্যালয়ত যুৱপ্ৰজন্মৰ হৃদয়ৰ শিল্পীগৰাকীলৈ শ্ৰদ্ধা নিবেদন কৰে। জিলা আয়ুক্তৰ কাৰ্যালয়ত জুবিন গাৰ্গৰ প্ৰতিচ্ছবি স্থাপন কৰি তাত মাল্যাৰ্পণ আৰু বন্তি প্ৰজ্বলন কৰা হয়। আয়ুক্তৰ কাৰ্যালয়ৰ সমূহ বিষয়া-কৰ্মচাৰীয়েও প্ৰয়াত শিল্পীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। একেদৰে জিলাখনৰ মাৰ্ঘেৰিটা-ডুমডুমা-শদিয়া, ডিগবৈ আৰু মাকুম সমজিলা আয়ুক্তৰ কাৰ্যালয়তো অসমীয়াৰ হিয়াৰ আমঠু শিল্পীগৰাকীৰ প্ৰতিচ্ছবি স্থাপন কৰি শ্ৰদ্ধা নিবেদন কৰে। জিলা তথ্য আৰু জনসংযোগ বিষয়া বিকাশ শৰ্মাই জনোৱা মতে, জিলাখনৰ পৰিবহণ, লোকনিৰ্মাণ, স্বাস্থ্য, পঞ্চায়ত, জনসংযোগ প্ৰমুখ্যে প্ৰায়বোৰ বিভাগীয় কাৰ্যালয়, খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়, চক্ৰ বিষয়াৰ কাৰ্যালয় আদিতো জুবিন গাৰ্গৰ প্ৰতিচ্ছবি স্থাপন কৰি মাল্যাৰ্পণ আৰু বন্তি প্ৰজ্বলন কৰা হয়। পুৱা সকলো বিষয়া-কৰ্মচাৰী এই প্ৰতিচ্ছবিৰ সন্মুখত সমৱেত হৈ প্ৰয়াত শিল্পীগৰাকীৰ স্মৃতিত এক মিনিট মৌন প্ৰাৰ্থনাও কৰে। অৱশ্যে চৰকাৰী কাৰ্যালয়সমূহৰ নিয়মীয়া কামকাজ অব্যাহত থাকে।

### সদৌ অসম মইনা পাৰিজাত

**দৈনিক অসমৰ প্ৰতিনিধি, গোলাঘাট ঃ** অসমীয়া জাতিৰ হিয়াৰ আমঠু, গীতিকাৰ-সুৰকাৰ-বোলছবি নিৰ্মাতা; সংগীতেৰে জগত জিনা জুবিন গাৰ্গৰ আকস্মিক বিয়োগত সদৌ অসম মইনা পাৰিজাতে গভীৰ শোক প্ৰকাশ কৰিছে। সদৌ অসম মইনা পাৰিজাতৰ সভাপতি কেশৱ মহন্ত আৰু সম্পাদকপ্ৰধান ৰাতুল বৰাই এক প্ৰেছ বিজ্ঞপ্তিত জানিবলৈ দিছে যে জুবিন গাৰ্গৰ মৃত্যুত সদৌ অসম মইনা পাৰিজাতে গভীৰ শোক প্ৰকাশ কৰি তেওঁৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছে।

### টীয়কৰ বিভিন্ন স্থানত

**দৈনিক অসমৰ প্ৰতিনিধি, টীয়ক ঃ** জুবিন গাৰ্গৰ আকস্মিক মৃত্যুত ম্ৰিয়মাণ হৈ পৰা টীয়কবাসীয়ে আজি নগৰখনৰ লগতে গাঁৱে গাঁৱে ভিন ভিন কাৰ্যসূচীৰে শিল্পীজনৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত কৰে। শিল্পী জুবিন গাৰ্গৰ মৃত্যুত শোক প্ৰকাশ কৰি টীয়ক, জগদুৱাৰ, কলীয়াপানী, হাঁহচৰা, মুদৈজান, বাদুলীপুখুৰী, কমাৰখাটোৱাল, কাকজান, লাহদৈগড় বাণিজ্য সন্থাই আজি আৰু কাইলৈৰ দিনটোত ব্যৱসায়িক প্ৰতিষ্ঠান বন্ধ ৰখাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। আনহাতে, যুৱ চিত্ৰশিল্পী নৱজ্যোতি কোঁৱৰে জুবিন গাৰ্গৰ প্ৰতিচ্ছবি টীয়ক নগৰৰ মাজমজিয়াৰ ফ'ৰলেন পথত থকা সুৰংগৰ বেৰত অংকন কৰি তেওঁৰ স্মৃতি চিৰযুগমীয়া কৰি ৰখাৰ চেষ্টা কৰে। বিয়লি অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ টীয়ক আঞ্চলিকৰ উদ্যোগত টীয়ক থানাৰ সন্মুখত শিল্পীগৰাকীৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰি ৰাজহুৱাভাৱে শ্ৰদ্ধাঞ্জলি জনোৱাৰ লগতে তেওঁৰ আত্মাৰ সদ্‌গতিৰ অৰ্থে সৰ্বধৰ্মীয় প্ৰাৰ্থনা সভা অনুষ্ঠিত কৰে। ২নং কাৰৈমাৰী নামঘৰ প্ৰাংগণত স্থানীয় ৰাইজে শিল্পীজনক শ্ৰদ্ধাঞ্জলি জনাই সৰ্বধৰ্মীয় প্ৰাৰ্থনা সভা অনুষ্ঠিত কৰে। কেন্দ্ৰীয় যুৱ সমাজৰ উদ্যোগত টীয়ক হাস্পতাল তিনিআলিত শিল্পীজনৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰি ৰাজহুৱাভাৱে শ্ৰদ্ধাঞ্জলি জনাই মৌন সমদল কৰে। অনিৰ্বাণ সাংস্কৃতিক কেন্দ্ৰৰ কাৰ্যালয় চৌহদত, টীয়ক উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয়, বনাই বাৰেঘৰ চাৰিআলি, বাদুলীপুখুৰী তিনিআলি, কাকজান খেলপথাৰ আৰু গাঁৱে-ভূঞে সন্ধিয়া ৰাজহুৱাভাৱে শিল্পীজনক শ্ৰদ্ধাঞ্জলি জনায়। এই অনুষ্ঠানসমূহত উপস্থিত থকা শোকাকুল জনগণে জুবিন গাৰ্গৰ মৃত্যু সহজভাৱে ল'ব পৰা নাই। টীয়কৰ ৰাইজে এই ঘটনাৰ এটা উচ্চস্তৰীয় তদন্ত হোৱাটো বিচাৰিছে।

আনহাতে, অসম আৰু অসমীয়াৰ হিয়াৰ আমঠু, সংগীত শিল্পী জুবিন গাৰ্গক আজি কাকজান মহাবিদ্যালয় চৌহদত শ্ৰদ্ধাঞ্জলি জনোৱা হয়। তদুপলক্ষে মহাবিদ্যালয়ৰ অধ্যক্ষ, উপাধ্যক্ষ, শিক্ষক গোটৰ সভাপতি-সম্পাদককে প্ৰমুখ্য কৰি অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰীসকল আৰু ছাত্ৰ-ছাত্ৰীয়ে এখন শোকসভা অনুষ্ঠিত কৰে। অধ্যক্ষ ডঃ ৰশ্মিৰেখা শইকীয়াই শিল্পীগৰাকীৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰাৰ পাছত উপস্থিতসকলে শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি অৰ্পণ কৰে। সহকাৰী অধ্যাপক তুফেল জিলানিয়ে আঁত ধৰা অনুষ্ঠানত অধ্যক্ষ আৰু উপাধ্যক্ষ ডঃ ক্ষীৰোদ শইকীয়াই জুবিন গাৰ্গৰ মৃত্যুত শোক প্ৰকাশ কৰি বক্তব্য প্ৰদান কৰে। সহযোগী অধ্যাপক ডঃ পংকজ গোস্বামীয়ে জুবিন গাৰ্গৰ জীৱন আৰু কৃতী সম্পৰ্কে বৰ্ণনা কৰে। জুবিন গাৰ্গৰ বিদেহ আত্মাৰ সদ্‌গতি কামনা কৰি এই অনুষ্ঠানত এক মিনিট সময় প্ৰাৰ্থনা কৰা হয়। জুবিন গাৰ্গৰ প্ৰতি মৰম আৰু সন্মান প্ৰদৰ্শন কৰি মহাবিদ্যালয়ৰ চৌহদত অধ্যক্ষই এটা গছপুলি ৰোপণ কৰে।



### মৰাণত জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি

**দৈনিক অসমৰ প্ৰতিনিধি, মৰাণ ঃ** সাহিত্য-সংস্কৃতি চৰ্চাৰ অনুষ্ঠান 'জোনাকী মেল'ৰ ২২৯সংখ্যক বৈঠকখন যোৱা ১৯ ছেপ্টেম্বৰৰ সন্ধিয়া মৰাণৰ বিশিষ্ট নাগৰিক, সমাজকৰ্মী দেউকী নন্দন আগৰৱালাৰ পৰিয়ালবৰ্গৰ আতিথ্যত 'মৰাণ জ্যেষ্ঠ নাগৰিক সন্মিলন'ৰ কাৰ্যালয় তথা লায়ন মুংগীলাল আগৰৱালাৰ ভৱনত অনুষ্ঠিত হৈ যায়। স্মৰ্তব্য যে ১৯ ছেপ্টেম্বৰত সকলোৰে মৰমৰ প্ৰসিদ্ধ শিল্পী লুইত কণ্ঠ জুবিন গাৰ্গৰ অকাল মৃত্যুৰ পৰিপ্ৰেক্ষিতত 'জোনাকী মেল'ৰ পূৰ্বৰ সকলো কাৰ্যসূচী বাতিল কৰি জুবিন গাৰ্গৰ এটি শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত কৰা হয়। 'জোনাকী মেল'ৰ মুখ্য উদ্যোক্তা তথা ব্যংগ সাহিত্যিক বাছা বৰাই আঁত ধৰা অনুষ্ঠানটোত জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত ধূপ-বন্তি প্ৰজ্জ্বলনৰে শুভাৰম্ভ কৰে মৰাণৰ বিশিষ্ট সমাজকৰ্মী সত্যনাৰায়ণ আগৰৱালাই। এক শোকাকুল পৰিৱেশত শিল্পীগৰাকীৰ আত্মাৰ সদ্‌গতি কামনাৰে এক মিনিট সময় মৌন প্ৰাৰ্থনা কৰা হয়। জুবিন গাৰ্গৰ কৰ্মজীৱন সম্পৰ্কে বক্তব্য প্ৰদান কৰে বাল্য বিকাশ বিদ্যালয়ৰ অধ্যক্ষ ডঃ স্বপন কুমাৰ চুতীয়া, লেঙেৰী ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ অধ্যক্ষ নীলকান্ত গগৈ, শিক্ষয়িত্ৰী তথা সমাজসেৱিকা জ্যোতি দেউৰীয়ে। অনুষ্ঠানটোত মৰাণৰ জ্যেষ্ঠ নাগৰিক সত্যনাথ শৰ্মা, ৰেব কলিতা, পৱিত্ৰ চুতীয়া, হিৰণ্য দত্ত, অসীম বৰুৱা, কৈলাস আগৰৱালা, অঞ্জু দত্ত, ৰোহিত চেতিয়া, পাৰুল দেৱী, সত্যনাথ খাকলীয়া, সুশীল পোদ্দাৰ, চুমী বৰুৱা, দেবাক আগৰৱালাকে মুখ্য কৰি বহুকেইজন বিশিষ্ট নাগৰিকে ভাগ লয়। শেষত বাছা বৰাই সকলোকে ধন্যবাদ জ্ঞাপন কৰি অনুষ্ঠানৰ সামৰণি মাৰে।

### অসম নামঘৰ মহাসভা

**দৈনিক অসমৰ প্ৰতিনিধি, লাকুৱা ঃ** জনতাৰ প্ৰাণৰো প্ৰাণৰ জুবিন গাৰ্গৰ অকাল মৃত্যুত ম্ৰিয়মাণ ৰাজ্যবাসী। প্ৰতিজন অসমীয়াই অশ্ৰুসিক্ত নয়নেৰে জনতাৰ শিল্পীগৰাকীৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে। শিল্পীগৰাকীৰ আকস্মিক বিয়োগত শোকপ্ৰকাশ কৰিছে অসম নামঘৰ মহাসভাই। চৰাইদেউ জিলাৰ চফ্ৰাই মোহনগাঁও বৰনামঘৰ প্ৰাংগণত শিল্পীগৰাকীৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলনেৰে অসম নামঘৰ মহাসভাই সকলো সদস্যৰ উপস্থিতিত শিল্পী জুবিন গাৰ্গৰ বিদেহ আত্মাৰ সদগতিৰ কামনাৰে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। চৰাইদেউ জিলাৰ চফ্ৰাই মোহনগাঁও বৰনামঘৰ প্ৰাংগণত অসম নামঘৰ মহাসভাৰ চৰাইদেউ জিলা সমিতিৰ বিষয়ববীয়া আৰু স্থানীয় ৰাইজে অশ্ৰুসিক্ত নয়নেৰে এগছিকৈ বন্তি জ্বলাই শিল্পীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

### অসম বৈদিক-বৈষ্ণৱ মহাসভা

**দৈনিক অসমৰ প্ৰতিনিধি, গোলাঘাট ঃ** জনপ্ৰিয় সংগীত শিল্পী, যুৱপ্ৰজন্মৰ হিয়াৰ আমঠু স্বৰূপ জুবিন গাৰ্গ ছিংগাপুৰত নৰ্থ-ইষ্ট ফেষ্টিভেলত অংশগ্ৰহণ কৰিবলৈ গৈ অনাকাংক্ষিতভাৱে মৃত্যু হোৱা ঘটনাত অসম বৈদিক-বৈষ্ণৱ মহাসভাই গভীৰ শোক প্ৰকাশ কৰিছে। অসম বৈদিক-বৈষ্ণৱ মহাসভাই জুবিন গাৰ্গৰ আত্মাৰ সদ্‌গতি কামনা কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে। সংগীত শিল্পীজনৰ হৈ অসম চৰকাৰে আয়োজন কৰা আৰু বে-চৰকাৰীভাৱে গাঁও, আঞ্চলিক বা জিলা ভিত্তিত আয়োজন কৰা সকলো কাৰ্যসূচীতে অসম বৈদিক-বৈষ্ণৱ সভাই সম্পূৰ্ণ সহযোগ কৰিব বুলি অসম বৈদিক-বৈষ্ণৱ মহাসভাৰ কেন্দ্ৰীয় সমিতিৰ প্ৰধান সম্পাদক বিমান চন্দ্ৰ শইকীয়াই সদৰি কৰিছে।

### ডাঃ নবীন বৰদলৈ মহাবিদ্যালয়ত

**দৈনিক অসমৰ প্ৰতিনিধি, দক্ষিণ যোৰহাট ঃ** একবিংশ শতিকাৰ জনপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ আকস্মিক তথা অনাকাংক্ষিত মৃত্যুত মৰ্মাহত হৈ ডাঃ নবীন বৰদলৈ মহাবিদ্যালয়ৰ শিক্ষক গোট, কৰ্মচাৰী গোট, সাংস্কৃতিক কোষ, ছাত্ৰ সংঘৰ উদ্যোগত সকলো সমিতি, কোষ আৰু সংঘৰ সহযোগত এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠান আজি মহাবিদ্যালয়ৰ প্ৰাংগণত অনুষ্ঠিত হয়। সহকাৰী অধ্যাপক জ্যোতিৰঞ্জন পেগুৱে আঁত ধৰা অনুষ্ঠানত জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত এগছি ধৰ্ম প্ৰদীপ আৰু সুগন্ধি ধূপ প্ৰজ্বলনেৰে শ্ৰদ্ধাঞ্জলি অনুষ্ঠান আৰম্ভ কৰে অৰ্থনীতি বিভাগৰ মুৰব্বী অধ্যাপক উৎপল বৰদলৈয়ে। উপস্থিত সকলোৰে পুষ্পাঞ্জলি অৰ্পণেৰে বৰেণ্য শিল্পীগৰাকীক শ্ৰদ্ধা জনায়। উপস্থিত সকলোৰে সমস্বৰে শিল্পীগৰাকীৰ অনৱদ্য সৃষ্টি 'মায়াবিনী এই ৰাতি...' গীত পৰিৱেশন কৰি শোকত ম্ৰিয়মাণ হৈ পৰে। তেওঁৰ বিদেহ আত্মা-পৰমাত্মাত বিলীন হৈ চিৰ মুক্তি কামনাৰে এক মিনিট মৌন প্ৰাৰ্থনা কৰে।

### মহুৰামুখ আঞ্চলিক ছাত্ৰ সন্থা

**দৈনিক অসমৰ প্ৰতিনিধি, মহুৰামুখ ঃ** সমগ্ৰ অসমৰ প্ৰতিজন ব্যক্তিক কন্দুৱাই প্ৰতিগৰাকী অসমীয়াৰ হিয়াৰ আমঠু, নৱ-প্ৰজন্মৰ হাৰ্টথ্ৰৱ জুবিন গাৰ্গৰ কালি আকস্মিকভাৱে বিয়োগ ঘটে। তেওঁৰ মৃত্যু সমগ্ৰ অসমৰে সাংস্কৃতিক, সামাজিক আদি প্ৰতিটো ক্ষেত্ৰৰ বাবে বৃহৎ ক্ষতি।

কালি মহুৰামুখ আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত মহুৰামুখ যুৱক নাট্য সংঘ, মহুৰামুখ শাখা সাহিত্য সভা, ভৰালীপাৰ গণ সাংস্কৃতিক বিকাশ কেন্দ্ৰ, মহুৰামুখ ব্যৱসায় সন্থাকে ধৰি মহুৰামুখ অঞ্চলৰ প্ৰতিটো অনুষ্ঠান-প্ৰতিষ্ঠানৰ সহযোগত মহুৰামুখ চাৰিআলিত এটা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰে। এই অনুষ্ঠানত পোনপ্ৰথমে শিল্পীগৰাকীৰ বিদেহ আত্মাৰ সদগতি কামনাৰ্থে এক মিনিট সময় মৌন প্ৰাৰ্থনা, সদৌ গোলাঘাট জিলা ছাত্ৰ সন্থাৰ তথ্য সম্পাদক আকাশ দত্ত, মহুৰামুখ যুৱক নাট্য সংঘৰ সম্পাদক হেমেন বৰা, মহুৰামুখ শাখা সাহিত্য সভাৰ সম্পাদক দেৱকান্ত হাজৰিকাই শুভাৰম্ভণি কৰা বন্তি প্ৰজ্বলন, শিল্পীগৰাকীৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি অৰ্পণেৰে শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। অনুষ্ঠানটোৰ আঁত ধৰে সদৌ গোলাঘাট জিলা ছাত্ৰ সন্থাৰ সাংগঠনিক সম্পাদক মণিকাঞ্চন ফুকনে। অনুষ্ঠানত শিল্পীগৰাকীৰ সন্মানাৰ্থে মহুৰামুখ ব্যৱসায়ী সন্থাই আজি দুপৰীয়া ১২ বজালৈকে ব্যৱসায়-প্ৰতিষ্ঠানসমূহ বন্ধ ৰাখে। মহুৰামুখ আঞ্চলিক ছাত্ৰ সন্থাই কাৰ্যালয়ত ছাত্ৰ সন্থাৰ পতাকা অৰ্দ্ধনমিত কৰে।

### জকাই ওলোম পথাৰ শৰাইঘাট চাৰিআলিত

**দৈনিক অসমৰ প্ৰতিনিধি, মৰাণ ঃ** জনপ্ৰিয় কণ্ঠশিল্পী, অসমীয়াৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ অকাল বিয়োগত সমগ্ৰ অসমৰ লগতে ডিব্ৰুগড় জিলাৰ নৱগঠিত খোৱাং সমষ্টিৰ অন্তৰ্গত বৰবৰুৱা উন্নয়ন খণ্ডৰ এলেকাধীন ওলোমপথাৰ গাঁৱৰ জকাই শৰাইঘাট চাৰিআলি শিৱমন্দিৰ প্ৰাংগণত আজি জকাই শৰাইঘাট, ওলোম পথাৰ তথা ভূৰভূৰী গাঁৱৰ জুবিন গাৰ্গৰ একান্ত অনুৰাগীসকলে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। জুবিন গাৰ্গক হৃদয়ৰ পৰা ভালপোৱা, প্ৰতিটো সংগীতৰ অনুৰাগী ৰাহুল কলিতা, বকুল হাজৰিকা, বকুল কলিতা, প্ৰণৱ কলিতা, মৃদুল কলিতা, সনাতন হাজৰিকা (মাইমন) প্ৰহ্লাদ কলিতা, প্ৰকাশ কলিতা প্ৰমুখ্যে জুবিন গাৰ্গৰ একান্ত অনুৰাগীসকলে গভীৰ শোক প্ৰকাশ কৰি জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ, বন্তি প্ৰজ্বলন কৰি শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰে। তেওঁৰ মৃত্যুত জকাই শৰাইঘাট চাৰিআলি শিৱমন্দিৰ প্ৰাংগণত তেওঁৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি জনাই এক মিনিট নীৰৱতাৰে মৌন প্ৰাৰ্থনা কৰি বিদেহ আত্মাৰ সদ্‌গতি কামনা কৰে।

### নাজিৰাত জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ

**দৈনিক অসমৰ প্ৰতিনিধি, শিমলুগুৰি ঃ** আজি নাজিৰাতো জুবিন গাৰ্গৰ মৃত্যুত শোকাকুল পৰিৱেশৰ সৃষ্টি হয়। পুৱাৰে পৰা স্বতঃস্ফূৰ্তভাৱে বন্ধ হৈ আছে ব্যৱসায়িক প্ৰতিষ্ঠানসমূহ। ৰাইজেও বিভিন্ন ঠাইত মহান শিল্পীগৰাকীলৈ শ্ৰদ্ধা জনাই আয়োজন কৰিছে শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ। অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ নাজিৰা মহাবিদ্যালয় গোটে টকৌআলিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰে। পৰিষদৰ নাজিৰা মহাবিদ্যালয় গোটৰ উপদেষ্টা তথা নাজিৰা মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ প্ৰাক্তন সাধাৰণ সম্পাদক বিকাশ হাজৰিকাই আঁতধৰা উক্ত কাৰ্যসূচী বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ নাজিৰা আঞ্চলিক সমিতিৰ প্ৰাক্তন সভাপতি তথা নাজিৰা আঞ্চলিক সাহিত্য সভাৰ সভাপতি ৰুহিত বৰুৱাই। অনুষ্ঠানত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ শিৱসাগৰ জিলা সমিতিৰ সাংগঠনিক সম্পাদক ভাস্কৰজ্যোতি মহন্ত, নাজিৰা কলেজ গোটৰ উপদেষ্টা নাচিৰুদ্দিন আলী, সভাপতি ৰঞ্জনা দত্ত, উপ-সভাপতি ৰুকচানা বেগম, সাধাৰণ সম্পাদক অভিজিৎ কোঁৱৰ, যুটীয়া সম্পাদক ৰহমত আলীৰ লগতে কৃষ্ণা দাস, দিপচেংফা গগৈ, পবিত্ৰ মহন, হিমাংশু গগৈ উপস্থিত থাকে। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত কণ্ঠশিল্পীগৰাকীৰ জীৱন আলোকপাত কৰাৰ লগতে আত্মাৰ সদ্‌গতিৰ কাৰণে প্ৰাৰ্থনা জনোৱা হয়। আনহাতে, অসম গণ পৰিষদ নাজিৰা জিলা সমিতিৰ কাৰ্যালয়তো কণ্ঠশিল্পীগৰাকীৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন লগতে শ্ৰীশ্ৰী বুদবাৰী সত্ৰৰ ৰাইজ আৰু গুৰু গোবিন্দ শিল্পী সমাজে বুদবাৰী সত্ৰ তিনিআলিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰাৰ লগতে নাজিৰা ই-ৰিক্সাচালক সন্থায়ো শিল্পীগৰাকীক শ্ৰদ্ধাঞ্জলি জনাই সমদল উলিয়ায়।




## আমগুৰিৰ বিভিন্ন স্থানত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান

**দৈনিক অসমৰ প্ৰতিনিধি**

**আমগুৰি, ২০ ছেপ্টেম্বৰ ঃ** বিশিষ্ট কণ্ঠশিল্পী,অসমবাসীৰ হিয়াৰ আমঠু, সংগীত পৰিচালক জুবিন গাৰ্গৰ মৃত্যুত আমগুৰিত গভীৰ শোকৰ ছাঁ পৰিছে। শিল্পীগৰাকীৰ আকস্মিক মৃত্যুৰ খবৰে সকলোকে শোকস্তব্ধ কৰিছে। আমগুৰি নগৰৰ চাৰিআলিত আজি বেটেৰী আৰু ই-ৰিক্সা চালক সন্থাই শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰে। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ পিছতে বেটেৰী আৰু ই-ৰিক্সা চালক সন্থাই আমগুৰি-হালোৱাটিং-জাঁজী পৰ্যন্ত সমদল কৰে। আনহাতে আমগুৰি বামুণগাঁৱৰ জুবিনৰ ডাঙৰ খুৰীয়েকৰ গৃহতো শোকাকুল পৰিৱেশৰ সৃষ্টি হৈছে। জুবিনৰ খুৰীয়েক দিপ্তী বৰঠাকুৰে কান্দি কান্দি সান্নিধ্যৰ কথা কয়। অসুখীয়া খুৰীয়েকৰ মুম্বাইৰ টাটা মেম'ৰিয়েল হাস্পতালত জুবিনে চিকিৎসাৰ সকলো ব্যয় বহন কৰি আহিছিল। আনহাতে, নাজিৰা সমষ্টিৰ ৭৫নং লালিম চাপৰিগাঁও পঞ্চায়ততো জুবিন গাৰ্গৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰে। হালোৱাটিঙৰ বৰচিলা ব্যৱসায়ী সন্থা, বৰচিলা সাৰ্বজনীন দুৰ্গা পূজা সমিতি, বৰচিলা ৰাইজ, দোপদৰ চাৰিআলি, জাঁজীৰ ঐতিহাসিক জৰাবাৰী সত্ৰ, জৰাবাৰী কাঁড়ছোৱা, লালিম ছিগা, চামগুৰি, নামতি খনিকৰতো মহান শিল্পীজনাৰ মৃত্যুত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰে।

ডিব্ৰু নৈৰ পাৰত স্থাপিত প্ৰথমটো প্ৰতিমূৰ্তি নিজেই উন্মোচন কৰিছিল শিল্পীজনে

# প্ৰতিমূৰ্তিস্থলীত শ্ৰদ্ধাঞ্জলি জনাবলৈ অহা সহস্ৰাধিক লোকৰ উচুপনি



**দৈনিক অসমৰ প্ৰতিনিধি**

**ডিগবৈ, ২০ ছেপ্টেম্বৰ ঃ** জুবিন গাৰ্গৰ জীৱিত কালতেই ৰাজ্যখনৰ ভিতৰতে নিৰ্মাণ হোৱা প্ৰথমটো প্ৰতিমূৰ্তিত আজি পুৱাৰে পৰা উচুপি উচুপি শ্ৰদ্ধাঞ্জলি জনালে সহস্ৰাধিক লোকে। শিল্পীগৰাকীৰ প্ৰতিমূৰ্তিত চাকি-বন্তি জ্বলাই সেৱা কৰি শ্ৰদ্ধাঞ্জলি জনাবলৈ পুৱাৰেপৰা সন্ধিয়ালৈ অজস্ৰ লোকৰ দীঘলীয়া শাৰী দেখা গ'ল। তৈলনগৰী ডিগবৈৰ পাৰ্শ্বৱৰ্তী নাজিৰাটিঙৰ ডিব্ৰু নৈৰ পাৰত স্থানীয় বিধায়ক সুৰেন ফুকনে নিৰ্মাণ কৰা প্ৰতিমূৰ্তিটো ২০২৩ চনৰ ২ জানুৱাৰীত নাজিৰাটিং তামুলী পৰ্যটন উৎসৱত অংশগ্ৰহণ কৰি জুবিন গাৰ্গে নিজেই উন্মোচন কৰি জীৱনৰ সৰ্বশ্ৰেষ্ঠ উপহাৰ বুলি সদৰি কৰিছিল। জুবিন গাৰ্গে উন্মোচন কৰা দিনটোৰ কথা সুঁৱৰি বিধায়ক ফুকনো আৱেগিক হৈ পৰে। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত সাহিত্যিক পুণ্য শইকীয়া, শিক্ষাবিদ মাখন শৰ্মা, আলোচনাপন্থী আলফা নেতা জিতেন দত্ত, সমাজসেৱক প্ৰফুল্ল দত্ত, দুলাল ৰয়, দ্বিপেন বড়া, পূৰ্ণ বড়া, ত্ৰিলোক গুপ্তা, শিল্পী প্ৰিয়ঞ্জয় তাঁতীসহ বহু গণ্য-মান্য ব্যক্তি উপস্থিত থাকে। ইপিনে, ডিগবৈ ব্যৱসায়ী সন্থাৰ উদ্যোগত ডিগবৈ ইণ্ডিয়া ক্লাব প্ৰাংগণত জনপ্ৰিয় কণ্ঠশিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ডিগবৈ ব্যৱসায়ী সন্থাৰ সভাপতি দুলাল মেচ, কাৰ্যকৰী সভাপতি অংকুৰ দত্ত, যুটীয়া সম্পাদকদ্বয় নকুল শইকীয়া, কল্পজ্যোতি গগৈ, ৰুবুল গগৈ, এনামুৰ ৰহমান, নিতুল নাথ, প্ৰবীণ দাসসহ শতাধিক ব্যৱসায়ীয়ে শ্ৰদ্ধাঞ্জলি জনায়। ডিগবৈ আই অ' চি ঠিকাদাৰ সন্থাৰ উদ্যোগত চেণ্ট্ৰেল ডিগবৈৰ কাৰ্যালয়ত সভাপতি ফুনু বৰগোহাঁই, সম্পাদক উৎপল গগৈ, বিশিষ্ট ব্যৱসায়ী দিলীপ গগৈসহ শতাধিক ঠিকাদাৰে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ডিগবৈ এ অ' চি লেবাৰ ইউনিয়ন কাৰ্যালয়, বালিজান সদ্ভাৱনা ক্ষেত্ৰ, ৰামনগৰ নামঘৰ ভূপেন হাজৰিকা সাংস্কৃতিক মঞ্চ, শংকৰদেৱ জন্মোৎসৱ পালন সমিতি, ডিগবৈ আঞ্চলিক ছাত্ৰ সন্থা, ভাৰতীয় মজদুৰ সংঘৰ আই অ' চি এল ঠিকা শ্ৰমিক সংঘ আদি বিভিন্ন দল-সংগঠনে নগৰৰ বিভিন্ন স্থানত শ্ৰদ্ধাঞ্জলি জনায়। ডিগবৈ অটোৰিক্সা চালক সন্থা আৰু ডিগবৈ ই-ৰিক্সা সন্থাই পৃথকে পৃথকে ই- ৰিক্সা, অটোৰিক্সা লৈ বৃহৎ বৃহৎ সমদল উলিয়াই নগৰ পৰিভ্ৰমণৰে মহান শিল্পীগৰাকীক শ্ৰদ্ধাঞ্জলি জনায়। জনপ্ৰিয় শিল্পীগৰাকীৰ মৃত্যত আজি পুৱা ৬ বজাৰপৰা সমগ্ৰ ডিগবৈ ব্যৱসায়িক প্ৰতিষ্ঠান, বজাৰ স্বতঃস্ফূৰ্তভাৱে বন্ধ ৰাখি হিয়াৰ আমঠুগৰাকীক শ্ৰদ্ধা জ্ঞাপন কৰে।



# এইচ-১ বি ভিছাৰ মাচুল ৫০ গুণ বৃদ্ধি আমেৰিকাৰ

## ৰাষ্ট্ৰপতি ট্ৰাম্পৰ সিদ্ধান্ত ■ পোনপটীয়াকৈ প্ৰভাৱিত হ'ব ৩ লাখৰো অধিক ভাৰতীয়

**ৱাশ্বিংটন, ২০ ছেপ্টেম্বৰ ঃ** আমেৰিকাই এতিয়াৰ পৰা এইচ-১ বি ভিছাৰ বাবে বছৰি এক লাখ ডলাৰ অৰ্থাৎ ভাৰতীয় হিচাপত ৮৮ লাখ টকাৰ আবেদন মাচুল আদায় কৰিব। ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে আজি ৰাষ্ট্ৰপতি ভৱন হোৱাইট হাউছত এইচ-১ বি ভিছাৰ আবেদন মাচুল বৃদ্ধিৰ নিৰ্দেশত স্বাক্ষৰ কৰে। ২১ ছেপ্টেম্বৰৰ পৰা এই-১ বি ভিছাৰ আবেদন মাচুল বৃদ্ধিৰ সিদ্ধান্ত কাৰ্যকৰী হ'ব। উল্লেখযোগ্য যে এইচ-১ বি ভিছাৰ বাবে ইতিপূৰ্বে গড়ে ৫ লাখ টকাৰ আবেদন মাচুল আদায় কৰা হৈছিল। এই ভিছাৰ ম্যাদ তিনি বছৰ। মাচুল পৰিশোধেৰে আৰু তিনি বছৰৰ বাবে ভিছা নৱীকৰণ কৰিব পৰা হৈছিল। ৰাষ্ট্ৰপতি ট্ৰাম্পৰ শেহতীয়া নিৰ্দেশৰ পাছত এইচ-১ বি ভিছাৰ বাবে এতিয়াৰ পৰা ৬ বছৰত ৫.২৮ কোটি টকা আদায় কৰা হ'ব। অৰ্থাৎ পূৰ্বতকৈ এইচ-১ বি ভিছাৰ মাচুল ৫০ গুণ বৃদ্ধি কৰা হৈছে। আমেৰিকাৰ চৰকাৰে প্ৰতিবছৰে লটাৰীৰ জৰিয়তে ৮৫,০০০ এইচ-১ বি ভিছা জাৰি কৰে। আমেৰিকাত চাকৰি কৰাসকলে বেছিকৈ এই ভিছা ব্যৱহাৰ কৰে। তাৎপৰ্যপূৰ্ণ পৃথিৱীৰ অন্য ৰাষ্ট্ৰতকৈ ভাৰতীয়সকলে অধিক প্ৰায় ৭২ শতাংশ এইচ-১ বি ভিছা ব্যৱহাৰ কৰে। এই ভিজাৰ মাচুল বৃদ্ধিৰ লগে লগে ৩ লাখৰো অধিক ভাৰতীয় পোনপটীয়াকৈ প্ৰভাৱিত হ'ব। ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে এইচ-১ বি ভিছাৰ মাচুল বৃদ্ধিৰ লগতে তিনিবিধ নতুন ভিছা কাৰ্ড মুকলি কৰে। এই ভিছা কাৰ্ডকেইবিধ হৈছে 'ট্ৰাম্প গ'ল্ড কাৰ্ড', 'ট্ৰাম্প প্লেটিনাম কাৰ্ড', আৰু 'কৰ্প'ৰেট গ'ল্ড কাৰ্ড'। 'ট্ৰাম্প গ'ল্ড কাৰ্ড'ৰ মূল্য প্ৰায় ৮.৮ কোটি টকা। এই ভিছা কাৰ্ডৰ জৰিয়তে এজন ব্যক্তিয়ে আমেৰিকাত চিৰকালৰ বাবে বাস কৰাৰ সুবিধা লাভ কৰিব।




### এইচ-১ বি ভিছা কি ?

এইচ-১বি ভিছা আমেৰিকা চৰকাৰে অপ্ৰব্ৰজনকাৰীসকলক প্ৰদান কৰে। লটাৰীৰ জৰিয়তে প্ৰদান কৰা হয় এই ভিছা। আমেৰিকালৈ যাব খোজা বহু লোকে প্ৰতিবছৰে এই ভিছাৰ বাবে আবেদন কৰে। বিশেষ কাৰিকৰী দক্ষতা যেনে তথ্য-প্ৰযুক্তি, স্থাপত্যবিদ্যা আৰু স্বাস্থ্যৰ দৰে পেছাৰ লগত জড়িত ব্যক্তিসকলক এই ভিছা প্ৰদান কৰা হয়। এই ভিছাৰ ম্যাদ তিনি বছৰ, প্ৰয়োজনত আৰু তিনি বছৰৰ বাবে ইয়াৰ ম্যাদ বৃদ্ধি কৰিব পৰা যায়। যিসকল ব্যক্তিয়ে আমেৰিকাত কৰ্মসংস্থাপন লাভ কৰে, তেওঁলোকে বিশেষকৈ এইচ-১ বি ভিছাৰ বাবে আবেদন জনায়। তথ্য অনুসৰি কেৱল এমাজন কোম্পানীয়ে প্ৰতিবছৰে ১০,০০০ৰ অধিক এনে ভিছা লাভ কৰে। আনহাতে মাইক্ৰ'ছফ্‌ট আৰু মেটাৰ দৰে কোম্পানীক বছৰি ৫০০০ৰ অধিক এইচ-১ বি ভিছা প্ৰদান কৰা হয়।

## বহিঃপৰিক্ৰমা মন্ত্ৰণালয়ৰ প্ৰতিক্ৰিয়া

# বহু ভাৰতীয় পৰিয়ালত সৃষ্টি হ'ব মানৱীয় সমস্যা



**নতুন দিল্লী, ২০ ছেপ্টেম্বৰ ঃ** আমেৰিকাই এইচ-১ বি ভিছাৰ বাৰ্ষিক মাচুল বৃদ্ধি কৰাক লৈ ভাৰতে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। এই সন্দৰ্ভত বহিঃপৰিক্ৰমা মন্ত্ৰণালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে কয় যে ভাৰতৰ ক্ষেত্ৰত আমেৰিকাৰ এই পদক্ষেপে দুয়োখন ৰাষ্ট্ৰৰ অৰ্থনৈতিক হিতক প্ৰভাৱিত কৰিব। দুয়োখন ৰাষ্ট্ৰৰ উদ্যোগ খণ্ড আৰু নীতি নিৰ্দ্ধাৰকসকলে সমিলমিলেৰে ইয়াৰ সমাধান সূত্ৰ উলিয়াব। আমেৰিকাৰ শেহতীয়া পদক্ষেপে বহু ভাৰতীয় পৰিয়ালৰ বাবে মানৱীয় সমস্যাৰ সৃষ্টি কৰিব বুলি মন্তব্য কৰি জয়ছোৱালে কয় যে ইয়াৰ জৰিয়তে পৰিয়ালবোৰৰ জীৱিকালৈ ব্যৱধান আহিব।

## 'দেশৰ প্ৰধানমন্ত্ৰী দুৰ্বল'

### কংগ্ৰেছৰ সমালোচনা

**নতুন দিল্লী, ২০ ছেপ্টেম্বৰ ঃ** আমেৰিকাই এইচ-১ বি ভিছাৰ মাচুল বৃদ্ধি কৰাক লৈ কংগ্ৰেছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীক সমালোচনা কৰিছে। কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে আজি সামাজিক মাধ্যমত উল্লেখ কৰে যে ভাৰতৰ এজন দুৰ্বল প্ৰধানমন্ত্ৰী আছে। কংগ্ৰেছ নেতাজনে ২০২৭ চনত সামাজিক মাধ্যমত দিয়া এটা প'ষ্ট পুনৰ শ্বেয়াৰ কৰে। এই প'ষ্টটোত তেওঁ অভিযোগ কৰিছিল যে প্ৰধানমন্ত্ৰী মোডীয়ে এইচ-১ বি ভিছাক লৈ আমেৰিকাৰ সৈতে আলোচনা কৰা নাছিল। আনহাতে, কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জ্জুন খাৰ্গেই উল্লেখ কৰে যে প্ৰধানমন্ত্ৰী মোডীয়ে জন্মদিনত যি প্ৰতি-উপহাৰ দিলে, সেই উপহাৰক লৈ প্ৰতিগৰাকী ভাৰতীয় দুখী হৈছে। দেশৰ হিতক অগ্ৰাধিকাৰ দিব লাগে। মানুহক আলিংগন কৰি আৰু 'মোডী-মোডী' ধ্বনি দিওয়াটোৱেই বিদেশ নীতি নহয়।


## আমেৰিকাৰে শুল্ক যুঁজৰ মাজতে প্ৰধানমন্ত্ৰীৰ মন্তব্য

# পৰনিৰ্ভৰশীলতাই দেশৰ বৃহত্তম শত্ৰু



**আহমেদাবাদ, ২০ ছেপ্টেম্বৰ ঃ** ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ টেৰিফক লৈ আমেৰিকাৰে সংঘাতৰ মাজতে পুনৰ অৰ্থনীতি বিকাশত অন্য দেশৰ ওপৰত নিৰ্ভৰশীলতা হ্ৰাস কৰা ইংগিত দিছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে। আজি গুজৰাট ভ্ৰমণলৈ যোৱা প্ৰধানমন্ত্ৰীয়ে ভাওনগৰৰ এখন সভাত জনতাক সম্বোধন কৰি বিকশিত আৰু আত্মনিৰ্ভৰ ভাৰতৰ প্ৰসংগ উত্থাপন কৰে। প্ৰধানমন্ত্ৰীয়ে কয় যে অন্য দেশৰ ওপৰত নিৰ্ভৰশীলতা ভাৰতৰ আটাইতকৈ ডাঙৰ শত্ৰু। এই শত্ৰুৱে আত্মসন্মানক আঘাত দিয়ে। সেই শত্ৰুক হৰুৱাবই লাগিব। বিপৰীতে হেজাৰটা দুখৰ এটাই দৰব আৰু সেয়া আত্মনিৰ্ভৰ ভাৰত বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে। ইয়াৰ পূৰ্বে প্ৰধানমন্ত্ৰীয়ে ভাওনগৰ বিমানবন্দৰৰ পৰা জৱাহৰ গ্ৰাউণ্ডলৈ এক বিশাল ৰোড শ্ব'ত অংশ লয়। লগতে গৃহৰাজ্য গুজৰাটত প্ৰায় ৩৪ হেজাৰ ২০০ কোটি টকাৰ প্ৰকল্পৰ উদ্‌ঘাটন আৰু আধাৰশিলা স্থাপন কৰে প্ৰধানমন্ত্ৰীয়ে।

## অভিনেতা মোহনলাললৈ দাদা চাহেব ফাল্কে বঁটা



**নতুন দিল্লী, ২০ ছেপ্টেম্বৰ ঃ** দক্ষিণ ভাৰতৰ প্ৰসিদ্ধ অভিনেতা মোহনলালক প্ৰদান কৰা হ'ব চলিত বৰ্ষৰ দাদাচাহেব ফাল্কে বঁটা। কেন্দ্ৰীয় চৰকাৰৰ তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰণালয়ে আজি ভাৰতীয় চলচ্চিত্ৰৰ সৰ্বোচ্চ সন্মান দাদা চাহেব ফাল্কে বঁটাৰ বাবে মালয়ালম ছবিৰ ছুপাৰষ্টাৰ মোহনলালৰ নাম ঘোষণা কৰিছে। মালয়ালামৰ লগতে তামিল, তেলুগু, কন্নৰ আৰু বলীউডৰ ছবিতো অভিনয়েৰে ভাৰতীয় চলচ্চিত্ৰ জগতখনলৈ অনবদ্য অৱদান আগবঢ়োৱা মোহনলালে ১৯৮০ দশকত 'মঞ্জিল চিৰিজা পুক্কল' নামৰ ছবিখনৰ জৰিয়তে অভিনয় জীৱনৰ পাতনি মেলিছিল। এতিয়ালৈ ৩৫০ খনৰো অধিক ছবিত অভিনয় কৰা অভিনেতাগৰাকীয়ে ইতিমধ্যে ৫ বাৰকৈ ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটা লাভ কৰিছে। এইবাৰ ভাৰতীয় চলচ্চিত্ৰৰ সৰ্বোচ্চ সন্মানৰ বাবে কেন্দ্ৰীয় চৰকাৰে তেওঁৰ নাম ঘোষণা কৰাৰ পাছত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি মোহনলালে কৈছে— এয়া কেৱল মোৰ বাবেই নহয়, মালয়ালম ছবি উদ্যোগৰ বাবে সন্মান। অভিনেতাগৰাকীয়ে ইয়াৰ বাবে দৰ্শকৰ লগতে চলচ্চিত্ৰ প্ৰযোজক, পৰিচালক আৰু চিত্ৰনাট্য লিখকসকলৰ প্ৰতিও কৃতজ্ঞতা জ্ঞাপন কৰে। ইফালে, 'এক্স'ৰ এটা পোষ্টযোগে দাদা চাহেব ফাল্কে বঁটা লাভৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে অভিনেতাগৰাকীক শুভেচ্ছা জ্ঞাপন কৰিছে।



*তামিলনাডুৰ নাগাপট্টিনম জিলাত অনুষ্ঠিত এখন জনসভাত টি ভি কে দলৰ প্ৰতিষ্ঠাতা তথা তামিল অভিনেতা টি বিজয়*

## অৱসান হ'ব ৬২ বছৰীয়া পৰিক্ৰমাৰ মিগ-২১ যুঁজাৰু বিমানৰ বিদায় সমাগত

**নতুন দিল্লী, ২০ ছেপ্টেম্বৰ ঃ** ভাৰতীয় বায়ুসেনাৰ মেৰুদণ্ড বুলি বিগত সময়ছোৱাত বিবেচিত হৈ অহা যুঁজাৰু বিমান মিগ-২১ ইতিহাস হ'ব। ১৯৭১ চনৰ ভাৰত-পাক যুদ্ধ, কাৰ্গিল যুদ্ধকে ধৰি বায়ুসেনাৰ বহু গুৰুত্বপূৰ্ণ সামৰিক অভিযানত নিৰ্ণায়ক ভূমিকা লোৱা মিগ-২১ বিমানে ৬২ বছৰীয়া যাত্ৰা সামৰিব অহা ২৬ ছেপ্টেম্বৰত। চণ্ডীগড়স্থিত বায়ুসেনাৰ ঘাটীত সেইদিনা বিমানখনক বিদায় দিয়া



হ'ব। তাৰ পাছত মিগ-২১ৰ স্থান ল'ব অত্যাধুনিক তেজছ এনচিএ মাৰ্ক আই এ যুঁজাৰু বিমানে। উল্লেখযোগ্য যে ১৯৬৩ চনত প্ৰথমবাৰৰ বাবে ভাৰতীয় বায়ুসেনাত মিগ-২১ যুঁজাৰু বিমানক চামিল কৰোৱা হৈছিল। মিগ-২১ আছিল ভাৰতৰ প্ৰথমখন চুপাৰছনিক যুঁজাৰু বিমান। অৰ্থাৎ বিমানখনৰ গতি আছিল ধ্বনি গতিতকৈও অধিক। মিগ-২১ যুঁজাৰু বিমানৰ অন্তিম দুটা গোট ৰাজস্থানৰ বিকানেৰস্থিত নাল বায়ুসেনা ঘাটীত মোতায়েন কৰা হৈছিল। ভাৰতীয় প্ৰতিৰক্ষা মন্ত্ৰণালয়ৰ তথ্য অনুসৰি কিছু কাৰিকৰী বিসংগতিৰ বাবে এতিয়ালৈ চাৰিশখনৰো অধিক মিগ-২১ দুৰ্ঘটনাগ্ৰস্ত হৈছে আৰু দুৰ্ঘটনাত পতিত হৈ দুশৰো অধিক পাইলটে প্ৰাণ হেৰুৱাইছে। গতিকে সুৰক্ষাজনিত কাৰণ আৰু সময়ৰ লগত খাপ খোৱাকৈ তেজছ এনচিএ মাৰ্ক আই এ যুঁজাৰু বিমান ভাৰতীয় বায়ুসেনাত চামিল কৰোৱাৰ সিদ্ধান্ত লৈছে প্ৰতিৰক্ষা মন্ত্ৰণালয়ে।

## জম্মু-কাশ্মীৰত জোৱান শ্বহীদ

**শ্ৰীনগৰ, ২০ ছেপ্টেম্বৰ ঃ** জম্মু-কাশ্মীৰৰ উধমপুৰত চলা সন্ত্ৰাসবাদবিৰোধী অভিযানত এজন সেনাজোৱান শ্বহীদ হৈছে। উধমপুৰৰ বসন্তগড় আৰু ডোভাৰ ভদ্ৰৱাহ এলেকাৰ ঘন অৰণ্যত সন্ত্ৰাসবাদীৰ এটা দল আত্মগোপন কৰি থকাৰ খবৰ লাভ কৰাৰ পাছত ভাৰতীয় সেনা আৰু জম্মু-কাশ্মীৰৰ আৰক্ষীয়ে চলোৱা বিশেষ অভিযানৰ সময়তে সন্ত্ৰাসবাদীৰ দলটোৱে গুলীচালনা কৰে। লগে লগে সেনা, আৰক্ষীৰে সন্ত্ৰাসবাদীৰ সংঘৰ্ষ আৰম্ভ হয়। কালি নিশা সংঘটিত সংঘৰ্ষত এজন জোৱান শ্বহীদ হোৱাৰ উপৰি এছপিঅ'সহ অন্য দুজন আৰক্ষী আহত হয়।

## ৰাহুল গান্ধীৰ বিৰুদ্ধে লক্ষ্ণৌৰ আদালতত গোচৰ



**নতুন দিল্লী, ২০ ছেপ্টেম্বৰ ঃ** লোকসভাৰ বিৰোধী দলপতি তথা কংগ্ৰেছ নেতা ৰাহুল গান্ধীৰ বিৰুদ্ধে লক্ষ্ণৌৰ এখন আদালতত এটা গোচৰ তৰা হৈছে। লক্ষ্ণৌৰ এমপি-এমএলএ আদালতত এই গোচৰটো তৰা হৈছে। নৃপেন্দ্ৰ পাণ্ডে নামৰ এজন অধিবক্তাই যোৱা ৯ ছেপ্টেম্বৰত দাখিল কৰা আবেদনৰ ভিত্তিত আদালতখনে ৰাহুল গান্ধীৰ বিৰুদ্ধে গোচৰটো ৰুজু কৰিছে। কংগ্ৰেছ নেতাজনে এখন জনসভাত বিজেপি, আৰ এছ এছ আৰু ভাৰত ৰাষ্ট্ৰৰ বিৰুদ্ধে যুদ্ধ চলাই আছে বুলি কৰা মন্তব্যক লৈ অধিবক্তাজনে আদালতত আবেদনখন দাখিল কৰিছিল। আবেদনখনত অধিবক্তা নৃপেন্দ্ৰ পাণ্ডেই অভিযোগ কৰে যে ৰাহুল গান্ধীৰ এই মন্তব্য ভাৰতৰ একতা, অখণ্ডতা আৰু সাংবিধানিক সংস্থাবোৰৰ বিৰুদ্ধে ৰচনা কৰা এটা সুপৰিকল্পিত অভিসন্ধি। এনে মন্তব্য ৰাষ্ট্ৰবিৰোধী। তেওঁক ৰাষ্ট্ৰদ্ৰোহ আৰু ষড়যন্ত্ৰৰ দৰে ধাৰাত দণ্ড বিহিব লাগে। এই গোচৰটোক লৈ পহিলা অক্টোবৰত লক্ষ্ণৌৰ এমপি-এমএলএ আদালতে অধিবক্তাজনৰ ভাষ্য গ্ৰহণ কৰিব।

# জনজাতিকৰণৰ দাবীত ঝাৰখণ্ডত কুৰ্মী সমাজৰ আন্দোলন



### ৪০ ষ্টেচনত ৰে'লসেৱা বিঘ্নিত

**ৰাঁচী, ২০ ছেপ্টেম্বৰ ঃ** জনজাতিকৰণৰ দাবীত কুৰ্মী সমাজে কৰা বৃহৎ আন্দোলনত আজি উত্তাল হৈ পৰে ঝাৰখণ্ড। কুৰ্মীসকলক অনুসূচিত জনজাতিৰ মৰ্যাদা প্ৰদানৰ দাবীৰে জনগোষ্ঠীটোৰ লোকসকলে ৰাজ্যখনৰ বিভিন্ন স্থানত ৰে'লপথ অৱৰোধ কৰাত ৰে'লসেৱা স্থবিৰ হৈ পৰে। খবৰ অনুসৰি আন্দোলনৰ অংশ হিচাপে কুৰ্মী জনগোষ্ঠীৰ লোকসকলে ঝাৰখণ্ডৰ লগতে পশ্চিমবংগ আৰু উড়িশাৰ ১০০টা ষ্টেচনত ৰে'ল অৱৰোধৰ লক্ষ্য লৈছিল। কিন্তু আগতীয়াকৈ পৰিকল্পনাৰ উমান পাই চৰকাৰ-প্ৰশাসনে সুৰক্ষামূলক ব্যৱস্থা গ্ৰহণ কৰাত পৰিকল্পনা ব্যৰ্থ হয়। অৱশ্যে ঝাৰখণ্ডৰ ৰাজধানী ৰাঁচীৰ সমীপৱৰ্তী মুৰী, মেছৰাসহ দুকুৰি ষ্টেচনত প্ৰৱেশ কৰি ৰে'লপথ অৱৰোধ কৰিবলৈ সক্ষম হয় প্ৰতিবাদীকাৰীসকল। ফলত সেই ষ্টেচনসমূহত ৰে'লসেৱা সম্পূৰ্ণৰূপে ব্যাহত হৈ পৰে। কুৰ্মী সমাজৰ এই আন্দোলনৰ প্ৰতি মুকলি সমৰ্থন আগবঢ়াইছে ঝাৰখণ্ড ছাত্ৰ সন্থাসহ ৰাজ্যখনৰ কেইবাটাও সংগঠনে।

# ইউৰোপৰ তিনি বৃহৎ বিমানকোঠত চাইবাৰ আক্ৰমণ

## ৩০০ৰো অধিক বিমানৰ যাত্ৰা বাতিল-বিলম্ব



### 'চেক-ইন', 'ব'ৰ্ডিং ছিষ্টেম' বিকল

**লণ্ডন, ২০ ছেপ্টেম্বৰ ঃ** চাইবাৰ আক্ৰমণৰ লক্ষ্য হ'ল ইউৰোপৰ তিনিটাকৈ বৃহৎ বিমানকোঠ। ইয়াৰ বাবেই আজি লণ্ডনৰ হিথ্ৰ', জাৰ্মানীৰ বাৰ্লিন আৰু বেলজিয়ামৰ ব্ৰাছেলছ বিমানকোঠৰ 'চেক-ইন' আৰু 'ব'ৰ্ডিং ছিষ্টেম' বিকল হৈ পৰে। বিমানকোঠ কেইটাৰ পৰা বহু বিমান পলমকৈ উৰা মাৰিবলগীয়া হোৱাৰ লগতে কেইবাখনো বিমানৰ যাত্ৰা বাতিল কৰিবলগীয়া হয়। আজি দুপৰীয়ালৈকে লণ্ডনৰ হিথ্ৰ' বিমানকোঠৰ পৰা উৰা মাৰিবলগীয়া আৰু অৱতৰণ কৰিবলগীয়া ১৪০ৰো অধিক বিমানৰ যাত্ৰা পলম হয়। আনহাতে, ব্ৰাছেলছ বিমান কোঠত ১০০ৰ অধিক আৰু বাৰ্লিন বিমান কোঠত ৬০ৰ অধিক বিমানৰ যাত্ৰা বিলম্ব হয়। চাইবাৰ আক্ৰমণকাৰী বা হেকাৰে বিমান বন্দৰকেইটাত 'চেক-ইন' আৰু 'ব'ৰ্ডিং ছিষ্টেম'ৰ সুবিধা প্ৰদান কৰা কলিন্স এয়ৰ'স্পেছ কোম্পানীৰ কম্পিউটাৰ প্ৰণালীক লক্ষ্য হিচাপে লয়। কলিন্স এয়ৰ'স্পেছ কোম্পানীৰ সহযোগী আৰ টি এক্স কোম্পানীয়ে সদৰি কৰা মতে, হেকাৰে সৃষ্টি কৰা সমস্যা সমাধানৰ চেষ্টা চলাই থকা হৈছে।

## যাত্ৰীলৈ সকাহ 'ৰে'ল নীৰ' পানীৰ বটলৰ দাম হ্ৰাস

**নতুন দিল্লী, ২০ ছেপ্টেম্বৰ ঃ** ভাৰতীয় ৰে'লে যাত্ৰীসকলৰ সুবিধাৰ্থে কেতবোৰ ভাল সিদ্ধান্ত গ্ৰহণ কৰিছে। ইয়াৰ এটা সিদ্ধান্ত অনুসৰি এতিয়াৰে পৰা ৰে'ল ষ্টেচনবোৰত পোৱা 'ৰে'ল নীৰ'ৰ ১ লিটাৰৰ পানীৰ বটলৰ দাম ১৫ টকাৰ পৰা ১৪ টকালৈ হ্ৰাস কৰা হৈছে। খোৱাপানীৰ বটলবিধত এটকা ৰেহাই দিছে ৰে'লবিভাগে। ভাৰতীয় ৰে'লৰ বাণিজ্যিক বিভাগে এই সিদ্ধান্ত লৈছে। অৱশ্যে 'ৰে'ল নীৰ'ৰ পানীৰ বটলৰ ক্ষেত্ৰতহে এই সিদ্ধান্ত প্ৰযোজ্য হ'ব। ষ্টেচনত পোৱা অন্য কোম্পানীৰ পানীৰ বটলৰ দামৰ কোনো তাৰতম্য নহয়।

## গীতেৰে জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি কণ্ঠশিল্পী আৰমান মালিকৰ



**মুম্বাই, ২০ ছেপ্টেম্বৰ ঃ** জুবিন গাৰ্গৰ জনপ্ৰিয় 'মায়াবিনী ৰাতিৰ বুকুত' শীৰ্ষক গীতটিৰে আজি বলীউডৰ কণ্ঠশিল্পী আৰমান মালিকে প্ৰয়াত শিল্পীজনলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। এই সন্দৰ্ভত সামাজিক মাধ্যমত দিয়া এটা পোষ্টত আৰমান মালিকে উল্লেখ কৰে যে অসমৰ দৰে ধুনীয়া ৰাজ্য এখনৰ প্ৰতিটো ভ্ৰমণত তেওঁ জুবিন গাৰ্গৰ প্ৰতি উৎসৰ্গা কৰা এই গীতটি গাই আহিছে। আজি এই গীতটি পৰিৱেশন কৰোঁতে তেওঁৰ হৃদয় বাৰুকৈয়ে ব্যাথিত হৈছে। তেওঁ বিশ্বাসেই কৰিব পৰা নাই যে তেওঁৰ প্ৰিয় তথা আদৰ্শ শিল্পীজন আজি নাই। জুবিন গাৰ্গক ভালকৈ জনাৰ সুযোগ নাপালে বুলি আৰমান মালিকে আক্ষেপ কৰে আৰু তেওঁৰ এই ইচ্ছা সদায়েই আধৰুৱা হৈ থাকিল বুলি কয়। সামাজিক মাধ্যমত 'মায়াবিনী ৰাতিৰ বুকুত' শীৰ্ষক গীতটি গোৱাৰ এটা ভিডিঅ' শ্বেয়াৰ কৰি আৰমান মালিকে জুবিন গাৰ্গলৈ শ্ৰদ্ধাৰ্ঘ্য অৰ্পণ কৰে। ভিডিঅ'টো শ্বেয়াৰ কৰি তেওঁ উল্লেখ কৰে যে জুবিনৰ কণ্ঠ সদায় দেশবাসীৰ হৃদয়ত অনুৰণিত হৈ থাকিব।




*পশ্চিম উত্তৰ প্ৰদেশত উচ্চ ন্যায়ালয়ৰ বিচাৰপীঠ স্থাপনৰ দাবীত মীৰাটত অধিবক্তাৰ বিক্ষোভ*

# কাইলৈৰপৰা দেশত সংশোধিত জি এছ টি

## নিৰ্দেশ উলংঘাকাৰী ব্যৱসায়ীৰ বিৰুদ্ধে লোৱা হ'ব কঠোৰ ব্যৱস্থা




**মুম্বাই, ২০ ছেপ্টেম্বৰ ঃ** কেন্দ্ৰীয় চৰকাৰৰ সংশোধিত জি এছ টি ব্যৱস্থা ২২ ছেপ্টেম্বৰৰ পৰা দেশত কাৰ্যকৰী হ'ব। অৰ্থাৎ সেইদিনাৰ পৰা হ্ৰাস পাব অধিকাংশ অত্যাৱশ্যকীয় সামগ্ৰীৰ দাম। তাৰ পূৰ্বে নতুন জি এছ টি ব্যৱস্থা অনুসৰণ নকৰা অসাধু ব্যৱসায়ীৰ বিৰুদ্ধে যথাবিধি পদক্ষেপ গ্ৰহণৰ বাবে তৎপৰ হৈছে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰসমূহ। জি এছ টি হ্ৰাসৰ সময়ত সামগ্ৰীসমূহৰ দাম কমিল নে নাই সেয়া তদাৰক কৰিবলৈ সংশ্লিষ্ট বিভাগৰ ক্ষেত্ৰ বিষয়াসকলক নিৰ্দেশ দিছে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰসমূহে। সেইমৰ্মে জি এছ টি বিভাগৰ ক্ষেত্ৰ বিষয়াসকলে নিজে বজাৰলৈ গৈ সামগ্ৰী সেৱা কৰ হ্ৰাস কৰা সামগ্ৰী নিজে ক্ৰয় কৰিব আৰু তেনে সামগ্ৰীৰ দাম সংশোধিত হিচাপত হ্ৰাস নকৰা ব্যৱসায়ীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব। কেন্দ্ৰীয় চৰকাৰে নতুন জি এছ টি ব্যৱস্থা ঘোষণা কৰাৰ পাছত ইতিমধ্যে দেশৰ বিভিন্ন উদ্যোগ-প্ৰতিষ্ঠানে উৎপাদিত সামগ্ৰীৰ নতুন মূল্য নিৰ্দ্ধাৰণ কৰিছে।

শিমলুগুৰিৰ
ৰঙাজানত নৃশংস হত্যাকাণ্ড

## পুত্ৰৰ কুঠাৰৰ ঘাপত নিহত মাতৃ

**দৈনিক অসমৰ প্ৰতিনিধি**

**বান্দৰদেৱা, ২০ ছেপ্টেম্বৰ ঃ** লখিমপুৰ জিলাৰ শিমলুগুৰি আৰক্ষী চকীৰ অন্তৰ্গত চেঁচা ৰঙাজানত কালি সন্ধিয়া সংঘটিত হয় নৃশংস হত্যাকাণ্ড। পুত্ৰই কুঠাৰেৰে ঘপিয়াই হত্যা কৰে জন্মদাত্ৰী মাতৃক। জানিব পৰা মতে, ৰঙাজানৰ প্ৰফুল্ল দাস নামৰ লোকজনে সংঘটিত কৰে এই লোমহৰ্ষক হত্যাকাণ্ড। ৰঙাজানৰ বনেশ্বৰ দাসৰ পুত্ৰ প্ৰফুল্ল দাস কালি পুৱাৰ ভাগত ঘৰৰ পৰা মিস্ত্ৰিৰ কামলৈ বুলি ওলাই গৈ নিচাসক্ত হৈ ৰাতি ন বজামানত ঘৰলৈ উভতি আহে। বহু পলমকৈ উপস্থিত হোৱা প্ৰফুল্লক পত্নীয়ে দেখিকে অহাৰ কথা কোৱাৰ লগে লগে তেওঁ পত্নীক প্ৰহাৰ কৰিবলৈ উদ্যত হয়। ইয়াকে দেখি পুত্ৰক বাধা দিবলৈ যাওঁতে এখন কুঠাৰ আনি প্ৰফুল্লই মাতৃ পদুমী দাসক প্ৰচণ্ড জোৰেৰে ঘপিয়াই দিয়ে। কুঠাৰৰ ঘাপত লগে লগে পদুমী দাস চোতালত ঢলি পৰে আৰু থিতাতে মহিলাগৰাকীৰ মৃত্যু হয়। মাতৃক হত্যা কৰি পলায়ন কৰা প্ৰফুল্লক স্থানীয় ৰাইজে খেদি খেদি উত্তম-মাধ্যম শোধায়। ঘটনাৰ খবৰ লাভ কৰি বিহপুৰীয়া,ধলপুৰ আৰু শিমলুগুৰিৰ আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ হত্যাকাৰীক আটক কৰে।



## কুলশী নদীত বালিৰ অবৈধ খনন

**দৈনিক অসমৰ প্ৰতিনিধি**

**পলাশবাৰী, ২০ ছেপ্টেম্বৰ ঃ** পশ্চিম কামৰূপ বন সংমণ্ডলৰ অধীনৰ কুলশী নদীৰ লগতে ইয়াৰ লগত সংলগ্ন একাংশ নদীত আৰক্ষী প্ৰশাসন তথা বন বিভাগক মেনেজ কৰি বালি খনন অব্যাহত আছে। এনে ঘটনাত অঞ্চলটোৰ সচেতন লোকে জাঙুৰ খাই উঠিছে। এনে কেইবাটাও কাৰণত বহুসংখ্যক জান-জুৰি, সৰু বৰ বিল-জলাহ লগ হৈ সৃষ্টি হোৱা কুলশী নদী অৱবাহিকাৰ বৰ্তমান অৱস্থা বেয়াৰ পিনে গতি কৰিছে। বৰ্তমান শুকাই যাবলৈ ধৰা কুলশী নদীত মেচিন ব্যৱহাৰ কৰি একাংশ বালি ব্যৱসায়ীয়ে নিতৌ চোৰাঙকৈ বালি খনন অব্যাহত ৰাখিছে। বালি খননৰ নামত কুলশীৰ বন বিভাগে ডিআই, ডাম্পাৰ, ট্ৰাক আদি সৰু-বৰ বাহনৰ পৰা ১৫০০ টকাৰ পৰা ২০০০ টকাকৈ সংগ্ৰহ কৰাৰ অভিযোগ উত্থাপন হৈছে। অভিযোগ মতে, একাংশ বাহনৰপৰা মাহিলি হিচাপত ধন সংগ্ৰহ কৰে বন বিভাগৰ কৰ্মীয়ে। এই বালি পৰিবাহী বাহনবোৰ দিনে-নিশাই চলাত পথচাৰীয়ে যথেষ্ট অসুবিধাৰ সন্মুখীন হৈ আহিছে। বহু ঠাইত এই বালিভৰ্তি বাহনবোৰৰ দৌৰাত্ম্যৰ বাবেই দুৰ্ঘটনা সংঘটিত হোৱাই নহয়, বহুলোকে প্ৰাণ দিবলগীয়া হৈছে। কিন্তু আৰক্ষী প্ৰশাসন তথা বন বিভাগে বিশেষ ব্যৱস্থা গ্ৰহণ কৰা পৰিলক্ষিত নহ'ল। আনকি এই বালিভৰ্তি বাহনবোৰ য'তে ত'তে ৰখাই থোৱাই নহয়, লগতে ছয়গাঁও, উকিয়াম, ৰতনপুৰ, ঘোঁৰামাৰা, সতপুৰ, মিৰ্জা, বিজয়নগৰ, কুকুৰমাৰা আদি পথত বালি জমা কৰি থোৱাত পথচাৰী বিপাঙত পৰিবলগীয়া হৈছে। ৰাইজৰ অভিযোগ পালে মাজে-সময়ে বন বিভাগৰ লোক বা আৰক্ষীয়ে আহি ৰাজহুৱা স্থানত জমা কৰি ৰখা বালিৰ দ'ম আৰু বালিভৰ্তি বাহনবোৰ আঁতৰাই দিয়ে যদিও বিশেষ কামত নাহে। এই সমস্যাসমূহৰ সমান্তৰালকৈ কুলশী নদীৰ ৰঙা বালিৰ কাৰণে ইয়াত চৰকাৰীভাৱে অনুমোদন দিয়া মহলসমূহৰ বাদেও চোৰাংভাৱে মেচিনেৰে বালি খননৰ ফলত কুলশী নদীৰ পৰিস্থিতিৰ চৰম অৱনতি ঘটিছে। ফলস্বৰূপে কুলশী নদীৰ এটা শাখা দ হৈ নদীখন ছয়গাঁৱৰ ফালে গতি কৰিছে আৰু আনটো অৰ্থাৎ কুকুৰমাৰা,ঘোঁৰামাৰা শাখাটো সমূলি শুকাই গৈ আছে। এই শুকাই গৈ থকা কুলশী নদীৰ শাখাটো এসময়ত শিহুৰ বাসস্থানৰ উত্তম স্থান বুলি বিবেচিত হৈছিল। তাত খাদ্য উভৈনদী আছিল তথা প্ৰজননৰ কাৰণে অনুকূল নিৰ্মল পানী আছিল। এসময়ত শিহুৰ জলকেলিও দেখা গৈছিল যদিও বৰ্তমান তেনে পৰিৱেশ নোহোৱা হৈছে।

৩ পৃষ্ঠাৰ পৰা

## তিনিদিনীয়া ৰাজ্যিক শোক ঘোষণা

দিন অৰ্থাৎ ২২ ছেপ্টেম্বৰ পৰ্যন্ত ৰাজ্যত চৰকাৰী আমোদ-প্ৰমোদমূলক অনুষ্ঠান বা ভোজন আদিকে ধৰি সকলো চৰকাৰী কাৰ্যসূচী স্থগিত ৰখা হৈছে। এই সম্পৰ্কত দিছপুৰৰ পৰা আজি প্ৰতিখন জিলা, সমজিলা আৰু মহকুমা প্ৰশাসনলৈ বাৰ্তা প্ৰেৰণ কৰা হৈছে। ৰাজ্যত ইতিমধ্যে আৰম্ভ হোৱা সেৱা সপ্তাহৰ অংশ হিচাপে প্ৰস্তাৱিত বিভিন্ন অনুষ্ঠান বা বিতৰণ কাৰ্যসূচী স্থগিত ৰখা হৈছে। অৱশ্যে স্বাস্থ্য শিবিৰ, যক্ষ্মা ৰোগীৰ সুবিধাৰ্থে চলি থকা নিক্ষয় মিত্ৰ কাৰ্যসূচী, গছপুলি ৰোপণ আদি সেৱামূলক কাৰ্যসূচীসমূহ পূৰ্বৰ দৰে চলি থাকিব বুলি ঘোষণা কৰা হৈছে। আনহাতে, জুবিন গাৰ্গৰ অন্ত্যেষ্টিক্ৰিয়া নোহোৱা পৰ্যন্ত গুৱাহাটী প্ৰেছ ক্লাবৰ নিৰ্বাচনৰ সকলো প্ৰচাৰ স্থগিত ৰখা হৈছে বুলি নিৰ্বাচন সমিতিয়ে জনাইছে।

## কেলিফৰ্নিয়াৰপৰা আনিছিল

ধাবাৰ সৃষ্টি কৰা জুবিনৰ লগে লগে ৰাজ্যৰ সাংস্কৃতিক ক্ষেত্ৰখনত এক বৃহৎ শূন্যতাৰ সৃষ্টি হ'ল। 'অনামিকা' এলবামৰ পৰা আৰম্ভ হোৱা সংগীত-যাত্ৰাৰ অৱসানৰ লগে লগে উকা হৈ পৰিল জুবিনৰ মহানগৰীৰ জোনালীৰ সেন্দুৰী পথত থকা ষ্টুডিঅ'। য'ত তেওঁৰ বহু জনপ্ৰিয় গীত বাণীবদ্ধ কৰা হৈছিল। খাৰঘুলিত থকা ঘৰ আৰু ষ্টুডিঅ' ভাঙি পেলোৱাৰ পাছত ২০১১ চনৰ শেষৰ ফালে জুবিনে জোনালীৰ ষ্টুডিঅ'টো নিৰ্মাণ কৰিছিল। অলেখ সপোন মনত লৈ অত্যাধুনিক প্ৰযুক্তিৰে ষ্টুডিঅ'টো তেওঁ নিৰ্মাণ কৰিছিল। গীত বাণীবদ্ধৰ ক্ষেত্ৰত সৰ্বোৎকৃষ্ট মান অব্যাহত ৰখাৰ বাবে কেলিফৰ্নিয়াৰ পৰা তেওঁ ষ্টুডিঅ'লৈ মাইক আনিছিল। যিটো মাইকৰ দাম ১৮ লাখ টকা। ষ্টুডিঅ'ৰ আৰম্ভণিতে বৈদ্যুতিন সংবাদ মাধ্যমত দিয়া এটা সাক্ষাৎকাৰত জুবিনে প্ৰকাশ কৰিছিল যে ষ্টুডিঅ'টো কেৱল উৎৰ-পূৰৱৰ নহয়, মুম্বাইৰ নখকা অত্যাধুনিক প্ৰযুক্তিৰে সংযোগ কৰা হৈছে। উল্লেখ্য যে প্ৰথম অৱস্থাত খাৰঘুলিত থকা বাসগৃহতেই সৈতে স্থাপন কৰা ষ্টুডিঅ'টোতে জুবিনে দীৰ্ঘদিন গীত বাণীবদ্ধন কৰিছিল। পৰৱৰ্তী সময়ত সেই ঘৰটো ঠেক হোৱাত তেওঁ ঘৰটো আহল-বহলকৈ পুনৰ নিৰ্মাণ কৰিবলৈ সিদ্ধান্ত লয়। খাৰঘুলিৰ ঘৰটো ভাঙি পেলোৱাৰ পাছত জুবিনে কাহিলিপাৰাৰ ফ্লেটত থাকিবলৈ লয়। সেই সময়ত তেওঁ জয়ানগৰত থকা চিকমিক ষ্টুডিঅ'ত গীত বাণীবদ্ধ কৰে। অৱশ্যে ক'ভিডৰ সংক্ৰমণৰ সময়ত জুবিন গুৰুতৰভাৱে শাৰীৰিক অসুস্থতাত ভুগি মুম্বাইৰ দীঘলীয়া সময়ৰ বাবে চিকিৎসা গ্ৰহণ কৰে। ক'ভিডৰ সংক্ৰমণে ভয়াবহ ৰূপ ধাৰণ কৰাৰ পাছত তেওঁ গুৱাহাটীলৈ ঘূৰি আহে। ক'ভিডৰ সংক্ৰমণ হ্ৰাস পোৱাৰ লগে লগে জুবিনে জোনালীৰ ষ্টুডিঅ'টোৰ কাম আৰম্ভ কৰে। ২০২২ চনৰ প্ৰথমভাগৰ পৰাই ষ্টুডিঅ'টোত তেওঁ গীত বাণীবদ্ধ কৰিবলৈ আৰম্ভ কৰে। সংগীত-যাত্ৰাৰ এক অংশ হৈ পৰা ষ্টুডিঅ'টোত জুবিনে দিনটোৰ যথেষ্ট সময় অতিবাহিত কৰিছিল। অৱশ্যে জুবিনৰ জীৱনত অন্যতম অৰিহণা থকা ষ্টুডিঅ'টোৱেই হৈছে এন কে প্ৰডাকচনৰ ডি জি মিউজিক। কেৰিয়াৰৰ আৰম্ভণিৰে পৰা শেহতীয়া সময়লৈকে এন কে প্ৰডাকচনত জুবিনে কেইবা হাজাৰ গীত বাণীবদ্ধ কৰিছে। ২০০৫ চনত তেওঁ এন কে প্ৰডাকচনত একেদিনাই ৩৭টা গীত বাণীবদ্ধ কৰিছিল। বিশেষকৈ এন কে প্ৰডাকচনত জুবিনে অসংখ্য বিহুগীত বাণীবদ্ধ কৰি ক্ৰেতাক উপহাৰ দিছিল।

## শ্যামকানু মহন্তৰ বিৰুদ্ধে বিভিন্ন ঠাইত এজাহাৰ দাখিল

মাত মাতি যুৱ প্ৰজন্মক প্ৰতিটো মুহূৰ্তৰে অভিভাৱকত্ব প্ৰদান কৰি অহা জুবিন গাৰ্গৰ মৃত্যুৰ পাছত সকলো শোকত ম্ৰিয়মাণ হোৱাৰ সমান্তৰালভাৱে ক্ষোভৰো জুই জ্বলিছে। শিৱসাগৰতো শিল্পীগৰাকীৰ মৃত্যুক কোনেও সহজভাৱে ল'ব পৰা নাই। প্ৰশ্ন উঠিছে, পৰিকল্পিতভাৱে হত্যা কৰা হ'ল নেকি শিল্পীগৰাকীক। ছিংগাপুৰত নৰ্থ-ইষ্ট ফেষ্টিভেল আয়োজন কৰি জুবিন গাৰ্গক মাতি লৈ যোৱা শ্যামকানু মহন্ত আৰু জুবিন গাৰ্গৰ মেনেজাৰ সিদ্ধাৰ্থৰ বিৰুদ্ধে বিস্ফোৰক অভিযোগ উত্থাপন হৈছে। ব্যৱসায়ৰ স্বাৰ্থতেই শিল্পীগৰাকীক ছিংগাপুৰলৈ মাতি নি শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাই হত্যা কৰাৰ ভয়ংকৰ অভিযোগ তুলিছে সদৌ টাই আহোম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সভাপতি বসন্ত গগৈয়ে। গগৈৰ দাবী— দুয়োজনৰ বিৰুদ্ধে উচিত তদন্ত কৰিব লাগে অসম চৰকাৰে। এইক্ষেত্ৰত মুখ্যমন্ত্ৰীকো কাৰো পক্ষ নল'বলৈ সকীয়নি দিয়ে বসন্ত গগৈয়ে। তেওঁ কয়, 'জুবিন গাৰ্গ অসমীয়া ৰাইজৰ হিয়াৰ আমঠু। তেওঁৰ মৃত্যুত ৰাইজ কিন্তু কেৱল দুখত নাই, ক্ষোভতো আছে।' জুবিন গাৰ্গৰ মৃত্যু অসমীয়া জাতিটোৰ অপূৰণীয় ক্ষতি বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীক শিল্পীগৰাকীৰ মৃত্যুৰ তদন্তৰ ক্ষেত্ৰত ৰাজনীতি নকৰিবলৈ দাবী কৰে গগৈয়ে। অন্যথা ইয়াৰ ফল ভুগিবলৈ মুখ্যমন্ত্ৰীগৰাকী সাজু থাকক বুলি সকীয়নি দিয়ে আটাছুৰ সভাপতিগৰাকীয়ে। ইফালে শিৱসাগৰ সদৰ থানাত শ্যামকানু মহন্তৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰে জিতুজ্যোতি গায়ন নামৰ এজন সাংস্কৃতিক কৰ্মীয়ে। ৰুগ্ন শিল্পীগৰাকীক সাগৰত সাঁতুৰিবলৈ এৰি দিয়া, শেষ মুহূৰ্তত পত্নী গৰিমা গাৰ্গৰ টিকট বাতিল কৰা আদি কথালৈ চাই এয়া পৰিকল্পিত হত্যাকাণ্ড আখ্যা দিছে গায়নে। এই সমগ্ৰ কাণ্ডৰ নেতৃত্বত থকা নৰ্থ-ইষ্ট ফেষ্টিভেলৰ মুখ্য আয়োজক শ্যামকানু মহন্তক তাৎক্ষণিকভাৱে গ্ৰেপ্তাৰ কৰি ৰাইজক ন্যায় দিয়াৰ দাবীৰে এজাহাৰ দাখিল কৰে গায়নে।

**দেৰগাঁৱৰ দৈনিক অসমৰ প্ৰতিনিধি ঃ** জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ তদন্ত বিচাৰি নৰ্থ-ইষ্ট ফেষ্টিভেলৰ মুখ্য আয়োজক শ্যামকানু মহন্তৰ বিৰুদ্ধে দেৰগাঁও আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছে তেওঁৰ অনুৰাগী এজন যুৱকে। কালি নিশা ২ বজাত শৰৎ সৌৰভ নামৰ জুবিন গাৰ্গৰ অনুৰাগীজন আৰু তেওঁৰ বন্ধুবৰ্গই দেৰগাঁও থানাত এজাহাৰ দাখিল কৰি মহন্তক দৃষ্টান্তমূলক শাস্তি বিহাৰ দাবী উত্থাপন কৰে। এজাহাৰ দাখিল কৰি সৌৰভে চিকিৎসকৰ পৰামৰ্শক আওকাণ কৰি এগৰাকী অসুস্থ মানুহক নৰ্থ-ইষ্ট ফেষ্টিভেলৰ নামত জোৰ-জবৰদস্তি ছিংগাপুৰলৈ নিয়া নৰ্থ-ইষ্ট ফেষ্টিভেলৰ মুখ্য আয়োজক শ্যামকানু মহন্তই কিয় জুবিন গাৰ্গৰ দায়িত্ব ল'ব নোৱাৰিলে বুলি প্ৰশ্ন কৰাৰ লগতে এক উচিত তদন্ত কৰি দোষীক দৃষ্টান্তমূলক শাস্তি দিবৰ বাবে আহ্বান জনায়।

**বকলীয়াঘাটৰ দৈনিক অসমৰ প্ৰতিনিধি ঃ** সুদূৰ ছিংগাপুৰত অসমীয়াৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাই সকলোকে শোকস্তব্ধ কৰি তোলাৰ লগতে শাৰীৰিকভাৱে অসুস্থ শিল্পীগৰাকীক ফেষ্টিভেল অনুষ্ঠিত কৰাৰ নামত বিদেশলৈ নিয়া আয়োজকসকলৰ বিৰুদ্ধেও ক্ষোভৰ উদ্‌গীৰণ ঘটিছে। ইয়াৰে অংশ হিচাপে আজি কাৰ্বি আংলং জিলাৰ বোকাজান থানাত ব্যৱসায়ী শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰিছে দুটাই সংগঠনে। অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য জিতু ফুকন আৰু দুৰ্নীতিবিৰোধী যুৱ শক্তি, অসমৰ কাৰ্বি আংলং জিলা সমিতিৰ সভাপতি চিত্ৰ বৰুৱাই আজি বোকাজান থানাত এজাহাৰ দাখিল কৰি জুবিন গাৰ্গক দেশৰ বাহিৰলৈ নি পৰিকল্পিতভাৱে হত্যা কৰাৰ আশংকা প্ৰকাশ কৰে। লগতে এই ঘটনাৰ চিবিআই তদন্তৰো দাবী কৰে সংগঠন দুটাই।

**কামপুৰৰ দৈনিক অসমৰ প্ৰতিনিধি ঃ** শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ উচিত তদন্ত বিচাৰি বঢ়মপুৰ সমষ্টিৰ যুৱনেতা বিভূতি ভূষণ বৰঠাকুৰে আজি কামপুৰ আৰক্ষী থানাত উপস্থিত হৈ এখন এজাহাৰ দাখিল কৰে। বৰঠাকুৰে ছিংগাপুৰত অসম এছ'চিয়েচনৰ সভাপতি অভিমন্যু তালুকদাৰৰ প্ৰমুখ্যে 'য়ট'ত থকা আটাইকে তদন্তৰ আওতালৈ অনাৰ দাবী জনাইছে।

**বৰপেটাৰ দৈনিক অসমৰ প্ৰতিনিধি ঃ** জুবিন গাৰ্গৰ আকস্মিক মৃত্যুৰ তদন্ত বিচাৰিলে জুবিন অনুৰাগীয়ে। শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাৰ চৰম গাফিলতিৰ বাবেই জুবিন গাৰ্গৰ মৃত্যু হোৱা বুলি অভিযোগ কৰি বৰপেটা ফেন ক্লাবৰ অনুৰাগীসকলে আজি বৰপেটা সদৰ আৰক্ষী থানাত গোচৰ তৰে। কোনো কাৰণতে যাতে দোষী সাৰি যাব নোৱাৰে তাৰ বাবে অসম চৰকাৰক আহ্বান জনাইছে বৰপেটাৰ জুবিন ফেন ক্লাবে।

**বোকাখাতৰ দৈনিক অসমৰ প্ৰতিনিধি ঃ** আজি বোকাখাততো জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জনাবলৈ সকলো ব্যৱসায়িক প্ৰতিষ্ঠান বন্ধ কৰি ঠায়ে ঠায়ে জুবিনৰ প্ৰতিচ্ছবিত বন্তি আৰু পুষ্পাঞ্জলিৰে শ্ৰদ্ধা নিবেদন কৰা হয়। বোকাখাত নগৰৰ বেটাৰীৰিক্সা চালকসকলে জুবিন গাৰ্গৰ প্ৰতিচ্ছবি লৈ সমদল উলিয়াই ধূপ-ধূনা জ্বলাই লৈ সমগ্ৰ বোকাখাত নগৰ পৰিভ্ৰমণ কৰে। বোকাখাত প্ৰেছ ক্লাব, পুৰতি সাহিত্য সভা, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, বিষ্ণু মন্দিৰ আৰু হিন্দুস্থানী সমাজে আজি বিভিন্ন দল-সংগঠনে জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত চাকি-বন্তি আৰু পুষ্পাঞ্জলিৰে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ইফালে জুবিন গাৰ্গৰ আকস্মিক বিয়োগ সন্দৰ্ভত নৰ্থ-ইষ্ট ফেষ্টিভেলৰ আয়োজক শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাৰ বিৰুদ্ধে বোকাখাত আৰক্ষী থানাতো এজাহাৰ দাখিল কৰা হয়। বোকাখাত সমজিলাৰ কুৰুৱাবাহী তিনিআলি আৰু কুৰুৱাবাহী সত্ৰৰ শ শ লোকে জুবিনৰ প্ৰতিচ্ছবি গাড়ীত লৈ মৌন সমদল কৰি আহি বোকাখাত থানাত শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাৰ বিৰুদ্ধে আজি এজাহাৰ দাখিল কৰে। সন্ধিয়া বোকাখাতত ইমজা আৰু ফেচেংবৰ হেৰিটেজৰ উদ্যোগত বোকাখাত নগৰত হাতত মমবাতি লৈ মৌন সমদল উলিওৱা হয়।

**বাইহাটাৰ দৈনিক অসমৰ প্ৰতিনিধি ঃ** বাইহাটা চাৰিআলি আৰক্ষী থানাত জুবিন গাৰ্গৰ অনুৰাগীয়ে আজি শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাৰ বিৰুদ্ধে দাখিল কৰিলে এজাহাৰ। কামৰূপ জিলাৰ বাইহাটা চাৰিআলি অঞ্চলৰ বৰকুৰিহাৰ লক্ষ্যধৰ ৰাজবংশী নামৰ জুবিন গাৰ্গৰ অনুৰাগীজনে জুবিন গাৰ্গক অসুস্থ বুলি জানিও সাগৰৰ পানীত সাঁতুৰিবলৈ বাধ্য কৰোৱা অপৰাধীৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ তথা ন্যায় বিচাৰৰ লগতে মুখ্যমন্ত্ৰীৰ হস্তক্ষেপ দাবী কৰে। ইপিনে শোকস্তব্ধ বাইহাটা চাৰিআলি অঞ্চলৰ ৰাইজে আজি বাইহাটা চাৰিআলিৰ মাজমজিয়াত জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে। পূব কামৰূপ ছাত্ৰ সমাজ তথা বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে পূব কামৰূপ মহাবিদ্যালয়ৰ পৰা সমদল উলিয়াই বাইহাটা চাৰিআলি পুলিচ পইণ্টত শেষ শ্ৰদ্ধা নিবেদন কৰে। বাইহাটা চাৰিআলি প্ৰেছ ক্লাব, ৰুৰেল লাইব্ৰেৰী, সাংস্কৃতিক গোষ্ঠী প্ৰৱাহন, বিজেপিৰ কামৰূপ জিলা সমিতি, জ্যেষ্ঠ নাগৰিক সন্মিলন, বাইহাটা চাৰিআলি, স্বৰ্ণ শাখা সাহিত্য সভা, লেখিকা সমাৰোহ সমিতি, আগডলা বজাৰগৃহ সুৰক্ষা সমিতি, দুৰ্গা পূজা উদ্‌যাপন সমিতি, দেউদুৱাৰস্থ প্ৰয়াত ৰমেশ ডেকা সোঁৱৰণী চিকিৎসালয় কৰ্তৃপক্ষ, দেউদুৱাৰ জনকল্যাণ সংঘ, মদনপুৰ আঞ্চলিক ৰাইজ, কমলপুৰ আঞ্চলিক ছাত্ৰ সন্থা, কেন্দুকোনা ব্যৱসায়িক সন্থা, বাইহাটা চাৰিআলি ব্যৱসায়ী সন্থা আদি অনুষ্ঠান-প্ৰতিষ্ঠানে আজি বন্তি প্ৰজ্বলনেৰে শিল্পীগৰাকীক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

**ঘগ্ৰাপাৰৰ দৈনিক অসমৰ প্ৰতিনিধি ঃ** জুবিন গাৰ্গৰ অনুৰাগীয়ে আজি শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাৰ বিৰুদ্ধে উচিত তদন্ত কৰি বিহিত ব্যৱস্থা গ্ৰহণৰ দাবী জনাই ঘগ্ৰাপাৰ থানাত এজাহাৰ দাখিল কৰে। অনুপম বৰ্মন, বিদ্যুৎ বিকাশ দাস, কংকন ডেকা, বিশ্বজিৎ কলিতাকে ধৰি ঘগ্ৰাপাৰ অঞ্চলৰ দহগৰাকী জুবিন অনুৰাগীয়ে এজাহাৰত স্বাক্ষৰ কৰিছে।

**দৈনিক অসমৰ প্ৰতিনিধি**

**শিৱসাগৰ, ২০ ছেপ্টেম্বৰ ঃ** অসমীয়াৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ মৃত্যু কোনেও সহজভাৱে লব পৰা নাই। জুবিন গাৰ্গৰ মৃত্যুৰ পাছত সকলো শোকত ম্ৰিয়মাণ হোৱাৰ সমান্তৰালভাৱে ক্ষোভৰো জুই জ্বলিছে। শিৱসাগৰতো শিল্পীগৰাকীৰ মৃত্যুক কোনেও সহজভাৱে ল'ব পৰা নাই। ছিংগাপুৰত নৰ্থ-ইষ্ট ফেষ্টিভেল আয়োজন কৰি জুবিন গাৰ্গক মাতি লৈ যোৱা শ্যামকানু মহন্ত আৰু জুবিন গাৰ্গৰ মেনেজাৰ সিদ্ধাৰ্থ শৰ্মাৰ বিৰুদ্ধে বিস্ফোৰক অভিযোগ উত্থাপন হৈছে। ব্যৱসায়ৰ স্বাৰ্থতেই শিল্পীগৰাকীক ছিংগাপুৰলৈ মাতি নি মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাই হত্যা কৰাৰ ভয়ংকৰ অভিযোগ উত্থাপন কৰিছে সদৌ টাই আহোম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সভাপতি বসন্ত গগৈয়ে। গগৈৰ দাবী, দুয়োজনৰ বিৰুদ্ধে উচিত তদন্ত কৰিব লাগে অসম চৰকাৰে। এই ক্ষেত্ৰত মুখ্যমন্ত্ৰীকো কাৰো পক্ষ নল'বলৈ সকীয়নি দিছে গগৈয়ে। তেওঁ কয়, 'জুবিন গাৰ্গ অসমীয়াৰ হিয়াৰ আমঠু। তেওঁৰ মৃত্যুত ৰাইজ কিন্তু কেৱল দুখত নাই, ক্ষোভত আছে।' জুবিন গাৰ্গৰ মৃত্যুক অসমীয়া জাতিটোৰ অপূৰণীয় ক্ষতি বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীক শিল্পীগৰাকীৰ মৃত্যুৰ ঘটনাৰ তদন্তৰ ক্ষেত্ৰত ৰাজনীতি নকৰিবলৈ দাবী জনাইছে গগৈয়ে। অন্যথা ইয়াৰ ফল ভুগিবলৈ মুখ্যমন্ত্ৰীক সাজু থাকিবলৈও সকীয়নি দিছে আটাছুৰ সভাপতিগৰাকীয়ে। ইফালে, শিৱসাগৰ সদৰ থানাত শ্যামকানু মহন্তৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰিছে জ্যোতি গায়ন নামৰ এজন সাংস্কৃতিক কৰ্মীয়ে। শিল্পীগৰাকীক সাগৰত সাঁতুৰিবলৈ এৰি দিয়া, শেষমূহূৰ্তত পত্নী গৰিমা গাৰ্গৰ টিকট বাতিল কৰা আদি কথা চাই এয়া পৰিকল্পিত হত্যাকাণ্ড বুলি অভিযোগ তুলিছে গায়নে। নৰ্থ-ইষ্ট ফেষ্টিভেলৰ মুখ্য আয়োজক শ্যামকানু মহন্তক তাৎক্ষণিকভাৱে গ্ৰেপ্তাৰ কৰি ৰাইজক ন্যায় দিয়াৰ দাবীৰে এজাহাৰ দাখিল কৰে গায়নে।

৩ পৃষ্ঠাৰ পৰা

## যোৰহাটত নহয়, গুৱাহাটীৰ

আছে যদিও সেই সন্দৰ্ভত চৰকাৰে এইপৰ্যন্ত কোনো সিদ্ধান্ত লোৱা নাই। উল্লেখনীয় যে শিল্পীগৰাকীৰ শৈশৱ বিজড়িত যোৰহাটৰ নাগৰিক সমাজ, দল-সংগঠনে যোৰহাটতে অন্ত্যেষ্টিক্ৰিয়া হোৱাটো বিচাৰিছে যদিও এক সূত্ৰৰ মতে সেয়া গুৱাহাটী বা তাৰ উপকণ্ঠ অঞ্চলত হোৱাৰহে সম্ভাৱনা আছে। অন্ত্যেষ্টিক্ৰিয়াৰ বাবে বিবেচনালৈ অহা স্থানসমূহৰ ভিতৰত আছে আমিনগাঁও, উত্তৰ গুৱাহাটী, সোণাপুৰৰ নাজিৰাখাত আৰু খানাপাৰা। স্বাভাৱিকতে, এই ক্ষেত্ৰত প্ৰাধান্য পাব পৰিয়ালৰ আশা আৰু সিদ্ধান্তই।

**পৰিয়ালে বিচাৰিছে জুবিনৰ শেষকৃত্য গুৱাহাটীতে হওক ■ সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই ক'লে— পৰিয়ালৰ মতেই আছুৰো মত**

জুবিন গাৰ্গৰ শেষকৃত্য তথা সমাধিস্থলীৰ নিৰ্মাণ গুৱাহাটী বা ইয়াৰ আশে-পাশে হোৱাটো বিচাৰিছে শিল্পীজনৰ পৰিয়ালে। এই কথা সদৰী কৰিছে সদৌ অসম ছাত্ৰ সন্থাৰ উপদেষ্টা ডঃ সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই। সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত ডঃ ভট্টাচাৰ্যই কয় যে বিষয়টো সম্পৰ্কত মুখ্যমন্ত্ৰীৰ পৰামৰ্শ মতে ৰাজ্য চৰকাৰৰ কেবিনেট মন্ত্ৰীদ্বয় ৰণোজ পেগু আৰু বিমল বড়াই ছাত্ৰ সন্থাৰ নেতৃবৰ্গৰ সৈতে যোগাযোগ কৰিছিল। সন্থাই মন্ত্ৰীদ্বয়ক জনাইছে যে এইক্ষেত্ৰত পৰিয়ালৰ মতটোৱেই ছাত্ৰ সন্থাৰ মত হ'ব। সেইমৰ্মে সন্থাৰ নেতৃবৰ্গই শিল্পীজনৰ পৰিয়ালক সাক্ষাৎ কৰে। এই সাক্ষাতত পৰিয়ালৰ সদস্যসকলে শিল্পীজনৰ শেষকৃত্যৰ লগতে সমাধিস্থল গুৱাহাটী বা গুৱাহাটীৰ আশে-পাশে কৰাটো বিচাৰে বুলি জনাইছে। জুবিনৰ পিতৃৰ বয়স বৰ্তমান ৮৫ বছৰ আৰু তেওঁ শাৰীৰিকভাৱে অসুস্থও। গুৱাহাটী বা ইয়াৰ সমীপত শেষকৃত্য অনুষ্ঠান হ'লে তেওঁ তালৈ যাব পাৰিব। পৰিয়ালৰ মতটোৱেই ছাত্ৰ সন্থাৰ মত বুলি উল্লেখ কৰি ডঃ ভট্টাচাৰ্যই কয় যে পৰিয়ালৰ এই মতক সকলোৱে সন্মান জনোৱা উচিত।

**যোৰহাটবাসীয়েও সাজু কৰিছিল চাৰি ঠাইত ভূমি**

**দৈনিক অসমৰ পুলিবৰ (যোৰহাট)ৰ প্ৰতিনিধিৰ সংযোজন ঃ** জুবিন গাৰ্গৰ জন্ম মেঘালয়ৰ তুৰাত, কিন্তু শৈশৱ, কৈশোৰ আৰু যৌৱনৰ এচোৰা গুৰুত্বপূৰ্ণ সময় পাৰ কৰিছিল যোৰহাটত। এই যোৰহাটৰ পৰাই জুবিনে আৰম্ভ কৰিছিল বৰ্ণময় সাংগীতিক যাত্ৰা। যোৰহাটে জুবিনক সকলো দিছে, জুবিনেও হিয়া উজাৰি ভাল পাইছিল যোৰহাটক। সেয়ে যোৰহাটতেই জুবিনে অন্তিম শয়ন কৰিব বুলি আশা কৰিছে যোৰহটীয়া ৰাইজে। জুবিনৰ বাবে যোৰহাটত মাটিৰ অভাৱ হোৱা নাই। ইতিমধ্যে বিঘাই বিঘাই মাটি সাজু কৰি তোলা হৈছে জুবিনৰ বাবে। জিলা আয়ুক্তই প্ৰকাশ কৰা অনুসৰি নগৰৰ পূবত চতাই (জিষ্টি)ত, পশ্চিমত ম'হবন্ধা (চুকাফাৰ সমীপত)ত, উত্তৰে সৰ্বাইবন্ধা-দিচৈ নগৰ (বাইপাছৰ কাষত/ভোগদৈৰ পাৰত)ত আৰু দক্ষিণে অসম কৃষি বিশ্ববিদ্যালয়ৰ চৌহদত পৰ্যাপ্ত ভূমি নিৰ্বাচন কৰা হৈছে জুবিনৰ শেষকৃত্য সম্পন্ন কৰাৰ বাবে। জুবিনৰ বাবে স্বেচ্ছাই মাটি আগবঢ়াইছে জিষ্টি আৰু কৃষি বিশ্ববিদ্যালয়ে। চৰকাৰৰ সদিচ্ছা, পৰিয়ালৰ সন্মতি পালেই ইয়াৰে যিকোনো এটা ঠাই হ'ব জুবিনৰ অন্তিম ঠিকনা। জুবিনক শেষবাৰৰ বাবে যোৰহাটলৈ অনাৰ আৰ্জি জনাই মুখ্যমন্ত্ৰীলৈ বহুসংখ্যক দল-সংগঠনে আজি পত্ৰও প্ৰেৰণ কৰিছে। জুবিনৰ শেষকৃত্য যোৰহাটত কৰিবৰ বাবে আহ্বান জনাই একাধিক দল-সংগঠনে গণস্বাক্ষৰ অভিযান আৰম্ভ কৰিছে। যোৰহটীয়া ৰাইজ সাজু প্ৰিয় শিল্পীগৰাকীক অন্তিমবাৰলৈ আদৰিবলৈ।

**প্ৰিয়শিল্পীলৈ শ্ৰদ্ধা জনাই স্বতঃস্ফূৰ্ত বন্ধ পালন যোৰহাটবাসীৰ ঃ** প্ৰিয় শিল্পী জুবিন গাৰ্গৰ মৃত্যুত আজিও ম্ৰিয়মাণ যোৰহাটবাসী। হিয়াৰ আমঠু শিল্পীগৰাকীৰ মৃত্যুৰ আজিও যেন মানি ল'ব পৰা নাই যোৰহাটৰ হেজাৰ হেজাৰ গুণমুগ্ধই। শিল্পীগৰাকীলৈ শ্ৰদ্ধা জনাই আজি স্বতঃস্ফূৰ্ত বন্ধ পালন কৰে যোৰহাটবাসীয়ে। কালি সন্ধিয়াৰেপৰা আজি নিশা পৰ্যন্ত যোৰহাটৰ সকলো ব্যৱসায়িক প্ৰতিষ্ঠান বন্ধ হয়। বিভিন্ন বেচৰকাৰী প্ৰতিষ্ঠানৰ কাৰ্যালয়সমূহো বন্ধ হৈ থকাৰ সমান্তৰালভাৱে বিদ্যালয়, মহাবিদ্যালয়সমূহো বন্ধ হৈ পৰে। ৰাজ্য চৰকাৰৰ নিৰ্দেশত আজিৰে পৰা অনুষ্ঠিত হ'বলগা ছমহীয়া পৰীক্ষাসমূহো বাতিল কৰে বিদ্যালয়সমূহৰ পৰিদৰ্শকে। চৰকাৰী কাৰ্যালয় তথা বেংকসমূহ খোলা যদিও উপস্থিতিৰ সংখ্যা নগণ্য আছিল। আনহাতে, চহৰখনত যান-বাহন চলাচলো বন্ধ হৈ পৰে। যোৰহাটৰ সদাব্যস্ত গড়আলি, জগন্নাথ বৰুৱা পথ, ন-আলি আদিত যান-বাহনৰ চলাচল নিচেই সীমিত। আনহাতে, পুৱাৰে পৰা নিশাপৰ্যন্ত চহৰখনৰ মুখ্য স্থল বৰুৱা চাৰিআলিত গুণমুগ্ধসকলে জুবিন গাৰ্গলৈ শ্ৰদ্ধা জনাই বন্তি প্ৰজ্বলন কৰে। চহৰখনৰ বিভিন্ন প্ৰান্তৰ লগতে গ্ৰামাঞ্চলৰ পৰাও বৰুৱা চাৰিআলিলৈ সোঁত বয় গুণমুগ্ধৰ। বিয়লি জুবিন গাৰ্গ ফেন ক্লাবৰ উদ্যোগত শিল্পীগৰাকীৰ সমাধি যোৰহাটত নিৰ্মাণ কৰাৰ বাবে মুখ্যমন্ত্ৰীক আহ্বান জনাই গণস্বাক্ষৰ কাৰ্যসূচী গ্ৰহণ কৰা হয়। আজি দুপৰীয়া যোৰহাট জগন্নাথ বৰুৱা বিশ্ববিদ্যালয়ৰ শিক্ষাৰ্থীসকলে শিল্পীগৰাকীলৈ শ্ৰদ্ধা জ্ঞাপন কৰি যোৰহাটৰ ৰাজপথত এক মৌন সমদল উলিয়ায়। শতাধিক শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰা সমদলটোৱে চহৰখন পৰিভ্ৰমণ কৰে। আনহাতে, দেৰগাঁও, ম'হবন্ধা আৰু চুঙী মেজিক সন্থাই আজি দেৰগাঁওলৈকে পদব্ৰজে এক সমদল উলিয়াই শিল্পীগৰাকীলৈ শ্ৰদ্ধা জ্ঞাপন কৰে। নিশা পদূলিয়ে পদূলিয়ে বন্তি প্ৰজ্বলন কৰে গুণমুগ্ধসকলে। জুবিন গাৰ্গৰ পুৰণা ঘৰৰ সমীপৰ শতবৰ্ষ গৰকা বঙালপুখুৰী পূজা মন্দিৰে আজি এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰে। শৈশৱতে এই পূজাস্থলীলৈও গৈছিল জুবিন গাৰ্গ। বৰুৱা চাৰিআলিৰ কাব্যঋষি নীলমণি ফুকন স্মাৰক সহস্ৰাব্দ উদ্যানত আজি সন্ধিয়া বিভিন্ন প্ৰান্তৰ শিক্ষাৰ্থী, গুণমুগ্ধসকল সমৱেত হৈ বন্তি প্ৰজ্বলন কৰি প্ৰিয় শিল্পীগৰাকীৰ আত্মাৰ চিৰশান্তি কামনা কৰে। আনহাতে, শ্যামকানু মহন্তক গ্ৰেপ্তাৰৰ দাবীত আজি জুবিন গাৰ্গ ফেন ক্লাবে আৰক্ষী থানাত এজাহাৰ দাখিল কৰে।

**জুবিনৰ শেষকৃত্য সম্পন্ন হ'ব যোৰহাটত ঃ** প্ৰিয় শিল্পীগৰাকীৰ শেষকৃত্য শেষমুহূৰ্তত যোৰহাটতে সম্পন্ন হোৱাৰ সম্ভাৱনা আছে। যোৰহাটৰ হেজাৰ হোজাৰ গুণমুগ্ধ, দল-সংগঠনে হিয়াৰ আমঠু শিল্পীগৰাকীৰ শেষকৃত্য যোৰহাটত সম্পন্ন কৰিবৰ বাবে মুখ্যমন্ত্ৰীক আহ্বান জনাইছে। শিল্পী জুবিন গাৰ্গৰ শেষকৃত্য যোৰহাটত অনুষ্ঠিত কৰাৰ বাবে যোৰহটীয়া ৰাইজৰ হৈ মুখ্যমন্ত্ৰীক আহ্বান জনাইছে যোৰহাটৰ বিধায়ক হিতেন্দ্ৰ নাথ গোস্বামীয়ে। আজি পুৱা যোৰহাটৰ আয়ুক্তৰ লগত যোগাযোগ কৰি বিধায়কগৰাকীয়ে চাৰিটা স্থান শেষকৃত্য সম্পন্ন কৰাৰ বাবে বাছনি কৰিছে। তদুপৰি মুখ্যমন্ত্ৰীগৰাকীয়েও যোৰহটীয়া ৰাইজৰ এই প্ৰস্তাৱক বিবেচনা কৰাৰ আশ্বাস দিছে বুলি 'দৈনিক অসম'ক জনাইছে বিধায়কগৰাকীয়ে। আনহাতে, জিলা প্ৰশাসনেও শেষকৃত্য সম্পন্ন কৰাৰ বাবে চাৰিটাওটা স্থানেই পৰিদৰ্শন কৰিছে। পৰিয়ালে সন্মতি প্ৰদান কৰিলেই পূব যোৰহাটৰ চটাই বা ৰাষ্ট্ৰীয় উপপথৰ কোনো এঠাইত শেষকৃত্য সম্পন্ন কৰা হ'ব শিল্পীগৰাকীৰ। আজি সন্ধিয়া পৰ্যন্ত বিধায়ক হিতেন্দ্ৰনাথ গোস্বামীয়ে জিলা প্ৰশাসনৰ সৈতে সম্ভাব্য স্থানসমূহ পৰিদৰ্শন কৰে। উল্লেখ্য যে যোৰহাটত জুবিন গাৰ্গৰ সমাধিৰ বাবে অসম নাট্য সন্মিলন সদস্য মানস প্ৰতিম দত্তই পৰিয়ালৰ পৰা ১০ বিঘা মাটি দান কৰাৰ কথা ঘোষণা কৰিছে। মালৌপথাৰত থকা এই মাটি ইতিমধ্যে প্ৰশাসনে পৰিদৰ্শন কৰিছে। আনহাতে, যোৰহাটৰ বিভিন্ন সংগঠনে আজি জিলা আয়ুক্তক সাক্ষাৎ কৰি যোৰহাটত জুবিন গাৰ্গৰ শেষকৃত্য কৰাৰ আহ্বান জনাই দুশৰো অধিক আবেদন প্ৰদান কৰে।

**শোকত বুৰ গ'ল পশ্চিম যোৰহাটত থকা মোমায়েকৰ ঘৰ ঃ** পশ্চিম যোৰহাটৰ ভাতেমৰা সৰুচৰাই তিনিআলিৰ মোমায়েকৰ ঘৰত আজিও কান্দোনৰ ৰোল উঠে। মোমায়েকৰ ঘৰৰ প্ৰতিজন সদস্য জুবিন গাৰ্গৰ মৃত্যুত মৰ্মাহত। খবৰটো শুনি আজি পুৱাই গুৱাহাটীত উপস্থিত হোৱা মোমায়েক নৃপেন্দ্ৰ নাথ অধ্যাপকে কান্দি কান্দি কয়— 'জুবিনৰ মৃত্যু এক অবিশ্বাস্য ঘটনা। মনটোৱে এই কথা মানি ল'ব পৰা নাই। কথা প্ৰসংগত তেওঁ 'দৈনিক অসম'ক জনায় যে জুবিনৰ শেষকৃত্য যোৰহাটত হ'লে ভাল পাব তেওঁলোকে। ঘৰৰ ল'ৰা ঘৰলৈ উভতি অহা যেন লাগিব। অৱশ্যে এইক্ষেত্ৰত জুবিনৰ পিতৃ, পত্নী বা চৰকাৰেহে শেষ সিদ্ধান্ত গ্ৰহণ কৰিব।'

**আছাম ৰাইফলছ বিদ্যালয়ত শিক্ষাৰ্থীৰ প্ৰতিবাদ ঃ** জুবিন গাৰ্গৰ মৃত্যুৰ পৰিপ্ৰেক্ষিতত শিক্ষামন্ত্ৰী ৰণোজ পেগুৱে বিদ্যালয়সমূহৰ ছমহীয়া পৰীক্ষা বাতিলৰ নিৰ্দেশ দিয়াৰ পাছতো যোৰহাটৰ আছাম ৰাইফলছ বিদ্যালয়ত পৰীক্ষা অনুষ্ঠিত কৰাক লৈ শিক্ষাৰ্থীসকলে ব্যাপক প্ৰতিবাদ সাব্যস্ত কৰে। আজি পুৱা শিক্ষাৰ্থীসকলে বিদ্যালয়ৰ মজিয়াত বহি জুবিনদাৰ গীত পৰিৱেশন কৰি পৰীক্ষা নিদিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰে। ৰাজ্য চৰকাৰে পৰীক্ষা বাতিলৰ নিৰ্দেশ দিয়াৰ পাছতো বিদ্যালয়খনে পৰীক্ষা অনুষ্ঠিত কৰাৰ বাবে প্ৰস্তুতি চলোৱা কাৰ্যক ধিক্কাৰ দিয়ে অভিভাৱকসকলেও। ব্যাপক প্ৰতিক্ৰিয়াৰ পাছত বিদ্যালয়খনে পৰীক্ষা স্থগিত ৰাখিবলৈ বাধ্য হয়।

**মহালয়াৰ অনুষ্ঠান বাতিল ঃ** মহালয়া উপলক্ষে কাইলৈ পুৱা যোৰহাটৰ বিভিন্ন পূজা সমিতিয়ে সাংস্কৃতিক কাৰ্যসূচী ৰূপায়ণ, শোভাযাত্ৰা উলিওৱাৰ কথা আছিল যদিও জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধা জনাই সকলো কাৰ্যসূচী বাতিল কৰিছে পূজা সমিতিসমূহে। অনাড়ম্বৰভাৱে কেৱল ধৰ্মীয় কাৰ্যসূচীসমূহে সম্পন্ন কৰা হ'ব বুলি জনাইছে সমিতিসমূহে।

**সদৌ অসম কবি সন্মিলনৰ শোক ঃ** অসমীয়াৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ অকাল মৃত্যুত সদৌ অসম কবি সন্মিলনে গভীৰ শোক প্ৰকাশ কৰিছে। এটা বিবৃতিত সন্মিলনৰ সভাপতি ৰাজুমণি বেজবৰুৱা আৰু প্ৰধান সম্পাদক চৈয়দ পাৰভিজ হুছেইনে কয়— জুবিন গাৰ্গৰ মৃত্যু অসমৰ জাতীয় জীৱনৰ বাবে অপূৰণীয় ক্ষতি। লগতে সন্মিলনৰ সকলো কাৰ্যসূচী আগন্তুক পাঁচ দিনৰ বাবে সাময়িকভাৱে স্থগিত কৰা হৈছে বুলি তেওঁলোকে জানিবলৈ দিছে।

## ৰংমন পইণ্টেৰে ৩০০ মিটাৰ

আজি সন্ধিয়া অনুষ্ঠিত এখন সংবাদমেলত কয় যে শিল্পীগৰাকীৰ নশ্বৰ দেহ গুৱাহাটী বিমানবন্দৰৰ পৰা পোনে পোনে কাহিলিপাৰাত থকা বাসভৱনলৈ লৈ যোৱা হ'ব। তাতে এঘণ্টামান সময় ৰখা হ'ব আৰু তাৰ পৰা সৰুসজাই ষ্টেডিয়ামলৈ লৈ যোৱা হ'ব। ক্ৰীড়া প্ৰকল্পৰ ইনড'ৰ ষ্টেডিয়াম আৰু ইন্দিৰা গান্ধী এথলেটিক ষ্টেডিয়ামৰ সন্মুখতে ৰাজহুৱা শ্ৰদ্ধাঞ্জলিৰ বাবে শিল্পীগৰাকীৰ নশ্বৰ দেহ ৰখা হ'ব। উপায়ুক্তই কয় যে শিল্পীগৰাকীৰ অনুৰাগীসকলে ক্ৰীড়া প্ৰকল্পৰ সন্মুখৰ ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিত থকা ৰংমন পইণ্টেৰে ভিতৰলৈ গৈ ৰান-এ গেটেৰে প্ৰৱেশ কৰিব পাৰিব। তাৰ পৰা শ্ৰদ্ধাঞ্জলি তৰ্পণস্থলীলৈ এজন এজনকৈ লোক যাব পৰাকৈ বেৰিকেড থাকিব। প্ৰায় ৩০০ মিটাৰ খোজ কাঢ়িলে শ্ৰদ্ধাঞ্জলি তৰ্পণস্থলী পাব আৰু শিল্পীজনৰ প্ৰতি শ্ৰদ্ধা নিবেদনৰ পাছত হেলিপেডৰ মাজেৰে তিনি নম্বৰ গেট হৈ ওলাই যাব পাৰিব। তাৰ পৰা অলি গলি পথ আৰু নামঘৰ পথেৰে আগবাঢ়ি ৰাষ্ট্ৰীয় ঘাইপথত উঠিব পাৰিব। ইপিনে মহানগৰ আৰক্ষীৰ উপ-আৰক্ষী আয়ুক্ত (যান-বাহন) জয়ন্ত সাৰথি বৰাই সংবাদমেলত কয় যে শ্ৰদ্ধাঞ্জলি অনুষ্ঠানলৈ অহা লোকসকলে গাড়ীৰ পৰা ৰংমন পইণ্টতে নামিব লাগিব। ক্ৰীড়া প্ৰকল্পৰ ভিতৰলৈ গাড়ী প্ৰৱেশ কৰিবলৈ দিয়া নহ'ব। মানুহৰ ভিৰৰ সম্ভাৱনাৰ প্ৰতি লক্ষ্য কৰি সন্মুখৰ ছাৰ্ভিচ ৰোডেৰে যান-বাহনৰ চলাচল বন্ধ কৰা হৈছে। সৰু গাড়ী লৈ লোকসকলে লখৰা বিহুতলী, মহিন্দ্ৰ ট্ৰেক্টৰ চৌহদ, সাউকুছিৰ চাইকেল ট্ৰেক আদিত গাড়ী ৰখাব পাৰিব। উজনি অসমৰ দিশৰ পৰা অহা বাছ আদি ডাঙৰ বাহন গড়চুকৰ দিশলৈ পঠিয়াই দিয়া হ'ব। নামনিৰ দিশৰ পৰা অহা বাছ খানাপাৰাৰ দিশলৈ আগবঢ়াই দিয়া হ'ব। এনে বাহনে ইউ টাৰ্ন ল'ব নোৱাৰিব। এম্বুলেন্স, পানীৰ গাড়ী আদি ৰান-চি গেটেৰে সোমাব পাৰিব। ইপিনে পুৱা ৬ বজাৰ পৰা ১১ বজালৈ ৰাষ্ট্ৰীয় ঘাইপথেৰে সকলো ধৰণৰ গধুৰ যান-বাহনৰ চলাচল বন্ধ থাকিব আৰু পুৱা ৯ বজাৰ পৰা সন্ধিয়া ৭ বজালৈ ৰাইজে শ্ৰদ্ধাঞ্জলি জনাব পাৰিব। ৰাইজৰ সমাৱেশ অনুসৰি এনে বিষয়ত পৰৱৰ্তী সিদ্ধান্ত লোৱা হ'ব বুলি প্ৰকাশ কৰি বৰাই শ্ৰদ্ধাঞ্জলি অনুষ্ঠানটো শান্তিপূৰ্ণভাৱে আগবঢ়াই নিয়াৰ বাবে সকলোৱে সহযোগিতা বিচাৰিছে। ইপিনে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই সৰুসজাই ক্ৰীড়া প্ৰকল্পলৈ গৈ সামগ্ৰিক আয়োজনৰ বুজ লয়। সাংস্কৃতিক পৰিক্ৰমা মন্ত্ৰী বিমল বৰা আৰু মুখ্য সচিব ৰবি কোটাই এই আয়োজনৰ তদাৰক কৰিছে। ডঃ শৰ্মাই কয় যে চৰকাৰে সদ্যহতে ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠান এদিনৰ বাবে ৰখাৰ বিবেচনা কৰিছে যদিও ৰাইজে বিচাৰিলে এই সময় বৃদ্ধি কৰা হ'ব। শ্ৰদ্ধাঞ্জলি নিবেদনৰ পাছতো যিসকল লোকে তাতে কিছু সময় থাকিব বিচাৰে তেনে লোকসকলৰ সুবিধা হোৱাকৈয়ে ব্যৱস্থা কৰা হ'ব বুলি তেওঁ কয়। আজি নিশাৰ ভিতৰতে ৰভা নিৰ্মাণকে ধৰি সামগ্ৰিক আয়োজন সম্পূৰ্ণ কৰা হ'ব বুলি লোক নিৰ্মাণ বিভাগৰ এটা সূত্ৰই সদৰি কৰিছে।

## আৱেগিক গৰিমাৰ আহ্বান

অসমবাসীক সম্বোধন কৰি কয়— 'প্ৰিয় শিল্পীজনৰ অন্তিম যাত্ৰা শান্তিপূৰ্ণভাৱে হোৱাটো কামনা কৰিছোঁ। আৰক্ষীয়ে এই সম্পৰ্কত গ্ৰহণ কৰা ব্যৱস্থাৰ প্ৰতি ৰাইজে সহযোগ কৰে যেন।' তেওঁ আৰু কয়— সিদ্ধাৰ্থ শৰ্মা আমাৰ পৰিয়ালৰ সদস্যৰ দৰে। ক'ৰোনাৰ সময়তো সিদ্ধাৰ্থই জুবিন গাৰ্গক বহু সহায় কৰিছিল। তেওঁ আৰু সিদ্ধাৰ্থ নাথাকিলে আমি চলিব নোৱাৰা হ'ম। সেয়ে ৰাইজে যাতে সিদ্ধাৰ্থক একো নকৰে। তেওঁক জুবিন গাৰ্গৰ অন্তিম যাত্ৰাত উপস্থিত থাকিবলৈ দিব লাগে। লগতে গৰিমা শইকীয়া গাৰ্গে মেনেজাৰ সিদ্ধাৰ্থ শৰ্মাৰ বিৰুদ্ধে থানাত দাখিল হোৱা সকলো এজাহাৰ প্ৰত্যাহাৰ কৰাৰ আহ্বান জনাইছে।

## জননীৰ কোলালৈ চিৰনিদ্ৰিত

ইণ্ডিয়াৰ বিমান এ আই চি ২১১৬ এ ৩২১। নিশা প্ৰায় ১২ বজাত বিমানখন দিল্লীৰ ইন্দিৰা গান্ধী আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত অৱতৰণ কৰেহি। বিমানবন্দৰত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা মন্ত্ৰণালয়ৰ ৰাজ্যিক মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা আৰু ৰাজ্য চৰকাৰৰ প্ৰতিনিধিয়ে জনতাৰ প্ৰাণৰো প্ৰাণৰ শিল্পীজনৰ নশ্বৰদেহ চমজি লয়। বিমানবন্দৰতে শিল্পীগৰাকীক জনোৱা হয় শ্ৰদ্ধাঞ্জলি। তাৰ পাছতে যাৱতীয় আনুষ্ঠানিকতা সম্পূৰ্ণ কৰি জুবিন গাৰ্গৰ নশ্বৰদেহভৰা কফিন গুৱাহাটীমুখী বিমানত উঠোৱা হয়। জুবিন গাৰ্গৰ নশ্বৰদেহ কঢ়িয়াই দিল্লীৰ পৰা অহা বিশেষ বিমানখন পুৱা প্ৰায় ৪ বজাত বৰঝাৰৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ বিমানবন্দৰত অৱতৰণ কৰাৰ কথা। ছিংগাপুৰত আয়োজিত নৰ্থ-ইষ্ট ফেষ্টিভেলত অংশগ্ৰহণ কৰিবলৈ যোৱা সংগীত শিল্পীজনৰ কালি বিয়লি ছিংগাপুৰৰ সাগৰত সাঁতোৰাৰ সময়ত আকস্মিকভাৱে মৃত্যু হৈছিল। সেই অনাহূত খবৰ অহাৰ পাছতেই অসমবাসীৰ হিয়া ভাগি পৰে। শদিয়াৰ পৰা ধুবুৰীলৈ শোকাৰ্ত জুবিনপ্ৰেমীয়ে তেওঁলোকৰ মৰমৰ শিল্পীজনৰ শৰীৰ শীঘ্ৰে অসমলৈ অনাৰ দাবী জনায়। প্ৰাণাধিক মৰমৰ শিল্পীক চিৰদিনলৈ আঁতৰি যোৱাৰ মৰ্মবেদনা বুকুত বান্ধি উজাগৰী নিশা পাৰ কৰা অগণন অনুৰাগী গুণমুগ্ধৰ আশা আৰু দাবীত ৰাজ্য চৰকাৰে বৈদেশিক পৰিক্ৰমা মন্ত্ৰণালয়ৰ সহায়ত জুবিন গাৰ্গৰ নশ্বৰদেহ অসমলৈ অনাৰ ব্যৱস্থা কৰে। ছিংগাপুৰৰ চিকিৎসালয়ত আজি মৰণোত্তৰ পৰীক্ষা সম্পূৰ্ণ কৰাৰ পাছত ছিংগাপুৰ প্ৰশাসন কৰ্তৃপক্ষই দুপৰীয়া ভাৰতীয় দূতাবাসৰ বিষয়াসকলৰ উপস্থিতিত জুবিন গাৰ্গৰ মেনেজাৰ সিদ্ধাৰ্থ শৰ্মা আৰু সংগী শিখৰজ্যোতি গোস্বামী আৰু সন্দীপন গাৰ্গক অৰ্পণ কৰে। জুবিন গাৰ্গৰ নশ্বৰদেহ অসমলৈ অনা সমগ্ৰ প্ৰক্ৰিয়াত তদাৰক কৰা মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই সময়ে সময়ে এই অগ্ৰগতিৰ বিষয়ে সামাজিক মাধ্যমযোগে সদৰী কৰি থাকে। মৰণোত্তৰ পৰীক্ষা সম্পূৰ্ণ হোৱাৰ পাছত জুবিন গাৰ্গৰ নশ্বৰদেহ বিমানযোগে ভাৰতলৈ অনাৰ আনুষ্ঠানিক প্ৰক্ৰিয়া সম্পন্ন কৰা হয়। ছিংগাপুৰৰ পৰা দিল্লী অভিমুখী বিমানত বুক কৰা হয়। ইতিমধ্যে অসমৰ কিংবদন্তি শিল্পীজনৰ নশ্বৰদেহ চমজি লোৱাৰ বাবে বিয়লি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা আৰু কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা মন্ত্ৰণালয়ৰ ৰাজ্যিক মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা গুৱাহাটীৰ পৰা নতুন দিল্লীলৈ ৰাওনা হয়। ইফালে, জনতাৰ শিল্পীৰ গানে আকাশে বতাহে ৰজনজনাই থকা জন্মভূমি অসমত অপেক্ষাৰত অনুৰাগীৰ উৎকণ্ঠাই শীৰ্ষত আৰোহণ কৰে। গাঁৱে-ভূঞে-নগৰে সকলো জুবিনময়। অৱশেষত নিশা ৮ বজাত মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ৰ পৰা আহিল আনুষ্ঠানিক ঘোষণা— আমাৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ নশ্বৰদেহ লৈ অনা বিমানখনে ইতিমধ্যে ছিংগাপুৰৰ পৰা উৰণ আৰম্ভ কৰিছে আৰু নতুন দিল্লীত ঠিক মাজনিশা ১২ বজাৰ আগে আগে অৱতৰণ কৰিব। দিল্লীৰ পৰা পুৱতিনিশাই শিল্পীজনৰ পাৰ্থিৱ শৰীৰ বিমানযোগে গুৱাহাটীলৈ অনাৰ ব্যৱস্থা কৰাৰ কথাও মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে।


বিমানবন্দৰৰ পৰা জুবিন গাৰ্গৰ নশ্বৰদেহ তেওঁৰ কাহিলিপাৰাৰ বাসগৃহলৈ নিয়া হ'ব। বাসগৃহত কিছুসময় ৰখাৰ পাছত শিল্পীগৰাকীৰ নশ্বৰদেহ সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পলৈ নিয়া হ'ব। তাতেই পুৱা ৯ বজাৰ পৰা সন্ধিয়া ৭ বজালৈ ৰাজহুৱা শ্ৰদ্ধাঞ্জলিৰ ব্যৱস্থা কৰা হৈছে বুলি প্ৰশাসনে ঘোষণা কৰিছে। শিল্পীজনৰ অন্ত্যেষ্টিক্ৰিয়াৰ বিষয়ে কাইলৈ সন্ধিয়া ৰাজ্যিক কেবিনেটত আলোচনা কৰি সিদ্ধান্ত গ্ৰহণ কৰা হ'ব বুলি চৰকাৰৰ সূত্ৰৰ পৰা জানিব পৰা হৈছে।

# এছিয়া কাপত আজি পুনৰ ভাৰত-পাকিস্তানৰ যুঁজ

**ডুবাই, ২০ ছেপ্টেম্বৰ ঃ** এছিয়া কাপত কৰমৰ্দন বিতৰ্ক এতিয়াও শাম কটা নাই। ইয়াৰ মাজতে কাইলৈ পুনৰ এছিয়া কাপত মুখামুখি হ'ব চিৰপ্ৰতিদ্বন্দ্বী ভাৰত-পাকিস্তান। পাকিস্তানৰ বিৰুদ্ধে কাইলৈ হ'বলগীয়া ছুপাৰ ফ'ৰৰ মেচখনত জয়ৰ লক্ষ্যৰে অৱতীৰ্ণ হ'ব সূৰ্যকুমাৰ যাদৱ নেতৃত্বাধীন টীম ইণ্ডিয়া। এছিয়া কাপত অপৰাজেয় হৈ আছে মেন ইন ব্লু। গ্ৰুপ 'এ'ৰ তিনিখন মেচতে জয় সাব্যস্ত কৰি শীৰ্ষ দল হিচাপে ছুপাৰ ফ'ৰত প্ৰৱেশ কৰিলে ভাৰতে। লীগৰ প্ৰথম মেচত ইউএইক ৯ উইকেটত পৰাস্ত কৰা ভাৰতে দ্বিতীয়খন মেচত পাকিস্তানক সহজে ৭ উইকেটত হৰুৱাইছিল। শুকুৰবাৰে ওমানৰ বিৰুদ্ধে অনুষ্ঠিত মেচখনত ২১ ৰানৰ জয়েৰে অপ্ৰতিৰোধ্য হৈ ৰৈছে ভাৰতীয় দলটো। স্বাভাৱিকতে পাকিস্তানৰ বিৰুদ্ধে কাইলৈও আত্মবিশ্বাসেৰে অৱতীৰ্ণ হ'ব টীম ইণ্ডিয়া। পাকিস্তানৰ বিৰুদ্ধে কোনো সুকীয়া ৰণনীতি নাথাকিব বুলি মন্তব্য কৰে অধিনায়ক সূৰ্যকুমাৰ যাদৱে। অৱশ্যে অলৰাউণ্ডাৰ অক্ষৰ পেটেলৰ আঘাতে চিন্তাত ৰাখিছে টীম মেনেজমেণ্টক। ওমানৰ বিৰুদ্ধে খেলখনত মূৰত আঘাত পোৱা অক্ষৰ পেটেল কাইলৈৰ খেলখনত এতিয়াও অনিশ্চিত হৈ আছে। **খেলৰ সময় ঃ নিশা ৮ বজা।**



ওমানৰ আমিৰ কালেমৰ উইকেট দখল কৰি সতীৰ্থৰে উল্লাস পাণ্ডিয়াৰ



## চাইনা মাষ্টাৰ্ছ

## ফাইনেলত সাত্ত্বিক-চিৰাগ

**বেইজিং, ২০ ছেপ্টেম্বৰ ঃ** চাইনা মাষ্টাৰ্ছ বেডমিণ্টন টুৰ্নামেণ্টৰ পুৰুষৰ ডবল্‌ছৰ ফাইনেলত উপনীত হৈছে ভাৰতৰ তাৰকা যুটী সাত্ত্বিকছাইৰাজ ৰণকিৰেড্ডী আৰু চিৰাগ শেট্টীয়ে। আজি অনুষ্ঠিত ছেমি ফাইনেলত মালয়ছিয়াৰ আৰন চিয়া আৰু ছো উই বিচ্চক ২১-১৭, ২১-১৪ গেমত পৰাস্ত কৰে ভাৰতীয় যুটীটোৱে। এনেদৰে বি ডব্লিউ এফ ট্যুৰৰ একেৰাহে দ্বিতীয়খন ফাইনেলত উপনীত হ'ল সাত্ত্বিক-চিৰাগ যুটী।

## ৰাজ্যৰ ক্ৰীড়া সন্থা-সংগঠনৰ শোক প্ৰকাশ

# জুবিনৰ মৃত্যুত স্তব্ধপ্ৰায় ক্ৰীড়াক্ষেত্ৰ

দৈনিক অসমৰ বাতৰি

**গুৱাহাটী, ২০ ছেপ্টেম্বৰ ঃ** অসমীয়াৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ মৃত্যুত স্তব্ধপ্ৰায় হৈ পৰিছে অসমৰ ক্ৰীড়াক্ষেত্ৰ। মৰমৰ শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনাই ৰাজ্যৰ বিভিন্ন খেলপথাৰত চলি থকা প্ৰতিযোগিতাসমূহ সাময়িকভাৱে স্থগিত ৰখা হৈছে। ঠায়ে ঠায়ে ক্ৰীড়াবিদ, সংগঠকে শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনাবলৈ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰো আয়োজন কৰিছে। অসম ভাৰোত্তোলন সন্থাৰ তত্ত্বাৱধানত আৰু শোণিতপুৰ জিলা ভাৰোত্তোলন সন্থাৰ উদ্যোগত কালিৰে পৰা তেজপুৰত আৰম্ভ হোৱা ৫৩সংখ্যক সদৌ অসম ভাৰোত্তোলন প্ৰতিযোগিতা স্থগিত ৰখা হৈছে। ৰাজ্যিক সন্থাৰ তৰফৰ পৰা জনোৱা অনুসৰি প্ৰতিযোগিতাখন দুৰ্গা পূজাৰ পাছতহে পুনৰ অনুষ্ঠিত হ'ব। ইফালে, গুৱাহাটী ক্ৰীড়া সন্থায়ো নেহৰু ষ্টেডিয়ামত চলি থকা 'বি' আৰু 'চি' ডিভিজন লীগ ফুটবল টুৰ্নামেণ্ট আৰু জজ খেলপথাৰত চলি থকা তৃতীয় জিএছএ যুথ আৰু কিডছ লীগ-২০২৫ জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধা জনাই সাময়িকভাৱে স্থগিত ৰাখিছে। দুৰ্গা পূজাৰ পাছত লীগৰ পৰৱৰ্তী মেচৰ সূচী ঘোষণা কৰা হ'ব বুলি জিএছএৰ তৰফৰ পৰা জনোৱা হৈছে। ইফালে, জুবিন গাৰ্গৰ মৃত্যুত ক্ৰীড়াক্ষেত্ৰতো আজি শোকাকুল পৰিৱেশ বিৰাজ কৰিছে। শিল্পীগৰাকীৰ আকস্মিক বিয়োগত সদৌ অসম টাইকোৱানডো সন্থাই গভীৰ শোক আৰু দুখ প্ৰকাশ কৰিছে। সন্থাৰ সভাপতি বলীন চেতিয়া আৰু সাধাৰণ সম্পাদক হিৰণ্য শইকীয়াই এটা শোক বাৰ্তাত কয়— জুবিন গাৰ্গ কেৱল অসমৰ কণ্ঠই নহয়, এগৰাকী সাংস্কৃতিক 'আইকন' আছিল। অসম খো খো সন্থায়ো জুবিনৰ মৃত্যুত শোক প্ৰকাশ কৰাৰ লগতে তেওঁৰ আত্মাৰ চিৰশান্তি কামনা কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

**বজালীৰ দৈনিক অসমৰ ক্ৰীড়া প্ৰতিনিধি ঃ** জুবিন গাৰ্গৰ অনাকাংক্ষিত মৃত্যুত মৰ্মাহত হৈ প্ৰয়াত শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনাই জেছমিন ক্লাব ছৌখুটীৰ উদ্যোগত অনুষ্ঠিত হৈ থকা জেছমিন ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ ২১ ছেপ্টেম্বৰত কে এম চি সোণাপুৰ আৰু বৈছুমৈ ক্লাব লেচেৰাৰ মাজত হ'বলগীয়া প্ৰথমখন কোৱাৰ্টাৰ ফাইনেল সাময়িকভাৱে স্থগিত ৰখা হৈছে।

**আগিয়াৰ দৈনিক অসমৰ প্ৰতিনিধি ঃ** আগিয়া ৰাজহুৱা খেলপথাৰত শ্বহীদ নিধানুৰাম ৰাজবংশী সোঁৱৰণী ফুটবল খেল পৰিচালনা সমিতিৰ নেতৃত্বত বিয়লি তিনি বজাত জুবিন গাৰ্গলৈ আজি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি মৌন প্ৰাৰ্থনা জনাই প্ৰতিযোগিতাৰ পতাকা অৰ্দ্ধনমিত কৰাৰ লগতে অনিৰ্দিষ্ট দিনলৈ প্ৰতিযোগিতখন স্থগিত ৰখা বুলি ঘোষণা কৰে পৰিচালনা সমিতিৰ সভাপতি হৰিশ চন্দ্ৰ ৰাভাই।

# জুবিনলৈ শ্ৰদ্ধাঞ্জলি অসম অলিম্পিক সংস্থাৰ

দৈনিক অসমৰ বাতৰি



**গুৱাহাটী, ২০ ছেপ্টেম্বৰ ঃ** জুবিন গাৰ্গৰ স্মৃতিত অসম অলিম্পিক সংস্থাই আজি সন্ধিয়া ৰাধাগোবিন্দ বৰুৱা ক্ৰীড়া প্ৰকল্পত আয়োজিত এক অনুষ্ঠানত শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনায়। অসমৰ বিশিষ্ট ক্ৰীড়াবিদ, সংগঠক আদিয়ে অংশ লোৱা অনুষ্ঠানত অসম অলিম্পিক সংস্থাৰ সম্পাদক লক্ষ্য কোঁৱৰে বন্তি প্ৰজ্বলনেৰে অনুষ্ঠান মুকলি কৰে। অনুষ্ঠানত অসম অলিম্পিক সংস্থাই শিল্পীগৰাকীৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰে। ফুটবলৰ সৈতে গভীৰ সম্পৰ্ক থকা জুবিন গাৰ্গৰ আকস্মিক মৃত্যু অসহনীয় বুলি সংস্থাৰ সম্পাদক কোঁৱৰে উল্লেখ কৰে।

# গ্ৰুপতে থমকিল নুমলীগড় হাইস্কুল

## সুব্ৰত কাপ ফুটবল

দৈনিক অসমৰ বাতৰি

**গুৱাহাটী, ২০ ছেপ্টেম্বৰ ঃ** অসমক প্ৰতিনিধিত্ব কৰা গোলাঘাটৰ নুমলীগড় হাইস্কুলে ৬৪সংখ্যক সুব্ৰত কাপ আন্তঃৰাষ্ট্ৰীয় স্কুল ফুটবলৰ গ্ৰুপ পৰ্যায়ৰ পৰাই বিদায় লৈছে। গ্ৰুপৰ আজি অনুষ্ঠিত এখন খেলত আৰ্মী বয়জ দলে আন্দামান নিকোবৰক ২-০ গ'লত পৰাস্ত কৰাত অসমৰ দলটোৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশৰ পথ ৰুদ্ধ হৈ পৰে। গ্ৰুপত অসম আৰু আৰ্মী বয়জ দলৰ পইণ্টৰ সংখ্যা ১০ যদিও গ'লৰ হাৰত আৰ্মী বয়জ কোৱাৰ্টাৰলৈ উন্নীত হয়। আৰ্মী বয়জে গ্ৰুপত প্ৰতিপক্ষৰ বিপক্ষে সৰ্বমুঠ ৩৪টা গ'ল কৰাৰ বিপৰীতে অসমে ২৭টা গ'ল দিয়ে।

# কনকলতা বৰুৱা মহিলা ক্ৰিকেট স্থগিত

দৈনিক অসমৰ ক্ৰীড়া প্ৰতিনিধি

**গোলাঘাট, ২০ ছেপ্টেম্বৰ ঃ** জুবিন গাৰ্গৰ মৃত্যুত শোকস্তব্ধ হৈ পৰা গোলাঘাট জিলা ক্ৰীড়া সন্থাই আজি গভীৰ শোক প্ৰকাশ কৰে। ক্ৰীড়া সন্থাৰ বিষয়ববীয়া, খেলুৱৈৰ লগতে কনকলতা বৰুৱা আন্তঃজিলা মহিলা ক্ৰিকেটৰ মূল ৰাউণ্ডত অংশগ্ৰহণ কৰিবলগীয়া দলৰ খেলুৱৈসকলে শিল্পীগৰাকীৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি অৰ্পণ কৰে। জিলা ক্ৰীড়া সন্থাৰ সাধাৰণ সম্পাদক সঞ্জীৱ সন্দিকৈয়ে ফৰকাটিঙত অনুষ্ঠিত প্ৰতিযোগিতাৰ আজিৰ খেলৰ লগতে অন্যান্য খেলসমূহো স্থগিত ৰখাৰ কথা ঘোষণা কৰে।



# ইণ্ডিয়া ক্লাব-আইটিএফ মাষ্টাৰ্ছ টেনিছৰ সামৰণি

দৈনিক অসমৰ বাতৰি

**গুৱাহাটী, ২০ ছেপ্টেম্বৰ ঃ** ইণ্ডিয়া ক্লাব ক'ৰ্তৃত অনুষ্ঠিত প্ৰথম ইণ্ডিয়া ক্লাব-আইটিএফ মাষ্টাৰ্ছ ট্যুৰ ১০০ টেনিছ টুৰ্নামেণ্টৰ আজি সামৰণি পৰে। প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত ৩৫ বছৰ ঊৰ্ধ্বৰ পুৰুষ ছিংগলছত টুটু থাপাই প্ৰাচুৰ্য বৰাক আৰু মহিলাৰ ৩৫ বছৰ ঊৰ্ধ্বৰ শাখাত ৰাণী কৌৰ মাৰৱাই নেইনা মিট্ৰালক পৰাজিত কৰি খিতাপ জয় কৰে। ৪৫ বছৰ ঊৰ্ধ্বৰ পুৰুষ ছিংগলছত অৰ্জুন চিতালেই দিলীপ মহান্তিক আৰু মহিলাত নাজনীন ৰহমানে ববিতা মোহন লাংথাছাক, ৫৫ বছৰ ঊৰ্ধ্বৰ পুৰুষ ছিংগলছত হেকিম আলীয়ে অম্লানদীপ দাসক পৰাস্ত কৰি চেম্পিয়ন হয়। ৩৫ বছৰ ঊৰ্ধ্বৰ মহিলাৰ ডাবলছত পাৰমিতা গুহৰয় আৰু ৰাণী কৌৰ মাৰৱা, ৪৫ বছৰ ঊৰ্ধ্বৰ পুৰুষ ডাবলছত অৰ্জুন চিতালে আৰু নীতিন অৰবিন্দ টণ্ডন, মহিলা শাখাত ছুলুমণি বৰকটকী আৰু নাজনীন জাফৰ, ৫০ বছৰ ঊৰ্ধ্বৰ পুৰুষ ডাবলছত ৰাজীৱ কুমাৰ বৰা আৰু ৰাজীৱ দত্ত, ৫৫ বছৰ ঊৰ্ধ্বৰ পুৰুষৰ ডাবলছত দেৱজ্যোতি বৰপূজাৰী আৰু হেকিম আলী বিজয়ী হয়।

# স্মৃতি মান্ধানাৰ অনন্য অভিলেখ

**নতুন দিল্লী, ২০ ছেপ্টেম্বৰ ঃ** দ্ৰুততম ভাৰতীয় হিচাপে এদিনীয়া মহিলা ক্ৰিকেটত চেঞ্চুৰী কৰাৰ কৃতিত্ব অৰ্জন কৰিলে স্মৃতি মান্ধানাই। অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে নতুন দিল্লীত আজি অনুষ্ঠিত শৃংখলাৰ তৃতীয় তথা অন্তিম এদিনীয়াখনত তাৰকা বেটাৰগৰাকীয়ে ৫০টা বলত চেঞ্চুৰী কৰি এই কৃতিত্বৰ অধিকাৰী হয়। স্মৃতি মান্ধানাৰ এইটো বিশ্বৰ দ্বিতীয় দ্ৰুততম চেঞ্চুৰী। ইয়াৰ পূৰ্বে অষ্ট্ৰেলিয়াৰ মেগ লেনিঙে ২০১২ চনত নিউজীলেণ্ডৰ বিৰুদ্ধে ৪৫টা বলত চেঞ্চুৰী কৰিছিল। আজিৰ খেলখনত মান্ধানা ১২৫ ৰানত আউট হোৱাৰ পূৰ্বে ৬৩টা বলৰ সন্মুখীন হৈ ১৭টা বাউণ্ডেৰী আৰু ৫টা অভাৰবাউণ্ডেৰী কোবায়।



# টী-২০ত এশ উইকেটৰ ক্লাবত অৰ্শদীপ



**আবুধাবি, ২০ ছেপ্টেম্বৰ ঃ** প্ৰথম ভাৰতীয় বলাৰ হিচাপে টী-২০ আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটত ১০০ উইকেটৰ ক্লাবত প্ৰৱেশ কৰিলে বেগীবলাৰ অৰ্শদীপ সিঙে। কালি আবুধাবিত অনুষ্ঠিত এছিয়া কাপৰ গ্ৰুপ 'এ'ৰ মেচত এই কৃতিত্বৰ অধিকাৰী হয় ভাৰতীয় বলাৰজন। অৰ্শদ্বীপৰ শততম উইকেটৰ 'চিকাৰ' হয় ওমানৰ বেটাৰ বিনায়ক শুক্লা। মাত্ৰ ৬৪খন টী-২০ মেচ খেলিয়েই অৰ্শদীপে শততম উইকেটৰ অধিকাৰী হয়। ২০২২ চনৰ জুলাইত ইংলেণ্ডৰ বিৰুদ্ধে টী-২০ত অভিষেক ঘটিছিল প্ৰতিভাশালী বেগী বলাৰজনৰ। সেই হিচাপে মাত্ৰ তিনি বছৰ আৰু ৭৪ দিনত টী-২০ কেৰিয়াৰৰ শততম উইকেটটো দখল কৰিবলৈ তেওঁ সমৰ্থ হয়। উল্লেখ্য যে টেষ্ট ক্ৰিকেটত প্ৰথম ভাৰতীয় হিচাপে শততম উইকেটৰ ক্লাবত প্ৰৱেশ কৰিছিল ভিনু মানকাডে। সেইদৰে এদিনীয়াত ১০০ উইকেট দখল কৰা প্ৰথম ভাৰতীয় হৈছে কপিল দেৱ।




দৈনিক অসম প্ৰাইভেট লিমিটেডৰ পৰিচালন সঞ্চালক কিশোৰ বৰাৰ হৈ জ্যোতিষ পৰন বৰদলৈৰ দ্বাৰা দা ট্ৰিবিউন প্ৰেছ, ট্ৰিবিউন বিল্ডিংছ, মণিৰাম দেৱান পথ, চানমাৰি, গুৱাহাটী-৭৮১০০৩ত মুদ্ৰিত আৰু প্ৰকাশিত। টেলিফোন ঃ ০৩৬১-২৬৬০১০২, ২৬৬১৩৫৯, ৮৮১১৮-৮১০২৪। ই-মেইল ঃ dainikasam@gmail.com
কাৰ্যবাহী সম্পাদক ঃ শংকৰ লস্কৰ

দৈনিক অসম
দেওবৰীয়া চ'ৰা
দেওবাৰ, ২১ ছেপ্টেম্বৰ, ২০২৫
Sunday, September 21, 2025

## Water

**জুবিন গাৰ্গ**

(নগাঁৱৰ পৰা লামডিঙলৈ আহোঁতে — বাটত)

মোৰ প্ৰতিবাদী সত্তাৰ পৰিধি
তইঁতে বুজি নাপাবি
মই নদীৰ পৰা সাগৰলৈ যাব পাৰোঁ
সাগৰৰ পৰা নদীলৈ ঘূৰিও আহিব পাৰোঁ
মাথোঁ মোৰ ৰং সলনি হ'ব
পানীৰ সোৱাদ সলনি হ'ব

পাৰে পাৰে এৰি থৈ যাম অকল বালি
বালি আৰু বালি

বালি আৰু হিংস্ৰ
ঠাণ্ডাত শুকাই নিব তোৰ তেজ
গৰমত উখহাই দিব তোৰ দুভৰি

খোজ কাঢ়িব পাৰ যদি আহিবি
মই চুমা খাম তোৰ ৰক্তাক্ত দুভৰিত
Be water
Be shapeless...

২০-০৫-২০১৮

## জুবিনদা থাকিব লাগিছিল

**ৰূপম ভূঞা**

জুবিনদা থাকিব লাগিছিল। বহু কাম কৰিম বুলি মনতে আশা পুহি ৰাখিছিল। সেই কামবোৰ হোৱাহেঁতেন জাতিটো কোনোবাখিনিত আৰু অলপ সমৃদ্ধ হ'লহেঁতেন। কিন্তু আমি ভাবি থকাৰ দৰে নহয় সকলো কথা। সকলোৰে জীৱনত এই দিনটো লিখা থাকে। এদিন আমিও গুচি যাম এনেকৈয়ে। ■



# প্ৰাণৰ জুবিন

## এজাক ধুমুহাৰ নাম...

**অনুৰাধা শৰ্মা পূজাৰী**

ধুমুহাৰ স'তে মোৰ বহু যুগৰে নাচোন— জুবিনে নিজেই গাই গৈছে। জুবিন মানেই ধুমুহা, জুবিন ধুমুহা হৈ আহিল আৰু গ'ল, ভাঙি-ছিঙি থৈ গ'ল অনুৰাগীৰ হৃদয়— যিবোৰ হৃদয়ত জুবিনৰ গানবোৰ সাঁচতীয়া সম্পদৰ দৰে সঞ্চিত হৈ আছে। জুবিন আছিল এক বিস্ময়কৰ প্ৰতিভা, যি প্ৰতিভাৰ উচিত ৰক্ষণাবেক্ষণ নহ'ল। জুবিনে নিজৰ কথাও নাভাবিলে, গীতৰ অনুৰাগীৰ কথাও নাভাবিলে। বিতৰ্কৰ অন্ত নাছিল জুবিনক লৈ, এতিয়া ভাব হয়— বিতৰ্কৰ বাবেই আকৌ ঘূৰি আহক জুবিন। আকৌ দুয়োৰৰ দুপাট জোতা, গ্লাছবিহীন একা-বেঁকা চশমা পিন্ধি, দুষ্ট হাঁহিটোৰে মঞ্চত থিয় হওক, গাই যাওক 'অনামিকা'ৰ গানবোৰ আৰু গানৰ শেষত চিঞৰি কওক 'লাভ ইউ'— সাত খুন মাফ হৈ যায় এই শব্দ দুটাত।

মই নিজে জুবিনৰ গীতৰ অনুৰাগী। জুবিনৰ মৃত্যু নাই, genius never dies— চাৰিটা দশকৰ প্ৰজন্মক জুবিনে এক কৰি ৰাখিছিল, জুবিনৰ সৈতে জুবিনৰ গীতৰ ব্যতিক্ৰমী ধাৰাটোৰো অকাল মৃত্যু হ'ল। এই ধাৰাটোও ধুমুহাৰ দৰে, কোনফালে গতি লয় কোনেও নাজানে। জুবিনৰ সৈতে বহু সুন্দৰ মুহূৰ্তৰ স্মৃতি আছে, জুবিনে নিজে তোলা ফটো এখনো উপহাৰ দিছিল মোক। ব্যক্তিগত সম্পৰ্কৰ কথা বাদ দিও ক'ব পাৰোঁ— জুবিন অসাধাৰণ আছিল বাবেই চৰ্চাত আছিল সদায়, জুবিনৰ বহু গুণ চৰ্চা নোহোৱাকৈও থাকিল। জুবিন এটা মুক্ত আকাশৰ চৰাই আছিল, শিল্পীয়ে যেতিয়া আকাশখন বিচাৰি পায়, নিয়ন্ত্ৰণ কোনেও কৰিব নোৱাৰে। জুবিন এক চৰ্চিত শিল্পী হৈ থাকিব। অসমৰে নহয়, ভাৰতবৰ্ষৰ ক্ষতি জুবিনৰ অকাল মৃত্যু। জুবিনৰ গীতেই জুবিনৰ জীৱন, গীতেই জুবিনক অমৰ কৰি ৰাখিব। 'লাভ ইউ জুবিন', তুমি নাই বুলি নাভাবোঁ। ■

## অকল্পনীয়

**বিপিন চাওদাং**

জুবিনদা নাই কথাটো মই বিশ্বাসে কৰিব পৰা নাই। জুবিনদাৰ বাবেই আজি মোক মানুহে চিনি পায়। মই বিহুগীতবোৰ লিখোহে। সুৰবোৰচোন তেওঁৱেই কৰে। খুব মৰ্মাহত হৈছোঁ। জুবিনবিহীন অসমখন কল্পনা কৰিবলৈ সাহে নুকুলায়। ■



মই স্বাৰ্থপৰ হ'ব পাৰিলোঁহেঁতেন। বোম্বেত থাকি, পইচা ঘটি ঢেৰ গান গাই নাম কৰিব পাৰিলোঁহেঁতেন। কিন্তু মোৰ অসমৰ জনগণৰ প্ৰতি এটা দায়িত্ব আছে। তেওঁলোকেই মোক জন্ম দিছে। ঘৰৰপৰা ওলোৱাৰপৰা ষ্টুডিঅ' পোৱালৈকে পোন্ধৰজনমান মানুহৰ চিকিৎসা, ল'ৰা-ছোৱালীৰ পঢ়া-শুনা, আন সমস্যা, অভাৱ-অভিযোগ— সেইবোৰ চাওঁতেই মোৰ দিনে বহুত সময় যায়। কিন্তু সেই দায়িত্বৰপৰা মই ওলাব নোৱাৰোঁ। সেই দায়িত্ব এৰিলে মই নিজকে ক্ষমা কৰিব নোৱাৰিম। সকলোৱে বিশ্বাস কৰে— কোনোৱে একো নকৰিলেও জুবিনদাই কিবা এটা কৰিব।

## জুবিন যেন জীৱন!

**বৰ্ণিল মেধি**

মানুহজনৰ লগত আমাৰ ঠেহ বহুদিনীয়া। খং-অভিমান-কতনা আৱেগ! মানুহজন বাৰু অকণ থিৰে ৰ'ব নোৱাৰেনে? শিল্প আৰু শিল্পীৰ বাক-বিতণ্ডাত তেওঁৰ ওজন বঢ়াবলৈ আমাৰ কত প্ৰয়াস— তাত তেওঁ সহায় অকণ কৰিব নোৱাৰেনে? নাই— নিজৰ মতেই চলিব, নিজৰ ঘূৰণেই ঘূৰিব! মাজে মাজে ভাবোঁ, এই মানুহজনৰ লগত ইমান ঠেহ পাতি জানো লাভ আছে? কি দৰকাৰ বাৰু আমাৰ? পিছে উত্তৰটিও তাতেই। জুবিন গাৰ্গৰ লগত ঠেহ নাপাতি নোৱাৰোঁ— তেওঁ যে ঘৰৰে ল'ৰা! জুবিনতকৈ আপোন কোন বুলি সুধিলে সৰগ পৰা ল'ৰাটো হৈ পৰোঁ— ভাবিবলৈ বাধ্য হওঁ। এৰা, আমাৰ দেখোন জীৱনেই জুবিন। অ-ফলাখন শিকাৰ আগতেই আমাৰ মুখত জুবিনৰ গীতৰ শৱদ। জুবিনৰ গীতৰ সমুখতেই ফুটিছে প্ৰথম মাত— এখোজ-দুখোজকৈ থপ্ থপ্ শৈশৱ ২ পৃষ্ঠাত চাওক

"

জুবিন শব্দ, জুবিন আশা, জুবিন মায়া— জুবিনতেই আমাৰ মুক্তি।... সেই চুলিকোছা আঁতৰি জীৱন ক'লীয়া অন্ধকাৰ হৈ বোৱা হুক হুক চকুপানীৰ কাযতো আছিল জুবিন।

## ঈশ্বৰৰ প্ৰিয় সন্তান

**ডাঃ নমিতা বৈশ্য**

কিছুমান উচ্চতা থাকে, যি চুব পৰা ধৰণৰ নহয়; কিছুমান গভীৰতা থাকে ডুবিব পৰা ধৰণৰ নহয়; কিছুমান বিস্তৃতি থাকে যি সামৰিব পৰা ধৰণৰ নহয়। জুবিন আমাৰ বাবে সেই উচ্চতা, জুবিন আমাৰ বাবে সেই গভীৰতা, জুবিন আমাৰ মনৰ সেই ব্যাপ্তি।

জুবিন, জুবিনেই।

জুবিন আমাৰ গান, আমাৰ স্মৃতি, আমাৰ অহংকাৰ, আমাৰ অভিমান। জুবিনক আমি খং কৰোঁ, জুবিনক আমি গালিও পাৰোঁ। কাৰণ জুবিন আমাৰ।

জুবিনৰ ওপৰত আমাৰ প্ৰচণ্ড অধিকাৰ।

আমি এতিয়াও চিঞৰিছোঁ— 'তই এনেকৈ এখন বেলেগ দেশত কিয় মৰিবি?' এগৰাকী শিল্পী আৰু এগৰাকী মানুহৰ শিল্পীৰ মাজত পাৰ্থক্য আছে। সেই পাৰ্থক্যৰ সৰ্বোৎকৃষ্ট উদাহৰণ হ'ল জুবিন। শিশুৰপৰা বৃদ্ধলৈ, শ্ৰমিকৰপৰা আমোলালৈ, অমাত জীৱ-জন্তুৰপৰা গছ-গছনিলৈ, অনাথৰপৰা গৃহস্থীজনলৈ কাৰ প্ৰিয় নাছিল জুবিন! ২ পৃষ্ঠাত চাওক

# সুৰৰ মহাকাশৰ বেলি

**ৰক্তিম গোস্বামী**

জুবিন গাৰ্গ এনেকৈ গুচি যাব বুলি কোনে ভাবিছিল। খবৰটোৱে অসমৰ প্ৰতিজন মানুহৰ বুকুত বজ্ৰাঘাত কৰিলে। সদায় ল'ৰালিৰ দৰে জিলিকি থকা জুবিন গাৰ্গৰ মুখখন হঠাৎ এটি পপীয়া তৰা হৈ অদৃশ্য হ'ল। মৃত্যু সত্য, কিন্তু এনে মৃত্যু আৰু এনে সত্যক সকলোৱে যেন নস্যাৎ কৰিব বিচাৰে। জুবিন গাৰ্গ এক কণ্ঠ, এক কেঁচা আৱেগ হৈ শত-সহস্ৰজনৰ বুকুৰ ধন হৈ আছিল। সেই কণ্ঠ হঠাৎ এইদৰে ৰুদ্ধ হ'ল, ৰৈ পৰিল অসম। বাক্‌ৰুদ্ধ হৈ পৰিল সকলো। সকলোৰে এটাই প্ৰাৰ্থনা 'মিছা হওক এই খবৰ'। ইয়াৰ সমান্তৰালভাৱে মানুহ হৈছে ক্ষোভিত, সামাজিক মাধ্যমত বিস্ফোৰিত হৈছে সকলো স্তৰৰ মানুহৰ ক্ষোভ। প্ৰশ্ন কৰা হৈছে— কি পৰিস্থিতিত জুবিন গাৰ্গৰ মৃত্যু হ'ল? অসুস্থ জুবিন গাৰ্গক কিয় ছিংগাপুৰলৈ লৈ যোৱা হৈছিল অনুষ্ঠানৰ বাবে? ছিংগাপুৰৰ নৰ্থ-ইষ্ট ফেষ্টিভেল পতা আয়োজকে জুবিনৰ জীৱনৰ সুৰক্ষা কিয় দিব নোৱাৰিলে? প্ৰশ্ন উঠিছে। চৌদিশে এই প্ৰশ্নৰ জোৱাৰ যে আৰু অধিক প্ৰবল হ'ব সেয়া নিশ্চিত। কাৰণ জুবিন গাৰ্গৰ প্ৰতি মানুহৰ ভালপোৱা সাধাৰণ ভালপোৱা নহয়। সেয়েহে জুবিনক হেৰুওৱাৰ ক্ষোভৰ জুয়ো ভয়ানক হ'ব। এই মৃত্যুৰ বাবে যদি কোনো সঁচাকৈ জগৰীয়া, তেনেহ'লে সেই ব্যক্তি অসমীয়া ৰাইজৰ ওচৰত জৱাবদিহি আৰু ক্ষমাপ্ৰাৰ্থী হ'বই লাগিব। মানুহৰ চকুলো নোৰোৱা এটা খবৰ।

১৯৯২, সংগীত জগতলৈ জুবিনৰ সবল আগমন, প্ৰথম কেছেট 'অনামিকা'। প্ৰথম কেছেটৰ প্ৰথম গীত অনামিকা, এক যেন বিস্ফোৰণহে আছিল। এক যেন আগ্নেয়গিৰিহে উদগীৰিত হৈছিল। এই আৰম্ভণি হৈ পৰিছিল সফলতাৰ এক অন্তহীন মায়ালৈ। অসমীয়া সংগীত জগতত ডঃ ভূপেন হাজৰিকাৰ পাছত এইদৰে অসমৰ মানুহৰ অফুৰন্ত মৰম বুটলিবলৈ সক্ষম হোৱা মানুহজনেই ২ পৃষ্ঠাত চাওক





## মানুহগৰাকী

**দেৱাংগ পল্লৱ শইকীয়া**

এই সত্তাটোৰ বিষয়ে লিখি শেষ কৰিব পৰা হ'লে বা লিখিবই পৰা হ'লে! সাগৰৰ গভীৰতাক কি শব্দেৰে লিখে মানুহে? মই দেউতা ঢুকোৱাৰ দিনা ৰাতিটো শোৱা নাছিলোঁ। কালিও নোৱাৰিলোঁ। কালি ঢুকোৱা মানুহটো তেজৰ নহয়। অসমৰ কাৰো তেজৰ নহয়। অথচ সকলোৰে বুকুত ঘৰ বান্ধি থকা এক অঘৰী সত্তা। কালি বহুত মানুহ নুশুলে।

যিটো মানুহে জীয়াই থাকোঁতেই শিল হেন মানুহকো নিজৰ কণ্ঠেৰে কন্দুৱাই পেলাইছিল, সেই মানুহটো হঠাতে, আগজাননী নিদিয়াকৈ নোহোৱা হ'লে মানুহে কিদৰে মানি ল'ব? কিদৰে কোনোবাই দেখিব বুলি লাজত নকন্দাকৈ থাকিব? চহৰখন মৃত হৈ আছে আজি। ফটো এখনৰ আগত ঠায়ে ঠায়ে মানুহ জুম বান্ধি কান্দি আছে। মুক্তমনে কান্দিছে।

পাণদোকানী এজনে কান্দি কান্দি দোকান বন্ধ কৰি আছিল। মই হাতেৰে হুপাৰ ভংগিমাৰে দেখুৱাই দিলোঁ চিগাৰেট লাগে। মোৰো কথা ক'ব পৰা শক্তি নাছিল। ৪ পৃষ্ঠাত চাওক

কবিতা

## মিছা হোৱা হ'লে

**ডঃ নীলিমা গোস্বামী শৰ্মা**

তুমি
কি নাছিলা

মায়া অনামিকাৰপৰা
লাগেনা ভালোলৈকে
য়া আলীৰপৰা
মন মানেনালৈকে
শুধু তুমিৰপৰা
চিৰদিনি তুমি যে আমাৰলৈকে

কি নাছিলা
তুমি

কাঞ্চনজংঘাৰপৰা
কা আন্দোলনৰ প্ৰতিবাদলৈকে
হিয়া দিয়া নিয়াৰপৰা
মিছন চাইনালৈকে

ডঃ বেজবৰুৱা টুৰ পৰা
দিলতো দিৱানা হ্যায়লৈকে

ৰত্নাকৰৰপৰা
হোমৰৰ্কলৈকে

ক'ত নাছিলা
তুমি

প্ৰতিখন
বিহুমঞ্চৰপৰা
মানুহৰ হিয়াৰ কোণলৈকে

ক'ত নাছিলা তুমি

খবৰটো
মিছা হোৱা হ'লে

## জুবিন দা

**ভিক্টৰ ৰাজকুমাৰ**

জুবিন দা

এই মানুহবোৰ দেখিছানে
চোৱাচোন এবাৰ

তোমাৰ বাবে
তোমাতেই
কেনেকৈ মৰিবলৈ ৰৈ আছে

তুমি মৰিব নোৱাৰা অ'
জুবিন দা

তুমি অসমীয়াৰ আয়ুস ৰেখা

তুমিহীন আমি
এটি শূন্য

তুমি নহয়, এটি গান
অসমীয়াৰ প্ৰতিটো প্ৰাণত
গুঞ্জৰিত এটি মান

তুমি জুবিন
তুমি জুবিন

এই যে
তোমাৰ অভিমানবোৰ
তোমাৰ খংবোৰ
তোমাৰ শিশুৰ দৰে কামবোৰ
তোমাৰ কথাবোৰ
তোমাৰ বহুৱালিবোৰ
তোমাৰ, তোমাৰ, তোমাৰ

সকলোবোৰ আমাৰ বাবে
অতীত, বৰ্তমান আৰু ভৱিষ্যতৰ গান

তুমি অসমীয়াৰ স্বাভিমান
তুমি অসমীয়াৰ প্ৰাণ

তোমাৰ গান
আমাৰ মান

এইয়া চোৱা
তুমি বিচৰাৰ দৰে আমি গাইছোঁ
'মায়াৱিনী ৰাতিৰ বুকুত
দেখা পালোঁ, তোমাৰ ছবি
ধৰা দিলা, গোপনে আহি
হিয়াৰ কোণত...'

এবাৰ চোৱা
এই মানুহবোৰ...

তুমি কাক চিনা,
কাক চিনা
এই শত-সহস্ৰজনৰ কাৰোবাক

ওহোঁ!

তোমাৰ সত্তাই চিনে মানুহ
তুমি ছাঁ দিয়া, এজোপা গছ,
তুমি ঈশ্বৰৰ দৰে
জুবিন দা...

তোমাৰ গানেৰে
তোমালৈ প্ৰাৰ্থনা

জুবিন দা
তুমি এবাৰ চোৱা
এই মানুহবোৰ
ইমান মানুহ
ইমান মানুহ

তুমি কোৱাৰ দৰে
এই মানুহৰো
কোনো জাতি নাই
কোনো ধৰ্ম নাই
নাই কোনো বিভেদ

আছে মাথোঁ,
জুবিন
কেৱল জুবিন

সমগ্ৰ বিয়াপি...।

## প্ৰাণৰ জুবিন

# এতিয়াও সাৰে আছে তেওঁ

**ৰাহুল গৌতম শৰ্মা**



গ্ৰীষ্মৰ কোনোবা এটা আবেলি জুবিন গাৰ্গৰ খাৰঘুলিৰ ষ্টুডিঅ'ত প্ৰৱেশ ঘটিছিল মোৰ। সচৰাচৰ থকাৰ দৰে মানুহেৰে পৰিৱেষ্টিত হৈ থকা নাছিল জুবিন গাৰ্গ। ষ্টুডিঅ'ৰ আটাইবোৰ লাইট বন্ধ কৰি, একেবাৰে অকলে, থিয় হৈ, একান্তভাৱে গান শুনি আছিল সেইদিনা জুবিন গাৰ্গে। এটাই গান, বাৰে বাৰে শুনিছিল, উৰাই-ঘূৰাই, উধৰ পৰা মূধলৈ। জুবিন গাৰ্গৰ অস্থিৰতাৰ কাহিনী অসমৰ মানুহক নতুনকৈ ক'বলগীয়া নাই। ওচৰৰপৰা পোৱাসকলে জানে কিদৰে দুটা ছেকেণ্ড এটা ঠাইত ৰৈ থাকিব নোৱাৰে জুবিন গাৰ্গ। অথচ এই গান আছিল বিশেষ— জুবিন গাৰ্গ সমাহিত, একান্ত বাধ্য শিষ্যৰ দৰে গুৰুৰ বিশাল বাংময়তাত বিমুগ্ধ। সেই গান মই আগেয়ে কেতিয়াও শুনা নাছিলোঁ। আগেয়ে কেতিয়াও দেখা নাছিলোঁ সেই শিল্পীক। আগেয়ে কেতিয়াও সংগীতৰ এনে জটিল, উন্মাদ, বিস্ময় সংৰচনাৰে হোৱা নাছিল মুলাকাত। আগেয়ে কেতিয়াও এনে গীতিময়তাই মোক অবাক কৰি তোলা নাছিল— ক'ব পাৰা মই হেৰুৱাই পেলাইছোঁ বিজ্ঞান আৰু প্ৰগতিৰ ওপৰত বিশ্বাস/ ক'ব পাৰা মোৰ বিশ্বাস উধাও হৈছে পৱিত্ৰ গীৰ্জাৰ পৰা / ক'ব পাৰা মই হেৰুৱাই পেলাইছোঁ দিক-বিদিক/ ক'ব পাৰা ইমান বা আৰু কিবা/ কিন্তু যদি কেতিয়াবা তোমাৰ ওপৰৰ পৰা মোৰ বিশ্বাস আঁতৰি যায়/ হেৰুৱাবলৈ মোৰ আৰু একো বাকী নাথাকিব...।

ইফ্ আই এভাৰ লুজ্ মাই ফেইথ ইন্ ইউ— সেই গান। ষ্টিং— সেই নাম।

সেই আবেলিটোৰপৰা এই লেখা লিখি থকা আবেলিটোলৈ মাজত এটা দশক পাৰ হৈ গৈছে। পাৰ হৈ গৈছে বয়স আৰু জীৱনৰ বহুকেইটা জটিল কেঁকুৰি। বহুবাৰ সলনি হৈছে ভালপোৱা গানৰ তালিকা। কিছু যোগ হৈছে, কিছু বিয়োগ। সলনি হৈছে বন্ধু, চহৰৰ ঠিকনা, চৰিত্ৰৰ বিন্যাস। এই সমস্ত সময়ছোৱাত ষ্টিঙে মোক সমৃদ্ধ কৰি আহিছে। হয়তো মোৰ জীৱনত আজিলৈ এটাও দিন পাৰ হোৱা নাই, যিদিনা মই গান শুনা নাই। খাৰঘুলিৰ সেই আবেলিটোৰ পৰা যোৱা এটা দশকত এদিনো এনে দিন পাৰ হোৱা নাই, যিদিনা মই এটা হ'লেও ষ্টিঙৰ গান শুনা নাই। কিমানবাৰ যে শুনা নাই মোৰ প্ৰিয়তম এলবাম— টেন ছামনাৰ্ছ টেল্‌ছ। কিমান হাজাৰবাৰ যে শুনা নাই সোণালী



পথাৰৰ সেই গান— ফিল্ড্‌জ অব্ গ'ল্ড।

এইগৰাকী ষ্টিঙৰ সৈতে মোক চিনাকি কৰাই দিছিল জুবিন গাৰ্গে। জুবিন গাৰ্গৰ গানত বা তাতকৈও শুদ্ধকৈ ক'বলৈ গ'লে তেওঁৰ সাংগীতিক চিন্তাত, ঠায়ে ঠায়ে সোমাই আছে ষ্টিং— সম্পৃক্ত হৈ আছে শৈল্পিক সত্তাৰে। ষ্টিঙৰ বিখ্যাত গীত ফ্ৰেজাইল্‌ৰ ভংগুৰ ভণিতাৰ ভ্ৰূণে ভৰপক ৰূপ পাইছে জুবিন গাৰ্গৰ মায়াৱিনী ৰাতিৰ বুকুৰে। ষ্টিঙৰ ডে' ডান্‌ছ এল'নৰ সুৰ ৰিণিকি ৰিণিকি ভাহি থাকে এতিয়া কাষত হেঁপাহৰ ফুলনিৰ গুণগুণনিত। যিদৰে সুদূৰ বিদেশৰ সুৰীয়া লোকসংগীত হেং ডাউন ইয়'ৰ হেড্ টম ডুলীৰ নিৰ্যাস একালত ভূপেন হাজৰিকাই বোৱাই দিছিল মানুহে মানুহৰ বাবেৰ সুৰ-বিন্যাসত, যিদৰে বীথ'ভেনে মিচিকিয়াই থাকে এই আকাশ বৰ বিশাল গীতৰ প্ৰিল্যুডত, সিদৰে ষ্টিং বাৰে বাৰে অসমলৈ আহিছে জুবিন গাৰ্গৰ মাজেৰে। এইবোৰ সৃষ্টি উদাহৰণ, শিকনি— অনুপ্ৰেৰণা কাক বোলা হয়, চুৰ বোলে কাক। যা হওক, যিহেতু ষ্টিং জুবিন গাৰ্গৰ প্ৰিয় শিল্পী, বহুক্ষেত্ৰত গুৰু আৰু সেই ষ্টিং মোৰ মন-মগজুত প্ৰোথিত কৰা মানুহজনো তেওঁ; সেয়ে, ষ্টিং ভাৰতলৈ অহাৰ খবৰ পোৱাৰ পাছতেই জুবিন গাৰ্গক মোৰ আবদাৰ পৌনঃপুনিকভাৱে বেকত কৰি থকা হ'ল— যদি ষ্টিঙৰ অনুষ্ঠানেই মোক দেখুৱাব নোৱাৰিলে, তেনেহ'ল কি লাভ হ'ল জুবিন গাৰ্গ হৈ?

কথা আছিল— অসমৰপৰা জুবিন আহিব, আমি একেলগে ষ্টিঙক চাবলৈ যাম। কথা হ'ল— ডিচেম্বৰৰ শেষৰ ভাগত মই আকৌ আহিবলগীয়া হ'ল অসমলৈ। সেয়ে শেষত কথাৰ কথাটো হ'ল এনেকুৱা— সৰভোগত নিজৰ অনুষ্ঠান সামৰি পোনে পোনে জুবিন গাৰ্গ আহিব বৰঝাৰলৈ, তাৰ পৰা তেওঁ, তেওঁৰ দুগৰাকী মেনেজাৰ, সিদ্ধাৰ্থ শৰ্মা আৰু ৰিদীপ দাস আৰু মই উৰা মাৰিম মুম্বাইলৈ পুৱাৰ প্ৰথম বিমানত, সন্ধিয়া অনুষ্ঠান চাম, পাছদিনা পুৱাৰ বিমানত পুনৰ উভতি গুৱাহাটী পামহি। কিন্তু জুবিন গাৰ্গৰপৰা শিকিব নলগীয়া কিবা যদি আছে, সেই তালিকাৰ প্ৰথমতেই থাকিব তেওঁৰ সময়ানুৱৰ্তিতা। সেয়েহে আমাৰ ভয়— আহি পাবহিনে?

দেখা গ'ল— নিৰ্দ্ধাৰিত সময়ত বিমানকোঠৰ দুৱাৰেৰে সোমাই আহিছে জুবিন গাৰ্গ। দুঘণ্টা অনুষ্ঠানৰ পাছত তিনি ঘণ্টাৰ যাত্ৰা— তথাপি উজ্জ্বল, সপ্ৰতিভ। মাত্ৰ এজন মানুহৰ কাৰণে ইমান কষ্ট, টোপনি খতি, শ্ব' আৰু বিমানৰ টিকটৰ ইমান ডাঙৰ খৰচ; তথাপি অকণো বেজাৰ নাই— কাৰণ সোঁশৰীৰে দেখা পাব তেওঁৰ প্ৰিয় শিল্পীক— মাজত মাত্ৰ চৌবিছ ঘণ্টা আৰু দুহেজাৰ ছশ তেইছ কিলোমিটাৰৰ ব্যৱধান।

দুহেজাৰ চৌবিছ চনৰ জানুৱাৰী মাহৰ আঠাইছ তাৰিখে মহালক্ষ্মী ৰেছ ক'ৰ্চত ল'লাপল'জা নামৰ মিউজিক ফেষ্টিভেলত আন আন শিল্পীৰ লগতে ষ্টিঙৰো অনুষ্ঠান— একেবাৰে শেষত। অনুষ্কা শংকৰৰ চেতাৰবাদনৰ অনুষ্ঠানো আছিল দিনত, মই আৰু ৰিদীপদা সেয়ে দিনতেই নোশোৱা-নেমেলাকৈ ভেন্যু পালোঁ, জুবিন গাৰ্গক আবেলি সাত বজাৰ আগে আগে লৈ তালৈ লৈ আনিব সিদ্ধাৰ্থদাই। মুম্বাইত দেৰিকৈ সাজ লাগে। পোহৰবেলাতেই অজস্ৰ মানুহৰ সমাগম। চাৰিখন ষ্টে'জ। চিনা-অচিনা অনেক শিল্পী। বহুতো অসমীয়া মানুহৰো ভিৰ দেখিলোঁ। আন্ধাৰ নামিব ধৰাৰ পৰা আমাৰ আকৌ ভয় লাগিবলৈ ধৰিছে— আহিবনে, সময়ত আহি পাবহিনে জুবিন গাৰ্গ? জুবিন গাৰ্গে ষ্টিঙক চাবলৈ নাপালে যে আমাৰেই অদ্ভুত কিবা এটা 'মিছ' হৈ যাব, তেনে ভাবত।

সাত বাজিল কি নাবাজিল, একেবাৰে পাক্কা সময়ত, ছিকিউৰিটী চেকিঙত স্ফূৰ্তিৰ এমোকোৰা হাঁহি মুখত বান্ধি, আমাৰ চকুত, সৌৱা জুবিন গাৰ্গ। এইজন জুবিন গাৰ্গ আমাৰ বেছিভাগৰেই চিনাকি নহয়। জুবিন গাৰ্গ হৈ থকাৰ বোজাৰ পৰা একেবাৰে মুক্ত আজি তেওঁ। তেওঁ আজি কেৱল শ্ৰোতা, কেৱল দৰ্শক— জাষ্ট্ আ ফেন। ভিতৰ সোমোৱাৰ পাছত বিভিন্নজনে জুবিন গাৰ্গক মাত লগাইছে। হঠাতে শংকৰ-এহছান-লয়ৰ লয়ে আহি হাত মিলাইছে। কোনোবা অসমীয়া অথবা বঙালীয়ে অধীৰ উলাহেৰে ফটো তুলিছে। আমি কিবাকিবি খাইছোঁ। জুবিন গাৰ্গৰ ভ্ৰূক্ষেপ নাই একোতে। আন একো কথাতেই মন বহা নাই। বাৰে বাৰে হাতঘড়ীটোলৈ চাইছে। আৰু মাত্ৰ অলপ সময়, আৰু কেইটামান মিনিট, দীৰ্ঘ প্ৰতীক্ষাৰ একেবাৰে শেষৰ কেইটামান পল।

এটা সময়ত ষ্টিং মঞ্চত উঠিল। কাষত অৰ্জুনৰ সাৰথিৰ দৰে সখা, অনবদ্য গীটাৰিষ্ট ডমিনিক্ মিলাৰ। সকলো দৰ্শক থিয় হৈ আছে। কোনো ভি আই পি নাই, কমিটীৰ মাহী-পেহী খুৱা-মামা নাই— এজন শিল্পী, এজাক অনুৰাগী। মঞ্চৰ সমুখত সোঁফালে আমি থিয় হৈ চাই আছোঁ। পাছত গম পালোঁ বাঁওফালে একেদৰেই থিয় হৈ আছিল অংগৰাগ মহন্তও। আছিল জয় বৰুৱা, অনুৰাগ শইকীয়া। এই সকলো ডাঙৰ ডাঙৰ মানুহ সেইদিনা আছিল মাত্ৰ ভিৰৰ এটা সংখ্যা, অজস্ৰ অনুৰাগীৰ মাজৰ আন এজন। অথচ এই কথাক লৈ কাৰো খেদ নাছিল; বৰং আছিল বিৰল এক ইউফ'ৰিক উপলব্ধি— এইজন যে সমুখত, এইজনেই সেইজন, চাৰি দশকজুৰি যি জুৰাই ৰাখিছে আমাৰ প্ৰতিজনৰে জীৱন।

ষ্টিঙে গান গাই গৈছে। আমি একেলগে চিঞৰি চিঞৰি গাইছোঁ চিনাকি আটাইবোৰ গান— ৰক্সেন/ ইউ ড'ণ্ট হেভ্ টু পুট্ অন্ দ্য ৰে'ড লাইট...। আকৌ গাইছে চেব্ মামীৰ সৈতে যুটীয়াভাৱে সৃষ্টি কৰা সেই মহাকাব্যিক মালিতা— ডেজাৰ্ট ৰ'জ্—মৰুভূৰ গোলাপ...। জটিল সংশয় আৰু অবাধ প্ৰত্যয়ৰ সেই যুগলবন্দী— আই ছেণ্ড্ এন্ এছ.অ'.এছ. টু দ্য ৱ'ৰ্ল্ড/ মেছেজ্ ইন্ আ বটল্...।

আৰু ইফালে মই দেখিছোঁ— সেই এক দশক আগেয়ে খাৰঘুলিৰ ষ্টুডিঅ'ত থিয় হৈ গান শুনি থকা জুবিন গাৰ্গক। ভৰিৰ জোকাৰণি নাই, ইফাল-সিফাল ঘূৰি ফুৰা অস্থিৰ খোজ নাই— থিয় হৈ, পোন হৈ, মাথোঁ গান শুনিছে, প্ৰতিটো গানেই মুখস্থ, লগে লগে আওৰাইছে। এইজন জুবিন গাৰ্গক দেখা নাযায় বিহুমঞ্চত। এইজন জুবিন গাৰ্গক দেখা পোৱাটো এটা আপুৰুগীয়া সোঁৱৰণ। এটা জাতিক তিনিটা দশকজুৰি গান শুনাই থকা মানুহ এজনে, যাক লৈ জাতিটোৰ সহস্ৰ গৌৰৱ আৰু অজস্ৰ অভিযোগ, সেইজন জুবিন গাৰ্গে মনভৰি চাই আছে নিজৰ গুৰুক। আৰু কাষত মই, কালি-পৰহি গান বুজিবলৈ আৰম্ভ কৰা পিটিকলি গীতিকাৰ— কাক চাম মই? সমুখৰ ষ্টিঙক নে, নে ষ্টিঙক চাই থকা এই বিৰল জুবিন গাৰ্গৰ দৃষ্টিক?

জীৱনত সমুখৰপৰা ষ্টিঙক চালোঁ— জন্ম লোৱাটো যে একেবাৰে নিৰৰ্থক নাছিল, তাৰ জানো ইও এটা প্ৰমাণ নহয়?

অনুষ্ঠান শেষ হ'ল। ৰাতিটো দক্ষিণ মুম্বাইৰ ইফালে-সিফালে ঘূৰ্মুটিয়াই পুৱা আমি ফ্লাইট ধৰিবলৈ আহিলোঁ। ভাগৰত মই লবেজান। ফ্লাইটৰ চকা ঘূৰিবলৈ নাপাওঁতেই চকুত মোৰ টোপনিৰ ভিৰ। বিমান উৰিছে। এটা সময়ত এজন চিনাকি হাতে মোক জোকাৰি জগাইছে— জুবিন গাৰ্গ। আঙুলিটোৰে বিমানৰ খিৰিকীৰ বাহিৰলৈ' চাবলৈ মোক ইংগিত দিছে। আৰব সাগৰৰ আকাশত বেলি জগিছে। একেখন আকাশতে ওপৰৰ পৰা তললৈ এন্ধাৰ, গাঢ় নীলা, বেঙুনীয়া, পাতল ৰঙা, ডাঠ ৰঙা আৰু আন্ধাৰ— এনে আকাশ মই দেখা নাছিলোঁ কাহানিও। এনে এখন আকাশ যে মই দেখাটো জৰুৰী আছিল, সেই কথা বুজিছিল জুবিন গাৰ্গে। মই আকাশ চাই থাকোঁতেই জুবিন টোপনি গ'ল।

মাজে মাজে বাঢ়ি অহা এখন মৰুভূমিৰ দৰে লাগে জুবিন গাৰ্গক। সৃষ্টিৰ সেই অবাধ জলপ্ৰপাত যেন ক'ৰবাত ভাগৰুৱা, পৰিশ্ৰান্ত। মানুহে কিমান কি দিয়া নাই এইজন মানুহক? তথাপি ইমান অতিষ্ঠ নিজক লৈ? নিজৰ প্ৰতি ইমান বিদ্বেষ? এটা সময়ত জুবিনক বুজাবলৈ চেষ্টা কৰিছিলোঁ। লাহে লাহে ভাব হ'ল যাক মই বুজিয়েই নাপালোঁ, তাকনো কি বুজাম? জুবিনে জুবিন গাৰ্গৰ পৰ্যায়ত কথা পাতিবলৈ মানুহৰ অভাৱ— জুবিন গাৰ্গ আজি যেনেকুৱা, তেনেকুৱা হোৱাৰ আঁৰৰ ই হয়তো এক প্ৰধান কাৰণ। সেইকাৰণেই ক'ৰবাত হয়তো সামান্য দিক্‌ভ্ৰান্তও। সেইবাবেই আমি আটাইবোৰে ইমান খটবান্ধকৈ লাগি আছিলোঁ— ষ্টিং চোৱাটো গুৰুত্বপূৰ্ণ, কিন্তু তেওঁ ষ্টিঙক চোৱাৰ গুৰুত্ব ততোধিক। সেইদিনা জুবিন গাৰ্গক দেখি প্ৰত্যয় জন্মিল— এতিয়াও সাৰে আছে জুবিন গাৰ্গ, ভাগৰা নাই, জীৱন হেৰুওৱা নাই, সংগীতৰ প্ৰতি হেৰাই যোৱা নাই সেই অঁকৰা উন্মাদনা। এতিয়াও ক'ৰবাত এপাহ গোলাপ ফুলি আছে। সেইজোপা গোলাপেই জুবিনক ইমান বিষাদৰ মাজতো জীয়াই ৰাখিছে। অথবা, আমি আটাইবোৰ মানুহেই একোখন মৰুভূমি। আৰু শৰীৰত লেখ-জোখ নোহোৱা অলেখ কাঁইটৰ খোঁচ লৈ আমাৰ মাজত আমাৰ দৰেই ভাগৰুৱা হৈ ফুলি আছে ক্ষত-বিক্ষত এই 'ঈশ্বৰৰ তৰোৱাল'— লাইক্ এ ডেজাৰ্ট ৰ'জ্... ■

> সেইজোপা গোলাপেই জুবিনক ইমান বিষাদৰ মাজতো জীয়াই ৰাখিছে। অথবা, আমি আটাইবোৰ মানুহেই একোখন মৰুভূমি।

# জুবিন যেন জীৱন!

**১ পৃষ্ঠাৰ পৰা** পাৰ হৈ কৈশোৰ। জুবিনৰ সুৰতেই কৈশোৰৰ ধমনী ফুটি উন্মাদ যৌৱন, সলনি সময়-ঠিকনা-হিয়া-শ্বাশ্বত মাথোঁ জুবিন। জীৱনৰ এনে এটা জানো ক্ষণ আছে, য'ত জুবিনে দিয়া নাই আমাৰ সংগ? মাৰ লগত কাজিয়া পাতি ঘৰ এৰি গুচি যাম বুলি ঠিৰাং কৰা ছবছৰীয়া অকণমানিটোৰ লগতো আছিল জুবিন। হাতত স্কেলৰ কোব খাই শিক্ষকৰ চকুত ৰঙা চকু থৈ বিদ্ৰোহৰ প্ৰথম অগনি জ্বলোৱাৰ সময়তো লগত আছিল জুবিন। কলেজৰ প্ৰথম দিনতেই তাইৰ ক'লা চুলিকোছাই মৰমৰ প্ৰথম ঠিকনা দিওঁতেও লগত আছিল জুবিন। সেই চুলিকোছা আঁতৰি জীৱনকলীয়া অন্ধকাৰ হৈ বোৱা হুক হুক চকুপানীৰ কাষতো আছিল জুবিন। সেই একেই চকুত মা-দেউতাক অলপ গৌৰৱৰ সুযোগ কৰিবলৈ পোৱা আনন্দাশ্ৰুৰ কাষতো আছিল জুবিন। আদিৰপৰা অন্তলৈ, দিগন্তৰপৰা অনন্তলৈ, থিয় দি ৰোৱা ভৰিৰ পতাৰপৰা সূৰুযমুখী চকুলৈ — সকলোতে মাথোঁ জুবিন আৰু জুবিন! সেই জুবিনৰ লগত ঠেহ নাপাতো কেনেকৈ? তেওঁৰ লগত যেন অকণ আবদাৰ নকৰিলে আমাৰ দিন নুনুমায়, ৰাতি নুপুৱায়। জুবিনৰ বাবেইতো আমাৰ জোনাকে ন-মায়া ৰচে, কাণে কাণে কয়— 'জুবিন তোমাৰ, মাথোঁ তোমাৰ!'

জুবিন আমাৰ জীৱনৰ অহৰহ আৱহ গান— এনে এটি ক্ষণ নাই, যাৰ সৌষ্ঠৱ জুবিনৰ নামেৰে বৃদ্ধি হোৱা নাই। জুবিন আমাৰ জীৱনৰ স্নিগ্ধ জোনাক, জুবিনেই আমাৰ হৃদয়ৰ বৰষুণ। জুবিন শব্দ, জুবিন আশা, জুবিন মায়া— জুবিনতেই আমাৰ মুক্তি! এতিয়া ভাবিছোঁ, তেওঁলৈ চিঠি এখন লিখিম, ক'বলৈ থাকি গ'ল বহু কথা। কিন্তু আৰম্ভ ক'ৰপৰা কৰিম? তেওঁ জানো জানে, কিদৰে আমাৰ সময় আটোমটোকাৰিকৈ সজাই তুলিছে? ভাবেনে একা, প্ৰতিটো শৰতৰ প্ৰভাতী ফুলে যে তেওঁৰ কথাই আমাক কয়? বুজি জানো পায়— তেওঁৰ সুৰতেই যে আমাৰ মেঘালী সপোনে বাগৰ সলায়? ওহোঁ, পায় যেন নেলাগে! পোৱা হ'লে মানুহজনে নিজকে অকণ গুৰুত্বসহকাৰে ল'লেহেঁতেন। কি যে হ'ব নহয় মানুহজনৰ! সেইবাবে মাজে মাজে সোধোঁ— জুবিন আচলতে কোন? প্ৰেমিক, উন্নাসিক, বিপ্লৱী, আমাৰ মুখৰ হাঁহি নে তাতোকৈ কিবা অধিক? উত্তৰত ভাবোঁ, আমাৰ জীৱনৰ প্ৰতি ধূলিকণাই জানো জুবিন নহয়? হাতেই পোৱাতেই জুবিন বাবেই চাগে আমি মাজে মাজে তেওঁক গুৰুত্ব চাগে কমাই দিওঁ? কিন্তু এতিয়া যে প্ৰশ্ন— জুবিনৰ অবৰ্তমানত জীৱন কি? প্ৰশ্ন জুবিনেও কৰিছিল— মৃত্যু যদি শিল্প হয়, মৃত্যু কিদৰে সুলভ? উত্তৰটি নিজেই দিলে— যি উত্তৰ আমি বিচৰাও নাছিলোঁ। সঁচাকৈয়ে ওভতগোৰে নচা মানুহ দেই! এতিয়া জুবিনক অহৰহ বিচাৰিম — গানত-কথাত-শব্দত-সুৰত। হয়তো জুবিনে ক'ব— 'মই আছোঁ তোমাৰ দুচকুৰ পাহিতে, চাই লোৱা দুচকু জপাই!' সেয়াই আমাৰ প্ৰত্যাশা— জুবিনক সদায় কাষতেই পাম— নিজৰেই শৰীৰৰ প্ৰতি কোঁহত। এই জীৱন জানো জুবিন নহয়! ■

ফোন ঃ ৮৮১২৮৬৭৯৪৫



# ঈশ্বৰৰ প্ৰিয় সন্তান

**১ পৃষ্ঠাৰ পৰা** কোন আছে আজি, যি জুবিনৰ বাবে কন্দা নাই? জুবিনৰ সান্নিধ্য পোৱা, জুবিনৰ সান্নিধ্য নোপোৱা, জুবিনৰ লগত কথা পতা, জুবিনৰ লগত কথা নপতা, জুবিনৰ গান ভাল পোৱা, জুবিনৰ গান ভাল নোপোৱা, জুবিনৰ ডাই হাৰ্ট ফেন, জুবিনৰ তীক্ষ্ম সমালোচক, কাৰ বুকু আজি উদাস হৈ উঠা নাই?

জুবিনৰ অবৰ্তমানত, নিজক নিচুকাবলৈকো আমি যে জুবিনকে বিচাৰিছোঁ!

অতুলনীয়, অসাধাৰণ জুবিনৰ প্ৰতিভা। অনাগত এশ বছৰতো জুবিনৰ দৰে প্ৰতিভাধৰ অন্য এজন সংগীত শিল্পী অসমে লাভ কৰিব নে নাই সন্দেহ আছে। কিন্তু তাতোকৈ ডাঙৰ কথা, জুবিন আমাৰ ঘৰৰ ল'ৰাটো!

'ঐ জুবিন!' বুলি মাতিব পৰাকৈ জুবিন আমাৰ একেবাৰে বুকুৰ আপোন!

সেই উচ্চতা কি সকলোৱে চুব পাৰে? জুবিন আমাৰ বাবে কি যে এক অহংকাৰ!

প্ৰায় সোতৰ-ওঠৰ বছৰ আগৰ কথা। জয়পুৰৰ মিউজিক ফেষ্টিভেলত অংশ ল'বলৈ জুবিন জয়পুৰলৈ আহিছে। ৰাজস্থানৰ অগ্ৰণী বাতৰি কাকত 'দৈনিক ভাস্কৰ'ত সম্পূৰ্ণ পৃষ্ঠাজুৰি জুবিনৰ 'ফুল ছাইজ' ফটো প্ৰকাশ হৈছে। লগতে কিদৰে জুবিনক চাবলৈ অনুৰাগীৰ অপ্ৰতিৰোধ্য ভিৰ— তাৰ বিষয়ত এটা দীঘল বাতৰি। অসমৰ নামটোও প্ৰকাশ নোহোৱা, অসমৰ বিষয়ে এটা বাতৰিও পঢ়িব নোপোৱা এখন ৰাষ্ট্ৰীয় বাতৰি কাককত জুবিনৰ 'ফুল ছাইজ' ফটো! জুবিনক লৈ আমি অহংকাৰ নকৰাকৈ থাকিব পাৰোঁনে?

জুবিনে এনেকৈ যাওঁ বুলিয়েই যাব পাৰিব নেকি? জুবিন আমাৰ আত্মাত ৰৈ যাব। প্ৰত্যেকজন অসমীয়াৰ স্মৃতিৰ কোলাহলত, প্ৰেমৰ নীৰৱতাত, বৰগীতৰ আধ্যাত্মিকতাত, বিহুৰ নাচোনত, ধুমুহাৰ শব্দত, মায়াৱিনী ৰাতিত, পাখি মেলা অতীতত, মনৰ নিজানত, মুগ্ধ হিয়াত, সেমেকা হাঁহিত, কান্দোনত জুবিন নিগাজিকৈ ৰৈ যাব। জুবিনক বাদ দি কেতিয়াও অসমৰ কথা ক'ব পৰা নাযাব।

আমি বহুবাৰ আপত্তি কৰিছোঁ, জুবিনে এইটো কিয় কৰে, সেইটো কিয় কৰে, এনেকৈ কিয় পিন্ধে, তেনেকৈ কিয় থাকে— কিন্তু আজি যেতিয়া জুবিন নাই, আমি ক'ৰবাত কেনেবাকৈ বুজি উঠিছোঁ, জুবিন তেনেকুৱা, সেইবাবেহে আমি জুবিনক এইদৰে পাইছোঁ। সঁজাত বন্দী পখীয়ে সৃষ্টি কৰিব নোৱাৰে। ইমান মুক্তভাৱে কথাও ক'ব নোৱাৰে জুবিনে কিমান স্বীকৃতি পাইছে, কি পুৰস্কাৰ পাইছে সেইবোৰ কথাৰ আজি কোনো অৰ্থ নাই। জুবিনে চুব পৰা বিস্তৃতি পৃথিৱীত মাত্ৰ কিছুসংখ্যক মানুহেহে চুব পাৰে।

জুবিন গুচি গ'ল। হয়তো সৃষ্টিৰ বাবেই আহিছিল আৰু সৃষ্টি কৰি গুচি গ'ল। জুবিন ঈশ্বৰৰ প্ৰিয় সন্তান।

ঈশ্বৰৰ কোলাত জুবিনে শান্তিত শুই থাকক! ■

# সুৰৰ মহাকাশৰ বেলি

**১ পৃষ্ঠাৰ পৰা** আছিল জুবিন গাৰ্গ। সংগীতক উন্মাদৰ দৰে ভাল পোৱা জুবিনে হাজাৰ হাজাৰ গীত গালে, অসমীয়াৰ লগতে ভাৰতীয় অন্যান্য আঞ্চলিক ভাষা, বলীউড সকলোতে গালে। সকলোৱে নিজৰ কণ্ঠৰ যাদুৰে মানুহক সন্মোহিত কৰিলে। মোৰ এতিয়াও মনত আছে মই যেতিয়া ২০০৬ চনত চেন্নাইত কৰ্মৰত আছিলো, তেতিয়া মোৰ অফিচৰ গাড়ীখনত লাগি থকা FMত হঠাৎ তামিল গীত এটাত জুবিনৰ কণ্ঠ ভাহি আহিছিল। মই উচাপ খাই উঠিছিলোঁ। আনন্দতে কাষৰ তামিল বন্ধুজনক গৌৰৱেৰে কৈছিলোঁ— 'এই গান গাই থকা গায়কজন অসমীয়া।' তেওঁ কৈছিল— 'হয়, এই গানটো জুবিন গাৰ্গে গাইছে। এইটো এটা জনপ্ৰিয় তামিল গান।' এইদৰেই এজন অসমীয়া হৈও জুবিনে ভাৰতৰ চুকে-কোণে অসংখ্যজন সংগীতপ্ৰেমীৰ বুকুত খোপনি পুতিছিল।

বিগত তিনিটা দশকৰো অধিক কাল জুবিন গাৰ্গে অসমীয়া সংগীত জগতৰ এজন সম্ৰাট হৈ কটালে। যিজন সম্ৰাটক ৰাইজে বলিয়াৰ দৰে ভাল পাইছিল আৰু ভাল পাইছিল বাবেই জুবিন গাৰ্গৰ কিছু আচহুৱা কাম-কাজৰ কঠোৰ সমালোচনাও কৰিছিল। আজীৱন নিজৰ 'মৰ্জিৰ মালিক' হৈ থকা জুবিন গাৰ্গক লৈ সেয়েহে বিতৰ্ক আৰু 'ব্ৰেকিং নিউজ'ৰো অন্ত নাছিল। পিছে এই সকলোবোৰৰ ঊৰ্দ্ধত জুবিনৰ প্ৰায় প্ৰতিটো নতুন গীতৰ আগমনে অনুগামী আৰু সমালোচক সকলোকে মূক কৰি ৰাখিছিল। এয়েই আছিল জুবিন গাৰ্গৰ বাহাদুৰী।

এজন গীতিকাৰ হিচাপে, এজন সুৰকাৰ হিচাপে, এজন কণ্ঠশিল্পী হিচাপে জুবিন গাৰ্গৰ দক্ষতা আৰু এজন সংগীত পৰিচালক আৰু বাদ্যযন্ত্ৰী হিচাপে জুবিন গাৰ্গৰ দক্ষতা এটা শব্দত ক'বলৈ গ'লে অতুলনীয়। সংগীত জগতত একেজন ব্যক্তিৰ গাতে ইমানবোৰ প্ৰতিভা সফলতাৰে স্তূপিত হৈ থকাটো বিৰল। সেয়েহে জুবিন গাৰ্গ অনন্য। সংগীতৰ সকলো দিশতে তেওঁৰ এই পাৰদৰ্শিতা উঠি অহা অলেখজন যুৱ প্ৰতিভাৰ আদৰ্শও।

জুবিন গাৰ্গৰ বিষয়ে এই সময়ত নিৰন্তৰ লিখি থাকিবলৈও মন গৈছে, অথচ তেওঁৰ নোহোৱা হোৱা অসহনীয় খবৰটোৱে কলমটো বাৰে বাৰে স্তব্ধ কৰিও তুলিছে। জুবিন গাৰ্গ গ'লগৈ, কিন্তু জুবিন গাৰ্গে অসমীয়া সংগীত জগতক এক অনন্য মৰ্যাদা দি গৈছে। আমাক সুৰৰ আৰু কথাৰ এখন মহাকাশ দি গৈছে জুবিন গাৰ্গে, যি মহাকাশত অসমীয়াই বিচৰণ কৰিব অনন্ত কাললৈ। জুবিন গাৰ্গ এক স্বৰ, এক কণ্ঠ, যাৰ নাই কোনো অন্ত। ■




# তেৰ নদীৰ ইপাৰেও এখন আপোন ঘৰ

**ডঃ তন্ময়ী ৰাণী নেওগ**

**ঘ**ৰৰপৰা বহুত দূৰৈত থাকোঁ, তেৰ নদীৰ ইপাৰে কিছুমান অচিনাকি মানুহৰ মাজত, নিতৌ অচিনাকি ভাষা এটাৰ সৈতে কুচ-কাৱাজ কৰোঁ এখন অচিনাকি দেশত। মনটো বেয়া লাগিলেই জুবিন, ভাল লাগিলেই জুবিন, বিহু বুলিলেই জুবিন, অসমৰ দুজন মানুহ লগ পালেই জুবিন, ঘৰলৈ মনত পৰিলেই জুবিন, আপোন মানুহবোৰলৈ মনত পৰিলেই জুবিন, নিজক সান্ত্বনা দিবলৈও জুবিন। এই দেশত মেপল পাত সৰিলেও জুবিন, বৰফ পৰিলেও জুবিন, সাগৰৰ পাৰত বহিও জুবিন, গাহৰি খাবলৈ লৈও জুবিন, গাড়ীখন চলাই গ'লেও জুবিন। জুবিনৰ কণ্ঠত ব'হাগ আহে, ৰ'দে হাঁহে, বৰষুণে কান্দে, সপোন জাগে। আমাৰ প্ৰজন্মটোৱে প্ৰেমত, বিচ্ছেদত, বিয়াত, নিঠৰ দুপৰবোৰত জুবিনকে সাৰথি কৰি লৈছিল। এন্ধাৰতো জুবিন, পোহৰতো জুবিন। জুবিনৰ গানবোৰ শুনাৰ লগে লগে we are emotionally relocated to our 'Homes'!

জুবিন নোহোৱা হোৱা বাতৰিটো পোৱাৰ পৰা এটা কথাই ভাবি আছোঁ— ব্ৰিটনি স্পিয়াৰ্ছ, নিৰ্ভানা, মাইকেল জেকচন, জাষ্টিন বিবাৰ, কল্ডপ্লে, লিংকিন পাৰ্ক, গ্ৰীন ডে, এমিনেমৰ দিনটো আমাক অসমীয়া গানৰ প্ৰতি আগ্ৰহী কৰি ৰখা মানুহটোৰ শব্দত, সুৰত, কণ্ঠত কম শক্তি আছিল নে? মেহফিল এটাত বঙালী বা হিন্দী গান নোহোৱাকৈয়ে জুবিন শুনি শুনি ৰাতি পুৱাই দিব পৰাকৈ কম আঢ্যৱন্ত কৰি তুলিলে নে জুবিনে। আমাৰ প্ৰত্যেকৰে এটা জুবিন কাহিনী আছে। আমি সেইটো প্ৰজন্ম যিয়ে জুবিন বৰঠাকুৰক জুবিন গাৰ্গ হৈ জন্ম লোৱা দেখিছোঁ। যোৰহাটৰ ৰাস্তাই-ঘাটে চাইকেল লৈ ঘূৰি ফুৰা চুলি দীঘল, হাই পাৱাৰৰ চছমা পিন্ধা সেই দাদাটোৰ মায়া, অনামিকা শুনি ভাল লাগি যোৱাৰ পৰা মাজে-সময়ে ওলট-পালট কৰিলে পূৰ্ণ অধিকাৰেৰে খং কৰিব পৰাকৈ ঘৰৰে দাদা হৈ পৰা যাত্ৰাটোৰ সাক্ষী আমাৰ এই প্ৰজন্মটো। ঘৰ নামৰ আৱেগৰ একছত্ৰী সম্ৰাট আছিল জুবিন। সকলো এক্সেণ্টিচিটি লৈও জুবিন আছিল এক অনন্য প্ৰতিভা আৰু এজন মানৱ দৰদী শিল্পী। জুবিনেই আছিল শেষৰ জন শিল্পী যিয়ে অসমীয়া সত্তাটোক সৰ্বসাধাৰণৰ মাজত অনুভৱ কৰাই দিব পাৰিছিল।

পৃথিৱীৰ বিভিন্ন ঠাই সিঁচৰতি হৈ থকা আমাৰ দৰে লাখ লাখ মানুহৰ বাবে জুবিনৰ গানবোৰ আছিল একো একোটা ঘৰ। বিদেশী খাদ্যত খাৰৰ সোৱাদ ঢালি দিব পৰাকৈ সুৰীয়া আছিল সেই নিভাঁজ কণ্ঠটো। ভূপেন হাজৰিকাই এটা প্ৰজন্মৰ হৃদয় স্পৰ্শ কৰিলে, জুবিনে আন এটাৰ। কিন্তু আমাৰ প্ৰজন্মটোক দুয়োজনে নিজৰ নিজৰ অনন্য ধৰণেৰে বিশ্বৰ য'তেই নহওক কিয়, এখন ঘৰ কৰি তুলিবলৈ এগাল ঘৰুৱা গোন্ধ থকা গান দি গ'ল। যিখন পৃথিৱীত আমাৰ অস্তিত্বৰ কোনো ধাৰণা নাই, সেইখন পৃথিৱীত অসম অসমীয়াৰ হোৱাৰ তীব্ৰ গৌৰৱ কৰিবলৈ সুবিধা কৰি দিছিল জুবিনে। বিশ্বাস দিব পাৰিছিল যে দূৰত্বই আমাক ঘৰৰ পৰা কেতিয়াও পৃথক কৰি ৰাখিব নোৱাৰে। জুবিনে চে গুৱেভাৰাৰ কথা কৈছিল, বিষ্ণু ৰাভাৰ কথা কৈছিল, সমাজতন্ত্ৰৰ কথা কৈছিল। কিয় কৈছিল নাজানো। কিন্তু এতিয়া এনেকুৱা লাগিছে— ক'ৰবাত যেন চে গুৱেভাৰাৰ দৰে বিপ্লৱীৰ মুক্ত জীৱনে জুবিনক আকৰ্ষণ কৰিছিল যদিও নিজকে চেপি ৰাখিছিল বহু সময়ত।

কটনত থাকোঁতে পাপু (অনুৰাগ শইকীয়া) আৰু শান্তনুহঁতৰ কৃপাত বহুত বাৰ লগ পাইছিলোঁ, দেখিছিলোঁ জুবিনক। সিহঁতে লগ পালে কোৱা কাহিনীবোৰত জুবিন নামৰ সত্তাটোক দূৰৈৰপৰাই একেবাৰে ঘৰুৱা যেন লাগি গৈছিল। একো বঁটা-বাহনৰ কথা নাই, ৰাইজৰ মাজত থাকি জুবিন দা হৈ নেতৃত্ব দি গৈছিল আমাৰ ৰাইজখনক। জুবিনৰ দৰে কণ্ঠশিল্পী পৃথিৱীতে বিৰল। ৩৩ বছৰত ৩৮,০০০ হেজাৰ গীত বাণীবদ্ধ কৰিলে, এবছৰত ৮০০ গীত আৰু এদিনত ৩৬টা গীতৰ বাণীবদ্ধন। জুবিন বিস্ময়। মাত্ৰ ৫২ বছৰ শিল্পী এজনৰ বাবে অতি কম সময়। এজন দায়বদ্ধ শিল্পী আছিল জুবিন। মাজে-সময়ে কেতিয়াবা কিবা কথা কওঁতে ভুল হৈছিল কিন্তু 'মোৰ কোনো জাতি নাই, মোৰ কোনো ধৰ্ম নাই, মই দ্বাদশ শ্ৰেণীত লগুন ছিঙি দিছোঁ বুলি ৰাজহুৱাকৈ ক'বলৈ সাহস লাগিব, লাগিব মেৰুদণ্ড'। এনে এজন ধৰ্মনিৰপেক্ষ মানুহ আমি হেৰুৱাই পেলালোঁ। দুখ সামৰিব জানো, দেউতাক হেৰুৱাইছোঁ, বহুতো আপোন মানুহক হেৰুৱাইছোঁ। কিন্তু জুবিন নোহোৱা দুখকণ সামৰিবলৈ অপাৰগ আজি। গতানুগতিক সকলো চলি আছে যদিও এটা মহাশূন্য। ট্ৰেমখনত উঠি হেডফোন লগাই কাণত 'আনে যোৱা বাটে নোযোৱা ছোৱালীজনী...' গানটো শুনি ভিতৰি ভিতৰি কান্দিছোঁ, কঁপি গৈছোঁ শিপালৈকে। এই অসময় প্ৰস্থান বৰ অসহনীয়। জুবিনৰ নশ্বৰ দেহ ক'ৰবাত শুই আছে, কিন্তু দুখ সামৰিব পৰাকৈ মই জুবিনৰ গানেই বাছি লৈছোঁ। নব্য উদাৰবাদী পৃথিৱীখনত জুবিনক আচলতে আমাক বিনোদন দিয়া এটা যন্ত্ৰ কৰি পেলাইছোঁ নেকি আমি? এনেকৈ নিজকে সামৰি থ'বলৈ প্ৰেৰণা দিয়া মানুহটোৰ প্ৰতি ৰাইজখনৰ দায়িত্ব নাই নেকি? আমি নিষ্ঠুৰ নেকি? স্বাৰ্থপৰ তোষামোদকাৰীৰ বেষ্টনীত থাকি জুবিন হেৰাই গ'ল নেকি? এই সৰ্বগ্ৰাসী বজাৰখনত জুবিন কেৱল ক্ৰেতা আৰু বিক্ৰেতাৰ মাজৰ পণ্য হৈ পৰিল নেকি? আজি আমি নীৰৱ... নিস্তেজ... বাক্‌ৰুদ্ধ... শব্দহীন। ■

ফোন ঃ ৯৭১৭২৮৯৬৯৮

> এনে এজন ধৰ্মনিৰপেক্ষ মানুহ আমি **হেৰুৱাই পেলালোঁ। দুখ সামৰিব জানো,** দেউতাক **হেৰুৱাইছোঁ,** বহুতো আপোন **মানুহক হেৰুৱাইছোঁ। কিন্তু জুবিন নোহোৱা** দুখকণ সামৰিবলৈ অপাৰগ আজি।

# আঁকোৰালি ল'ম উত্তাল সাগৰ ধুমুহাৰ গৰ্জন...

**লাভলী বৰা**


হেমন্তৰ লঠঙা আবেলি, শৰতৰ কুঁৱলীৰে আবৰ নিটাল নিশা, বাৰিষাৰ বৰ্ষণমুখৰ দুপৰীয়া নিজানত নিৰলে যে বহিম, লগত মাথোঁ তেৰেঁই থাকিব।

**এ**ই পৃথিৱীৰ কোনোবা কোণত পাৰাপাৰহীন সাগৰখনে অসমৰ কেঁচা কলিজাটোক আঁকোৱালি লৈ ল'লে। হৃদপিণ্ডহীন অসমখন যেন ঢলিহে পৰিল!

অকণমানি টেপ ৰেকৰ্ডাৰ এটাত পুৱা-আবেলি পুৰণি অসমীয়া গীত বাজি থকা ঘৰ এখনত মোৰ জন্ম। মোৰ জন্মৰ এটা মাথোঁ বছৰৰ আগত 'অনামিকা' নামৰ এটি এলবামৰ জৰিয়তে এক নতুন অগতানুগতিক অসমীয়া কণ্ঠই অসমৰ আকাশ-বতাহ আলোড়িত কৰি তুলিছিল। আমাৰ টেপ ৰেকৰ্ডাৰত সেই নতুন গানবোৰ বাজিবলৈ লৈছিল। একো নজনাকৈ সেই কণ্ঠ ঘৰৰ চিনাকি মাতবোৰৰ মাজত ঘৰৰে মাত এটা হৈ প্ৰাণলৈ সোমাই আহিছিল। যি কণ্ঠৰ অধিকাৰী আছিল জুবিন গাৰ্গ! ১৯৭২ চনৰ ১৮ নৱেম্বৰত মেঘালয়ৰ তুৰাৰ পাহাৰত জন্ম হৈ ২০২৫ চনৰ ১৯ ছেপ্টেম্বৰৰ দিনটোত ছিংগাপুৰৰ সাগৰৰ মাজত চিৰশান্তিৰ কোলাত শুই পৰালৈকে এই জুবিন গাৰ্গে মাথোঁ গানেৰে-সুৰেৰে-কথাৰে-ছবিৰে-কবিতাৰে মানুহক বান্ধি লৈ গোটেই পৃথিৱীত দপ্‌দপাই ফুৰিলে।

অসমৰ প্ৰতিটো বিপদত এটা মাথোঁ আহ্বানত লাখ লাখ জনতাক এক কৰি থিয় কৰিব কৰা মানুহজন কায়িকভাৱে নোহোৱা হ'ল। কিন্তু জুবিন গাৰ্গ অসমীয়া মানুহৰ বুকুৰ সেইখিনিলৈ শিপাই আছে, য'ত কেৱল প্ৰাৰ্থনাৰ পোহৰ থাকে। পৃথিৱীত এনে কোনো শক্তি নাই, যি জুবিন গাৰ্গক অসমীয়াৰ হৃদয়ৰপৰা কাঢ়ি নিব পাৰিব। আমি নতুনৰ বুকুতো থাপি থৈ যাম আমাৰ জুবিন গাৰ্গক। হেমন্তৰ লঠঙা আবেলি, শৰতৰ কুঁৱলীৰে আবৰ নিতাল নিশা, বাৰিষাৰ বৰ্ষণমুখৰ দুপৰীয়া নিজানত নিৰলে যে বহিম, লগত মাথোঁ তেৰেঁই থাকিব। ভাগৰত তেওঁৰ মাত শুনিয়েই টোপনি যাম। অভিমান, অনুৰাগ, স্বাভিমান, অভিযোগ— ক'ত নাই জুবিন? তথাপি ভ্ৰমৰ এটা ৰাতিৰ অন্তত আজি মাথোঁ উচুপিছোঁ। জুবিন গাৰ্গ মৰণশীল মানুহৰ ঊৰ্দ্ধত বুলি ভাবি থকা মিছা সান্ত্বনা এটা মনৰপৰা আঁজুৰি আঁতৰাইছোঁ। গুৱাহাটী দূৰদৰ্শনযোগে প্ৰচাৰিত জুবিনৰ গীতৰ অনুষ্ঠানত তেতিয়াৰ কেঁকোৰা চুলিৰ জুবিন গাৰ্গে গোৱা 'আহে বা নাহে ঘুমটি' চাবলৈ পঢ়া টেবুলৰপৰা উঠাই অনা, জুবিন গাৰ্গৰ প্ৰতি আমাৰ বুকুত মোহ সৃষ্টি কৰা আমাৰ দেউতাৰ স্মৃতিয়ে আজি বৰকৈ আমনি কৰিছে। জুবিন গাৰ্গ যে গ'লগৈ, লগত লৈ গ'ল আমাৰ শৈশৱ-কৈশোৰ-যৌৱন-জীৱন! ■





# চিৰকাল থাকি যাব তেওঁৰ কণ্ঠ

**ৰাতুল কিশোৰ ডেকা**

১.

**স**ময় বিয়লি ২ বাজি ৪৫ মিনিট, শুকুৰবাৰ, ১৯ ছেপ্টেম্বৰ, ২০২৫ চন। স্থান ছিংগাপুৰ জেনেৰেল হাস্পতাল। সেই হাস্পতালৰপৰাই বিয়পি পৰিল প্ৰতিজন অসমীয়াৰ বাবে এক অদ্ভুত, অকল্পনীয়, অবিশ্বাস্য খবৰ। প্ৰাণৰ শিল্পী জুবিন গাৰ্গ আৰু নাই। প্ৰথম শুনিলে কোনোপধ্যেই মানি ল'ব নোৱৰা যেন এটা খবৰ। কাৰণ 'জুবিন' শব্দটোৱেই বোধহয় যোৱা চাৰে তিনি দশকত অসমৰ আকাশে-বতাহে সৰ্বাধিক উচ্চাৰিত। জুবিনৰ কণ্ঠটোৱেই সৰ্বত্ৰ গুঞ্জৰিত। জ্ঞাতে বা অজ্ঞাতে তেওঁৰ গান এটা নুশুনাকৈ বা তেওঁৰ গীতৰ কলি এটাৰ গুণগুণনি নোতোলাকৈ কোনো অসমীয়াৰ বোধহয় এটা দিনো পাৰ হৈ যোৱা নাই। সেই জুবিনক নিন্দা কৰিব পাৰি, সমালোচনা কৰিব পাৰি। কিন্তু জুবিনক ভাল নোপোৱাকৈ, তেওঁৰ প্ৰেমত নপৰাকৈ থাকিব নোৱাৰি। জুবিনক অসমীয়াৰ বুকুৰ শিল্পী বুলি ক'লে ভুল কোৱা নহ'ব, তেওঁ কেতিয়াবাই হৈ উঠিছিল জনতাৰ শিল্পী। এটা অনুষ্ঠান। ডঃ ভূপেন হাজৰিকাৰ পাছত কেৱল জুবিন গাৰ্গেই অসমীয়া শ্ৰোতাৰ হৃদয়ত এটা mass appeal-ৰ সৃষ্টি কৰিব পাৰিছিল। কেইবাটাও প্ৰজন্মৰ মাজত এখন সাঁকোৰ সৃষ্টি কৰিব পাৰিছিল। হাৰ্টথ্ৰব জুবিন যেন সঁচাকৈ আছিল প্ৰতিজন অসমীয়াৰ বুকুৰ স্পন্দন। সেই স্পন্দন যেন হঠাৎ স্তব্ধ হৈ গ'ল। অসমৰ আকাশখন যেন হৈ পৰিল উকা, ৰিক্ত, শূন্য। এটা উজ্জ্বলতম নক্ষত্ৰ যেন হঠাৎ খহি পৰিল।

২.

'অনামিকা'ৰে যাত্ৰা কৰিছিল যদিও জুবিনৰ সৈতে মোৰ প্ৰগাঢ় চিনাকি হৈছিল 'মায়া'ৰ জৰিয়তেহে। ভূপেন হাজৰিকাৰ গান শুনি থকা দেউতাই এদিন হঠাৎ আচৰিত কৰি লৈ আনিছিল এজন চুলি দীঘল ল'ৰাৰ কেছেট। কণ্ঠটোৱে নহয় ল'ৰাজনৰ বেশভূষা আৰু ষ্টাইলেহে প্ৰথমে দৃষ্টি কাঢ়িছিল। নিজকে বেলেগ ধৰণে তুলি ধৰিব খোজা ল'ৰাজনক দেখিলেই অনুমান কৰিব পাৰি তেওঁৰ মাজত এনে কিবা এটা আছে যি কাৰো মাজত নাই। 'মুক্তি'ৰ গানকেইটাই হৃদয়ত গভীৰ সাঁচ বহুৱাইছিল। 'মৃত্যু এতিয়া সহজ', সোণেৰে সজোৱা পঁজা জহি খহি যায়' আদি গীতেৰে তেওঁ ছিৰিয়াছ শ্ৰোতাসকলৰো আস্থাভাজন হৈ পৰিছিল। নিজৰ দুৰ্দমনীয় প্ৰতিভাৰে তেওঁ এটাৰ পাছত আনটো অবিস্মৰণীয় গীতৰ সৃষ্টি কৰিবলৈ ধৰিলে। জুবিনৰ অনুপম আৰু সুৰীয়া কণ্ঠত ৰোমাণ্টিক গানবোৰে বেলেগ ধৰণে প্ৰাণ পাই উঠিল। 'তুমি চোৱা যেতিয়া দুচকু তুলি', 'বিয়পি পৰিলে জানা', 'গাগৰি কঁকালত', 'ৰংমন ককায়ে কি যাদু কৰিলে', 'ৰং তুমি হোৱানে' আদি গীতে হাজাৰ হাজাৰ তৰুণ-তৰুণীৰ হৃদয়ত সিঁচি দিলে প্ৰেমৰ নতুন ভাষা, তুলিলে আৱেগৰ নতুন আলোড়ন। 'পাখি'ৰ গীতকেইটাই যেন সকলোকে চুই গৈছিল। 'পাখি পাখি এই মন', 'পাখি মেলি দিয়ে মোৰ গানে আজি', 'আহে বা নাহে ঘুমটি' আদি গীতবোৰে কি অদ্ভুত কোমলতাৰ সৃষ্টি কৰিছিল। মানুহৰ কণ্ঠ ইমান মিঠা হ'ব পাৰে, ইমান কোমল হ'ব পাৰে--- এই আৱিষ্কাৰৰ আনন্দই দিনবোৰ জীপাল কৰি ৰাখিছিল। কলেজত পঢ়ি থকা দিনত প্ৰায় সকলোৰে মুখতে শুনিছিলোঁ 'হিয়া দিয়া নিয়া'ৰ সেই বিখ্যাত হামিং। 'হিয়া দিয়া নিয়া', 'তুমি মোৰ মাথোঁ মোৰ', 'দাগ', 'নায়ক' আদি চিনেমাৰ গানবোৰ আমাৰ কলেজীয়া ডেকা ল'ৰাবোৰৰ মুখে মুখে আছিল। 'মায়াৱিনী' নোগোৱা লগৰ ল'ৰা খুবে কমেই পাইছিলোঁ। জুবিন গাৰ্গৰ প্ৰতিটো এলবামৰ কাৰণে উৎকণ্ঠিতভাৱে বৈ থাকিছিলোঁ। পূজা বা বিহুত নতুন এলবাম ৰিলিজ দিয়াৰ দিনটো আমাৰ কাৰণে আছিল আটাইতকৈ আনন্দৰ দিন, যি আনন্দ আমাক পূজা বা বিহুৰ নতুন কাপোৰেও দিব পৰা নাছিল। তেনে আনন্দৰ দিনবোৰতেই সাত জাঁপ মাৰি কিনি আনিছিলোঁ 'যন্ত্ৰ', মুখা', 'ৰুমাল' আদি এলবামবোৰ। 'এই মায়াৰ ধৰাত' আৰু 'মাজুলী' গীতটো যে কিমানবাৰ শুনিছিলোঁ হিচাপ নাই। সেই দিনবোৰ আছিল অসমীয়া কেছেটৰ সোণালী দিন। জুবিনৰো কিজানি Prime days.

তাৰ পাছৰটো দশকতো জুবিনক আৱিষ্কাৰ কৰি থাকিলোঁ নিত্য নতুন ৰূপত। তেওঁৰ কণ্ঠটো লাহে লাহে পৰি আহিছিল। ভবাতকৈ কিছু আগতীয়াকৈ। কিন্তু জুবিনৰ প্ৰতি আকৰ্ষণ কমা নাছিল। আমাৰ মাজত তেওঁ এজন বিৰল ব্যক্তিত্ব আছিল। বোহেমিয়ান, নন-কনফৰ্মিষ্ট। খাৰাংখাচ, খেয়ালী। যি ভাল পায় তাকেই কৰিছিল। কিন্তু তাৰ মাজতো তেওঁ সুন্দৰ সুন্দৰ গীত উপহাৰ দি থাকিছিল। খুব কমসংখ্যক মানুহেহে বুকুৰেও গীত গায়, জুবিন গাৰ্গ বুকুৰে গীত গাব জনা এজন অসীম প্ৰতিভাধৰ শিল্পী আছিল। তেওঁ নিজেই এবাৰ এটা ইণ্টাৰভিউত কৈছিল কষ্ট কৰিব পৰা তেওঁৰ অসীম 'কেপাচিটী' আছে। মাথোঁ ৫২ বছৰীয়া জীৱনটোত তেওঁ যি দি থৈ গ'ল, সেয়া সঁচাকৈ বিস্ময়কৰ। অসমত যে এনে এজন সকলোকে আন্দোলিত কৰিব পৰা অসীম প্ৰতিভাধৰ বিস্ময়কৰ শিল্পীৰ জন্ম হৈছিল, সেই কথা ভাবিও ভাল লাগে। সকলো দুৰ্দান্ত প্ৰতিভাধৰ মানুহৰ দৰেই তেৰোঁ আছিল অস্থিৰ, adventurous.

জুবিন গাৰ্গক আমি বিদায়ৰ মাত এষাৰো দিব নোৱাৰিলোঁ। তেওঁৰ বিভিন্ন পৰিকল্পনা আধৰুৱা হৈ থাকিল। তেওঁৰ আমাক দিবলৈ আৰু বহু কিবাকিবি আছিল। আমাৰো আৰু পাবলৈ বহু কিবাকিবি আছিল। দিবলৈও আছিল তেওঁক বহু মৰম। এজন প্ৰাণৱন্ত মানুহক সময়ে নিষ্ঠুৰভাৱে কাঢ়ি নিলে। জুবিন গাৰ্গ আজি নাই। কিন্তু তেওঁৰ কণ্ঠটো সদায় থাকি যাব। জুবিন গাৰ্গক অসমীয়া জাতিয়ে আৰু বহু মৰম দিবলগীয়া আছে। ■

> আমাৰো আৰু পাবলৈ বহু কিবাকিবি আছিল। দিবলৈও আছিল তেওঁক বহু মৰম। এজন প্ৰাণৱন্ত মানুহক সময়ে নিষ্ঠুৰভাৱে কাঢ়ি নিলে। জুবিন গাৰ্গ আজি নাই।

# গানে কি আনে

**দিগন্ত কুমাৰ ভট্টাচাৰ্য**

> পুৱতি নিশাৰ নিস্তব্ধতা ভাঙি একেৰাহে প্ৰায় তিনিঘণ্টা শুনিলোঁ একেটাই গান— 'তুমি চুলেই যে বসন্ত'

**১**৯৯৯ চনৰ ৩১ ডিচেম্বৰৰ সন্ধিয়া। পুৰণা বছৰক বিদায় দি নতুন বছৰটোক আদৰাৰ উলাহ সকলোৰে। তেতিয়া আমি জালুকবাৰীৰ অসম অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ ছাত্ৰ। আমাৰ হোষ্টেলতো বিৰাজ কৰিছিল নৱবৰ্ষক আদৰাৰ প্ৰস্তুতি। প্ৰায় আঠমান বজাত বন্ধু অবিনাশ মোৰ কোঠালৈ আহিল। মুখত মাত নাই। ভাবলেশহীন দৃষ্টি। আমি যিটো সন্দেহ কৰিছিলোঁ সেয়াই হ'ল। সি মনে-প্ৰাণে ভাল পোৱা মেঘালীয়ে হেনো যোৱা এসপ্তাহে দিন-ৰাতি একাকাৰ কৰি নিজ হাতে সাজি আগবঢ়োৱা তাৰ গ্ৰীটিংছ কাৰ্ডখন ল'বলৈ অস্বীকাৰ কৰিলে। একপক্ষীয় প্ৰেমত প্ৰত্যাখ্যাত হৈ কোনোবা এজন হঠাতে কেনেকৈ যে নিষ্প্ৰাণ-নিৰ্জীৱ হৈ যাব পাৰে প্ৰথমবাৰৰ বাবে উপলব্ধি কৰিলোঁ।

মই তাৰ অৱস্থাটো দেখিয়েই 'প্ৰেমেই সকলো নহয় অ' জীৱনত। অকল সেইজনীহে নে এই পৃথিৱীত?'— ধৰণৰ কিছুমান 'ৰেডিমেড' কথাৰে তাক সান্ত্বনা দিবলৈ চেষ্টা কৰিলোঁ। এনেতে কাষৰ ভাস্কৰৰ কোঠাৰপৰা ৰিণি ৰিণিকৈ গান এটি ভাহি আহিল। জুবিন গাৰ্গৰ কণ্ঠ। গানটো আগেয়ে শুনা নাই। ভাস্কৰৰ কোঠালৈ গৈ গম পালোঁ, দুদিনমান আগতে মুক্তি পোৱা জুবিনৰ নতুন এলবাম এটি। ছবিখনৰ নাম 'হিয়া দিয়া নিয়া'। সম্ভৱতঃ জুবিনে সংগীত পৰিচালনা কৰা প্ৰথম অসমীয়া ছবি। প্ৰথম গানটো শুনি বৈ গ'লোঁ। 'নহ'লে পৰিচয় হিয়াৰে, চিনাকি জানো কোনো হ'ব পাৰে...'— কি অপূৰ্ব কণ্ঠ, অভিনৱ সুৰ আৰু অনন্য কথা! কি জানো মন গ'ল, কেছেটখন লৈ আহি মোৰ কোঠাত থকা মিউজিক ছিষ্টেমটোত মৃদু ভলিউমত বজাবলৈ আৰম্ভ কৰি

৪ পৃষ্ঠাত চাওক



কবিতা

## ইয়াতকৈ আন্ধাৰ দেখা নাই...

**দিব্যজ্যোতি শৰ্মা**

ইয়াতকৈ আন্ধাৰ দেখা নাই ।

ইমান শনাহী সময়
ইমান নিদাৰুণ নিয়তি
ইমান সহ্যাতীত কালৰ সুহুৰি...
ইমান সহজেই কি থমকি ৰয় গানৰ পাখি ?

ইয়াতকৈ আন্ধাৰ দেখা নাই

ইমানকৈ দগ্ধ হোৱা নাই কেতিয়াও মুগ্ধ হিয়া
ইমানকৈ জ্বলি জ্বলি ছাই হোৱা নাই চকুৰ পানী
ইমান সশব্দে নমা নাই কাহানিও আকাশ ভাঙি বিজুলী
ইমান হঠাতেই হেৰোৱা নাই চোতালৰ জোনাক কাহানি !

ইয়াতকৈ আন্ধাৰ দেখা নাই

নাভাগৰাকৈ কিয় হেৰাই যায় জীৱনৰ প্ৰতিশ্ৰুতি !
কিয় গুচি যায় মানুহ উভতি নহাৰ বাটেদি ?
মন গ'লেই কি শুই দিব পৰাকৈ সুলভ সাগৰতলি ?
ইয়াতকৈ আন্ধাৰ দেখা নাই

ইয়াৰ পাছত কি, ইয়াৰ পাছত কোন !
ইয়াৰ পাছত জ্বলিবনে আকৌ আইৰ চকুত জোন
উভতিবনে কেতিয়াবা আইৰ বুকুৰ সোণ ?

ইয়াতকৈ আন্ধাৰ দেখা নাই
ইয়াতকৈ আন্ধাৰ দেখা নাই !

ফোন ঃ ৯৮৬৪৬৯৮১৯৫

## গানে কি আনে

**৩ পৃষ্ঠাৰ পৰা** ক্লাছ এইটত নেকি তেতিয়া। চুলি দীঘল মানুহটোৰ গানবোৰ বেলেগ। ক্লাছ টেনমান পাওঁতে প্ৰথম ভালপোৱা জাতীয় কিবা এটা বুকুত, তেজত ! অ ! এই মানুহটোৰ গানবোৰে দেখোন আমাৰ কথাবোৰ কৈ আছে ! দূৰে দূৰে থাকিবা কিমান আৰু !

পূজাত মানুহটোৰ নতুন কেছেট ওলায়। মাটিৰ টেকেলিত তিনিমাহৰ আগৰেপৰা খুচুৰা পইচা গোটাওঁ। পূজাত টেকেলি ভাঙি কিনি আনো আশা, ৰং, মুক্তি, পাখি ! এই যে পাখি শুনি আছিলোঁ, কলেজ পাইছোঁ কিজানি ! দেউতাৰ ৰঙা চকু, একে কোবে মাৰ বুকু— চকুপানী ওলাল। গানেৰে বাস্তৱ দেখুৱাই দিছে— মা-দেউতাৰ বয়স হৈছে। আমি কাষত থাকিব লাগে।

কি অদ্ভুত এটা মগজু, বুকু, তেজৰ এটা সত্তা। ক'ব পৰা নাই একো কথা... প্ৰকাশ কৰিব পৰা নাই। মানুহটোৰ গান এটা বাছি ল'লোঁ— কৈ দিলে সকলো কথা— নৈয়ে নৈয়ে উপঙিছোঁ, উটি অহা জাঁজিৰ দৰে, সাগৰ ক'ত সমুখত !

ক'ত আছিল মানুহটোৱে কঢ়িয়াই ফুৰা সাগৰখন !

সকলো পাহৰি নতুনকৈ জীৱনটো আৰম্ভ কৰিবলৈ মন, পৰা নাই। বাছি ল'লোঁ গান এটা আকৌ— অবাক অবাক, পোহৰ পোহৰ আজি মন !

কটনৰ শতবৰ্ষ। জুবিন আহিব, জুবিন আহিব। মানুহটোক যেন ল'ছালীমখাই খাই শেষ কৰি পেলাব ! কোঁচত ল'ব। বুকুত শোৱাব ! এনেকৈ জানো মানুহে কাৰোবাৰ বুকুত ঘৰ সাজিব পাৰে?

ভাবি থাকিলোঁ বহুদিনলৈ। মানুহটো কথা আৰু সুৰৰ যাদুকৰ। এদিন এটা ৰাতি কথা পাতিবলৈ পালোঁ বেলতলাৰ পূৰ্ণশিল্পমৰ শিল্পালয়ত। কলাগুৰুৰ মূৰ্তি এভাগ বনাই আছিলোঁ ভাস্কৰ দিগন্ত মাধৱৰ লগত সহায়ক হিচাপে। মূৰ্তিটো মানুহটোৱে নিব। কলাগুৰু উৎসৱলৈ।— শুনচোন, তহঁতে মানুহক হঁহুৱাব কিয় নোৱাৰ? সদায় সেই একেই বিষ্ণু ৰাভা, কান্দি থকাৰ নিচিনা। হঁহুৱাই দে। আমিয়েই যদি মানুহক নহঁহুৱাওঁ, কোনে হঁহুৱাব? মানুহক হঁহুৱাব লাগে বুজিছ !

তাৰ পাছত সাহিত্যৰ কথা। বাণীকান্ত কাকতি আৰু আনন্দৰাম বৰুৱাৰ বিষয়ে যিখিনি কথা মানুহটোৱে ক'লে, তেতিয়ালৈকে সেই কথা মই ক'তো পোৱা নাছিলোঁ। সেইদিনা মোৰ ভুল ভাগিল। মানুহটো কেৱল গানৰ মানুহ নহয়। এটা জিনিয়াছ।

ফোনত লিখি আছোঁ। স্ক্ৰীনত চকুপানী পৰিছে। মচি লৈ আকৌ লিখিছোঁ। এই যে অসমৰ ক'ৰবাৰ চুক এটাৰপৰা বেমাৰী মানুহ এটা গুৱাহাটীলৈ আহে— গুৱাহাটীত জুবিন আছে কিবা এটা কৰিব। নিজৰ সমষ্টিৰ বিধায়কৰ ওচৰলৈ নগৈ আহিছে জুবিনৰ ঘৰলৈ। জুবিন না বিধায়ক না এনজিঅ' ! কিন্তু অসমৰ চুকে-কোণে মানুহটোৱে মানুহবোৰৰ বুকুত বিশ্বাসৰ গছ এডাল ৰুলে— জুবিন নামৰ 'মানুহ' এটা আছে। সাধ্য অনুসৰি পৰাখিনি কৰিবই। অতি সাধাৰণ জকাইচুকৰ মানুহৰ বুকুত মহানগৰীৰ মানুহে এই বিশ্বাস জন্মাব পৰাটো কি সহজ কথা?

মোৰ লেখা পঢ়ি মোলৈ ফোন কৰা এজন পঢুৱৈৰ বয়স আশী পাৰ হৈছে। এদিন লেখাৰ বিষয়ে ফোন কৰোঁতে ক'লে— শুনাচোন শইকীয়া, চেকআপৰ বাবে গুৱাহাটীলৈ যাম, ক'ৰবাত জুবিনক এবাৰ লগ পাম নেকি? ফাংচনত দেখি থাকোঁ, ওচৰৰপৰা চাবলৈ মন !

আশী বছৰীয়া মানুহৰ হেঁপাহ জুবিনক লগ পোৱাৰ ! সেই অহোবলিয়া মানুহটোক। কি যাদু আছে মানুহটোৰ?

বাছত লিখি আহিছোঁ এইখিনি। সহযাত্ৰী আদবয়সীয়া। ইউটিউবত গান লগাই, মুখখন ৰুমালেৰে ঢাকি আহিছে। কান্দি আহিছে। ইউটিউবত ফোনৰ স্ক্ৰীনত থকা মানুহটো কালি ঢুকাইছে। বাছৰ ড্ৰাইভাৰে কৈছে— আজি বাছ আমনিত নৰখাওঁ। দোকানো বন্ধ, আমাৰো কালিৰেপৰা ভোক-পিয়াহ ক'ত গ'ল নাজানো !

হাকিমৰপৰা ড্ৰাইভাৰলৈ, জকাইচুকৰপৰা লণ্ডনলৈ। মানুহটো মানুহবোৰৰ বুকুত সোমাল আৰু কোনোদিন নোলাল।

জুবিন গাৰ্গ সেই মানুহটোৰ নাম।

মানুহ ??

নহয়। সময়। জুবিন এক সময়। যাদুকৰী সময়।

কি লিখোঁ আৰু? হেডফোনত বাজি আছে— হাতেৰে ঢুকি নোপোৱা জোনৰে ছবি !

চকুহাল মচি লওঁ। ওপৰৰ দুটা লাইন যদি আকৌ লিখোঁ সম্পাদকে কাটি দিব নেকি? জুবিন গাৰ্গ সেই মানুহটোৰ নাম। মানুহ ?? নহয়। সময়। জুবিন এক সময়। যাদুকৰী সময়।

সময়ৰ শেষ নাই। ■



আজি তেওঁ গুচি যোৱাৰ পাছতহে আমাৰ চেতন আহিল, আমাক কেৱল জুবিনৰ গান নালাগিছিল, জুবিনকো লাগিছিল। আজি সমগ্ৰ দেশে কান্দিছে !




# আমি তেওঁক বৰ সযতনে ৰাখিম

**চন্দনা পাঠক**

সঁচাকৈয়ে তেওঁ 'জিনিয়াছে'ই আছিল। যি সময়ত অসমৰ সংগীত জগতৰ আকাশে-বতাহে এটি নতুন সুৰ, এটি নতুন গান বিচাৰি হায়ৰাণ হৈ পৰিছিল, যি সময়ত অসমীয়া মানুহে অসমীয়া ভাষাত সুৰ গুণ গুণাবলৈ পাহৰি গৈছিল, হিন্দী বলয়ে গোটেইখন গ্ৰাস কৰিবলৈ লৈছিল, সেই সময়তে অসমৰ সংগীত জগতক ধৰি ৰাখিবলৈ আগবাঢ়ি আহিছিল এটি সৰু ল'ৰা ! বৰ কম সময়তে অসমীয়া সংগীতক এক নতুন মাত্ৰা, নতুন ধাৰা প্ৰদান কৰি প্ৰতি অসমীয়াৰ হৃদয়ত বিশেষ স্থান অধিকাৰ কৰি বহি গ'ল ওখ ল'ৰাজন। অসমীয়া সংগীতে নতুন গতি পালে। অসমৰ ৰাইজে পুনৰ নিজৰ সুৰ বিচাৰি পালে। আৰু হিয়াৰ আমঠু কৰি ল'লে সেই সৰু ল'ৰাটিক। হয়তো সুধাকণ্ঠ ডঃ ভূপেন হাজৰিকাৰ পাছত কোনো সংগীত শিল্পীয়ে অসমৰ ৰাইজৰপৰা ইমান মৰম, ইমান সমাদৰ পোৱা নাছিল !

'ইউকেলিপ্টাছ'ৰ দৰে ওখ ল'ৰাজনে কেৱল নিজৰ মৌলিক সৃষ্টিক লৈয়ে বহি নাথাকিল। অসমীয়া সংগীতৰ প্ৰতিটো শাখা, প্ৰতিটো ধাৰাক ন্যায় প্ৰদান কৰিবলৈ তেওঁ উঠিপৰি লাগিল। মানুহে তেওঁক পাগলৰ দৰে ভাল পাবলৈ ধৰিলে। তেওঁৰ গান শুনিবলৈ আকুল হৈ ৰৈ থকা কৰিলে। মানুহৰ এই ভালপোৱাৰ প্ৰতি সঁহাৰি জনাই তেওঁ অসমীয়া সংগীতৰ ভাৰখন নিজৰ কান্ধত পাতি ল'লে। বৰগীত, টোকাৰি গীত, লোকগীত, বনগীত, বিহুগীত, দিহানাম, জ্যোতি সংগীত, ৰাভা সংগীত, পাৰ্বতী সংগীত, ভূপেন্দ্ৰ সংগীত— মুঠতে একো বাদ নিদিলে। এফালৰপৰা অসমীয়া সংগীতৰ প্ৰতিটো ধাৰাকে নিজৰ কণ্ঠেৰে সামৰি ল'লে। মানুহে পাহৰি যোৱা গানবোৰ পুনৰ শুনিবলৈ ল'লে, বহুজনে গাবলৈয়ো আৰম্ভ কৰিলে। অসমীয়া সংগীত জগতত নতুন লহৰ উঠিল। বিশেষকৈ যুৱপ্ৰজন্ম অসমীয়া সংগীতৰ প্ৰতি বাৰুকৈয়ে আকৰ্ষিত হৈ পৰিল। আৰম্ভ হ'ল এটি নতুন যুগৰ— 'জুবিনৰ যুগ' !

জুবিনৰ জেউতিয়ে অসমৰ প্ৰতি ঘৰ পোহৰাই তোলাৰ পৰতে তেওঁ বলীউডতো প্ৰতিষ্ঠা লাভ কৰিছিল। কিন্তু, জুবিন কেৱল এজন পেছাদাৰী গায়ক নাছিল, জুবিন আছিল প্ৰকৃতাৰ্থত গণশিল্পী ! তেওঁ সংগীতক ভাল পোৱাৰ দৰে মানুহকো ভাল পাইছিল। নিজৰ জন্মভূমিখন এৰি থকাটো হয়তো জুবিনৰ বাবে সহজ নাছিল। অসমৰ মাটিয়ে টানিছিল তেওঁক। ঘূৰি আহিছিল অসমলৈ আৰু চল্লিশটা ভাষাত গান গোৱাজনে অসমীয়া সংগীতৰ বাবেই নিজকে সমৰ্পিত কৰি দিছিল। এই সমৰ্পণে আমাক বহুত দিলে। কিন্তু প্ৰশ্ন হয়, আমি জুবিনক কি দিলোঁ? ভাগৰিপৰা মানুহজনকচোন অকণ জিৰণি ল'বলৈয়ো সুবিধাকণ কৰি দিব নোৱাৰিলোঁ।

তিনি দশকজুৰি সফলতাৰ শীৰ্ষত আৰোহণ কৰি থকা মানুহজনে এন্ধাৰ হ'ব খোজা নাছিল। সেয়ে, ইমান ঈৰ্ষণীয় জনপ্ৰিয়তাৰ পাছতো নিজকে হেৰুৱাই পেলোৱা নাছিল। জুবিনৰ সৰলতাই সকলোকে আদৰি লৈছিল।

মানুহে বৰ সহজে জুবিনক লগ কৰিব পাৰিছিল, জুবিনৰ লগত কথা পাতিব পাৰিছিল, জুবিনক কথা শুনাবও পাৰিছিল। মন গ'লেই মানুহে ঘৰৰ ল'ৰাটোৰ দৰে জুবিনক সমালোচনাও কৰিব পাৰিছিল। যাদৃচ্ছিক, খেয়ালী অলপ অহোবলিয়া ল'ৰাজনৰ আচৰণে প্ৰায়ে ভেন গগ আৰু মাইকেল জেকচনলৈ মনত পেলাই দিছিল। 'জিনিয়াছ' মানুহবোৰ চাগে এনেকুৱাই। তেওঁলোক কেতিয়াও গাণিতীক নহয়, হ'ব নোৱাৰে। সেয়ে, জনতাৰ ইমান প্ৰিয়।

'জুবিন' 'জুবিনে'ই। সেয়ে চাগে তেওঁৰ মৃত্যুও এটি শিল্প হৈ ৰ'ল ! কিন্তু, আমাৰ বাবে এই মৃত্যু কোনোকালে স্বীকাৰ কৰি ল'ব পৰা বিধৰ নাছিল ! ক'ৰবাত আমি ব্যৰ্থ হ'লোঁ। জুবিনো এজন তেজ-মঙহৰ মানুহ আছিল ! তেওঁৰ শৰীৰ-মনত দুখ-কষ্ট আছিল। তিনি দশকজুৰি অবিৰত যাত্ৰাই এগৰাকী মহাৰথীকো ভাগৰাব পাৰে। কিন্তু, আমি জুবিনৰ ব্যক্তিগত জীৱনটোৰ কথা যেন পাহৰি থাকিলোঁ ! আমাক কেৱল জুবিনৰ কাম লাগে, জুবিনৰ গান লাগে ! 'এন্ধাৰ হ'ব নোখোজাজন'কো অলপ জিৰণিৰ প্ৰয়োজন আছিল। আমি আমাৰ স্বাৰ্থৰ বাবেই তেওঁক জিৰণি নিদিলোঁ। সেয়ে, তেওঁ নিজেই জিৰণি লৈ ল'লে... চিৰদিনৰ বাবে !

আজি তেওঁ গুচি যোৱাৰ পাছতহে আমাৰ চেতন আহিল, আমাক কেৱল জুবিনৰ গান নালাগিছিল, জুবিনকো লাগিছিল। আজি সমগ্ৰ দেশে কান্দিছে ! আৰু বিন্দাছ মানুহজনে চাগে ওপৰৰ পৰা চাই হাঁহিছে। তেওঁ আকৌ আহিব ! নতুন সপোন, নতুন জীৱন লৈ। এইবেলি আমি তেওঁক বৰ সযতনেৰে ৰাখিম। ■

# জুবিন গাৰ্গৰ নিৰ্মাণ পৰ্ব

**উৎপল মেনা**

জুবিন নিৰ্মাণ পৰ্ব আৰম্ভ হৈছিল ১৯৯২-৯৪ৰ সময়ছোৱাত। কেছেটৰ বজাৰলৈ আহিছিল 'অনুৰাধা' (১৯৯২), 'অনামিকা' (১৯৯২), 'মায়া' (১৯৯৪)। ক'ব পাৰি 'মায়া' জুবিনৰ সংগীত কেৰিয়াৰৰ টাৰ্নিং পইণ্ট। জুবিনৰ কণ্ঠ, কথা, সুৰেৰে নিৰ্মিত 'মায়া, মায়া মাথোঁ মায়া ...'ৰে অসমৰ সংগীত ৰসিকৰ মাজত 'সাংগীতিক মায়া'ৰ সৃষ্টি কৰিছিল। বিশেষকৈ যুৱ সমাজৰ মাজত 'জুবিন ইমেজ'-এ আকাৰ লৈছিল এই গীতটোৱে। সংকলটোত আছিল আৰু সাতটা গীত—'নিৰিবিলি গধূলি' (কথা ঃ জুবিন গাৰ্গ, কণ্ঠ ঃ জুবিন গাৰ্গ-কবিতা কৃষ্ণমূৰ্তি), 'জোনাকে...' (কথা ঃ কপিল ঠাকুৰ, কণ্ঠ ঃ জুবিন গাৰ্গ), 'ফুলেৰে সজালোঁ...' (কথা ঃ হীৰেন ভট্ট, কণ্ঠ ঃ কবিতা কৃষ্ণমূৰ্তি), 'দূৰে দূৰে...' (কথা-কণ্ঠ ঃ জুবিন গাৰ্গ), 'জোনাক গলা ...' (কথা-কণ্ঠ ঃ জুবিন গাৰ্গ), 'উন্মনা ...' (কথা-কণ্ঠ ঃ জুবিন গাৰ্গ), 'উজাগৰী... (কথা-কণ্ঠ ঃ জুবিন গাৰ্গ)। এই শ্ৰব্য সংকলনৰ পাছৰে পৰা 'এন কেৰ জুবিন' মানেই 'জনপ্ৰিয় গীত'ৰ ধাৰণাই শ্ৰোতাক চুলে। জুবিনৰ 'অনামিকা'ৰ জনপ্ৰিয় গীত দুটা হ'ল—'গানে কি আনে...' (কথা ঃ হীৰেন ভট্টাচাৰ্য, কণ্ঠ ঃ জুবিন গাৰ্গ), 'অনামিকা...' (কথা-কণ্ঠ ঃ জুবিন গাৰ্গ)। সংকলনটোৰ আনকেইটা গীত— 'পথে পথে...' (কথা ঃ সবিতা শৰ্মা, কণ্ঠ ঃ কবিতা কৃষ্ণমূৰ্তি), 'হিয়া দহে...' কথা-কণ্ঠ ঃ জুবিন গাৰ্গ), 'প্ৰীতিৰ সুবাসে...' কথা ঃ ৰেণু শৰ্মা, কণ্ঠ ঃ জুবিন গাৰ্গ), 'মনৰ নিজানত... (কথা-কণ্ঠ ঃ জুবিন গাৰ্গ)। 'কিয় জানো আজি...' কথা ঃ জুবিন গাৰ্গ, কণ্ঠ ঃ কবিতা কৃষ্ণমূৰ্তি-জুবিন গাৰ্গ), 'শুনা শুনা...' কথা ঃ জুবিন গাৰ্গ, কণ্ঠ ঃ জুবিন গাৰ্গ-কবিতা কৃষ্ণমূৰ্তি)।—এই গীত ৮টাৰ 'অনামিকা...' আৰু 'শুন শুন...' গীত দুটিৰ সুৰ যুটীয়াভাৱে জুবিন আৰু উৎপল শৰ্মাৰ। বাকীকেইটি গীতৰ সুৰকাৰ জুবিন। শ্ৰোতাই গায়কী আৰু সুৰৰ মাজত অনুভৱ কৰিছিল— অসমীৰ থলুৱা সুৰৰ সৈতে পশ্চিমীয়া ৰক সংগীতৰ মিশ্ৰণ ঘটাই নিৰ্মাণ কৰা 'নতুন ধৰণৰ অসমীয়া গীত।' এন কে প্ৰডাকচনৰ বেনাৰত নিৰ্মাণ কৰা এই শ্ৰব্য সংকলটোৱে লাহে লাহে বজাৰ দখল কৰে।—এই সংকলটোত স্বাভাৱিকতে 'জুবিন'ক বিশ্বাসত লোৱা নাছিল, কবিতা কৃষ্ণমূৰ্তিৰ সৈতে জুবিনক হাইলাইটলৈ আনিবলৈ চেষ্টা কৰিছিল। কিন্তু সময়ত জুবিন চৰ্চালৈ আহিছিল নিজৰে গায়কী শক্তিৰে। যি গায়কী শক্তিয়ে পূৰ্ণতা পাইছিল 'মায়া'ত। মনত আছে, ভালদৰে মনত আছে জুবিনৰ সাংগীতিক উত্থান স্পষ্ট হৈছিল। আৰু জুবিনৰ উত্থানত শংকিত হৈছিল সেই সময়ৰ কেইবাগৰাকীও জনপ্ৰিয় সংগীত শিল্পী, গায়ক। এই যে শংকিত হৈছিল, সেইসকললৈ সংবাদ মাধ্যমৰ সহায়ত এটা ঢৌ বোৱাবলৈ চেষ্টা কৰিছিল এই বুলি—জুবিনে অসমৰ থলুৱা সংগীতৰ ক্ষতি কৰিব। এনে ধৰণৰ চৰ্চাক মিছা বুলি প্ৰমাণ কৰি অসমৰ লোকাসংগীতকো জনপ্ৰিয় কৰিছিল। ■



# জুবিনবিহীন প্ৰতিদিন

**অভিজিৎ বৰা**

আইৰ কোলাতে শুনিছিলোঁ যি কণ্ঠ— নৱৈৰ দশকত জন্ম হোৱাৰ পাছত সেই কণ্ঠই আমাক শৈশৱৰপৰা কৈশোৰলৈ আৰু কৈশোৰৰপৰা যৌৱনলৈ লৈ আনিলে। জুবিন গাৰ্গৰ সুৰৰ আঁচল ধৰিয়েই আমি জীয়াই থাকিলোঁ। আমাৰ দেহৰ প্ৰতিটো স্তৰতে বৈ থাকিল জুবিন গাৰ্গৰ কণ্ঠৰ নৈ। জুবিনবিহীন প্ৰতিদিন আমাৰ কল্পনাৰো বাহিৰত। কত নিশাৰ চৰাই উৰি গ'ল সেই সুৰতে, কত পুৱাৰ ৰ'দ আহিল সেই সুৰতে, কত প্ৰেম মৰহিল— আকৌ ফুলিল সেই সুৰতে। এদিন জুবিন গাৰ্গক সুধিছিলোঁ— 'আপুনি এনেকৈ ভাবে নেকি যে এইটোৱে মোৰ শেষ গান হ'ব বা এইখনেই মোৰ শেষ চিনেমা হ'ব? ক'ৰবাত শেষ কৰি দিব নে মৃত্যুৰ আগমুহূৰ্তলৈকে আপুনি গান গাই থাকিব?' তেওঁ উত্তৰ দিলে— 'ব্ৰেইনটো এটা বেলেগ ধৰণৰ বস্তু, কেতিয়াবা ব্ৰেইনটো বন্ধ হৈ যায়। যেতিয়ালৈকে ব্ৰেইনে মোক কন্সিডাৰ কৰিব সৃষ্টিশীল হ'বলৈ, মই তেতিয়ালৈকে কাম কৰি থাকিম। যেতিয়া ব্ৰেইনে মোক ক'ব— ষ্টপ ইট, আই উইল ষ্টপ।'

জুবিন গাৰ্গৰ কণ্ঠ বন্ধ হোৱাৰ খবৰ জাতিটোৰ বাবেই এটা প্ৰচণ্ড জোকাৰণি। এই প্ৰচণ্ড কম্পন মাৰ যাবলৈ হয়তো বহুদিন লাগিব— বহু মাহ, বহু বছৰ। হয়তো এই জোকাৰণি ৰৈ যাব কাললৈ। জুবিন গাৰ্গ নাই মানেই এই জাতিৰ এতিয়া বহুত কিবাকিবিয়েই নাই। সেই কণ্ঠ অবিহনে আমাৰ প্ৰতিটো দিন আমি কেতিয়াও কল্পনা কৰিব নোৱাৰোঁ। এটা প্ৰচণ্ড জোকাৰণিত কঁপি আছোঁ— কঁপিয়েই থাকিম হয়তো। ■



# মৃত্যুৰ পাছতো যি অমৰ

**ডাঃ কৌশিক বাস্যস**

নৱৈৰ দশকত অসমীয়া নতুন প্ৰজন্মৰ যেতিয়া মাতৃভাষাটোৰ প্ৰতি মোহ ভংগ হৈছিল, তেতিয়াই জুবিন গাৰ্গ আৱিৰ্ভাৱ হৈ গান লিখি, গান গাই যুৱচামক পুনৰাই অসমীয়াৰ প্ৰতি আকৃষ্ট কৰিছিল। অসম্ভৱ জুবিন গাৰ্গ নামৰ সত্তাৰ উপস্থিতি। এক প্ৰতিকূল পৰিৱেশত তেওঁ অসমীয়া জনজীৱনক গতি দিছিল। প্ৰতিষ্ঠানক প্ৰশ্ন কৰিছিল। মানুহৰ লগত আছিল। বঞ্চিত শিল্পীৰ লগত আছিল। ভূপেন হাজৰিকাই সৃষ্টি কৰা এক ব্যতিক্ৰমী যাযাবৰী পৰম্পৰাৰ তেওঁ আচলতে সম্প্ৰসাৰণ। এক অসাধাৰণ প্ৰতিভাৱান শিল্পী। মৃত্যুৰ পাছতো যি অমৰ। মচ খাব নোৱৰা স্মৃতি। ■



# মানুহগৰাকী

**১ পৃষ্ঠাৰ পৰা** অবিনাশলৈ চাই ক'লোঁ— 'গানটো শুন, মনটো ভাল লাগিবও পাৰে।' এঘণ্টাৰ ভিতৰেত প্ৰায় দহ-বাৰমান বাজিল— নহ'লে পৰিচয় হিয়াৰে।

দেখিলোঁ অবিনাশৰ দুচকুৰে চকুপানীৰ সোঁত বৈছে। কিছুসময় পাছত সি শান্ত হ'ল। সি ক'লে— 'জুবিনৰ বহুকেইটা গানে মন-মগজু কঁপাই যায়, আজি সৰ্বশৰীৰ কঁপাই গ'ল !' সঁচাকৈয়ে সিদিনা সেইটো গানে মোৰো মনটো কঁপাই গৈছিল অজানিতে। সেই মেঘালীয়েই পাছলৈ অবিনাশৰ অৰ্দ্ধাংগিনী হ'ল। আজিও কেতিয়াবা লগ পালে সি কয়— 'সেই দিনটোৰ কথা, সেই সময়খিনিৰ অনুভৱ পাহৰিব নোৱাৰিম কেতিয়াও। জুবিনৰ নামটো শুনিলেই মোৰ সদায় গানটোৰ কথা প্ৰথমে মনলৈ আহে। এতিয়া সেয়া মোৰ বাবে কি যে এক সুখকৰ স্মৃতি !'

০০

কলেজৰ ইলেকচনৰ সময়। সেইবছৰ আমাৰ হোষ্টেলৰ ছিনিয়ৰ এজন সাধাৰণ সম্পাদকৰ প্ৰাৰ্থী। আমাৰ ব্যস্ততাৰ সীমা নাই। দুদিন শোৱা নাই। সেই ৰাতি 'বেনাৰ' লিখি আছিলোঁ আমি কেইজনমানে। টোপনিত দুচকু জলক-তবক। এজনে ভুলতে 'বহুমূলীয়া ভোট'ৰ সলনি 'বিনামূলীয়া ভোট' লিখিলে। দামী কাপোৰ। আকৌ ভুল শব্দটোৰ ওপৰত বগা ৰং কৰিলোঁ। কাষতে ডেকটোত গান বাজি আছে কিবাকিবি, যেন আমাক সংগহে দিছে সেই মাজনিশা। ৰাতি একমান বজাত এজনে 'জুবিনৰ নতুন কেছেট ওলাইছে' বুলি লৈ আহিল কেছেট এখন। বাজি আছে। আমাৰ মনোযোগ বেনাৰত। এনেতে গান এটা শুনি আমি ৰৈ গ'লোঁ।

'ৰিভাইণ্ড কৰ'— কোনোবাই ক'লে। আকৌ আৰম্ভ হ'ল গানটো। পুৱতি নিশাৰ নিস্তব্ধতা ভাঙি একেৰাহে প্ৰায় তিনিঘণ্টা শুনিলোঁ একেটাই গান— 'তুমি চুলেই যে বসন্ত'। গানটোৰ 'অন্তৰা'ত জুবিনে যেতিয়া মাতটো কঁপাই 'হাই-স্কেল'ত গায়— 'বুকুৰে মাজতে দেখোঁ জাগে সপোন', আমি ৰৈ যাওঁ। বাৰে বাৰে শুনিলেও হেঁপাহ নপলোৱা এটি গান 'তুমি, তুমি চোৱা যেতিয়া দুচকু মেলি, মোৰ আকাশ ভাগি নামে বিজুলী'। আমাৰ লগৰ যিজনক এই ৰিভাইণ্ড কৰা কামটো দিয়া হৈছিল, সি শেষত কৈয়েই দিলে— 'এ নোৰু আৰ... বিহে গৈইছি হাত'। আৰু ক'ব নোৱাৰাকৈয়ে আমাৰ বহুতৰে এক অন্যতম প্ৰিয় গীত হৈ পৰিল 'মেঘৰ বৰণ' এলবামটিৰ 'তুমি চুলেই যে বসন্ত'।

এতিয়াও এই গানটো কেতিয়াবা একেলেঠাৰিয়ে বহুবাৰ শুনোঁ আৰু প্ৰতিবাৰেই মই যেন উভতি যাওঁ পোন্ধৰ বছৰ আগৰ এই চি হোষ্টেলৰ সেই কোঠাটোলৈ— য'ত আছিল বিশৃংখল পঢ়া মেজ এখনৰ ওপৰত সৰু দুটি ছাউণ্ড বক্সৰে সৈতে লাখটকীয়াত কিনা এটি ডেক, এগাল ৰঙৰ বটল-তুলিকাৰ মাজত ইলেকচনৰ বেনাৰ কেইখনমান আৰু বাহিৰত পুৱতি নিশাৰ চৰাই-চিৰিকটিৰ মৃদু কলৰৱ, লগতে উখহা চকুৰে নিদ্ৰাবিহীন আমিবোৰ !

০০

ইঞ্জিনীয়াৰিং ডিগ্ৰীটো ফাইলত সুমুৱাই লোৱাৰ এবছৰ পাৰ হৈ যোৱাৰ পাছত আৰু গুৱাহাটীত থাকি একো নোহোৱাত, চাকৰিৰ সন্ধানত এদিন 'গুৱাহাটী-বাংগালোৰ' এক্সপ্ৰেছত উঠিলোঁ এটি সৰু বেগ কান্ধত ওলোমাই। নলবাৰী, পাঠশালা, বৰপেটা... ট্ৰেইন আগুৱাই গৈ থাকিল। অচিনাকি ঠাইবোৰ ইখনৰ পাছত সিখনকৈ আহি আহি দুচকু সিক্ত কৰিলে। কাণ দুখনত ওলোমাই ল'লোঁ শিলিগুড়িত কিনা সস্তীয়া 'ৱাকমেন'টো। লগত আছিল বিহুগীতৰ কেছেট এখন— 'মৰমজান'। দুকাণত বাজিল জুবিন গাৰ্গৰ কণ্ঠৰ বিহু হুঁচৰি— 'আইতা ঘৰতে নাই ও মৰমজান'। মনত অসম এৰি অহাৰ দুখ আৰু ইফালে জুবিনৰ কণ্ঠৰ বিহু— দুয়োটাই মিলি দুগাল বাৰুকৈয়ে টিয়ালে ক'ব নোৱৰাকৈয়ে। 'কেতিয়া যে আকৌ অসমত বিহু দেখিবলৈ পাম'— চিন্তাটোৱে জুৰুলা কৰিলে। পাছত লগৰবোৰে কয়— 'ভাই, বিহু শুনি কন্দা মানুহ কিজানি তয়েই প্ৰথম !' জুবিনৰ যাদুকৰী কণ্ঠই বিহুগীত বা বিহুসুৰীয়া গীতসমূহকো এক অনন্য মাত্ৰা প্ৰদান কৰে, যিয়ে শুনোতাজনৰ হৃদয় স্পৰ্শ কৰিব পাৰে মুহূৰ্ততে।

এতিয়াও 'আইতা ঘৰতে নাই অ' মৰমজান' শীৰ্ষক বিহু হুঁচৰিটো মোৰ এনে লাগে মই যেন শ্লিপাৰৰ ওপৰৰ বাৰ্থত বহি গৈ আছোঁ বাংগালোৰলৈ—ট্ৰেইন আগবাঢ়িছে ঝক ঝক ঝক... আৰু... আৰু মোৰ দুচকু সিক্ত !

মানুহগৰাকীৰ গানবোৰ মই যিখন প্লেলিষ্ট বনাই ৰাখিছোঁ সেইখনৰ নাম 'এণ্টিডিপ্ৰেচন'। কৈশোৰ শেষ হোৱাৰ সময়তেই জুবিন গাৰ্গৰ গানবোৰ জীৱনলৈ আহিছিল। এতিয়াও জীৱনৰ মধুৰ ক্ষণবোৰৰ কথা ভাবিলে, বেছিভাগৰে লগত এৰাব নোৱৰাকৈ যুক্ত হৈ থকা গানবোৰ ক'ব নোৱৰাকৈয়ে মনলৈ আহে। হোষ্টেলত কোঠাৰ লাইট অফ কৰি খিৰিকী খুলি 'পাখি পাখি এই মন'টোক শৈশৱলৈ দৌৰাই দুচকু সেমেকি উঠা উজাগৰী নিশা, অবিনাশৰ লগত 'নহ'লে পৰিচয় হিয়াৰে' শুনি শুনি কটোৱা ৩১ ডিচেম্বৰৰ ৰাতিৰ সেই সময়ছোৱা অথবা অবিৰতভাৱে বাজিও 'তুমি চুলেই যে বসন্ত' শুনাৰ হেঁপাহ সম্পূৰ্ণ হ'ব নোৱৰা সেই এদিন-এৰাতিৰ কথা... কিমান যে পাহৰিব নোৱৰা স্মৃতি ! যেতিয়াই জুবিনৰ 'খুঁটাত বগোৱা' বা 'মঞ্চত উদ্ভণ্ডালি' জাতীয় খবৰবোৰ পাইছিলোঁ, মনত কষ্ট হৈছিল, অশান্তি হৈছিল। তেতিয়াও এই শিল্পীজনক মনেৰে বেয়া পাবলৈ অপাৰগ আছিলোঁ, কাৰণ তেওঁৰ সৃষ্টিয়েই আমাৰ জীৱনৰ বহু ঘটনা অথবা মুহূৰ্তক কৰি তুলিছিল মধুৰতম। ■

ফোন ঃ ৯৮৫০৬০৮৬০৫